# সুৰেন দাস মহাবিদ্যালয় আলোচনী

২০০৮-২০০৯ বৰ্ষ



SUREN DAS COLLEGE MAGAZINE 2008-2009

সম্পাদক ঃ ব্ৰজেন চন্দ্ৰ মালাকাৰ

SUREN DAS COLLEGE MAGAZINE

SESSION - 2008-2009

# সুৰেন দাস মহাবিদ্যালয় আলোচনী

২০০৮-২০০৯ বৰ্ষ

**তত্ত্বাৱধায়ক**

**বিশ্বজিৎ কলিতা**

**সম্পাদক**

**ব্ৰজেন চন্দ্ৰ মালাকাৰ**

**PROF. IN-CHARGE**

**BISWAJIT KALITA**

**EDITOR**

**BRAJEN CH. MALAKAR**

সুৰেন দাস মহাবিদ্যালয় আলোচনী (২০০৮-২০০৯ বৰ্ষ)
সুৰেন দাস মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত ও সৰ্বস্বত্ব সংৰক্ষিত আৰু
ব্ৰজেন চন্দ্ৰ মালাকাৰৰ দ্বাৰা সম্পাদিত

## সম্পাদনা সমিতি

| | | |
|---|---|---|
| সম্পাদক | ঃ | ব্ৰজেন চন্দ্ৰ মালাকাৰ |
| তত্ত্বাৱধায়ক | ঃ | বিশ্বজিৎ কলিতা |
| শিক্ষক সদস্য | ঃ | বিষ্ণুকান্ত শৰ্মা |
| | | ড° গীতা ডেকা |
| | | মঞ্জুশ্ৰী বৰুৱা |
| | | ড° ৰীপিমা বুজৰবৰুৱা |
| ছাত্ৰ সদস্য | ঃ | বীৰেণ মালাকাৰ |
| | | ৰতন মালাকাৰ |
| | | চন্দন দাস |
| | | মানৱ কলিতা |
| | | নীহাৰিকা মালাকাৰ |
| | | পাঞ্চালী দাস |
| বেটুপাতৰ শিল্পী | | জিণ্টু মালাকাৰ |
| ৰেখাঙ্কন, অঙ্গসজ্জা আৰু অলংকৰণ | ঃ | কলিন্দ্ৰ তালুকদাৰ |
| প্ৰকাশক | ঃ | সম্পাদক |
| | ঃ | সুৰেন দাস মহাবিদ্যালয় ছাত্ৰ একতা সভা (২০০৮-২০০৯) বৰ্ষ |
| প্ৰকাশকাল | ঃ | ডিচেম্বৰ ২০১০ |
| ডি.টি.পি ছেটিং | ঃ | ৰমেন মালাকাৰ |
| মুদ্ৰণ | ঃ | অনুস্কা অফ্‌ছেট এণ্ড ডিজি ওৱৰ্ল্ড বাগ্‌টা, শিমলুতল |

❑❑❑

# উছৰ্গা

অন্যায়ৰ বিৰুদ্ধে দাং খাই উঠে যাৰ
দুহাত,
যিসকলে কাহানিও ভবা নাই জীৱন মানে
মাথো ব্যক্তিকেন্দ্ৰিকতাৰ বৃত্তত অৱগাহন,
যিসকলে শিকা নাই সততা ত্যাগ কৰি
আপোচকামী মানসিকতাৰে
নতজানু হ'বলৈ

সেইসকলৰ হাতত...
বৌদ্ধিক বৈপ্লৱিকতাৰ আদৰণিৰে...

# শ্ৰদ্ধাঞ্জলি

"ন জায়তে ম্ৰিয়তে ৰা কদাচিৎ নায়ং ভূত্বা ভৱিতা ৰা নভূয়ঃ।
অজো নিত্যঃ শাশ্বতোহয়ং পুৰাণো ন হন্যতে হন্যমানে শৰীৰে।।"



জন্ম ঃ ০৬/১১/১৯৫৪ ইং
মৃত্যু ঃ ২৬/০৭/২০১০ ইং

আমাৰ মাজৰ পৰা অকালতে হেৰাই যোৱা পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰু

**স্বৰ্গীয় সুবোধ চন্দ্ৰ চৌধুৰীদেৱ,**

যিজনাই বিভিন্ন ক্ষেত্ৰত জড়িত থাকি মহাবিদ্যালয়ৰ উন্নতিৰ যাত্ৰাত অৰিহণা যোগাইছিল, তেখেতৰ অকাল বিয়োগত আমি মহাবিদ্যালয় পৰিয়ালে সকাতৰে অশ্ৰু-অঞ্জলি যাঁচাৰ লগতে তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

# সূচীপত্ৰ


সম্পাদকীয় ঃ ০০১

চিন্তা শিল্প ঃ ০০৩-০৩৬

| | | |
|---|---|---|
| পৰম্পৰা আৰু ইয়াৰ অৱদান | অমূল্য কলিতা | ০০৩ |
| অসমীয়া জনসমষ্টিত প্ৰজাতীয় উপাদান | ড° ৰঞ্জু ঠাকুৰীয়া মেধি | ০০৬ |
| সাম্প্ৰতিক সময়ত মূল্যবোধ শিক্ষাৰ প্ৰাসঙ্গিকতা | ড° ৰীপিমা বুজৰবৰুৱা | ০০৭ |
| নিবনুৱা সমস্যা সমাধানত কাৰিকৰী শিক্ষাৰ ভূমিকা | ড° ৰীণাপাণি তালুকদাৰ | ০১০ |
| অসমৰ সভা মহোৎসৱ ঃ লোক-সাংস্কৃতিক তাৎপৰ্য | ড° গীতা ডেকা | ০১৩ |
| লোক পৰিবেশ্য কলাৰ অবিচ্ছেদ্য অঙ্গ ঃ ওজাপালি অনুষ্ঠান | পংকজ নমঃশূদ্ৰ | ০১৫ |
| হাজোৰ লোক উৎসৱ ঃ চ'ৰে বৰাত বা চৰাই পূজা | দীপাঙ্কৰ ঠাকুৰীয়া | ০২০ |
| ভোগৰ উৎসৱ ভোগালী আৰু জনজাতীয় লোক পৰম্পৰা | চন্দনা দাস | ০২২ |
| পৱিত্ৰ কোৰআন ঃ এটি চমু অৱলোকন | মঃ মনোৱাৰ হুছেইন | ০২৩ |
| পদ্মনাথ গোহাঞিবৰুৱা ঃ তেওঁৰ কবিতা | ড° জ্যোতিষ চন্দ্ৰ বৰ্মন | ০২৫ |
| গ্ৰন্থাগাৰ, গ্ৰন্থপাঠ আৰু সমাজ | হীৰেন্দ্ৰনাথ ভট্টাচাৰ্য | ০২৭ |
| মহাপুৰুষ শংকৰদেৱৰ মহত্ত্ব | চুমিতা দাস | ০২৯ |
| লিংকন হত্যা ঃ এটি মহান জীৱনৰ যৱনিকা | জিয়াউল হক | ০৩০ |
| নিৰ্দোষ ধেমালিৰ উৎসৱ এপ্ৰিল ফুল | নৱজ্যোতি দাস | ০৩৪ |
| ৰেগিং ঃ এক সামাজিক ব্যাধি | মখলিছৰ ৰহমান | ০৩৬ |

গল্প গুচ্ছ ঃ ০৩৭-০৪৮

| | | |
|---|---|---|
| শিৰোনামা | ড° লোপা বৰুৱা | ০৩৮ |
| শ্ৰদ্ধাঞ্জলি | ভাৰতী মেধি | ০৪২ |
| মানস-পুত্ৰ | নীহাৰিকা মালাকাৰ | ০৪৪ |
| মানৱতাৰ মৃত্যু | সংঘমিত্ৰা হাটখোৱা | ০৪৭ |
| মানৱীয় গুণ ক'ত হেৰাল | চাইদুৰ ৰহমান | ০৪৮ |

কবিতাৰ কুঁকি ঃ ০৪৯-০৫৪

| | | | |
|---|---|---|---|
| ঈশ্বৰৰ দান | আবুল হুছেইন | | |
| মালৈ | পাৰ্থপ্ৰতিম ৰাজবংশী | বিষ | আচাদুল্লা আলী |
| এটি মানস | ৰফিউল আখতাৰ হুছেইন | প্ৰভাতী সূৰ্যৰ অপেক্ষাত | ৰেজিনা ৰহমান |
| অপেক্ষা | মনিজা বেগম | নিঃশব্দ | অঞ্জলী দাস |
| অসম বিৰোধী | ৰাজদ্বীপ কলিতা | এটি স্তৱক | আচাদ উল্লা আলী |
| বেদনাৰ স্মৃতি | মতিউৰ ৰহমান | প্ৰেমৰ ধুমুহা | ফৰিদা চুলতানা শইকীয়া |
| ৰক্তবীজ | তনুজা বেগম | আহ্বান | ৰুণা লাইলা |
| হেপাঁহৰ নিশা | কণমানি বেগম | সন্ত্ৰাস | নেকিবুদ্দিন আহমেদ |
| তুমি এতিয়া বহুত দূৰত | ৰফিউল ইছলাম | কাল্পনিক গোলাপ | ছহিদুল হুছেইন |
| তোমাৰ চকুযুৰিত | অমল কুমাৰ দাস | বিষাদ | অনামিকা মালাকাৰ |

## সূচীপত্ৰ


উপন্যাস-সম্ভাৰ ঃ ০৫৫-০৭০

- স্মৃতিত ভাসমান তোমাৰ মৰম ★ ব্ৰজেন মালাকাৰ ☞০৫৬
- ৰাজকুমাৰ, ৰাজকুমাৰী আৰু বিলীয়মান দৈত্যৰ ছাঁ ★ পাপ্পালী দাস ☞০৬৬

ভিন্ন ছন্দ ঃ ০৭১-০৮০

- বৰগছডাল বাগৰি পৰিল (সোঁৱৰণ) ★ বিষ্ণুকান্ত শৰ্মা ☞০৭২
- জীৱনৰ শান্তি আহৰণত ধ্যান আৰু প্ৰাণায়াম (স্বাস্থ্য) ★ জিতেন্দ্ৰ বৰুৱা ☞০৭৪
- মধুমেহ দূৰ কৰাৰ প্ৰাকৃতিক উপায় (স্বাস্থ্য) ★ হৰজ্যোতি বৈশ্য ☞০৭৬ ★ প্ৰাঞ্জল কলিতা
- মোৰ উৰিষ্যা যাত্ৰা ঃ এটি অনুভূতি (ভ্ৰমণ কাহিনী) ★ চিত্ৰা ওজা ☞০৭৯

মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা প্ৰত্যয়ৰ পৰা ঃ ০৮১-০৮৪

**English Section : 085-106**

- ★ Folklore And Traditional Knowledge System... -Dr. Ali Akbar Hussain ☞086
- ★ How To Maintain Good Health -Abdur Rauf. ☞088
- ★ Tourism Education For The Rural Development Of Assam -Dr. Parul Das. ☞089
- ★ Theory Of Imitation : Indian And Greece -Biswajit Kalita. ☞093
- ★ Tourism In North-East India : An Overview -Meena Kumari Devi. ☞097
- ★ Venice - The City Of Pedestrians -Manjusri Barua. ☞101
- ★ Indo-China Relations -Dr. Ramen Medhi. ☞103

বিভাগীয় সম্পাদকৰ প্ৰতিবেদন ঃ ১০৭-১১৫

বাৰ্ষিক কলা ক্ৰীড়া মহোৎসৱত আমাৰ মহাবিদ্যালয় ঃ ১১৬-১১৭

মহাবিদ্যালয়ৰ ভিতৰচ'ৰাত ঃ ১১৮-১১৯

শেষ পৃষ্ঠাৰ চিন্তা ঃ ১২০



**Prof. O. K. Medhi**
Vice-Chancellor

☎ : + 91-361- 2570412 (O)
Fax : +91- 361- 2700311
email : vc_gu@yahoo.in

**GAUHATI UNIVERSITY**
Gopinath Bardoloi Nagar
Guwahati - 781014
Assam : India


## শুভেচ্ছা বাণী

মই জানিবলৈ পাই সুখী হৈছো যে, অইনবেলিৰ দৰে এইবেলিও ঐতিহ্যমণ্ডিত হাজোত অনুষ্ঠিত সুৰেন দাস মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ (২০০৮-০৯ ইং) খন প্ৰকাশৰ যো-জা কৰা হৈছে।

ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত সাহিত্যিক প্ৰতিভা বিকাশৰ ক্ষেত্ৰত মুখপত্ৰৰ উল্লেখযোগ্য বৰঙণি আছে। মই আশা ৰাখিছো, মুখপত্ৰখনত সন্নিবিষ্ট হ'বলগীয়া লিখনীসমূহে মহাবিদ্যালয়খনৰ ইতিহাসৰ চানেকি দাঙি ধৰিব আৰু নতুন প্ৰজন্মৰ বাবে এখন প্ৰেৰণাৰ বুৰঞ্জীলৈ ৰূপান্তৰিত হ'ব। ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যত জীৱনৰ বাবে নিজকে প্ৰস্তুত কৰি লোৱাৰ লগতে একোজন সৎ আৰু আদৰ্শবান ব্যক্তি হ'বলৈও প্ৰতিজ্ঞাবদ্ধ হ'ব লাগে।

সমূহ ছাত্ৰ-ছাত্ৰীৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কামনাৰে ..........

তাৰিখ ঃ ২৫-০৮-২০১০ ইং

O.K. Medhi

ড° অখিল কুমাৰ মেধি
উপাচাৰ্য
গুৱাহাটী বিশ্ববিদ্যালয়

অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১ ☎(০৩৭৬) ২৩২

গুৱাহাটী কাৰ্যালয় ঃ ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১ ☎(০৩৬১) ২৫১

ফেক্স ঃ ২৭৩

ডিফু কাৰ্যালয় ঃ ৰাংছিনা ভৱন, ডিফু-৭৮২৪৬০ ☎(০৩৬৭১) ২৭

ধুবুৰী আঞ্চলিক কাৰ্যালয় ঃ ধুবুৰী-৭৮৩৩০১ ☎(০৩৬৬২) ২৩

ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয় ঃ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮

ৰংবং তেৰাং
সভাপতি

## শুভেচ্ছা বাণী

অসমৰ পূণ্যতীৰ্থস্থান হাজোস্থিত সুৰেন দাস মহাবিদ্যালয়ে বাৰ্ষিক মুখপত্ৰখনি প্ৰকাশ কৰিব বুলি জানি সন্তোষ অনুভৱ কৰিছোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সুপ্ত সাহিত্যিক প্ৰতিভা বিকাশৰ বাবে অতিকৈ সুন্দৰ আৰু ফলপ্ৰসু প্ৰচেষ্টা এই মুখপত্ৰ। বিদ্যালয়-মহাবিদ্যালয় পৰ্যায়ৰ পৰাই উঠি অহা নৱ-প্ৰজন্মক সাহিত্য প্ৰতিভা বিকাশৰ বাবে এখন মঞ্চ প্ৰদান কৰাত এই মুখপত্ৰসমূহৰ অৱদান অতিকে গুৰুত্বপূৰ্ণ।

আশাকৰো, মুখপত্ৰখনিয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশত অৰিহণা যোগাব।

সমূহ শিক্ষাগুৰু তথা শিক্ষাৰ্থীসকললৈ মোৰ আন্তৰিক শুভকামনাৰে,

দিনাংক - ২৭ শাওণ, ১৪১৭ ভাস্কৰাব্দ

(ৰংবং তেৰাং)
সভাপতি

ব্যক্তিগত ঠিকনা ঃ হিলছ্ ভিউ কটেজ, থানা ৰোড, ডিফু- ৭৮২৪৬০
দূৰভাষ - ০৩৬৭১-২৭৩২৯৩, ৯৪৩৫৪-১৮৪৪৪



## অধ্যক্ষৰ মেজৰ পৰা...

মই জানিবলৈ পাই সুখী হৈছো যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই প্ৰকাশ কৰিবলগীয়া বাৰ্ষিক মুখপত্ৰখনৰ কাম-কাজ পূৰ্ণ গতিত চলিছে। মহাবিদ্যালয়ৰ মুখপত্ৰখনে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক প্ৰতিভা দাঙি ধৰাত এক মুখ্য ভূমিকা গ্ৰহণ কৰে। এখন মহাবিদ্যালয়ৰ মুখপত্ৰখনেই এখন দাপোণৰ দৰে কাম কৰি ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন ক্ষেত্ৰত থকা পাৰদৰ্শিতাৰ এক গুণগত মান প্ৰতিফলিত কৰে।

কিন্তু কেৱল বৌদ্ধিক ক্ষেত্ৰতেই নহয়, ব্যক্তি হিচাপে প্ৰতিষ্ঠিত হ'বলৈ হ'লে বৌদ্ধিক ক্ষেত্ৰৰ উপৰিও শাৰীৰিক আৰু মানসিক দিশতো একোজন ছাত্ৰ বা ছাত্ৰী সম্পূৰ্ণৰূপে সবল হ'ব লাগিব। এইক্ষেত্ৰত আগুৱাই যাবলৈ যিখিনি আমাৰ কৰণীয় তাত আমি কৃপণালি কৰা নাই। তেওঁলোকৰ সকলো দিশৰ উৎকৰ্ষতাৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ পাঠদান পদ্ধতি, অনুশাসন, তথা নিয়মানুৱৰ্তিতাৰ পূৰ্বতকৈ উত্তৰণ ঘটোৱা হৈছে। ইয়াৰ লগে লগে পূৰ্বৰে পৰা আমাৰ মহাবিদ্যালয়ত থকা বিভিন্ন পাঠ্যক্ৰমৰ উপৰিও নতুন কেতবোৰ পাঠ্যক্ৰমৰ সংযোজন ঘটোৱা হৈছে। সেই উদ্দেশ্যেৰেই এইবাৰো ফটোগ্ৰাফী পাঠ্যক্ৰমৰ সংযোগ ঘটাই নিয়মীয়াকৈ পাঠদান আৰম্ভ কৰা হৈছে। নিয়মানুবৰ্তিতাৰ ক্ষেত্ৰত গুট্খা আদিৰ প্ৰচলন বন্ধ কৰাৰ উপৰিও শ্ৰেণীকোঠাত সকলো ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতিৰ বাবে কঠোৰ স্থিতি লোৱা হৈছে। তৎসত্বেও ক'ব লাগিব যে সকলোৰে সহায়-সহযোগিতা অবিহনে আমি সফল হোৱা অসম্ভৱ। গতিকে সকলোৰে ইতিবাচক সঁহাৰি আশা কৰিলো।

শেহান্তৰত প্ৰকাশিতব্য আলোচনীখন সৰ্বাঙ্গসুন্দৰ হোৱাৰ কামনা কৰাৰ লগতে আলোচনী সম্পাদনা সমিতিলৈ শুভেচ্ছা জ্ঞাপন কৰিলো।

আন্তৰিকতাৰে,

(ড° ৰমেন তালুকদাৰ)



অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাবৃন্দৰ একাংশ



তত্ত্বাৱধায়িকাৰ সৈতে ছাত্ৰ একতা সভাৰ একাংশ সদস্য



# অধ্যক্ষৰ মেজৰ পৰা...

মই জানিবলৈ পাই সুখী হৈছো যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই প্ৰকাশ কৰিবলগীয়া বাৰ্ষিক মুখপত্ৰখনৰ কাম-কাজ পূৰ্ণ গতিত চলিছে। মহাবিদ্যালয়ৰ মুখপত্ৰখনে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক প্ৰতিভা দাঙি ধৰাত এক মুখ্য ভূমিকা গ্ৰহণ কৰে। এখন মহাবিদ্যালয়ৰ মুখপত্ৰখনেই এখন দাপোণৰ দৰে কাম কৰি ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন ক্ষেত্ৰত থকা পাৰদৰ্শিতাৰ এক গুণগত মান প্ৰতিফলিত কৰে।

কিন্তু কেৱল বৌদ্ধিক ক্ষেত্ৰতেই নহয়, ব্যক্তি হিচাপে প্ৰতিষ্ঠিত হ'বলৈ হ'লে বৌদ্ধিক ক্ষেত্ৰৰ উপৰিও শাৰীৰিক আৰু মানসিক দিশতো একোজন ছাত্ৰ বা ছাত্ৰী সম্পূৰ্ণৰূপে সবল হ'ব লাগিব। এইক্ষেত্ৰত আগুৱাই যাবলৈ যিখিনি আমাৰ কৰণীয় তাত আমি কৃপণালি কৰা নাই। তেওঁলোকৰ সকলো দিশৰ উৎকৰ্ষতাৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ পাঠদান পদ্ধতি, অনুশাসন, তথা নিয়মানুৱৰ্তিতাৰ পূৰ্বতকৈ উত্তৰণ ঘটোৱা হৈছে। ইয়াৰ লগে লগে পূৰ্বৰে পৰা আমাৰ মহাবিদ্যালয়ত থকা বিভিন্ন পাঠ্যক্ৰমৰ উপৰিও নতুন কেতবোৰ পাঠ্যক্ৰমৰ সংযোজন ঘটোৱা হৈছে। সেই উদ্দেশ্যেৰেই এইবাৰো ফটোগ্ৰাফী পাঠ্যক্ৰমৰ সংযোগ ঘটাই নিয়মীয়াকৈ পাঠদান আৰম্ভ কৰা হৈছে। নিয়মানুবৰ্তিতাৰ ক্ষেত্ৰত গুট্‌খা আদিৰ প্ৰচলন বন্ধ কৰাৰ উপৰিও শ্ৰেণীকোঠাত সকলো ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতিৰ বাবে কঠোৰ স্থিতি লোৱা হৈছে। তৎসত্বেও ক'ব লাগিব যে সকলোৰে সহায়-সহযোগিতা অবিহনে আমি সফল হোৱা অসম্ভৱ। গতিকে সকলোৰে ইতিবাচক সঁহাৰি আশা কৰিলো।

শেহান্তৰত প্ৰকাশিতব্য আলোচনীখন সৰ্বাঙ্গসুন্দৰ হোৱাৰ কামনা কৰাৰ লগতে আলোচনী সম্পাদনা সমিতিলৈ শুভেচ্ছা জ্ঞাপন কৰিলো।

আন্তৰিকতাৰে,

(ড° ৰমেন তালুকদাৰ)



অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাবৃন্দৰ একাংশ

তত্ত্বাৱধায়িকাৰ সৈতে ছাত্ৰ একতা সভাৰ একাংশ সদস্য





# অধ্যক্ষৰ মেজৰ পৰা...

মই জানিবলৈ পাই সুখী হৈছো যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই প্ৰকাশ কৰিবলগীয়া বাৰ্ষিক মুখপত্ৰখনৰ কাম-কাজ পূৰ্ণ গতিত চলিছে। মহাবিদ্যালয়ৰ মুখপত্ৰখনে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক প্ৰতিভা দাঙি ধৰাত এক মুখ্য ভূমিকা গ্ৰহণ কৰে। এখন মহাবিদ্যালয়ৰ মুখপত্ৰখনেই এখন দাপোণৰ দৰে কাম কৰি ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন ক্ষেত্ৰত থকা পাৰদৰ্শিতাৰ এক গুণগত মান প্ৰতিফলিত কৰে।

কিন্তু কেৱল বৌদ্ধিক ক্ষেত্ৰতেই নহয়, ব্যক্তি হিচাপে প্ৰতিষ্ঠিত হ'বলৈ হ'লে বৌদ্ধিক ক্ষেত্ৰৰ উপৰিও শাৰীৰিক আৰু মানসিক দিশতো একোজন ছাত্ৰ বা ছাত্ৰী সম্পূৰ্ণৰূপে সবল হ'ব লাগিব। এইক্ষেত্ৰত আগুৱাই যাবলৈ যিখিনি আমাৰ কৰণীয় তাত আমি কৃপণালি কৰা নাই। তেওঁলোকৰ সকলো দিশৰ উৎকৰ্ষতাৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ পাঠদান পদ্ধতি, অনুশাসন, তথা নিয়মানুৱৰ্তিতাৰ পূৰ্বতকৈ উত্তৰণ ঘটোৱা হৈছে। ইয়াৰ লগে লগে পূৰ্বৰে পৰা আমাৰ মহাবিদ্যালয়ত থকা বিভিন্ন পাঠ্যক্ৰমৰ উপৰিও নতুন কেতবোৰ পাঠ্যক্ৰমৰ সংযোজন ঘটোৱা হৈছে। সেই উদ্দেশ্যেৰেই এইবাৰো ফটোগ্ৰাফী পাঠ্যক্ৰমৰ সংযোগ ঘটাই নিয়মীয়াকৈ পাঠদান আৰম্ভ কৰা হৈছে। নিয়মানুবৰ্তিতাৰ ক্ষেত্ৰত গুট্খা আদিৰ প্ৰচলন বন্ধ কৰাৰ উপৰিও শ্ৰেণীকোঠাত সকলো ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতিৰ বাবে কঠোৰ স্থিতি লোৱা হৈছে। তৎসত্বেও ক'ব লাগিব যে সকলোৰে সহায়-সহযোগিতা অবিহনে আমি সফল হোৱা অসম্ভৱ। গতিকে সকলোৰে ইতিবাচক সঁহাৰি আশা কৰিলো।

শেহান্তৰত প্ৰকাশিতব্য আলোচনীখন সৰ্বাঙ্গসুন্দৰ হোৱাৰ কামনা কৰাৰ লগতে আলোচনী সম্পাদনা সমিতিলৈ শুভেচ্ছা জ্ঞাপন কৰিলো।

আন্তৰিকতাৰে,

(ড° ৰমেন তালুকদাৰ)



অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাবৃন্দৰ একাংশ



তত্ত্বাৱধায়িকাৰ সৈতে ছাত্ৰ একতা সভাৰ একাংশ সদস্য



# সম্পাদকীয়

## কিছু সপোন... কিছু চিন্তা... কিছু কল্পনা... কিছু উচ্ছ্বাস... অলপ বিলাস...

সকলোৰে দৰে মোৰো এটা সপোন আছিল। সপোনতেইতো মজি থাকে মানুহ অহৰহ। এনেকৈয়ে সপোন এটাৰ আলম লৈয়ে আৰম্ভ হৈ গ'ল এই সম্পাদকীয়ৰ। মই আনন্দৰাম ঢেকিয়াল ফুকন নহয় তথাপি মাতৃভূমিৰ মঙ্গল কামনা কৰিব পৰা মানসিকতা এটা মোৰ ভিতৰতো আছে। সেয়ে ফুকনদেৱৰ দৰেই প্ৰাৰ্থনা জনাওঁ - যি সময়ত অসম হাবি গুচি ফুলবাৰী হ'ব, গাঁৱে গাঁৱে হেজাৰ হেজাৰ পঢ়াশালি হ'ব, দুখ দাৰিদ্ৰৰ পৰিত্ৰাণৰ আলয় হ'ব, মানুহে সুখ-শান্তিৰে বাস কৰিব ..... হে কৃপাময় জগদ্বীশ্বৰ সেই সময় শীঘ্ৰে ঘটোৱা... !

আস্! ঘটিছে! ঘৰে ঘৰে ফুলবাৰী হৈছে, গাঁৱে গাঁৱে পঢ়াশালি হৈছে, চিকিৎসালয় হৈছে। কি হোৱা নাই এইখন দেশত? জৰুৰীকালীন বিনামূলীয়া এম্বুলেন্স সেৱাকে আদি কৰি সকলোখিনিয়েই হৈছে। আনকি নিবনুৱা সমস্যা দূৰ কৰিবলৈ নিশ্চিত শ্ৰমৰ গ্যাৰাণ্টিও চৰকাৰে দিছে। আমি সুখী হোৱা উচিত, নহয় জানো? আমাৰ সপোন ফলিওৱা নাই জানো?

আৰু আমি সপোন দেখাৰ দৰেই সকলোবোৰ হৈছে বাবেইতো ডেনী বয়েলৰ দৰে ব্যক্তিয়ে সাত সাগৰ তেৰ নদী পাৰ হৈ আহি আমাৰ দেশৰ প্ৰতিচ্ছবি বিশ্বৰ সন্মুখত দাঙি ধৰি 'অস্কাৰ'ৰ জয়মাল্য ডিঙিত পৰিধান কৰিব পাৰিছে। সেয়ে ডেনী বয়েলৰ সুৰত সুৰ মিলাই আমিও চিঞঁৰিছো - 'জয় হো!' 'জয় হো'ৰ আনন্দত উত্ৰাৱল হৈ আমি পাহৰি গৈছো যে এইখন ভাৰততে প্ৰতি দিনত পোন্ধৰ হাজাৰ শিশুৰ মৃত্যু ঘটি আছে।

'জয় হো'ৰ জ্বৰ শাম কটাৰ পিছতেই আহি গৈছে বিশ্বকাপৰ সন্নিপাত। এতিয়া গ্ৰামাঞ্চলৰ পেণ্ডুকণা এটায়ো চিনি পায় সোণালী চুলিৰ স্বল্পবসনা ছাকিৰাক। স্পেনিছতো দূৰৰেই কথা অসমীয়া মাধ্যমত পঢ়া কণমানি এটাৰ মুখতো আপুনি শুনিবলৈ পাব - 'ৱকা ৱকা..... ইট্‌ছ টাইম ফৰ আফ্ৰিকা!' মাল্টিমেডিয়া ফোনৰ কৃপাত প্ৰায়ভাগ যুৱক-যুৱতীৰে জেপত এতিয়া চিঞঁৰি ফুৰিব লাগিছে ছাকিৰাই। আৰু সেই সুৰতেই সেইসকলেও সুৰ মিলাইছে - "It's time for Africa..." কিন্তু কিয় তেওঁলোকৰ চেতনাত এই প্ৰশ্নৰ উদয় নহয় যে "It's time for Africa..." বুলি গোৱাতকৈ আমি এনেকৈয়ে গাব পাৰিব লাগিছিল -"It's time for Assam... It's time for India..." তেওঁলোকক সোধকচোন আমাৰ খোদ গুৱাহাটীত হৈ যোৱা 'নেচনেল গেম্‌ছ'ৰ 'মেছ্‌ক'ট'টোৰ নাম কি! সোধকচোন জ্যোতিপ্ৰসাদ বা বিষ্ণুপ্ৰসাদ ৰাভাৰ অৱদানৰ বিষয়ে! আস্ মই কিয় পাহৰি যাওঁ এতিয়া বিশ্বায়নৰ যুগ! এতিয়া বাহিৰলৈ, সুদূৰলৈ চোৱা দিন। নিজৰখিনি চোৱাৰ আহৰি ক'ত? সেইবাবেইতো মণিপুৰৰ মহিলাই যেতিয়া ভাৰতীয় সৈন্যৰ বিৰুদ্ধে ৰাজপথত উলঙ্গ হৈ "Indian army rape us" বুলি প্ৰতিবাদ সাব্যস্ত কৰিছিল তেতিয়া এচামে সেই প্ৰতিবাদকাৰীৰ গুপ্তাঙ্গ কোনোবাফালেদি দেখা পায় নেকি বাতৰি কাকততে চোৱাৰ প্ৰয়াস কৰা পৰিলক্ষিত হৈছিল। এয়াতো বিশ্বায়নৰ, ভোগসৰ্বস্ব জীৱনাকাংক্ষাৰেই দান। সেই বিশ্বায়নক জানো মূৰ নোদোঁৱাই থাকিব পাৰি! বিশ্বায়নৰ মহত্ত্বৰ বাবেই আজি এইখন ভাৰতত এহাতে আছে ডেনী বয়েল প্ৰদৰ্শিত হাজাৰ হাজাৰ স্লামড'গ্ কিম্বা অঘৰী কুত্তা আৰু আনহাতে

উজ্জীৱিত হৈ উঠিছে এচাম মুষ্টিমেয় মিলিয়নাৰ কিম্বা নিযুতপতি, যিয়ে পত্নীৰ জন্মদিনত একোখন আকাশীযান পৰ্যন্ত উছৰ্গা কৰি অৰ্থসৰ্বস্বতাৰে নিজৰ প্ৰীতি প্ৰতীয়মান কৰাৰ চেষ্টা কৰিবলৈ কুণ্ঠাবোধ নকৰে। বস্তুবাদী ভাবধাৰাৰে পুষ্ট বিশ্বায়নী মানসিকতাই প্ৰেম-প্ৰীতিৰ দৰে স্পৰ্শকাতৰ বিষয় এটাকো তুলি লৈ আহিছে বস্তুবাদী জোখৰ তুলাচনীলৈ।

তাহানিতে বেজবৰুৱাই কোৱাৰ দৰে আজিও 'প্ৰেমত ফুলিছে শতদল, প্ৰেমত ঘূৰিছে ভূমণ্ডল'। কিন্তু এই ঘূৰ্ণন যে অন্তৰাত্মাৰ আকৃতিৰ নিৰ্দেশত চলা ঘূৰ্ণন নহয়। এই ঘূৰ্ণন বস্তুবাদী ঘূৰ্ণন। আজি ভালপোৱাৰ যি সমদল চলিছে সেয়াতো প্ৰায়ক্ষেত্ৰতেই সৃষ্টি-যাত্ৰা নহয়। সেয়া শ্মশান যাত্ৰা! আমিও যোগ দিছো সেই শ্মশান যাত্ৰাত আৰু নিজৰ অজানিতেই চিঞঁৰি আছো - 'ৰাম নাম সত্য হেই'। কাৰণ যি ভালপোৱাৰ অনুভৱে মানুহক মানুহ হিচাপে গঢ় দিয়ে, মানৱৰ মানৱীয় প্ৰমূল্যক জগাই তোলে, সেই ভালপোৱাৰ কাহানিবাই মৃত্যু ঘটিছে! মন কৰকচোন, আপোনাৰ ভিতৰতো হয়তো শুনিবলৈ পাব সেই শ্মশানমুখী যাত্ৰাৰ শ্লোগান - 'ৰাম নাম সত্য হেই!... ৰাম নাম সত্য হেই!..' কিন্তু এই শ্মশানমুখী যাত্ৰাক আমি জীৱনমুখী কৰিব পাৰিম কেতিয়া? কিদৰে? আপুনিও সমাধানৰ বিষয়ে ভাবকচোন এবাৰ।

ইমানৰ পিছতো আমি স্বীকাৰ কৰিব লাগিব বিশ্বায়নৰ সুফলক। বিশ্বায়নৰ আপাহতেই আজি গঢ় লৈ উঠিছে আন্তঃৰাষ্ট্ৰীয় সদ্ভাৱ-সম্প্ৰীতি, সাহিত্য-কলা-কৃষ্টিৰ সহজ আদান-প্ৰদান আৰু পৰিপুষ্টি। আধুনিক মননত গঢ় লৈ উঠিছে বিজ্ঞাননিৰ্ভৰ তথা যুক্তিসৰ্বস্ব ধ্যান-ধাৰণাৰ। কিন্তু ইমানৰ পিছতো দুখ লাগে যেতিয়া হঠাৎ আৱিৰ্ভাৱ হোৱা একোটা যুক্তিহীন কথাক কেন্দ্ৰ কৰি কেতবোৰ যুক্তিহীন কাৰ্য বিশ্বায়নৰ গুৰুত্বক প্ৰাধান্য দিয়া লোকসকলেই কৰিবলৈ লয়। (উদাহৰণস্বৰূপে সদ্য সংঘটিত টেংলাই জ্বৰ আৰু ইয়াৰ প্ৰতিষেধক হিচাপে কাণত চুণ আৰু ডিঙি বা কঁকালত জাতিলাউৰ গুটি ওলমোৱা কাৰ্য দ্ৰষ্টব্য।) দুখ লাগে যেতিয়া পৰিবেশৰ ভাৰসাম্যহীনতাৰ বিষয়ে আন্তঃৰাষ্ট্ৰীয় গুৰু-গম্ভীৰ সন্মিলন এলানি চলি থকাৰ পিছতো নিজৰ ন্যস্ত স্বাৰ্থ পূৰণৰ তাগিদাত অৰণ্য ধ্বংসৰ দৰে কাৰ্যত এচাম আধুনিকতাবাদী মানুহক হাত উজান দিয়া দেখো! এই দুমুখীয়া চৰিত্ৰৰ ৰূপ পৰিগ্ৰহণৰ মুখ্য কাৰক কি? কৃষকসকল দেশৰ ধৰণীস্বৰূপ বুলি কোৱাৰ পিছতো এইখন দেশত হাজাৰ হাজাৰ কৃষকে কিয় আত্মহত্যা কৰিবলগীয়া হয়? দুমুখীয়া চৰিত্ৰ পৰিগ্ৰহণকাৰী এইসকল লোকে কাৰোবাৰ মানৱীয় প্ৰমূল্য বা বিশ্বাসক মৰ্যাদা দিবনে? কুণ্ঠাবোধ কৰিবনে বিশ্বাসঘাতকৰ ৰূপত অৱতীৰ্ণ হ'বলৈ?

কিন্তু মানুহৰ মানসিকতাৰ অৱনমন হ'লেও প্ৰকৃতিৰ স্ব-সৃষ্ট অৱনমন কাহানিও নহয়। সেয়ে প্ৰকৃতিয়ে কাকো বিশ্বাসঘাতকতা নকৰে। নকৰে স্ব-কক্ষৰ নিয়মভঙ্গ। সেইবাবেইতো ঋতুৰ পিছত নিয়মানুযায়ী ঋতু আহি আছে যাৰবাবে পৃথিৱী চলি আছে নৈমিত্তিক। তেন্তে আমি আমাৰ ব্যক্তিকেন্দ্ৰিকতাৰ উৰ্দ্ধলৈ যাব নোৱাৰো কিয়? কিয় নকৰো সেই প্ৰযত্ন? আহকচোন আমিও নতজানু হোৱাৰ প্ৰয়াস কৰো সুবিশাল নিসৰ্গৰ দৰে।

এই সম্পাদকীয় লিখি থকাৰ মুহূৰ্তত শৰতে হেন্দোলনি তুলিছে চৌপাশে। জোনাকৰ মিচিকি পোহৰত পথাৰৰ সোণোৱালী ধাননিৰ লগতে কুঁৱলী আৰু শেৱালীৰ ভৰপক জোঁৱাৰ। নিয়ঁৰত সেমেকা শেৱালীৰ সুবাসে আমোলমোলাই আছে পদুলি। আহো আহোকৈ সাজু হৈ আছে হিমসনা হেমন্ত। কিন্তু এই পৰিবৰ্তনৰ ৰূপৰেখা চাবলৈ ভোগবাদী মানুহৰ আহৰি ক'ত?... তথাপি ঋতুৰ আৱৰ্তন চলিয়ে থাকিব। আহি থাকিব এটাৰ পিছত এটাকৈ, যিদৰে এতিয়া আহি নাচি আছে শৰতে... জোনাক বিধৌত শেৱালী আৰু কুঁৱলীৰ মাজত।

সকলোটিলৈ শাৰদীয় শুভেচ্ছাৰে...

(ব্ৰজেন চন্দ্ৰ মালাকাৰ)





চিন্তা শিল্প

# পৰম্পৰা (Tradition) আৰু ইয়াৰ অৱদান

অমূল্য কলিতা
বুৰঞ্জী বিভাগ

*পৰম্পৰা শব্দটো ইংৰাজী 'ট্ৰেডিছন' অভিধাৰ সংস্কৃত সমাৰ্থক, ট্ৰেডিছন শব্দটো মূল লেটিন 'ট্ৰেডিছিও' (traditio) শব্দৰ পৰা উদ্ভৱ হৈছে। ইয়াৰ অৰ্থ হ'ল যি বংশানুক্ৰমে চলি আহিছে। ৰবাৰ্ট ৰেড ফিল্ডৰ মতে 'ট্ৰেডিছন'ৰ অৰ্থ চলি অহা কাৰ্য আৰু এটা পীৰিৰ পৰা আন এটা পীৰিলৈ যি চলি আহিছে সিয়েই পৰম্পৰা বা ট্ৰেডিছন। কোনো কোনো পণ্ডিতৰ মতে ট্ৰেডিছন কোনো এখন সমাজৰ স্বীকৃত ঐতিহ্য।*

আজিৰ সকলোবোৰ সু-সভ্য জাতিয়েই আদিম স্তৰৰ পৰা সু-সভ্য স্তৰলৈ
...ৰ বাবে ক্ৰমশঃ প্ৰচেষ্টা চলাই আহিছে।
...দিম মানৱে লিখিব আৰু পঢ়িব নাজানিছিল;
...পি তেওঁলোকে কোনো কোনো বিষয়ৰ
...ম সংগ্ৰহ কৰাৰ লগতে কিছু পৰিমাণে
...ক্ষণ কৰিব পাৰিছিল। তেওঁলোকৰদ্বাৰা
...হীত আৰু নিৰূপিত জ্ঞান, অভিজ্ঞতা,
...ঠন আৰু নীতি নিয়ম আদি তেওঁলোকৰ
...-পটত সংৰক্ষিত হৈছিল আৰু এইবোৰ
...ক আৰু কাৰ্য্যাত্মক বিভিন্ন আচৰণৰ
...য়তে সমাজত অভিজ্ঞাপিত হৈছিল। এই
...ৰ সংৰক্ষণ আৰু অভিজ্ঞাপন তথা
...ক্ষিত আৰু অভিজ্ঞাপিত বিষয়বোৰকেই
...পৰা বোলা হয়।

পৰম্পৰা শব্দটো ইংৰাজী 'ট্ৰেডিছন'
...ধাৰ সংস্কৃত সমাৰ্থক, ট্ৰেডিছন পদটো মূল
...টিন 'ট্ৰেডিছিও' (traditio) শব্দৰ পৰা
...ব হৈছে। ইয়াৰ অৰ্থ হ'ল যি বংশানুক্ৰমে
... আহিছে। ৰবাৰ্ট ৰেড ফিল্ডৰ মতে
...ডিছন'ৰ অৰ্থ চলি অহা কাৰ্য আৰু এটা
...ৰ পৰা আন এটা পীৰিলৈ যি চলি আহিছে
...ই পৰম্পৰা বা ট্ৰেডিছন। কোনো কোনো
...তৰ মতে ট্ৰেডিছন কোনো এখন সমাজৰ
...কৃত ঐতিহ্য। ইয়াত সেই সমাজৰ মূল্য পদ্ধতি, সামাজিক সংযুক্তি আৰু ব্যক্তিগত সংযুক্তিৰ পৰিমাপ থাকে।

পৰম্পৰাৰ অৰ্থ দেশ, কাল, পাত্ৰ ভেদে ভিন্ ভিন্ হোৱা দেখা যায়। আমেৰিকাৰ লোকবিদ্যাবিদসকলে সাত প্ৰকাৰে পৰম্পৰাক ব্যাখ্যা কৰিছে। অৰ্থাৎ সময়ে সময়ে যে পৰম্পৰা বা ট্ৰেডিছনৰ অৰ্থ সলনি হৈ থাকে তাত সন্দেহ নাই। প্ৰথমতে ইংৰাজী ট্ৰেডিছন অভিধানটোৰ প্ৰতিশব্দ স্বৰূপে সংস্কৃত বা আন আন ভাৰতীয় ভাষাত সম্প্ৰদায় আৰু পৰম্পৰা পদ দুটা ব্যৱহাৰ কৰা দেখা যায়।

দ্বিতীয়তে, তুলনামূলক ধৰ্মৰ পণ্ডিতসকলে tradition ৰ অৰ্থ বুজাবৰ বাবে 'sect' শব্দটোও প্ৰয়োগ কৰে। কিন্তু 'sect' শব্দটোৱে tradition ক স্পষ্ট ভাবে বুজাব পাৰে বুলি ক'ব নোৱাৰি। সম্প্ৰদায় পদটো মুখ্যতঃ প্ৰয়োগ কৰা হয় ধৰ্মৰ প্ৰধান শাখাসমূহক বুজাবলৈ; বিশেষকৈ ভাৰতীয় প্ৰসঙ্গত বৈষ্ণৱ সম্প্ৰদায় আৰু শৈৱ সম্প্ৰদায়। সম্প্ৰদায় পদটো বিশেষ এক সামাজিক পৰিস্থিতিত tradition বা পৰম্পৰাৰ প্ৰতিশব্দ স্বৰূপে ব্যৱহৃত হ'লেও বিদ্যায়তনিক পৰিভাষা হিচাপে ব্যৱহাৰ কৰিব নোৱাৰি। লোক সংস্কৃতি বা লোকবিদ্যাক পৰম্পৰাৰ বিজ্ঞান আখ্যা দিয়া হয়।

পৰম্পৰা দুবিধ, যেনে ঃ মৌখিক আৰু লিখিত। মূল পৰম্পৰাত যি সামাজিক আচৰণ পুৰুষেপুৰুষে বা এটা পীৰিৰ পৰা আন এটা পীৰিলৈ চলি থাকে সেয়ে মৌখিক পৰম্পৰা আৰু লিখিত ৰূপত যি সামাজিক আচৰণ এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ চলি থাকে তাক লিখিত পৰম্পৰা নামে জনা যায়।

পৰম্পৰাৰ অন্তৰালত লোক পদটোৰ অৰ্থ নিহিত হৈ থাকে। এলান ডাণ্ডেজৰ মতে নূন্যতম এটা উমৈহতীয়া উপাদানৰ অংশীদাৰ কোনো এক জনসমষ্টিয়েই লোক বা FOLK । সাধাৰণতে খেতিয়ক, গঞাঁ, নিৰক্ষৰ সমাজৰ নিম্নস্তৰৰ কৃষিজীৱী, হস্তশিল্পী আদি স্তৰৰ মানুহেই লোক বা জন FOlk। এই নূন্যতম উপাদানটোৱে সেই জনসমষ্টিৰ সৈতে সংযোগ আৰু সম্পৰ্ক ৰক্ষা কৰিবলৈ সক্ষম হ'ব লাগিব। এই উপাদানৰ পৰিসৰে ভাষা, ধৰ্ম, ব্যৱসায়-বাণিজ্য আদিক সামৰিব পাৰে। আনহাতে এই উপাদান সমূহৰ সৈতে বিশেষভাৱে জড়িত হৈ থাকিব লাগিব পৰম্পৰা আৰু এই পৰম্পৰাক তেওঁলোকে নিজৰ বুলি গ্ৰহণ কৰিব লাগিব। দৰাচলতে এটা গোষ্ঠী বা এটা দল বা এখন দেশৰ জনগণক এক কৰি ৰাখে তেওঁলোকৰ ঐতিহ্য বা পৰম্পৰাই।

লোক পৰম্পৰাক প্ৰধানকৈ দুটা ভাগত বিভক্ত কৰিব পাৰি- (১) লোক সাহিত্য বা বাচিক কলা আৰু লোক জীৱন। মূল পৰম্পৰা যুগে যুগে চলি অহা মৌখিক সৃষ্টি বা বাচিক কলাৰ নাম লোক সাহিত্য বা মৌখিক সাহিত্য। ই কেইটামান উপশ্ৰেণীত বিভক্ত, যেনে-

(ক) লোক সাহিত্য।
(খ) গদ্যধৰ্মী লোক কথা।
(গ) লোক ভাষা।
(ঘ) প্ৰবাদ-পটন্তৰ-প্ৰবচন; আৰু
(ঙ) সাঁথৰ বা দিষ্টান।

লোকজীৱন তিনিটা শ্ৰেণীত বিভক্ত। যেনেঃ
(ক) ভৌতিক সংস্কৃতি।
(খ) সামাজিক লোকাচাৰ।
(গ) লোক পৰিৱেশ্য কলা।

এই তিনিটা উপাদানক তলত দিয়া ধৰণে বুজাব পাৰি -










লিখিত ৰূপত যি সামাজিক আচৰণ এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ চলি থাকে তাক লিখিত পৰম্পৰা নামে জনা যায়। ভাৰতীয় লিখিত পৰম্পৰা আৰম্ভ হৈছে খৃষ্টপূৰ্ব তৃতীয় শতিকাত মহাৰাজ অশোকৰ ৰাজত্বকালত। বৌদ্ধধৰ্ম প্ৰচাৰৰ অৰ্থে তেওঁ তাম্ৰলিপি আৰু শিলালিপি লিখি দিয়াইছিল আৰু ইয়াৰ দ্বাৰা ভাৰতত লিখিত পৰম্পৰা আৰম্ভ হয়। মৌখিক পৰম্পৰা আৰু লিখিত পৰম্পৰা এটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি। সাম্প্ৰতিক কালত যি সংস্কৃতিত লিখিত পৰম্পৰাৰ আৰম্ভণিয়েই হোৱা নাই সেই সংস্কৃতিত সাংস্কৃতিক সমলবাজি বৰ্তমানো মৌখিক ৰূপতেই প্ৰচলিত। ভাৰতবৰ্ষৰ ক্ষেত্ৰত লিখিত পৰম্পৰা আৰম্ভ হ'বলৈ আঢ়ৈ হেজাৰ বছৰো হোৱা নাই। ইয়াৰ পৰা তিনিটা কথা স্পষ্ট হয় -

ক) লিখিত পৰম্পৰাৰ লগত লোক পৰম্পৰাৰ সম্পৰ্ক অবিছিন্ন।

খ) লিখিত পৰম্পৰাত লোক পৰম্পৰাৰ সমল সদা-সৰ্বদা বিৰাজমান।

গ) লিখিত পৰম্পৰাৰ লিখকে লোক পৰম্পৰা বা লোক সংস্কৃতি অৱগত কৰায়।

পণ্ডিতসকলৰ মতে সংস্কৃত সাহিত্যত (লিখিত) প্ৰচলিত অলংকাৰৰ পৰম্পৰা আহিছে মৌখিক পৰম্পৰাৰ পৰা। ৰামায়ণ, মহাভাৰত, পুৰাণ আদি মালিতা (Ballad) বা পুৰাবৃত্ত (Myth) ৰূপেহে প্ৰচলিত হৈছিল।পৰৱৰ্ত্তী কালতহে উপৰিউক্ত গ্ৰন্থসমূহে লিখিত ৰূপ লাভ কৰে। অসমৰ সাহিত্যিকসকলেও লোক পৰম্পৰাৰ আৰ্হিত সাহিত্য ৰচনা কৰা দেখা যায়। লোক পৰম্পৰাৰ আধাৰত উপন্যাস, নাটক আদি প্ৰণয়ন কৰি জনসাধাৰণৰ অন্তৰত জাতীয় চেতনা জগাই তুলিবলৈ সক্ষম হোৱাৰ প্ৰমাণ পোৱা যায় আইৰিছ, গ্ৰীচ আদি দেশৰ সাহিত্যত। অসম আৰু ইয়াৰ চুবুৰীয়া বঙলা সাহিত্যও এইক্ষেত্ৰত প্ৰসিদ্ধ।

লোক পৰম্পৰা আৰু লিখিত পৰম্পৰা এটা আনটোৰ পৰিপূৰক। উদাহৰণস্বৰূপে সাধুকথাৰ কথা ক'ব পাৰি। একেদৰে ... গীত এটাও কালক্ৰমত মৌখিক ৰূপৰ ... পাৰে। আনহাতে মৌখিক পৰ... লোকগীতে লিখিত ৰূপ লাভ কৰাৰ ... কোনোদিনে অস্বীকাৰ কৰিব নোৱাৰি ... লোক সাহিত্যই হওঁক বা লিখিত সাহি... উভয়ৰ মাজত সদা-সৰ্বদা এইপ্ৰক্ৰিয়া চ... ইয়াক তলত দিয়া চিত্ৰটোৰ পৰা বুজি...




কোনো কোনো লোকে ... পৰম্পৰাক অতীতৰ অন্ধ আনুগত্য ... বা স্থবিৰ বুলি ক'ব খোজে। ইয়াক স... বুলি ক'ব নোৱাৰি। সময়ৰ পৰিৱ... লগে সমাজ পৰিৱৰ্তিত হয় আৰু ... পৰিৱৰ্তনৰ লগে লগে ঐতিহ্য বা পৰ... পৰিৱৰ্তন ঘটে। সেয়ে আধুনিক ... আধুনিক জীৱনৰ অনুকূলে পৰ... আছে। বৰ্তমানো পৰম্পৰাকো ... জগতৰ বাস্তৱ অনুষঙ্গৰ প্ৰতি ... মূল্যায়ন কৰিবলৈ প্ৰয়াস কৰা হৈছে ... মূলতে হৈছে - পৰম্পৰাৰ পৰিৱৰ্তন, ... আৰু উত্তৰণৰ বীজ। হাৰ্বটলেণ্ডৰ মতে ... অগ্ৰগতিৰ লগে লগে পৰম্পৰাও ... হয়। আধুনিক পৰম্পৰা প্ৰাচীন পৰ... এক অভিনৱ অভিব্যক্তি মাথোন। ... পৰিবৰ্তনশীল মানৱৰ ... অনুকুলে পৰম্পৰাৰ পৰিৱৰ্তন ... পৰম্পৰাত থাকে অতীত, বৰ্তমান ... ভৱিষ্যতৰ সম্পৰ্ক। অতীত অবিহনে ... বৰ্তমান হ'ব নোৱাৰে, তেনেদৰে ... নোহোৱাকৈও ভৱিষ্যত নিৰ্মিত হ'ব ... গতিকে পৰম্পৰাত অতীত, বৰ্তমান ... ভৱিষ্যত তিনিওকালৰ সম্পৰ্কৰক্ষিত ... সেয়ে পৰম্পৰাৰ মৃত্যু নহয়, ... পৰিবৰ্ধন বা উত্তৰণহে হ'ব পাৰে।





পৰম্পৰা আশ্ৰিত সমাজত কেঁচা মাটিৰ ...ন্ধি থকা সাহিত্য সৃষ্টিত সাহিত্যিকসকলে ...মানিবেশ কৰা দেখা যায়। অতীতত এৰি অহা ...ৰ জীৱন বা লোক পৰম্পৰাৰ বৈশিষ্টৰাজিত ...ত্ব প্ৰদান কৰি তেওঁলোকে সাহিত্য ৰচনা ...ছিল nostalgia স্বৰূপে। পৰম্পৰাই ...তীয়তাবাদ প্ৰতিষ্ঠাতো সহায় কৰে। বিবিধ ...াত বিভক্ত ভাৰতীয় জাতি-উপজাতি 'আমি ...তীয়' এই জাতীয় ভাবটো জগাই তোলাত ...তীয় লোক সংস্কৃতিয়ে অতীতৰে পৰা ...হণা যোগাই আহিছে। ক্ষুদ্ৰ জাতি-সত্বাই ...ক বা বৃহৎ জাতি-সত্বাই হওঁক তেওঁলোকৰ ...তীয় পৰিচয় প্ৰদানত পৰম্পৰা বা লোক ...ৃতিৰ অৱদান উল্লেখনীয়। অসমৰ বিভিন্ন জাতিসকলে তেওঁলোকৰ নিজা নিজা জাতীয় পৰিচয় পাহৰিছিলেই, কিন্তু তেওঁলোকৰ Folklore-ৰ উপাদানৰাজিৰ আধাৰত জাতীয় পৰিচয় বা সত্বাৰ পুনৰ্জাগৰণ ঘটিছে। বুদ্ধিজীৱি, কুটনীতিজ্ঞসকলে সাধুকথা, গীত, প্ৰবচন, আচাৰ-অনুষ্ঠানত জাতীয় বৈশিষ্ট আৰু বিশেষত্ব বিচাৰি পায়। গ্ৰীম ভ্ৰাতৃদ্বয়ে বিশুদ্ধ নৰ্ডিক-জাৰ্মান দেশীয় পুৰাণ-কথা, আচাৰ-অনুষ্ঠান আৰু ধৰ্মীয় কৃত্য আদিৰ জৰিয়তে জাৰ্মান দেশত এক অভিনৱ জাতীয় সাংস্কৃতিক সংহতি স্থাপন কৰিবলৈ সক্ষম হৈছিল। আফ্ৰিকাৰ বিভিন্ন গোষ্ঠীৰ দল, অঞ্চল, ৰাজ্য আদিতো মৌখিক পৰম্পৰা আৰু লোক ইতিহাসে জাতীয়তাবাদী ভাৱধাৰা সৃষ্টিত অৰিহণা যোগাইছিল।

মুঠতে পৰম্পৰা লিখিত বা মৌখিক উভয়তে লোক সংস্কৃতিৰ বীজ নিহিত হৈ থাকে। পৰম্পৰা হৈছে লোক বা জনৰ সৃষ্টি। সেয়েহে ইয়াত অতিৰঞ্জনৰ বীজ নথকা নহয়। পৰম্পৰাৰ সমলত যিদৰে ঐক্য আৰু সংহতিৰ বীজ নিহিত থাকে, সেইদৰে ই বিভেদ আৰু বিচ্ছিন্নতাৰ বীজো ৰোপন কৰিব পাৰে। ইয়াৰ প্ৰমাণ পোৱা যায় ইতিহাসত সংঘটিত নৃ-গোষ্ঠীমূলক সংঘৰ্ষ আৰু ইতিহাসৰ ক'লা আখ্যানবোৰত।

❑❑❑



...ভিন্ন ছন্দ ঃ

## অহংকাৰ

*সংগ্ৰাহক - মঃ ইমৰাণ হুছেইন*
স্নাতক ২য় বৰ্ষ

এটা কোঠালিত এডাল মমবাতি আৰু এডাল ধূপ জ্বলি আছে। মমবাতিডালে ধূপক কৈছে, "হেৰা, তুমি বৰ ক'লা। তুমি ...ৰ ক্ষীণো। এই দেহাটোৰে তুমি কি কৰিবাহে? মোলৈ চোৱা। মই বগা আৰু বৰ ধুনীয়া লগতে শকতো। মোৰ শিখাৰেহে ...গাটেই কোঠাটো পোহৰাই ৰাখিছো।"

এনেতে এজাক মলয়া বতাহ সোমাই আহি মমবাতিৰ শিখাটো নুমাই পেলালে। কোঠাটো আন্ধাৰে গ্ৰাস কৰিলে। কিন্তু ...ৰ মাজতো ধূপডাল জ্বলি থাকি তাৰ সুগন্ধি বিলাই থাকিল।

❑❑

## ...লক্ষ চিন্তা কৰো আহা ঃ

...) আমাৰ বুদ্ধিমত্তাতকৈ হৃদয়খন বেছি জ্ঞানী।
...) পৃথিৱীখন সঁচাকৈয়ে বৰ ধুনীয়া, কিন্তু 'আধুনিক মানৱ' নামৰ এটা বেমাৰ আছে।
...) পৃথিৱীৰ আধামানুহে নাজানে বাকী আধা অংশই কেনেকৈ জীয়াই আছে।
...) পৃথিৱীত বাস কৰাতো বৰ খৰচী। কিন্তু ইয়ে সূৰ্যৰ চাৰিওফালে এপাক বিনামূলীয়াকৈ ভ্ৰমণ কৰাত সহায় কৰে।

❑❑

# অসমীয়া জনসমষ্টিত প্ৰজাতীয় উপাদান

ড° ৰঞ্জু ঠকুৰী
অসমীয়া

সময়ৰ সোঁতত প্ৰাচীন প্ৰাগজ্যোতিষপুৰে কামৰূপ আৰু অসম নাম পোৱাৰ দৰে এই দেশৰ জনসমষ্টিও ক্ৰমবিবৰ্তনৰ মাজেৰে অসমীয়া নামেৰে পৰিচিত হৈছেহি। অসমীয়া বুলি কোনো নিৰ্দিষ্ট প্ৰজাতিৰ লোকে দাবী কৰিব নোৱাৰে। বিভিন্ন যুগত বিভিন্ন প্ৰজাতিৰ লোক এই দেশলৈ আহিছে আৰু নিজ নিজ ভাষা তথা সাংস্কৃতিক বৈশিষ্ট ৰক্ষা কৰিও তাৰ মাজতেই পাৰস্পৰিক মিলা-মিচা আৰু আদান-প্ৰদানৰ যোগেদি ইয়াত বসবাস কৰি বৃহৎ অসমীয়া জাতিগঠনৰ প্ৰক্ৰিয়াত অৰিহণা যোগাইছে। এনেদৰে নানা জাতি আৰু জনজাতিৰ বিচিত্ৰ সমাবেশেৰে অসমীয়া জাতি গঢ়ি উঠিছে। সেয়ে আজিৰ অসমীয়াৰ গাত বিচাৰিলে পৃথিৱীৰ মূল জনগোষ্ঠীৰ প্ৰায় আটাইকেইটাৰে সংমিশ্ৰিত ৰূপ এটা বিচাৰি পোৱা যায়।

অসমৰ অধিবাসীসকলৰ বিষয়ে আলোচনা কৰাৰ আগতে আমি ভাৰতৰ জনগোষ্ঠীত থকা প্ৰজাতীয় উপাদানবোৰৰ বিচাৰ কৰা সমীচীন হ'ব। ভাৰতত থকা প্ৰজাতীয় উপাদান সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন ব্যাখ্যা আগবঢ়াইছে। ডেল্টন, ৰিজলী, হেডন ৰুগেৰি আদি বিদেশী পণ্ডিতৰ উপৰিও বি. এছ. গুহ আৰু সুনীতি কুমাৰ চট্টোপাধ্যায়েও এই সম্পৰ্কত চিন্তা-চৰ্চা কৰিছে। এই পণ্ডিতসকলে ভাৰতীয় লোকসকলক মূলতঃ ছয়টা ভাগত ভগাইছে। সেইকেইটা হ'ল -

ক) নেগ্ৰিটো বা নেগ্ৰইড,
খ) প্ৰট'-অষ্ট্ৰলয়দ,
গ) মঙ্গলয়দ,
ঘ) মেডিটেৰানিয়ান,
ঙ) ৱেষ্টাৰ্ণ ব্ৰেকীচেফাল আৰু
চ) নৰ্ডিক।

'অসমীয়া জাতি' বুলি কোনো নিৰ্দিষ্ট একক সত্বা নাই। বিভিন্ন জাতি-উপজাতিৰ সংমিশ্ৰণতহে বৃহত্তৰ অসমীয়া জাতি আৰু অসমীয়া সংস্কৃতি গঢ়ি উঠিছে।

ভাষাৰ ভিত্তিত আকৌ প্ৰট'-অষ্ট্ৰলয়দক 'অষ্ট্ৰিক', মেডিটেৰানিয়ানক 'দ্ৰাৱিড়', ৱেষ্টাৰ্ণ ব্ৰেকীচেফালক 'আলপিনয়ড দিনাৰেক-আৰ্মেনয়দ' আৰু নৰ্ডিকক 'আৰ্য' বোলা হয়।

অসমৰ জনসমষ্টিত প্ৰথম চাৰিটা অৰ্থাৎ নেগ্ৰিটো, প্ৰট'-অষ্ট্ৰলয়ড, মঙ্গলয়দ, মেডিটেৰানিয়ান আৰু শেষৰটো মানে নৰ্ডিকৰ সঁচ দেখা যায়।

অসমত নেগ্ৰিটো প্ৰজাতিৰ মানুহ স্পষ্টকৈ পোৱা নাযায় যদিও নগা জনজাতিবোৰৰ মাজত চুটি চাপৰ নেগ্ৰিটো জাতিৰ লক্ষণ ধৰা পৰিছে।

ভাষাৰ ভিত্তিত প্ৰট'-অষ্ট্ৰলয়ডক অষ্ট্ৰিক বুলি কোৱা হয়। অসমৰ চাহ বাগিছাত থকা কোল, মুণ্ডা, চাওতালসকল, প্ৰট'-অষ্ট্ৰলয়দৰ বংশধৰ খাছিয়া আৰু জয়ন্তীয়া সকলৰ ভাষাহে অষ্ট্ৰিক, কিন্তু জাতিৰ ফালৰ পৰা তেওঁলোক মঙ্গলয়দ।

ভাৰতৰ উত্তৰ-পূৱ অঞ্চলত বাস কৰা জনজাতিবোৰ মঙ্গোলীয় প্ৰজাতিৰ অন্তৰ্গত। এই জনসমষ্টিবোৰে বিভিন্ন সময়ত বিভিন্ন পথেৰে এই ৰাজ্যত প্ৰৱেশ কৰে। প্ৰাচীন সংস্কৃত সাহিত্যত কামৰূপৰ অনাৰ্য লোকসকলক 'কিৰাত' নামেৰে অভিহিত কৰিছিল। এই কিৰাতসকল মঙ্গোলীয় প্ৰজাতিৰ লোক। অসমৰ বড়ো, কছাৰী, ৰাভা, গাৰো, অকা, ডফলা, মিৰি, মিছিমি, আহোম, দেউৰী, চুতীয়া, মৰ... কোঁচ, ৰাজবংশী, আদিয়ে মঙ্গোলীয়... প্ৰধান জাতি। মঙ্গোলীয় লক্ষণ ... জনজাতিৰ মাজতেই সীমাবদ্ধ ... অসমীয়া জাতিগোটৰ (অসমীয়া... মাজত কম-বেছি পৰিমাণে মঙ্গো... সোমাই পৰিছে।

মেডিটেৰানিয়ানসক... সাগৰীয় অঞ্চলৰ পৰা ভাৰতলৈ ... তেওঁলোক অসমলৈ কেতিয়া আ... এতিয়ালৈ প্ৰমাণিত হোৱা নাই য... সামাজিক জীৱনত তেওঁলোকৰ প্ৰ... পৰিলক্ষিত হৈছে। বৰ্তমান অসমৰ ... কয়লা খনি, তেল পুং, আদিত কাম... হিচাপে বিস্তৃত পৰিমাণে মেডিটে... দ্ৰাৱিড় লোক আছে।

নৰ্ডিক প্ৰজাতিৰ লোক ... সকল পশ্চিম ফালেদি ভাৰতত ... কালিকা-পুৰাণৰ মতে নৰকে ঘটকা... কৰি কিৰাত সকলক সাগৰলৈ ... আৰু কৰতোৱা আৰু ললিতাকা... অঞ্চলত দ্বিজক প্ৰতিষ্ঠা কৰে। ... ঐতিহাসিক কালৰ পৰাই অসমত ... আগমন হৈছিল। অসমৰ সৰ্বসা... বেছি সংখ্যকে আৰ্যসকলৰ প্ৰতা... লোক।

আগতেই উল্লেখ কৰা... 'অসমীয়া জাতি' বুলি কোনো ... সত্বা নাই। বিভিন্ন জাতি-উ... সংমিশ্ৰণতহে বৃহত্তৰ অসমীয়া ... অসমীয়া সংস্কৃতি গঢ়ি উঠিছে। ... হয় - অসমীয়া জাতি সমন্বয়ৰ জা... সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। □







# সাম্প্ৰতিক সময়ত মূল্যবোধ শিক্ষাৰ প্ৰাসংগিকতা

ড° ৰীপিমা বুজৰবৰুৱা
ৰাজনীতি বিজ্ঞান বিভাগ

শিক্ষাই মানৱ জীৱনত এক প্ৰধান ভূমিকা গ্ৰহণ কৰে। ব্যক্তিৰ শাৰীৰিক, মানসিক ...ৰু চাৰিত্ৰিক সামৰ্থৰ গঢ় দিয়া কিছুমান কাৰ্য ... অভিজ্ঞতাই হৈছে শিক্ষা। ই হৈছে এটা ...োবাহিক প্ৰক্ৰিয়া যাৰ জৰিয়তে জ্ঞান, ...্যবোধ আৰু দক্ষতা এটা প্ৰজন্মৰ পৰা আন ... প্ৰজন্মলৈ হস্তান্তৰিত হয়। সেইবাবে শিক্ষাৰ ...ত্ব অপৰিসীম। কিয়নো পৰিয়াল, সমাজ, ... আৰু অৱশেষত সমগ্ৰ পৃথিৱীৰ ভৱিষ্যত ...াৰ দ্বাৰাই নিৰ্দ্ধাৰিত হয়। শিক্ষাই মানুহৰ ...ৰ চকু মুকলি কৰে আৰু সেইবাবে ইয়াক ...য় নেত্ৰ বুলিও কোৱা হয়। শিক্ষাৰ গুৰুত্বৰ ...য়ে অতীজৰে পৰা ভাৰতবৰ্ষত উপলব্ধি ... হৈছিল আৰু সেইবাবেই বিদ্যাহীন লোকক ...তুল্য বুলি গণ্য কৰা হৈছিল। ভৰ্তৃহৰিৰ ...শতকত কোৱা হৈছে -

*বিদ্যা নাম নৰস্য ৰূপমধিকং প্ৰচ্ছন্নগুপ্তং ধনং*
*বিদ্যা ভোগকাৰী যশঃ সুখকৰী বিদ্যা গুৰুণাং গুৰুঃ।*
*বিদ্যা বন্ধুজনো বিদেশগমনে বিদ্যা পৰং দৈৱতং*
*বিদ্যা ৰাজসু পুজিতা ন তু ধনং বিদ্যাবিহীনঃ পশুঃ।।*

সেইদৰে মনুসংহিতাতো পোৱা যায় ...অধিক বয়স, পকা চুলি, ধন আৰু অধিক ...বান্ধৱেৰে কোনো মহান নহয়। বিদ্বান ...হে মহান। বিদ্বান লোকৰ দ্বাৰাহে সমাজ ... সু-পৰিচালিত হ'ব পাৰে। সেইবাবেই ...লাৱে যাতে শিক্ষা লাভ কৰিব পাৰে সেই ...ৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে।

বৰ্তমান সময়ত শিক্ষা বুলি ক'লে সাধাৰণতে যিকোনা উপায় অৱলম্বন কৰি এটা ডিগ্ৰী আহৰণ কৰি জীৱিকা উপাৰ্জনৰ বাবে অৰ্হতা লাভ কৰাকে বুজা যায়। বিশ্বায়ন আৰু দ্ৰুত প্ৰযুক্তিগত বিকাশৰ যুগত বস্তুবাদী চিন্তাধাৰাই বেছিভাগ লোকক এনেদৰে গ্ৰাস কৰি পেলাইছে যে তেওঁলোকে প্ৰতিযোগিতাত নামি পৰিছে আৰু যিকোনো উপায়ে পাৰ্থিৱ বস্তু আহৰণৰ বাবে প্ৰচেষ্টা চলাইছে। প্ৰচলিত শিক্ষা ব্যৱস্থাই সমাজৰ পৰিবৰ্তিত পৰিস্থিতিৰ লগত খাপ খাব পৰাকৈ বিদ্যাৰ্থীক উপযুক্ত কৰাৰ ব্যৱস্থা কৰিছে। এনে শিক্ষাই পাৰ্থিৱ সুখ আহৰণত সহায় কৰিলেও উপযুক্ত মানুহ গঢ়ি তুলিব পৰা নাই। বৰ্তমান বেছিভাগ লোকেই



লক্ষ্যত উপনীত হ'বলৈ অসৎ উপায় অৱলম্বন কৰিবলৈও কুণ্ঠাবোধ নকৰে। দস্যু ৰত্নাকৰে পৰিয়ালৰ ভৰণ-পোষণৰ বাবে লুণ্ঠন কাৰ্যত প্ৰবৃত্ত হৈছিল। কিন্তু তেওঁৰ সেই পাপৰ ভাগ গ্ৰহণ কৰিবলৈ পৰিয়ালৰ কোনো এজন সদস্যও প্ৰস্তুত নাছিল। গতিকে উদ্দেশ্য সৎ হ'লেও তাৰবাবে গ্ৰহণ কৰা পদ্ধতি অসৎ হ'লে সেয়া গ্ৰহণযোগ্য হ'ব নোৱাৰে। লক্ষ্য আৰু ইয়াত উপনীত হ'বলৈ অৱলম্বন কৰা উপায়ৰ মাজত সু-সামঞ্জস্য নাথাকিলে প্ৰকৃত উদ্দেশ্য সাধন হ'ব নোৱাৰে।

আমাৰ সমাজতো উদ্দেশ্য সাধনৰ বাবে যিকোনো উপায় অৱলম্বন কৰাৰ মানসিকতা ক্ৰমাগতভাৱে বৃদ্ধি পাই আহিছে। সেইবাবেই সমাজত এফালে তথাকথিত শিক্ষিত লোকৰ সংখ্যা বৃদ্ধি পাইছে আৰু লগতে সামাজিক সমস্যা আৰু অশান্তিও বৃদ্ধি পাইছে। হত্যা, হিংসা, সংঘৰ্ষ, নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আসক্তি আদি সাধাৰণ কথা যেন হৈ পৰিছে আৰু লাহে লাহে যেন গ্ৰহণযোগ্যও হৈ পৰিছে। কিয়নো অপৰাধৰ লগত জড়িত ব্যক্তি ধৰা পৰিলেও বেছিভাগ ক্ষেত্ৰতে অভিযুক্তই শাস্তি পোৱাৰ পৰিবৰ্তে সমাজত মুক্তভাৱে বিচৰণ কৰি থকা পৰিলক্ষিত হয়।

এযাৰ কথা কোৱা হয় যে The end of education is character- অৰ্থাৎ শিক্ষাৰ উদ্দেশ্য হৈছে চৰিত্ৰ গঠন কৰা। প্ৰকৃত শিক্ষাই মানুহক ভাল আৰু বেয়াৰ মাজত পাৰ্থক্য নিৰূপণ কৰিবপৰা ক্ষমতা প্ৰদান কৰে। এই বিচাৰ ক্ষমতা মূল্যবোধৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে। সেইবাবেই মূল্যবোধবিহীন শিক্ষাক প্ৰকৃত শিক্ষা বুলি অভিহিত কৰিব পৰা নাযায়। প্ৰচলিত শিক্ষা ব্যৱস্থাত হয়তো এনে মূল্যবোধৰ অভাৱ ঘটাৰ ফলতেই ডিগ্ৰীধাৰী লোকৰ সংখ্যা বাঢ়িলেও, প্ৰকৃত শিক্ষাৰে শিক্ষিত লোকৰ সংখ্যা সেই অনুপাতে বঢ়া নাই। স্বামী বিবেকানন্দই

কৈছিল,"Education is not the amount of information that is put into your brain and runs riot there, undigested all your life. We must have life building, **man making** and character making assimilation of ideas.....Excess of knowledge and power, without holiness makes human beings devils." গতিকে কিছুমান তথ্য আহৰণ কৰিলেই শিক্ষা লাভ কৰা বুলি ক'ব পৰা নাযায়। মূল্যবোধৰহিত শিক্ষাই মানৱক দানৱলৈহে পৰ্যবসিত কৰে। শিক্ষা আৰু মূল্যবোধৰ মাজত অঙ্গাংগী সম্পৰ্ক থাকিলেও বৰ্তমান সময়ত দুয়োটাৰে মাজত এক ব্যৱধানৰ সৃষ্টি হৈছে। এই ব্যৱধানৰ কিছুমান নেতিবাচক প্ৰভাৱ হৈছে -

- ব্যক্তিস্বাৰ্থই সামূহিক স্বাৰ্থক নিয়ন্ত্ৰণ কৰিছে,
- জ্যেষ্ঠসকলৰ প্ৰতি শ্ৰদ্ধাৰ মনোভাৱ নোহোৱা হৈছে,
- দয়া, ক্ষমা, সততা, সহানুভূতি, স্নেহ আদি মানৱীয় গুণসমূহৰ অৱক্ষয় ঘটিছে,
- কৰ্মস্থলীত সততা আৰু সেৱাৰ মনোভাৱৰ পৰিবৰ্তে প্ৰৱঞ্চনাই প্ৰাধান্য লাভ কৰিছে,
- হত্যা, হিংসা, সন্ত্ৰাস আৰু আন বহুতো অপৰাধমূলক কাৰ্যই সামাজিক শান্তি ব্যাহত কৰিছে,
- ব্যক্তিগত আৰু সামাজিক দায়বদ্ধতাৰ মনোভাৱ নোহোৱা হৈছে।

সেইবাবেই বৰ্তমান সময়ত মানবীয় মূল্যবোধৰ শিক্ষাক সময়ৰ আহ্বান হিচাপে গণ্য কৰা হয়। মূল্যবোধ হৈছে সামাজিকভাৱে গ্ৰহণযোগ্য কিছুমান নীতি যাৰ জৰিয়তে সমাজৰ কোনো বস্তু, ব্যক্তি বা অৱস্থাৰ মূল্যায়ন কৰিব পৰা যায়। মূল্যবোধৰ ধাৰণা ব্যক্তি, সমাজ আৰু সংস্কৃতিভেদে পৃথক হ'ব পাৰে; কিন্তু সকলোৰে গ্ৰহণযোগ্য মূল্যবোধ কিছুমানো পোৱা যায়। মূল্যবোধসমূহ হৈছে এক ধৰণৰ মানদণ্ড যাৰ জৰিয়তে ব্যক্তিৰ আচৰণৰ মান নিৰ্ণয় কৰা হয়। আমাৰ প্ৰচলিত শিক্ষা আৰু মানৱীয় মূল্যবোধৰ শিক্ষাৰ মাজত কিছু পাৰ্থক্য আছে। প্ৰচলিত শিক্ষাই বিদ্যাৰ্থী এগৰাকীক কিছুমান তথ্যৰ যোগান ধৰি জীৱিকা উপাৰ্জনৰ বাবে উপযুক্ত কৰি তোলে। আনহাতে, মূল্যবোধৰ শিক্ষাই ব্যক্তিক মানসিক আৰু চাৰিত্ৰিক দিশত সবল কৰি গঢ়ি তোলে। মূল্যবোধ শিক্ষা হৈছে এনে এটা প্ৰক্ৰিয়া যাৰ জৰিয়তে বিদ্যাৰ্থীৰ মানসিকতা, আৱেগ আৰু চৰিত্ৰৰ উপযুক্তভাৱে বিকাশ সাধন কৰিব পৰা যায়। ই ব্যক্তিত্ব বিকাশৰ সকলো দিশ সামৰি লয়। মূল্যবোধৰ শিক্ষা হৈছে এক বিস্তৃত প্ৰক্ৰিয়া যিয়ে ব্যক্তিক শুদ্ধ-অশুদ্ধ, সজ-অসজ, ভাল-বেয়া, সুন্দৰ-বিকৃতৰ মাজত থকা পাৰ্থক্য নিৰূপণত সহায় কৰে। মানৱীয় মূল্যবোধৰ শিক্ষাই ব্যক্তিৰ অন্তৰত সুপ্ত হৈ থকা প্ৰেম, দয়া, কৰুণা, ক্ষমা, সহনশীলতা, কৃতজ্ঞতা আদি সহজাত গুণসমূহৰ বিকাশ সাধন কৰে। মূল্যবোধৰ কৰ্ষণে মানুহক চৰিত্ৰবান কৰে আৰু ৰূপান্তৰ সাধনত অৰিহণা যোগায়। এনে শিক্ষাই

মূল্যবোধ শিক্ষা হৈছে এনে এটা প্ৰক্ৰিয়া যাৰ জৰিয়তে বিদ্যাৰ্থীৰ মানসিকতা, আৱেগ আৰু চৰিত্ৰৰ উপযুক্তভাৱে বিকাশ সাধন কৰিব পৰা যায়। ই ব্যক্তিত্ব বিকাশৰ সকলো দিশ সামৰি লয়। মূল্যবোধৰ শিক্ষা হৈছে এক বিস্তৃত প্ৰক্ৰিয়া যিয়ে ব্যক্তিক শুদ্ধ-অশুদ্ধ, সজ-অসজ, ভাল-বেয়া, সুন্দৰ-বিকৃতৰ মাজত থকা পাৰ্থক্য নিৰূপণত সহায় কৰে।

- মাৰ্জিত ব্যক্তিত্বৰ বিকাশ সাধন কৰে,
- জীৱিকা উপাৰ্জনৰ বাবে উপযুক্ততা প্ৰদান কৰে,
- বৃত্তিগত দক্ষতা আৰু সততা বৃদ্ধি কৰে,
- চৰিত্ৰৰ বিকাশ সাধন কৰে,
- ব্যক্তিগত আৰু সামাজিক দায়বদ্ধতাৰ মনোভাৱ গঢ়ি তোলে।

ভাৰতত প্ৰাচীন কালৰে পৰা মূল্যবোধ শিক্ষাৰ প্ৰচলন আছিল। সেইসময়ৰ গুৰুকুল প্ৰথাত শিষ্যই গুৰুগৃহত থাকি শি[...]
কৰিছিল। গুৰুকুল ব্যৱস্থাৰ শিক্ষাৰ [...]
পাৰ্থিৱ আৰু আধ্যাত্মিক এই দুয়োধৰণৰ [...]
শিক্ষা প্ৰদান কৰা হৈছিল আৰু বি[...]
মূল্যবোধৰ ধাৰণা অপৰিহাৰ্যভাৱেই [...]
আছিল। গুৰুৱে শিষ্যসকলৰ শাৰীৰিক, [...]
নৈতিক আৰু আধ্যাত্মিক বিকাশত গুৰু[...]
শিক্ষা সমাপ্তিৰ পিছত সমাৱৰ্তন উৎস[...]
ভাষণত গুৰুৱে শিষ্যক পাৰিবাৰি[...]
সামাজিক জীৱনত পালন কৰিবলগী[...]
বিষয়ে উপদেশ দিয়াৰ লগতে 'মাতৃ [...]
পিতৃ দেৱো ভৱ, আ[...]
ভৱ, অতিথি দেৱো [...]
পিতৃ, শিক্ষাগুৰু আ[...]
দেৱতাৰ দৰে জ্ঞা[...]
'সত্যং বদ ধৰ্মং চৰ' ([...]
কথা ক'বা আৰু স[...]
কৰিবা) আদি বাণী [...]
বিদায় দিছিল। [...]
শিক্ষাৰ দ্বাৰা শিষ্য[...]
জীৱনৰ বাবে উপ[...]
তোলা হৈছিল।
সাম্প্ৰতিক সময়তো [...]
অৱক্ষয় বোধ কৰিবলৈ মূল্যবোধ [...]
উজ্জীৱিত কৰাৰ যথেষ্ট প্ৰাসংগিক[...]
১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিত[...]
শিক্ষাৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি[...]
যে - inculcation of values [...]
generation is a top [...]
urgency to meet the ch[...]
of the 3rd millenium. [...]
ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন [...]
(National Assesment [...]
Accreditation council-[...]
শিক্ষানুষ্ঠানসমূহত মূল্যবোধ শিক্ষা[...]
ওপৰত গুৰুত্ব আৰোপ কৰিছে। [...]
দ্বাৰা ২০০২ আৰু ২০০৭ চনত [...]
$A^{++}$ গ্ৰেডেৰে প্ৰত্যায়িত হোৱা [...]
পুত্তাপৰ্তীত অৱস্থিত শ্ৰী সত্য সাঁই [...]





[...]ৰিদৰ্শনৰ পিছত পিয়েৰ টীমে তেওঁলোকৰ [...]তিবেদনত উল্লেখ কৰিছে - "In the [...]esent context when we [...]itness reviewing conflicts all [...]er globally, there is a need for [...]e role of higher education, in [...]aping the character and [...]culcating higher principles in [...]dividuals. Education in [...]man values is imperative for [...]building the fabric of society [...]d ushering in harmony and [...]ace all around. The integral [...]ucation system of this [...]stitute is a tested model [...]signed to provide a balanced [...]mbination of academic [...]cellence and social [...]areness among students. The [...]er Team feels that this [...]titute stands out as a crest-[...]vel among the university [...]cation system in the country [...]l this model is worthy of [...]ulation by the institutions of [...]her learning in the country [...]l elsewhere, so that these [...]efits would be reaped fast [...]l on the widest possible [...]le." - এইদৰে তেওঁলোকে শৈক্ষিক [...]ক্ৰমত মানৱীয় মূল্যবোধক সংযুক্ত কৰা বাবে বিশ্ববিদ্যালয়খনক প্ৰশংসা কৰাৰ লগতে আন উচ্চ শিক্ষানুষ্ঠানসমূহেও ইয়াক আদৰ্শ হিচাপে গ্ৰহণ কৰা উচিত বুলি মত পোষণ কৰিছে।

মূল্যবোধ শিক্ষা প্ৰদানৰ ক্ষেত্ৰত পৰিয়াল আৰু শিক্ষানুষ্ঠানে প্ৰধান ভূমিকা পালন কৰিব পাৰে। এনে শিক্ষা প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰদান কৰিব পৰা যায়। মূল্যবোধ শিক্ষাৰ প্ৰক্ৰিয়াটোত তিনিটা কথা জড়িত হৈ থাকে- জনা বা অৱগত হোৱা, উপলব্ধি কৰা আৰু কাৰ্যত প্ৰয়োগ কৰা। সেইবাবে কেৱল বক্তৃতাৰ দ্বাৰা মূল্যবোধৰ শিক্ষা প্ৰদান কৰিব পৰা নাযায়। মূল্যবোধৰ শিক্ষা প্ৰদান কৰা ব্যক্তিগৰাকীৰ আচৰণত সেই কথা প্ৰকাশ পাব লাগে যাতে বিদ্যাৰ্থীয়ে তেওঁৰ আচৰণৰ পৰাও শিক্ষা লাভ কৰিব পাৰে। মূল্যবোধৰ শিক্ষা কেৱল মগজুৰ দ্বাৰা আহৰণ কৰিলে সেয়া সম্পূৰ্ণ নহয়। ইয়াৰ লগতে আৱেগ বা অন্তৰ জড়িত থাকিব লাগে। বিদ্যাৰ্থীয়ে কি ভাল কি বেয়া সেয়া জানিলে বা বুজি পালেই নহ'ব, সেয়া সম্পূৰ্ণ অন্তঃকৰণেৰে উপলব্ধি কৰি সেইমতে কাৰ্য কৰিলেহে মূল্যবোধ শিক্ষাৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হ'ব।

মূল্যবোধৰ শিক্ষাক কেৱল 'নীতি-শিক্ষা' হিচাপে এটা আচুতীয়া বিষয় কৰি ৪৫ মিনিটৰ শ্ৰেণী এটাত সীমাবদ্ধ কৰিব পৰা নাযায়। প্ৰত্যেক বিষয়ত সহজাত হিচাপে থকা মূল্যবোধক শিক্ষকে নিষ্কাষণ কৰি বিদ্যাৰ্থীক অৱগত কৰিলে কোনো এটা বিষয়ৰ কেৱল উপৰুৱা ভাৱে তথ্য আহৰণ কৰাৰ পৰিবৰ্তে গভীৰভাৱে উপলব্ধি কৰি বুজিব পৰা যায়। এনে শিক্ষা কেৱল পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ আহৰণ কৰা শিক্ষাৰ পৰিবৰ্তে স্থায়ী শিক্ষা হিচাপে পৰিগণিত হ'ব। শিক্ষাৰ পাঠ্যক্ৰমত মূল্যবোধৰ শিক্ষাক জড়িত কৰিব পাৰিলে বিদ্যাৰ্থীসকলক অৰ্থ উপাৰ্জন কৰা যন্ত্ৰ হিচাপে গঢ়ি তোলাৰ পৰিবৰ্তে প্ৰকৃত অৰ্থত মানৱ সম্পদ হিচাপে গঢ়ি তুলিব পৰা যাব বুলি আশা কৰিব পৰা যায়।

---

*প্ৰসঙ্গ-সূচী ঃ*


*১) বেদৰ পৰিচয় ঃ ড যোগীৰাজ বসু (১৯৭২)*

*২) মনু সংহিতা*

*৩) Value-Oriented Education: Edited by: Dr. V. Dayakara Reddy Dr. D. Bhaskara Rao (2006).*

*৪) Sathya Sai Education in Human Values: Compiled by: Loraine Burrows (1999).*

*৫) Fundamentals of Sri Sathya Sai Educare. Vol.I. Complied by: Ranvir Singh (2005).*

*৬) www.Education/wikipedia.com.*


□□□

# নিবনুৱা সমস্যা সমাধানত কাৰিকৰী শিক্ষাৰ ভূমিক

ড° বীণাপাণি তা
শিক্ষ

সম্প্ৰতি আমাৰ দেশৰ এটা জলন্ত সমস্যা হৈছে নিবনুৱা সমস্যা। নিবনুৱা সমস্যা সমাধানত কাৰিকৰী শিক্ষাই যথেষ্ট অৱদান আগবঢ়াব পাৰে। কাৰিকৰী শিক্ষা হৈছে এনেধৰণৰ শিক্ষা যাৰ জৰিয়তে শিক্ষাৰ্থীয়ে ব্যৱহাৰিক জীৱনৰ চাহিদা পূৰণ কৰিব পাৰে, কোনো উৎপাদনমুখী কৰ্মত স্বনিয়োজন কৰিবলৈ সক্ষম হয়। কাৰিকৰী শিক্ষা হ'ল সম্পূৰ্ণ কৌশলৰ শিক্ষা (Education of skill), জীৱনৰ প্ৰায়োগিক দিশৰ শিক্ষা। এই শিক্ষাই উপযুক্ত শিক্ষা লাভ কৰা ব্যক্তিক কৰ্মৰ ৰক্ষণাবেক্ষণ দিয়ে, শিল্প উদ্যোগৰ বিকাশত সহায় কৰে, সমাজৰ পৰা নিবনুৱা সমস্যা আঁতৰ কৰে আৰু শিক্ষাৰ্থীক ব্যৱহাৰিক জ্ঞানৰ পৰিপুষ্টি আৰু বিকাশত সহায় কৰে। কাৰিকৰী শিক্ষাৰ ফলস্বৰূপে জাতীয় উৎপাদন বৃদ্ধি হয়।

কাৰিকৰী শিক্ষাৰ জৰিয়তে ব্যৱহাৰিক জীৱনৰ বিশেষ কৌশল আয়ত্ব কৰি জীৱন সাফল্যমণ্ডিত কৰিব পাৰি। সেয়েহে বৰ্তমান ইয়াৰ প্ৰয়োজনীয়তা বাৰুকৈয়ে অনুভৱ কৰিবলগীয়া হৈছে। বৰ্তমান হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰাৰ পিছত উপযুক্ত কৰ্মসংস্থানৰ সুবিধা নাপাই নিবনুৱা হৈ অনাই-বনাই ঘূৰি ফুৰিবলগীয়া হৈছে। বিভিন্ন ধৰণৰ অনুষ্ঠান স্থাপন হ'লেও জনসংখ্যা অনুপাতে কাৰিকৰী শিক্ষানুষ্ঠানৰ সংখ্যা যথেষ্ট নহয়।

কুৰি শতিকাৰ আৰম্ভণিৰ লগে লগে কাৰিকৰী শিক্ষাই ভাৰতবৰ্ষত নতুন ৰূপৰ সূচনা কৰিছিল। বৰ্তমান কাৰিকৰী শিক্ষাৰ যি ধৰণৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছে স্বাধীনতাৰ আগতেও ভাৰতত বিভিন্ন শিক্ষা আয়োগসমূহে কাৰিকৰী শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে পৰামৰ্শ আগবঢ়াইছিল। ১৮৫৪ চনৰ উডৰ নিৰ্দেশাৱলীত বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত কাৰিকৰী বিষয় অন্তৰ্ভূক্ত কৰাৰ পৰামৰ্শ আগবঢ়াইছিল যদিও সেইবোৰ কাৰ্যকৰী কৰা নহ'ল।১৮৮২ চনৰ হাণ্টাৰ আয়োগেও পুনৰ এই শিক্ষাৰ আৱশ্যকতাৰ কথা দোহাৰিছিল যদিও সেইবোৰ কাৰ্যকৰী কৰাৰ বাবে কোনো পদক্ষেপ লোৱা নাছিল। ১৯৩৭ চনত মহামানৱ মহাত্মা গান্ধীয়ে তেওঁৰ বুনিয়াদী শিক্ষা ব্যৱস্থাত শিল্পকেন্দ্ৰিক শিক্ষাৰ জৰিয়তে আত্মনিৰ্ভৰশীলতাৰ ওপৰত গুৰুত্ব দিছিল। তেওঁ কৰ্মৰ জৰিয়তে শিক্ষা (learning by doing) আৰু শিল্পকেন্দ্ৰিক (craft centred) শিক্ষাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক ভৱিষ্যত জীৱনৰ বাবে নিজকে প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব দিছিল। স্বাধীনতাৰ পিছতো গঠন হোৱা শিক্ষা আয়োগসমূহে কাৰিকৰী শিক্ষানুষ্ঠান স্থাপনৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়াইছিল। ১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগে উচ্চতৰ মাধ্যমিক শিক্ষা লাভৰ পাছত কাৰিকৰী আৰু বৃত্তিমুখী শিক্ষাগ্ৰহণৰ পোষকতা কৰিছিল। ইয়াৰ মূল উদ্দেশ্য আছিল নিয়োগৰ সুযোগ বৃদ্ধি তথা আত্মসংস্থান লাভত সহায় কৰা। ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগেও শিক্ষাক উৎপাদনৰ সৈতে জড়িত কৰি কৰ্ম অভিজ্ঞতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিতো কাৰিকৰী শিক্ষাৰ জৰিয়তে মানৱ সম্পদ বৃদ্ধিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা দেখা যায়।

অসমত কাৰিকৰী শিক্ষাৰ অ... স্বাধীনতাৰ আগলৈ অতি সন্তোষজনক... অসমত কাৰিকৰী শিক্ষাৰ সূত্ৰপাত... ঊনবিংশ শতাব্দীৰ শেষৰ পিনে। স্ব... আগতে অসমত এখন নামজ্বলা কাৰি... আছিল। প্ৰিন্স অৱ ৱেলছ ইনষ্টি... (Prince of Wales instit... Engineering and Techno... ইয়াৰ বাহিৰেও সেই সময়ত গঢ়ি উঠা... শিক্ষাৰ প্ৰতিষ্ঠানসমূহ হ'ল-(১) জাল... থকা 'ছাৰ্ভে স্কুল' (২) ডিব্ৰুগড়ৰ 'বেৰী... মেডিকেল স্কুল' (৩) গুৱাহাটী আৰু ... থকা কমাৰ্চিয়েল স্কুল। ইংৰাজসক... কৰ্মচাৰী প্ৰস্তুত কৰাৰ অৰ্থে অসমত... শিক্ষাৰ প্ৰশিক্ষণ কেন্দ্ৰ খুলিছি... অনুষ্ঠানবোৰ শদিয়া, তেজপুৰ, ... গুৱাহাটী, শিলচৰ আৰু ছিলঙ... কৰিছিল। এই অনুষ্ঠানবোৰত কমাৰ, ... বাঢ়ৈ, আদি বিভিন্ন ধৰণৰ প্ৰশিক্ষ... কৰিছিল। স্বাধীনতাৰ পিছত অসমত ... শিক্ষাৰ বিকাশৰ বাবে অসম চৰকা... ধৰণৰ আঁচনি হাতত লৈছিল। স্বাধী... বছৰতে ১৯৪৮ চনত ৰাজ্যখনত ... কাৰিকৰী শিক্ষাৰ কলেজ পৰ্যায়... স্থাপন হৈ উঠে। প্ৰথম পাঁচবছৰীয়া ... অসমত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নি... এখন শিল্প প্ৰশিক্ষণ কেন্দ্ৰহে আছি... ৫৬ চনত প্ৰথমখন অভিযান্ত্ৰিক মহ... গুৱাহাটীৰ জালুকবাৰীত স্থাপন কৰা... দ্বিতীয় পাঁচবছৰীয়া পৰিকল্পনাত অস... ঠাইত একোখনকৈ কাৰিকৰী প্ৰশিক্ষ... স্থাপন কৰা হৈছিল। স্বাধীনতাৰ পিছ...





...নিখন অভিযান্ত্ৰিক মহাবিদ্যালয়, কেইখনমান ...লিটেকনিক, কেইখনমান আই টি আই স্থাপন ...ৱা হৈছিল। ইয়াৰ উপৰিও যোৰহাট, নগাওঁ, ...জপুৰ, গুৱাহাটী, বঙাইগাওঁ, শিলচৰ, ...লদৈ, উত্তৰ লক্ষীমপুৰ, বৰপেটা, ধুবুৰী, ...নিচুকীয়া আদি ঠাইত কাৰিকৰী প্ৰতিষ্ঠান গঢ়ি ...ঠিছিল। অসমত স্থাপন হোৱা কুটীৰ শিল্প ...ন্দ্ৰবোৰত কুটীৰ শিল্পৰ বাবে বিভিন্ন ...শিক্ষণৰ ব্যৱস্থা হৈছে। আনহাতে ...ইলাসকলৰ বাবেও গুৱাহাটীত পলিটেকনিক ...পন কৰিছে। অসমত বিভিন্ন ধৰণৰ কাৰিকৰী ...ক্ষাৰ অনুষ্ঠানৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি ...ন্দ্ৰীয় চৰকাৰে অসমৰ লগতে উত্তৰ ...ৰ্বাঞ্চলৰ প্ৰয়োজন পূৰাবৰ অৰ্থে এখন ...ৰতীয় প্ৰযুক্তিবিদ্যাৰ প্ৰতিষ্ঠান (Indian ...nstitute of Technology) উত্তৰ ...ৱাহাটীত স্থাপন কৰিছে। এই প্ৰতিষ্ঠানটোৱে অসমৰ কাৰিকৰী শিক্ষাৰ মানদণ্ড যথেষ্ট উন্নত কৰিব বুলি আশা কৰিব পাৰি।

> <u>১৯৩৭ চনত মহামানৱ মহাত্মা গান্ধীয়ে তেওঁৰ বুনিয়াদী শিক্ষা ব্যৱস্থাত শিল্পকেন্দ্ৰিক শিক্ষাৰ জৰিয়তে আত্মনিৰ্ভৰশীলতাৰ ওপৰত গুৰুত্ব দিছিল। তেওঁ কৰ্মৰ জৰিয়তে শিক্ষা</u> **<u>(learning by doing)</u>** <u>আৰু শিল্পকেন্দ্ৰিক</u> **<u>(craft centred)</u>** <u>শিক্ষাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক ভৱিষ্যত জীৱনৰ বাবে নিজকে প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব দিছিল। স্বাধীনতাৰ পিছতো গঠন হোৱা শিক্ষা আয়োগসমূহে কাৰিকৰী শিক্ষানুষ্ঠান স্থাপনৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়াইছিল। ১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগে উচ্চতৰ মাধ্যমিক শিক্ষা লাভৰ পাছত কাৰিকৰী আৰু বৃত্তিমুখী শিক্ষাগ্ৰহণৰ পোষকতা কৰিছিল। ইয়াৰ মূল উদ্দেশ্য আছিল নিয়োগৰ সুযোগ বৃদ্ধি তথা আত্মসংস্থান লাভত সহায় কৰা।</u>

আমাৰ দেশৰ শতকৰা সত্তৰভাগ লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। আনুষ্ঠানিক শিক্ষা আহৰণ কৰি বছৰে বছৰে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী নিবনুৱা হৈ হতাশগ্ৰস্ততাত ভূগিছে। পৃথিৱীৰ আন আন উন্নত দেশবোৰত ছাত্ৰ-ছাত্ৰীয়ে উচ্চশিক্ষা লাভ কৰিলেও তেওঁলোকে সৰু সৰু কামবোৰ কৰিবলৈ লজ্জাবোধ নকৰে। কিন্তু আমাৰ দেশৰ নাগৰিকসকলে সাধাৰণ ডিগ্ৰী লাভ কৰিলেও তেওঁলোকে স্বাৱলম্বী হ'ব নিবিচাৰে। সৰু সৰু কাম কৰিবলৈও আনৰ ওপৰত নিৰ্ভৰ কৰি থাকে। ফলস্বৰূপে দেশত নিবনুৱাৰ তালিকা ক্ৰমাৎ বৃদ্ধি হৈ গৈ আছে, অথচ সেই অনুপাতে কৰ্মসংস্থানৰ সুবিধা হোৱা নাই। কাৰিকৰী শিক্ষা প্ৰসাৰৰ বাবে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান গঢ়ি উঠিছে যদিও ইয়াৰ আভ্যন্তৰীণ সমস্যাসমূহৰ বাবে ই বিশেষভাৱে সম্প্ৰসাৰিত হোৱা নাই। বৰ্দ্ধিত জনসংখ্যা অনুপাতে কাৰিকৰী শিক্ষানুষ্ঠানৰ অভাৱ, সুদক্ষ শিক্ষকৰ অভাৱ, মাধ্যমৰ সমস্যা, কুটীৰ শিল্পসমূহৰ জৰাজীৰ্ণ অৱস্থা, পৰীক্ষাগাৰৰ অভাৱ, চৰকাৰ, উদ্যোগ আৰু শিক্ষানুষ্ঠানসমূহৰ মাজত সহযোগ আৰু সু-সংগঠনৰ অভাৱ আৰু প্ৰশাসনীয় দিশতো সমস্যা আদিয়ে কাৰিকৰী শিক্ষাৰ বিস্তৃত সম্প্ৰসাৰণত বাধাৰ সৃষ্টি কৰিছে।

বৰ্তমান যুৱক-যুৱতীসকলে কাৰিকৰী জ্ঞান আহৰণ কৰি যিকোনো সৰু-বৰ কামত নিজকে সমৰ্পিত কৰিলেহে তেওঁলোকৰ মাজৰ পৰা নিবনুৱা সমস্যা কিছুপৰিমাণে হ'লেও নাইকিয়া হ'ব বুলি আশা কৰিব পাৰি। ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী সকলোৱে আনৰ ওপৰত নিৰ্ভৰ নকৰি আত্মনিৰ্ভৰশীল আৰু স্বাৱলম্বী হ'বলৈ চেষ্টা কৰিব লাগে। বৰ্তমান অসমৰ সামাজিক আৰু ৰাজনৈতিক অস্থিৰতা আৰু অনিশ্চয়তাৰ প্ৰধান কাৰণ হৈছে কৰ্ম-নিযুক্তিৰ সম্ভাৱনীয়তাৰ অভাৱত যুৱক-যুৱতীৰ বাবে সৃষ্টি হোৱা নিবনুৱা সমস্যা। নিবনুৱা সমস্যা সমাধানৰ বাবে কাৰিকৰী শিক্ষাৰ প্ৰয়োজন। সেয়েহে আমাৰ ভৱিষ্যত বংশধৰসকলক কাৰিকৰী শিক্ষাগ্ৰহণৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত কৰিব লাগিব। গ্ৰামোন্নয়ন কাৰ্যসূচীসমূহৰ জৰিয়তে নিবনুৱা লোকসকলক কৰ্মসংস্থাপন দিয়াৰ লগতে দৰিদ্ৰতা নিৰ্মূল কৰিব পাৰি। গাওঁ অঞ্চলত কৃষি, উদ্যান শস্য, মৎস্যপালন, পশুপালন, ৰেছম শিল্প, মৌ পালন, বাঁহ-বেত শিল্প, মৰাপাট শিল্প, কাঠফুলাৰ খেতি, উন্নত হস্ত-তাঁত বস্ত্ৰশিল্প আদিৰ ক্ষেত্ৰত প্ৰচুৰ কৰ্মনিযুক্তিৰ সম্ভাৱনীয়তা আছে। কিন্তু গ্ৰামাঞ্চলৰ যুৱক-যুৱতীসকলৰ পৰিকল্পিত আৰু বিজ্ঞানসন্মত দৃষ্টিভংগীৰ অভাৱৰ বাবে স্ব-নিয়োজন সঠিকভাৱে কাৰ্যকৰী হোৱা নাই। ইয়াৰ বাবে ৰাইজৰ সজাগতা, কাৰিকৰী তথা কৌশলগত জ্ঞানৰ বিকাশ, উদ্যোগ গ্ৰহণৰ বাবে ৰাইজৰ মাজত আগ্ৰহ সৃষ্টি আৰু উপযুক্ত পথ নিৰ্দেশনাৰ প্ৰয়োজন।

কাৰিকৰী দিশত শিক্ষিত যুৱক-যুৱতীসকলৰ বাবে বৰ্তমান কম্পিউটাৰ বিজ্ঞানে কৰ্ম নিযুক্তিৰ এক নতুন সম্ভাৱনীয়তা বহন কৰি আনিছে। ই শিক্ষিত যুৱক-যুৱতী আৰু চৰকাৰৰ বাবে নিবনুৱা সমস্যা সমাধানৰ দিশত এক নতুন দৃষ্টিদানকাৰী। অসমৰ সামগ্ৰিক গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নৰ বাবে উন্নত কৃষি ব্যৱস্থাই হৈছে একমাত্ৰ বিকল্প। বিভিন্ন উন্নত আঁচনি প্ৰয়োগ কৰি গ্ৰামাঞ্চলৰ যুৱক-

যুৱতীক কাৰিকৰী শিক্ষাগ্ৰহণৰ প্ৰতি আকৰ্ষিত কৰিব লাগিব। আজিৰ যুৱ সমাজৰ মনত সহজ উপায়েৰে ধন ঘটাৰ যি মানসিকতা গঢ়ি উঠিছে সেইবোৰ ত্যাগ কৰি কাৰিকৰী শিক্ষা গ্ৰহণ কৰিলেহে জ্বলন্ত নিবনুৱা সমস্যা কিছু পৰিমাণে হ'লেও লাঘৱ হ'ব বুলি আশা কৰিব পাৰি। যুৱক-যুৱতীসকলক কৃষিৰ প্ৰতি আকৰ্ষিত কৰিবৰ বাবে কৃষিৰ উন্নত সা-সঁজুলি, উচ্চ উৎপাদনক্ষম বীজ, সাৰ, জলসিঞ্চন, শস্য ৰখাৰ সু-ব্যৱস্থা ইত্যাদিৰ মান উন্নত কৰাৰ প্ৰয়োজন। বৰ্তমান বিজ্ঞান আৰু কাৰিকৰী জগতখনৰ লগত নিজকে খাপ খুৱাই ল'বৰ বাবে কাৰিকৰী জ্ঞানৰ বিশেষ প্ৰয়োজন। অসমত চাহখেতি, তেলশিল্প, বনজ সম্পদ, বেত-শিল্প, জলসম্পদ, হাঁহ-কুকুৰা পালন, শাক-পাচলি, উদ্যান শস্য, ক্ষুদ্ৰ শিল্প, হস্ত-তাঁত শিল্প, পাটশিল্প ইত্যাদিৰ যথেষ্ট চাহিদা আছে। এইবোৰৰ জৰিয়তে অসমৰ শিক্ষিত যুৱক-যুৱতী অৰ্থনৈতিক দিশত নিজস্ব ৰূপত আত্মপ্ৰতিষ্ঠা লাভ কৰিব পাৰে। উন্নত কৃষি কাৰ্যৰ জৰিয়তে কৰ্মনিযুক্তিৰ প্ৰচুৰ সম্ভাৱনীয়তা নিহিত হৈ আছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ লগে লগে এনে সম্ভাৱনীয়তা ক্ৰমাৎ উজ্জ্বল হৈ পৰিছে। সঠিক, সু-পৰিকল্পিত আৰু সু-সংহত আঁচনিৰ জৰিয়তে আৰ্থিক বা সামাজিকভাৱে পিচপৰা লোকসকলৰ দ্ৰুত উন্নতি কৰাৰ উপৰিও সামাজিক উন্নয়ন আৰু নিবনুৱা সমস্যাৰ সমাধানত কাৰিকৰী শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। কাৰিকৰী শিক্ষাৰ জ্ঞানেহে নিবনুৱা সমস্যা সমাধানত এক বলিষ্ঠ পদক্ষেপ ল'ব পাৰে। বৰ্তমান শিক্ষিত যুৱক-যুৱতীসকলৰ মনত অসন্তুষ্টি, হতাশা, নিৰাশা আৰু উদ্বেগ সৃষ্টি হৈ তেওঁলোকৰ মনত শিক্ষাৰ প্ৰতি, সমাজৰ প্ৰতি আৰু চৰকাৰৰ প্ৰতি এক নেতিবাচক, ধ্বংসাত্মক আৰু হিংসাত্মক মনোভাৱ গঢ় লৈ উঠিছে ; নৈতিক মূল্যবোধৰ অৱক্ষয় হ'বলৈ ধৰিছে। নৈতিকতাৰ স্খলনে একশ্ৰেণী নিবনুৱা যুৱকক কৰ্মবিমুখিতা, সহজলভ্য ধন আৰু ক'লাধনৰ প্ৰতি আকৃষ্ট কৰি তুলিছে। ইয়াৰ ফলত সমাজৰ নৈতিক জীৱনৰ মানদণ্ড সৰ্বনিম্ন পৰ্য্যায়লৈ ধাৱিত হৈছে।

অসমৰ বিভিন্ন ঠাইত মৃতপ্ৰায় অৱস্থাত থকা ক্ষুদ্ৰ শিল্পসমূহ, যেনে- কাঁহ-পিতলৰ শিল্প, কমাৰ শিল্প, মৃৎশিল্প, জুইশলা শিল্প, চাবোন শিল্প ইত্যাদি শিল্পত উন্নত কাৰিকৰী ক্ৰিয়া-কৌশল প্ৰয়োগ কৰি উৎ... বৃদ্ধি আৰু উন্নত গুণমানৰ কৰি তুলি... যায়। বয়ন শিল্প আৰু পাট শিল্পত ক... ক্ৰিয়া-কৌশল প্ৰয়োগৰ যোগে আধুনি... কৰি অসমৰ শিক্ষিত যুৱক-যুৱতীক অৰ্থ... দিশত নিজস্ব ৰূপত আত্মপ্ৰতিষ্ঠা লাভ... দিব পাৰি। অসমত শিক্ষিত যুৱক-যুৱতী... কৰ্মনিযুক্তিৰ সম্ভাৱনীয়তা কল্পনাপ্ৰসূ... প্ৰচুৰ। নগৰৰ আশে-পাশে আৰু গ্ৰা... মুকলি ঠাইত শিক্ষিত যুৱক-যুৱতীসকলে... জাতৰ হাঁহ, কুকুৰা, গাহৰি আদিৰ ফা... আৰু পৰিচালনা কৰিব পাৰে। এনে... লগতে শাক-পাচলি, ফলমূল, ফুল... আদিৰ বাগান পৰিচালনা কৰিব পাৰে... বাবে তেওঁলোকে প্ৰয়োজনীয় প্ৰশিক্ষ... কৰি ব্যৱসায়িকভাৱে লাভান্বিত হোৱা... আত্মপ্ৰতিষ্ঠাও লাভ কৰিব পাৰে।

সেয়েহে বৰ্তমান যুৱক-যুৱতী... অকল চাকৰিৰ ওপৰতে নিৰ্ভৰশীল নহৈ... কাৰিকৰী জ্ঞানৰ জৰিয়তে আত্মনিৰ্ভৰশী... স্বাৱলম্বী হৈ উঠিব পাৰে। নিবনুৱা... সমাধানৰ ক্ষেত্ৰত কাৰিকৰী শিক্ষা... গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

❑❑❑

## লেচেৰি বুটলি ঃ

**দেহ নিৰোগী ৰখাত চাহৰ অৱদান ঃ**

*আমি সৰুতে পঢ়িছিলো যে পানীয়েই প্ৰাণীৰ প্ৰাণ। কিন্তু শেহতীয়াভাৱে বিজ্ঞানে ক'ব খুজিছে যে নিৰোগী দেহৰ চাবি-কাঠি... হ'ল চাহ। চিকিৎসা বিজ্ঞানৰ মতে এগৰাকী সুস্থ লোকে প্ৰতিদিনে ৯-১১ গিলাচকৈ বিশুদ্ধ পানী পান কৰিব পাৰিলে বহুবোৰ ৰোগৰ পৰা পৰিত্ৰাণ পাব পাৰি। কিন্তু সকলো মানুহৰ বাবে ইমান বেছি পানী খোৱাটো সহজসাধ্য নহয়। এক সমীক্ষাত প্ৰকাশ পাইছে যে পৃ... বেছিভাগ মানুহে খুব কম পৰিমাণে পানী পান কৰে। বিজ্ঞানৰ শেহতীয়া গৱেষণামতে এনে লোকসকলে পানীৰ পৰিবৰ্তে একে পৰিমাণৰ চাহ খালেও নিৰোগী হ'ব পাৰে। যিহেতু চাহত এক সুকীয়া আমেজ আছে গতিকে বেছিকৈ চাহ খাবলৈ নিশ্চয় কোনো আপত্তি নে... লণ্ডনৰ কিংছ কলেজৰ খাদ্য বিশেষজ্ঞ ডাঃ কেৰী ৰকচটন আৰু তেওঁৰ সহযোগীসকলে এক গৱেষণাৰ অন্তত প্ৰকাশ কৰিছে যে প্ৰতিদিনে তিনি কাপ চাহ খোৱাটো দহ গিলাচ পানী খোৱাৰ সমান উপকাৰী। তেওঁৰ মতে চাহে শৰীৰ সুস্থ ৰখাৰ উপৰি পানীৰ অভাৱ পূৰণ... লগতে আনকি কৰ্কট ৰোগৰ পৰাও মানুহক ৰক্ষা কৰে। দিনে ৩-৪ চাৰি কাপ চাহ খালে হৃদৰোগ নহয়। চাহত আৰু বহুগুণ আছে, যেনে... খালে হাড় মজবুত হয় আৰু দাঁত সৰাত বাধা দিয়ে। এই কথা জনাৰ পিছত এতিয়া পানীৰ বিকল্প হিচাপে চাহকেই মানুহে গ্ৰ... নাভাবিলেই ৰক্ষা।*





# অসমৰ সভা মহোৎসৱ ঃ লোক-সাংস্কৃতিক তাৎপৰ্য

ড° *গীতা ডেকা*
অসমীয়া বিভাগ

...লৌকিক জগতখনৰ প্ৰতি থকা মানুহৰ ...স্বাভৱিক বিশ্বাসৰ আধাৰতেই লোক-...ৱসমূহৰ সৃষ্টি হৈছে। বিভিন্ন দেৱ-দেৱীক ...কৰিবলৈ আৰু মনৰ কামনা পূৰণ কৰাৰ ...সৰে মানুহে উৎসৱসমূহ অনুষ্ঠিত কৰি ...ছে। সেয়েহে লোক-উৎসৱসমূহত লোক-...ৰ আন্তৰিক ভক্তিৰ লগতে ধৰ্মীয় আচাৰ ...ও সংম্পৃক্ত হৈ আছে। গ্ৰাম্য সমাজত ...পৰাগতভাৱে অনুষ্ঠিত এই লোক-...সমূহে লোকসমাজৰ সাংস্কৃতিক ঐতিহ্য ...কৰি আহিছে।

আমাৰ লোক-উৎসৱসমূহৰ ভিতৰত ...উৎসৱ' এক অন্যতম লোক-উৎসৱ। ...ভাৱে নামনি অসমৰ গ্ৰাম্য অঞ্চলৰ ...ঠাইত সভা-উৎসৱৰ পৰম্পৰা আছে, ...ক্ষেত্ৰত আমৃখোৱাৰ সভা, ভট্টদেৱৰ সভা, ...হাৰ সভা, সৰ্থেবাৰীৰ সভা, বনগাওঁৰ ...জাগাৰাৰ সভা, বহৰিৰ সভা,হাৰিভাঙাৰ ...বালিসত্ৰৰ সভা আদি উল্লেখনীয়। ...ৰীৰ ওচৰৰ আমৃখোৱা এখনি পুৰণি ...ইয়াত প্ৰতি বছৰে দুই মাঘৰ পৰা ...নীয়াকৈ সভা উৎসৱ পালন কৰা হয়। ...গোঁসাই উলিওৱা, হোম-যজ্ঞ, নাম-...আদি অনুষ্ঠিত হয়। ভট্টদেৱৰ প্ৰতিষ্ঠিত ...ছি সত্ৰত ব্যাসকুছি সভা অনুষ্ঠিত হয়। ...ৰ মৃত্যু তিথিত অৰ্থাৎ পুহ মাহৰ কৃষ্ণ ...তিথিত অনুষ্ঠিত এই সভা পাঁচদিনীয়াকৈ ...কৰা হয়। টিহুৰ ওচৰৰ মাখিবাহাত ...অমাৱস্যাৰ দিনাৰ পৰা সভা উৎসৱ ...ত হয়। গ্ৰাম্য সমাজৰ শ্ৰমজীৱি ...কলে কঠোৰ পৰিশ্ৰমৰ পৰা আহৰি লৈ ...ৎসাহ আৰু উদ্দীপনাৰে সভা উৎসৱ ...কৰে। অসমীয়া সমাজত মাঘ মাহটো ধৰ্মীয় মাহ হিচাপে পৰিগণিত। আনহাতে এই মাহতেই কৃষিজীৱিসকলে খেতি চপাই আজৰি হয় আৰু লগতে বাট-পথবোৰো সুচল হয়। গ্ৰাম্য সমাজৰ বহু আকাংক্ষিত এই সভা উৎসৱসমূহ মাঘ মাহতেই অনুষ্ঠিত হয়। সভা উৎসৱত প্ৰধানভাৱে ধৰ্মীয় উদ্দেশ্য অন্তৰ্নিহিত হৈ থাকিলেও জনসাধাৰণৰ মাজত পৰম্পৰৰ ভাব বিনিময় আৰু আন্তৰিক মিলনো সম্ভৱ হৈ উঠে। লোকসমাজত পৰম্পৰাগতভাৱে পালন কৰি অহা সামাজিক ৰীতি-নীতি, বিশ্বাস, ধৰ্মীয় আচাৰ আদিও এই উৎসৱত স্পষ্ট হৈ পৰে। সেয়েহে লোকসাংস্কৃতিক দিশৰ ফালৰ পৰাও সভা উৎসৱৰ এক বিশেষ তাৎপৰ্য আছে।

সভা উৎসৱৰ মূলতেই হ'ল লোকসমাজৰ ধৰ্মীয় চেতনা। আধ্যাত্মিক চিন্তা-চৰ্চাৰে সমাজত সাম্য আৰু ভাতৃত্ববোধ গঢ়ি তোলাটো ইয়াৰ এক অন্তৰ্নিহিত উদ্দেশ্য। সভা উৎসৱৰ লগত জড়িত গোঁসাই উলিওৱা, যাগ-যজ্ঞ, হোম, নাম-কীৰ্ত্তন আদি বিভিন্ন কাৰ্যৰ যোগেদি প্ৰধানকৈ লোকসমাজৰ আধ্যাত্মিক চিন্তা প্ৰকট হৈ উঠে। ঠাই বিশেষে এই উৎসৱসমূহ এদিনীয়া, দুদিনীয়া, তিনিদিনীয়া, চাৰিদিনীয়া আৰু পাঁচদিনীয়াকৈ অনুষ্ঠিত হয়। পাঁচদিনীয়া সভাৰ প্ৰথম দিনাখনক সভাৰ 'গন্ধ' বুলি কোৱা হয়। দ্বিতীয় দিনাখনক সভাৰ 'হোম', তৃতীয় দিনাখনক 'ভৰ সভা', চতুৰ্থ দিনাখনক 'চেৰা সভা' আৰু পঞ্চম দিনাখনক 'ভঙা সভা' বুলি কোৱা হয়। বিভিন্ন অঞ্চলত অনুষ্ঠিত সভা উৎসৱৰ কাৰ্যাৱলী প্ৰায় একে যদিও সৰ্থেবাৰী সভা বিশেষভাৱে উল্লেখনীয়। প্ৰায় এশ বছৰৰো অধিক কালৰে পৰা পৰম্পৰাগতভাৱে এই উৎসৱ পালন কৰি অহা হৈছে। মাঘ মাহৰ পূৰ্ণিমা তিথিত অনুষ্ঠিত এই সভা পাঁচদিনীয়াকৈ পালন কৰা হয়। সভাৰ 'গন্ধ'ৰ দিনাখন গোঁসাই উলিওৱা কাৰ্য অনুষ্ঠিত হয়। সেই দিনাখন ৰাতি গাঁওখনৰ প্ৰত্যেক খেলৰ গোঁসাইঘৰৰ পৰা বিগ্ৰহসমূহ উলিয়াই সভাৰ খোলাৰ মূল গোঁসাইঘৰলৈ অনা হয়। গোঁসাই উলিওৱা এই আনন্দমুখৰ উৎসৱত ল'ৰা, ডেকা, বুঢ়া সকলোৱে আগভাগ লয়। আতচবাজীৰে চৌদিশ মুখৰিত কৰি তোলা হয়, আয়তীসকলে প্ৰাণঢালি গীত গায়। সৰ্থেবাৰী সভাৰ গোঁসাই উলিওৱা প্ৰসঙ্গত গোৱা তেনে এটি গীত এনেধৰণৰ ঃ

"কইলা গঁহে গোপাল গঁহে এ একেলগে
আইছি হৰিহে
জানকী বৰিব ৰামেহে।
কাজিঠৈৰ কাইটাঠৈৰ গঁহে এ ঘুমতি মাৰ্বা
ধৰ্ছি
জানকী বৰিব ৰামেহে।
আতাঠৈৰ ৰাইজখেনে এ ৰাস্তাত আছে
ৰখিহে
জানকী বৰিব ৰামেহে।
গাড়ী মটৰ যাবা নৰে এ ৰাস্তা বন্ধ হৈছি
জানকী বৰিব ৰামেহে।"[1]

আয়তীসকলে গোৱা গীতৰ লগে লগে পুৰুষসকলে খোল তাল বজাই নাম-কীৰ্ত্তন কৰি চাৰিওফালে ৰজনজনাই তোলে। এনেদৰে ধুমধামেৰে বিগ্ৰহসমূহ লৈ সভাৰ মূল গোঁসাই ঘৰত প্ৰতিষ্ঠা কৰা হয়। ব্ৰাহ্মণ পুৰোহিতসকলে তেতিয়াৰ পৰাই বিগ্ৰহৰ যাৱতীয় কামত ব্যস্ত হৈ পৰে। গন্ধৰ পিছদিনাখন সভাৰ হোম। সৰ্থেবাৰী সভা উৎসৱত মাঘী পূৰ্ণিমাৰ তিথিতেই অনুষ্ঠিত 'হোম'ৰ কাৰ্য বিভিন্ন কৃত্যৰে পালন কৰা হয়। ইয়াত হোম-যজ্ঞ আৰু নাম-কীৰ্ত্তনেই প্ৰাধান্য

লাভ কৰে। 'হোম' কাৰ্যতঃ হৰিদেৱী, দামোদৰী আৰু মহাপুৰুষীয়া সত্ৰৰ সমন্বয়ত সমাধা কৰা হয়। 'হোম'ৰ দিনাখন বহু দূৰ দূৰণিৰ পৰা ভক্তসকল আহি উপবাসে থাকি ভগৱানৰ আশীষ বিচাৰি ঘিউৰ চাকি আগবঢ়ায়।

সভা উৎসৱত 'সভা-মেল'ৰ গুৰুত্ব মন কৰিবলগীয়া। ই ৰাইজৰ এক ক্ষমতাসম্পন্ন অনুষ্ঠান। সভা-মেলতেই সভাৰ কাৰ্যাৱলী আৰু যাবতীয় খৰছ সম্পৰ্কে আলোচনা কৰা হয়। সৰ্থেবাৰীৰ সভা অনুষ্ঠিত হোৱাৰ পোন্ধৰদিন আগৰে পৰা সভাৰ খোলাত 'সভা মেল' আৰম্ভ হয়। ইয়াত ৰাইজৰ ব্যক্তিগত দায়-দোষ আদিৰ বিচাৰ কৰা হয়। সভা মেলত গাঁৱৰ পৰিয়ালসমূহৰ সাধ্য অনুসৰি বৰঙণি নিৰ্দ্ধাৰণ কৰা হয়। বৰঙণিৰ লগতে খৰি এবোজা আৰু চাউল পৰিয়ালসমূহৰ পৰা লোৱা হয়। ইয়াৰ দ্বাৰাই দূৰণিৰ পৰা অহা ভক্তসকলক 'সিধা'ৰ যোগান ধৰা হয়। গাঁৱৰ ঐক্য আৰু সংহতিৰ লগতে শান্তি-শৃংখলা বজাই ৰখাৰ ক্ষেত্ৰত সভামেলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

ধৰ্মীয় দিশৰ লগতে সভা উৎসৱৰ সামাজিক তাৎপৰ্য মন কৰিবলগীয়া। সভাস্থলীত ৰাজহুৱাভাৱে সকলোকে একত্ৰিত কৰা হয় আৰু সকলোৰে মাজত সমতাৰ মনোভাৱ গঢ়ি উঠে। কৰ্মসূত্ৰে নিজ গাঁৱৰ পৰা দূৰত থাকিলেও সভা উৎসৱৰ সময়ত সকলোটি একগোট হয় আৰু জাতি বৰ্ণ নিৰ্বিশেষে সকলোৰে মনত পাৰস্পৰিক সৌহাৰ্দ্যৰ ভাৱ গঢ়ি উঠে। এই ক্ষেত্ৰত ব্যক্তিগত ধ্যান ধাৰণাতকৈ মানুহৰ মনত সামাজিক সত্তাহে জাগৰিত হয়। সভাত জনসাধাৰণৰ মনোৰঞ্জনৰ উদ্দেশ্যে অনুষ্ঠিত ঢুলীয়া, চাৰ্কাছ, ওজাপালি, যাত্ৰাপাৰ্টি আদিতো জনসাধাৰণৰ আৱেগ অনুভূতি আচাৰ পদ্ধতি আদিয়েই প্ৰকাশ পায়। দৰ্শকসকলেও এই অনুষ্ঠানসমূহত সমূহীয়াভাৱে আনন্দ উপভোগ কৰে। ইয়াতে জনসাধাৰণৰ ভাৱ বিনিময় আৰু আন্তৰিক মিলন সম্ভৱ হয়। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে উল্লেখ কৰাৰ দৰে - "মেলা ও উৎসৱ যেন 'বহুজন হিতায়-বহুজন সুখায়' - সমগ্ৰ জনতাৰ ইচ্ছাশক্তি তাই এক সূত্ৰে গ্ৰথিত হয়। এইখানেই উৎসৱ এবং মেলাৰ সবচেয়ে বড় তাৎপৰ্য। তাই মেলা ও উৎসবেৰ জনতা কোন বিচ্ছিন্ন নয়, তা হ'ল সংঘবদ্ধ জনতা।"[২]

সভা উৎসৱৰ লগত জড়িত এটি আকৰ্ষণীয় অনুষ্ঠান হ'ল ঢুলীয়া অনুষ্ঠান। ঢুলীয়া অনুষ্ঠানত মুখ্য ঢুলীয়াৰ লগত পালি ঢুলীয়াও থাকে। মুখ্য ঢুলীয়াৰ লগত দহ-বাৰ বছৰীয়া ল'ৰাই কুস্তি প্ৰদৰ্শন কৰি দৰ্শকক মুগ্ধ কৰে। ঢুলীয়াৰ অন্তৰ্গত ভাৱৰীয়াইও দৰ্শকক আনন্দৰ খোৰাক যোগায়। এসময়ত কেহাঁটীৰ মোহন ভাৱৰীয়াৰ 'চং' সভা উৎসৱসমূহৰ মূল আকৰ্ষণ আছিল। এওঁ নিজৰ সৃজনী প্ৰতিভাৰ সহায়ত খুহুটীয়া কথাৰে দৰ্শকক হহুঁৱাইছিল। সভাথলীত অনুষ্ঠিত লোক নাট্যানুষ্ঠানৰ শিল্পীসকলে গ্ৰাম্য সমাজৰ কথিত ভাষা ব্যৱহাৰ কৰি কিছুমান মুখৰোচক কাহিনীৰে দৰ্শকক আপ্লুত কৰে। ইয়াৰ লগতে ৰামায়ণ, মহাভাৰতৰ কাহিনীবোৰৰস লগাই কৈ নিৰক্ষৰ জনসাধাৰণক মনোৰঞ্জনৰ লগতে ধৰ্মশিক্ষাও প্ৰদান কৰে। সভা উৎসৱত অনুষ্ঠিত ঢুলীয়া, ওজাপালি, ভাৱৰীয়া আদিয়ে লোক মাধ্যম হিচাপেও কাম কৰে। এই অনুষ্ঠানসমূহত লোকশিল্পীৰ লগত গাঁৱৰ নিৰক্ষৰ, শ্ৰমজীৱি আৰু কৃষিজীৱি লোকসমাজৰ প্ৰত্যক্ষভাৱে যোগাযোগ হয়। ফলত লোকশিল্পীৰ লগত গাঁৱৰ নিৰক্ষৰ জনসাধাৰণৰ এক মানসিক ঐক্য গঢ়ি উঠে।

সভা উৎসৱৰ লগত ব্যৱসায়িক দিশটোও জড়িত হৈ আছে। সভাথলীত বিভিন্ন ঠাইৰ মানুহ গোট খায় আৰু নিত্য ব্যৱহৃত সামগ্ৰীসমূহ বেচা-কিনা কৰা হয়। এই সামগ্ৰীসমূহৰ বেছিভাগেই স্থানীয় হস্তশিল্পৰ সামগ্ৰী। এইক্ষেত্ৰত কাঁহ-পিতলৰ সামগ্ৰী, মাটিৰ পাত্ৰ, দা-কটাৰীকে আদি কৰি লোৰ বিভিন্ন সামগ্ৰী, তাঁতশালৰ সঁজুলিকে আদি কৰি নানা ধৰণৰ কাঠৰ আঁচবাব, বাঁহ-বেতৰ সামগ্ৰী, কাপোৰ-কানি আদি উল্লেখযোগ্য। ... সভা উৎসৱত প্ৰদৰ্শন কৰা ... থিয়েটাৰসমূহেও কলা-সংস্কৃতিৰ ... প্ৰতিভাত কৰাৰ লগতে অৰ্থনৈতিক ... কিছুপৰিমাণে উন্মোচিত কৰিছে।

গ্ৰামাঞ্চলত পৰম্পৰাগত ... কৰি অহা সভা উৎসৱে লোক ... সামাজিক আৰু সাংস্কৃতিক জী... সঞ্জীৱিত কৰি ৰখাৰ লগতে ... জীপাল কৰি ৰাখিছে। লোকসং... পৰিবেশত অনুষ্ঠিত ওজাপালি, ... ঢুলীয়া আদি থলুৱা নাট্যানুষ্ঠান... উৎসৱসমূহেই জীয়াই ৰাখিছে। ... পৰিবৰ্তনৰ লগে লগে সভা উ... সমাদৰ কমি আহিব ধৰিছে। ... নিৰক্ষৰ শ্ৰেণীৰ মাজতহে ই আ... আধুনিকতাই নৱপ্ৰজন্মক থলুৱা ... পৰম্পৰাগত উৎসৱসমূহৰ ... আনিছে। লোকনাট্যানুষ্ঠানসমূহ... ম্লান পৰি গৈছে। কিন্তু বৰ্তমান স... উৎসৱৰ গুৰুত্ব স্বীকাৰ কৰিব ... উৎসৱত সামাজিক আচাৰ অনু... ৰখাৰ ... সামাজিক শৃংখলা অটুট ৰখাৰ ... আছে। পৰম্পৰাগত ৰীতিত এই ... প্ৰচলিত যদিও ইয়াৰ মাজ... ভাতৃত্ববোধ আৰু সামাজিক সম... তদুপৰি মানৱীয় মূল্যবোধ ... উপযুক্ত মাধ্যম। এই সভা জি... সমাজৰ ৰুচিপূৰ্ণ দিশটো জি... লগতে জাতীয় সমাজ চেতনাৰ ... ৰাখিব পাৰিছে।

*তথ্য-উৎস ঃ*
*(১) সংবাদ-দাত্ৰীঃ শ্ৰী প্ৰমীলা ...*
*(৭৫); সৰ্থেবাৰী।*
*(২) ড° সুনীতি কুমাৰ চট্টোপাধ্যায়, বাংলাৰ লোক...*
*উৎসবেৰ দৰ্পণে ...*

□□□





# লোক পৰিৱেশ্য কলাৰ অবিচ্ছেদ্য অঙ্গঃ ওজাপালি অনুষ্ঠান

*পংকজ নমঃশূদ্ৰ*
অসমীয়া বিভাগ

ওজাপালি অনুষ্ঠান' লোক সংস্কৃতিৰ প্ৰধানতম অঙ্গ হোৱাৰ লগতে লোক ...ৰেশ্য কলাৰ এটি অবিচ্ছেদ্য অঙ্গ। অৰ্দ্ধ-...ীয় সমল বিশিষ্ট ওজাপালি অনুষ্ঠান ...তে সৰ্বভাৰতীয় কথকতা পৰম্পৰাৰ ...ক্ষ ধাৰক আৰু বাহক। কথকৰ দ্বাৰা ...তি অনুষ্ঠানেই কথকতা। পুৰণি কথকতা ...ৰাৰ সৈতে ওজাপালি অনুষ্ঠানৰ সাদৃশ্য ... বুলি লোক-সংস্কৃতিৰ পিতৃস্বৰূপ ড° ...চন্দ্ৰ শৰ্মাদেৱে উল্লেখ কৰিছে। চাবলৈ ...কথকতা পৰম্পৰা বৈদিক যুগৰো আগৰ ... চলি আহিছে। দেশ আৰু অঞ্চলভেদে ...দীকেই বিভিন্ন নাম দিয়াৰ দৰে সু-প্ৰাচীন ...পৰা কথকতায়ো ভাৰতবৰ্ষৰ বিভিন্ন ...ত বিভিন্ন নামেৰে পৰিচয় দি আহিছে। ... প্ৰসিদ্ধ ভাৰতৰ পূৰ্বদিশত অৱস্থিত ...-সুফলা অসমদেশত এই পৰম্পৰাৰে ...ম হ'ল - 'ওজাপালি'। ওজাপালিৰ গঠন ...বিকাশত আৰ্য সংস্কৃতিৰ সমলৰ লগতে ...ভিন্ন সাংস্কৃতিক সমলেও স্থান লাভ ...লে সক্ষম হৈছে। থলুৱা উপাদান আৰু ...ন্ন সাংস্কৃতিক সমলৰ প্ৰভাৱৰ ত্ৰিৱেণী ... ফলতে ওজাপালি অনুষ্ঠানৰ বিকাশ ঘটি ...ক্তিশালী পৰম্পৰা সৃষ্টি কৰিছে।

'ওজাপালি' এই পদটো দুটা শব্দৰ ... - 'ওজা' আৰু 'পালি'। 'ওজা' শব্দটো ...শব্দ 'উপাধ্যায়'ৰ পৰা আহিছে। 'পালি' ...ৰ ব্যৱহাৰো আমাৰ মাজত আছে। ... অৰ্থ সহায়কাৰী। গীত-পদ আদিত ... যিসকলে সহায় কৰে তেওঁলোকেই ...পালি আকৌ কেইবা শ্ৰেণীত বিভক্ত; ...ঃ ডাইনাপালি, গোৰপালি আৰু ...লি।

আনুমানিক খ্ৰীঃ পূঃ ২য় বা ১ম ...ৰ পূৰ্বৰে পৰা প্ৰাগজ্যোতিষ কামৰূপত ...পালি সদৃশ অনুষ্ঠানৰ প্ৰচলন আছিল। প্ৰাচীন কামৰূপৰ মহাভূতি বৰ্মা, ভাস্কৰ বৰ্মা, বলদেৱ আদি নৃপতি সৱে নৃত্য-গীত-বাদ্য অৰ্থাৎ সংগীতৰ পৃষ্ঠপোষকতা কৰিছিল। নৃপতি সকলৰ দ্বাৰা আয়োজিত যাগ-যজ্ঞ আদিত 'ওজাপালি' নৃত্য-গীত পৰিবেশন কৰা হৈছিল বুলি বিভিন্ন পণ্ডিত-গৱেষকে প্ৰমাণিত কৰিছে। কুমাৰ ভাস্কৰ বৰ্মাদেৱে চীনা পৰিব্ৰাজক হিউয়েনচাঙক এমাহকাল ধৰি প্ৰতিদিনে ৰাজকীয়ভাৱে নৃত্য-গীতেৰে সন্তুষ্ট কৰিছিল। হিউৱেনচাঙক আহ্লাদিত কৰা সেই নৃত্য গীতৰ পৰিসীমাত সম্ভৱতঃ ওজাপালিয়েও স্থান লাভ কৰিছিল।

খ্ৰীঃ পূঃ নৱম শতিকাৰ নৃপতি বনমালদেৱেও সংগীতৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁৰ তেজপুৰ শিলালিপিৰ পৰা 'দেওধনী নৃত্য' আৰু 'পলিভি' অৰ্থাৎ ওজাপালি অনুষ্ঠানৰ কিছুকথা স্পষ্টৰূপত পোৱা গৈছে।

বেদাচাৰ্যৰ 'স্মৃতি ৰত্নাকৰ'ত শিৱ আৰু বিষ্ণুপূজা উপলক্ষে জাগৰ অনুষ্ঠিত হোৱাৰ উল্লেখ পোৱা যায়। জাগৰ অনুষ্ঠানত ব্যাস ওজাপালি অপৰিহাৰ্য।

পুৰণি কামৰূপৰ মাৰ্গীয় সংগীতৰ পৰম্পৰাৰ বিশিষ্ট ধাৰক আৰু বাহক স্বৰূপে ওজাপালি আজিও চলি আছে। গতিকে ভাৰতীয় মাৰ্গীয় সংগীতৰ পৰম্পৰাৰ পৰাই ওজাপালি সংগীতৰ জন্ম। এই কথাৰ যোগ্য অনা প্ৰমাণ কৰিছে ড° কপিলা বাৎস্যায়নৰ এটি সাৰগৰ্ভ মন্তব্যই - 'The dances of oja bear many resemblances to the classical dances of India. The accompanying music is also close to the classical ragas. অৰ্থাৎ ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ লগত ওজাৰ নৃত্যৰ অনেক সাদৃশ্য দেখা যায় আৰু নৃত্যৰ লগত জড়িত সংগীতো শাস্ত্ৰীয় ৰাগৰ নিকটৱৰ্তী।

'ওজাপালি অনুষ্ঠান' ধৰ্মীয় অনুষংগত উদ্ভৱ হৈছে। সেইকথা পূজা-উপাসনাৰ লগত গভীৰ সম্পৰ্কৰ পৰাই জানিব পাৰি। জনসাধাৰণৰ বিশ্বাস যে ওজাপালি নৃত্য-গীত-অভিনয় আদিৰে দেৱতা বা দেৱীৰ লীলা-মালা প্ৰদৰ্শিত নহ'লে সেই দেৱতা বা দেৱীৰ পূজা সম্পূৰ্ণ নহয়।

আনহাতে ওজাপালি অনুষ্ঠানৰ জন্মৰ সৈতে দৈৱিক মতবাদ জড়িত হৈ আছে। এই মতবাদ অনুসৰি ওজাপালি অনুষ্ঠানৰ জন্ম হৈছে দেৱতাৰ অনুগ্ৰহত। যেতিয়া তৃতীয় পাণ্ডৱ অৰ্জুনে দেৱতাৰ চিৰশত্ৰু অসুৰ বিলাকক ৰণত পৰাজিত কৰে, অৰ্জুনৰ সন্মানৰ অৰ্থে দেৱতাসকলে অনিন্দ্যসুন্দৰী উৰ্বশীৰ দ্বাৰা নৃত্য প্ৰদৰ্শন কৰাইছিল। নৃত্য কৰি থকা সময়তেই উৰ্বশী তৃতীয় পাণ্ডৱৰ প্ৰেমত পৰে। নৃত্যৰ শেষত উৰ্বশীয়ে তেওঁৰ প্ৰেম-প্ৰণয়ৰ কথা ইন্দ্ৰক জনায়। তেতিয়া উৰ্বশীক বিয়া কৰাবলৈ ইন্দ্ৰই অৰ্জুনক অনুৰোধ কৰে। অৰ্জুনে কিন্তু ইন্দ্ৰৰ সেই অনুৰোধ ৰক্ষা নকৰিলে আৰু এইফালে ক্ৰোধান্বিতা উৰ্বশীয়ে অৰ্জুনক এবছৰৰ বাবে নপুংসক হ'বলৈ অভিশাপ দিয়ে। মৰ্ত্যভূমিত অৰ্জুনে বৃহন্নলা ৰূপে বিৰাট পুত্ৰী উত্তৰাক গন্ধৰ্ব বিদ্যাৰ শিক্ষা দিয়ে। এই গন্ধৰ্ব বিদ্যাই ওজাপালি বিদ্যা। এইদৰে পৃথিৱীত ওজাপালি পৰম্পৰাৰ সূত্ৰপাত হ'ল বুলি প্ৰবাদ প্ৰচলিত আছে।

কোনো কোনো পণ্ডিতে ক'ব খোজে যে ব্যাসকলাই আৰু কেন্দুকলাই নামৰ দুগৰাকী ককাই-ভায়েই ওজাপালি পৰম্পৰাৰ প্ৰৱৰ্তক। তেওঁলোকৰ মতে ব্যাসকলাই বিয়াহ ওজাপালিৰ প্ৰৱৰ্তক আৰু কেন্দুকলাই সুকনানি ওজাপালিৰ প্ৰৱৰ্তক।

নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱে ভক্তিধৰ্ম প্ৰচাৰ কৰাৰ প্ৰসংগত ওজাপালিৰ সহায় লৈছিল। ইয়াৰ পৰা

জানিব পাৰো যে শংকৰদেৱৰ পূৰ্বৰ পৰাই আমাৰ দেশত ওজাপালি অনুষ্ঠানৰ প্ৰচলন আছিল।

আনহাতে, ওজাপালি সদৃশ পৰিৱেশ্য কলা ভাৰতৰ বিভিন্ন অঞ্চলত বৰ্তমানো দেখিবলৈ পোৱা যায়। সেইবোৰৰ ভিতৰত -

| | | |
|---|---|---|
| দক্ষিণ ভাৰতৰ | - | কথা কালক্ষেপ বা হৰিকথা। |
| অন্ধ্ৰপ্ৰদেশৰ | - | বুৰকথা। |
| উৰিষ্যাৰ | - | দাস কঠিয়া, পালগান। |
| পশ্চিমবংগৰ | - | পাঞ্চালী গান, ৰামায়ণ গান। |
| মহাৰাষ্ট্ৰৰ | - | পাবাড়া, ৰাধা বিলাস। |
| মধ্যপ্ৰদেশৰ | - | আল্হা। |
| উত্তৰ প্ৰদেশৰ | - | ভৰথৰী, অহিৰ। |
| জম্মু, কাশ্মীৰ আৰু পঞ্জাৱৰ | - | ভণ্ড-পাথৰ। |
| উত্তৰ ভাৰতৰ | - | ৰামলীলা। |
| কৰ্ণাটকৰ | - | যক্ষগান। |
| মণিপুৰৰ | - | মেইতেই জগাই। |
| উত্তৰবংগ, অসমৰ | - | কুশান গান, ভাৰীগান। |
| নেপালৰ | - | গন্ধৰ্বগান বা বালুন। - |

আদিৰ নাম উল্লেখ কৰিব পাৰি।

ওজাপালি অনুষ্ঠানক বিষয়বস্তু আৰু আবৃত্ত পাঠ অনুসৰি বিভিন্ন পণ্ডিতে বিভিন্ন ভাবে ভাগ কৰাৰ প্ৰয়াস কৰিছে। তাৰে ভিতৰত অসমীয়া লোকসংস্কৃতিৰ পিতৃস্বৰূপ ড° নবীন চন্দ্ৰ শৰ্ম্মাদেৱে ওজাপালিৰ দ্বাৰা আবৃত্ত পাঠ (text) নাইবা বিষয়বস্তুৰ ফালৰ পৰা ওজাপালি অনুষ্ঠানক দুটা বহল ভাগত ভাগ কৰিছে। সেয়া -

১) মহাকাব্য আশ্ৰয়ী ওজাপালি আৰু

২) মহাকাব্য অনাশ্ৰয়ী ওজাপালি।

আকৌ অনুষংগৰ ফালৰ পৰাও ওজাপালি অনুষ্ঠানক স্থূলভাৱে দুটা ভাগত ভাগ কৰিব পাৰি। যেনে -

১) বৈষ্ণৱ অনুষংগৰ লগত জড়িত ওজাপালি আৰু

২) শাক্ত অনুষংগ বা দেৱী পূজাৰ সৈতে জড়িত ওজাপালি।

**ওজাপালি যিহেতু গুৰুমুখী বিদ্যা। গুৰুৰ আশীৰ্বাদ অবিহনে অনুষ্ঠান ফলৱতী নহয়। সেয়ে অনুষ্ঠানৰ আৰম্ভণিতে গুৰু বন্দনা গোৱা ৰীতিৰ প্ৰচলন আছে। ওজাপালি বিদ্যাত গুৰুৰ স্থান লাভ কৰি আহিছে বিষ্ণু বা বাসুদেৱ, শিৱ আৰু ব্ৰহ্মা এই তিনি দেৱতাই।**

**১) মহাকাব্য আশ্ৰয়ী অথবা বৈষ্ণৱ অনুষংগৰ লগত জড়িত অথবা সভাগোৱা ওজাপালি ঃ** যি ওজাপালিয়ে সাধাৰণতে ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ বিষয়বস্তু সম্বলিত গীত-পদ আবৃত্তি কৰে, সেই ওজাপালিক মহাকাব্য আশ্ৰয়ী ওজাপালি আখ্যা দিব পাৰি। বিষ্ণু, কৃষ্ণ কথাবৃত্তৰ লগত জড়িত গীত-পদ আদিক কলাত্মক ৰূপ প্ৰদান কৰাই এইশ্ৰেণী ওজাপালিৰ মূল উদ্দেশ্য। এইবিধ ওজাপালিক আকৌ কেইটামান উপভাগত ভাগ কৰা হৈছে। যেনে -

ক) ব্যাস ওজাপালি বা বিয়াহ গোৱা ওজাপালি বা বিয়াহৰ ওজাপালি বা সভাগোৱা ওজাপালি।

খ) ৰামায়ণ গোৱা ওজাপালি অথবা ৰায়মন ওজাপালি;

গ) ভাউৰা ওজাপালি বা ভাউৰীয়া বা ভাইৰা ওজাপালি;

ঘ) দুৰ্গাবৰী ওজাপালি;

ঙ) সত্ৰীয়া ওজাপালি বা বিয়হীয়া ওজাপালি;

চ) পাঞ্চালী ওজাপালি আৰু

ছ) দুলড়ী ওজাপালি, ইত্যাদি।

**২) মহাকাব্য অনাশ্ৰয়ী ওজাপালি অথবা দেৱী পূজাৰ লগত জড়িত ওজাপালি ঃ** যি বিলাক ওজাপালিয়ে সাধাৰণতে ৰামায়ণ, মহাভাৰত বা পুৰাণৰ বিষয় আশ্ৰিত গীত-পদ আবৃত্তি নকৰি সাধাৰণতে শাক্ত অনুষংগ অথবা দেৱী পূজাৰ প্ৰসংগত নাইবা সৰ্বদেৱী মনসা বা পদ্মা, বা বৰমানী পূজাৰ বা বিষহৰী পূজাৰ লগত সম্পৃক্ত গীত-পদ আবৃত্তি কৰে, সেই ওজাপালি অনুষ্ঠানক সামগ্ৰিকভাৱে মহাকাব্য অনাশ্ৰয়ী ওজাপালি, অথবা শাক্ত অনুষংগ বা দেৱী পূজাৰ লগত জড়িত ওজাপালি বোলে।

গীত-পদৰ বিষয় বস্তুৰ বিভিন্নতা অনুসৰি মহাকাব্য অনাশ্ৰয়ী ওজাপালি অনুষ্ঠানক আকৌ কেইটিমান উপশ্ৰেণী বা উপ... কৰিব পাৰি। যেনে -

ক) সুকনানি বা সুকন্নানি বা বং... ওজাপালি;

খ) বিষহৰী গান বা গীত গোৱা ও...

গ) মাৰে পূজাৰ গান বা মাৰে-... ওজাপালি;

ঘ) পদ্মা বা পদ্দা পুৰাণৰ গান গো... ওজাপালি;

ঙ) তুকৰীয়া ওজাপালি;

চ) গীতালু গীত বা গাহান গোৱা... আৰু

ছ) ৰাখোৱাল গীত গোৱা ওজা...

ওজাপালি অনুষ্ঠান এ... পৰিসৰৰ অনুষ্ঠান। ইয়াত বিভিন্ন... উপবিভাগ থকাৰ উপৰিও মাৰ্গীয়... দৰে ওজাপালি অনুষ্ঠানতো সুকীয়া... নৃত্য আৰু বাদ্যৰ প্ৰচলন আছে।... ওজাপালি অনুষ্ঠানক 'গান্ধৰ্ব সংগী... দিব পাৰি। ওজাপালি অনুষ্ঠানৰ... অনুযায়ী ইয়াৰ সংগীতৰ অংগও পঞ্চ... সেইবাবে ওজাপালি সংগীতে পঞ্চাঙ্গ... দাবী পূৰণ কৰিব পাৰে। ওজাপালি... পঞ্চ অঙ্গ সম্পৰ্কে তলত আলোচনা...

ক) আলাপ;

খ) গুৰু বন্দনা;

গ) বিষ্ণুপদ;

ঘ) সংগীতালাপ;

ঙ) ঝুনা বা জুনা বা পুৰলি বা...

**ক) আলাপ ঃ** আলাপ... হৈছে- 'স্বৰ'। পৰম্পৰাগত বা শাস্ত্ৰীয়... আৰম্ভণি সূচিত হয় আলাপৰ... আলাপ বা স্বৰ সাধনাৰ অৰ্থ সুৰ বা... ঃ হা-তা-না-ৰি (ঋ) ৰিতা (... সাংকেতিক অক্ষৰৰ সহায়ত আ... পটভূমিত প্ৰতিপাদন কৰা হয়। স... সাধনা ঃ হা-তা-না-ৰি-ৰিতা। গতিকে... ডাঙৰ বিদ্যা একো নাই। সংগীত... পাৰংগত হ'বৰ বাবে সংগীত... দেৱতা সকল যেনে - গণপতি... মহামায়া, কৃষ্ণ আৰু গন্ধৰ্বৰ কৃপা... অতিকে প্ৰয়োজনীয়। আলাপৰ... দেৱতাসকলক বন্দনা কৰা হয়।...





হা-ৰ অৰ্থ গণপতি,

তা-ৰ অৰ্থ সদাশিৱ,

না-ৰ অৰ্থ মহামায়া,

ৰি-ৰ অৰ্থ কৃষ্ণ আৰু

ৰিতা-ৰ অৰ্থ গন্ধৰ্ব - ইত্যাদি।

**খ) গুৰু-বন্দনা ঃ** আলাপ বা স্বৰ ...নাৰ পৰৱৰ্তী অঙ্গটোৰ নাম হৈছে 'গুৰু-...না'। ওজাপালি অনুষ্ঠানৰ আৰম্ভণিতে গুৰুৰ ...া লাভ কৰাটো অতি প্ৰয়োজনীয়। ...াপালি যিহেতু গুৰুমুখী বিদ্যা। গুৰুৰ ...ীৰ্বাদ অবিহনে অনুষ্ঠান ফলৱতী নহয়। ...য় অনুষ্ঠানৰ আৰম্ভণিতে গুৰু বন্দনা গোৱা ...ৰ প্ৰচলন আছে। ওজাপালি বিদ্যাত গুৰুৰ ...লাভ কৰি আহিছে বিষ্ণু বা বাসুদেৱ, শিৱ ... ব্ৰহ্মা এই তিনি দেৱতাই। ওজাপালি ...ানৰ আৰম্ভণিতে গুৰুবন্দনা সাধাৰণতে ...া, ৰামগিৰি, গুঞ্জৰী, বা ভ্ৰমৰী ৰাগত ...ই নৃত্যসহ গোৱাৰ ৰীতি আছে। কিছু কিছু ...ত গুৰু বন্দনাত দুটা বা তাতকৈ বেছি ...গোৱা দেখা যায়। ওজাপালি অনুষ্ঠান গুৰু ...ৰে আৰম্ভণি হয় বাবে এইবিধ গীতক ...নি' গীতো বোলা হয়। গুৰু বন্দনা ওজাই ...ত কৰে এটি শ্লোককেৰে ঃ

...ী কৃষ্ণায় বাসুদেৱায় দৈৱকী নন্দনায় চ।
...ন্দ গোপ কুমাৰায় গোৱিন্দায় নমো নমঃ।।

এটা কথা মন কৰিবলগীয়া যে ...ক শ্ৰেণীৰ ওজাই নিজৰ ইষ্ট দেৱতাক ...কৰে। গুৰু বন্দনাৰ শ্লোকৰ পিছতে গীত ...ও কৰে। গুৰু বন্দনাৰ গীতৰ এটি অংশ ... তুলি দিয়া হ'ল। ইয়াত ব্যৱহাৰ হোৱা ...আৰু তালৰ নাম হ'ল - 'সাৰংগ' ৰাগ আৰু ...ৰী' তাল। যেনে -

অহে গোবিন্ কি দিবো যাদৱ ৰায়।
অহে ব্ৰহ্মাণ্ডৰ ভিতৰে যত বস্তু আছে
সমস্ত তোমাতে পায়।।
কিবা আসন দিবো নাৰায়ণ
গৰুড় যাৰ বাহন।
কিবা অলংকাৰ ৰঞ্জিবো তোমাৰে
কৌস্তুভ যাৰ ভূষণ।।
..................................................
..................................................
...কৃষ্ণৰ চৰণ হৃদয়ে ধৰিয়া
দীন মাধৱ দাসে গায়।।১

দৰাচলতে, 'আলাপ', গুৰুবন্দনা আৰু 'পাতনি' গীত এই তিনিবিধ গীতৰ থূলটোক সামগ্ৰিক 'গুৰুমণ্ডলী' বা গইদ বা ঘুন্নি বুলি কোৱা হয়।

**গ) বিষ্ণুপদ ঃ** গুৰুবন্দনাৰ পিছতে ওজাপালি অনুষ্ঠানৰ তৃতীয় স্তৰটো বা তৃতীয় অংগটো হৈছে - 'বিষ্ণুপদ'। 'বিষ্ণুপদ' স্তৰৰ গীত পদ আৰু হস্তবোৰলৈ চাই অনুমান কৰিব পাৰি যে এই স্তৰটো নৃত্য প্ৰধান স্তৰ। আৰু ইয়াত ব্যৱহাৰ হোৱা ৰাগৰ নাম 'বিষ্ণুৰাগ'। বিষ্ণুপদৰ 'ৰাগ' বা 'সুৰ' বা 'ঢেক'ৰ বিস্তাৰৰ সংখ্যা তিনিৰ পৰা সাতলৈ যাব পাৰে। বিষ্ণুপদৰ সামৰণিত ব্যাস ওজাপালি পৰম্পৰা মতে জয়দেৱৰ 'গীত-গোবিন্দ' কাব্যত সন্নিৱিষ্ট 'দশাৱতাৰৰ গীত গোৱা হয়। যেনে ঃ

"প্ৰলয় পয়োধি জলে ধৃতবানসি বেদং
বিহিত বহিএ চৰিত্ৰখেদম্।
কেশৱ ধৃতমান শৰীৰ
জয় জয় জগদীশ হৰে।।"

"ক্ষিতিৰতি বিপুলতাৰে তিষ্ঠিতব পৃষ্ঠে
ধৰিণি ধাৰণ কিন চক্ৰ গৰিষ্ঠে।
কেশৱ ধৃত কচ্ছপ ৰূপ
জয় জগদীশ হৰে।।......."

বৰ্তমান জয়দেৱৰ 'গীতগোৱিন্দ'ৰ দশাৱতাৰৰ ঠাইত শ্ৰী শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ 'কীৰ্ত্তন ঘোষা'ত সন্নিৱিষ্ট 'দশাৱতাৰৰ গীতহে পৰিবেশন কৰে। যেনে -

দিহা ঃ প্ৰথমে প্ৰণামো ব্ৰহ্মাৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।
পদ ঃ তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাত।
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত।।

**ঘ) সংগীতালাপ ঃ** বিষ্ণুপদৰ পিছতে ওজাপালি অনুষ্ঠানৰ বিশেষ স্তৰ বা অংগটোৰ নাম হৈছে 'সংগীতালাপ'। এই স্তৰটো 'চাবৰ বানা', 'গাণকাৰ ৰাগ' আদি নামেৰেও পৰিচিত। 'চাবৰ বানা'ৰ শাস্ত্ৰীয় নাম 'মালৱ'। গীত-পদৰ ক্ৰম আৰু বৈশিষ্ট্যৰ ফালৰ পৰা সংগীতালাপক পাঁচোটা ভাগত ভাগ কৰা হৈছে। যেনে -

ক) মালিতা,

খ) ৰাগ,

গ) বানা,

ঘ) দিহা,

ঙ) পদ বা ঘোষা।

**ঙ) ঝুনা বা জুনা ঃ** ওজাপালি অনুষ্ঠানৰ একেবাৰে শেষৰ স্তৰটো হৈছে - জুনা বা ঝুনা বা পুৰেলি গীত। স্থান, কাল, পাত্ৰভেদে ওজাপালিয়ে ঝুনা বা জুনা অথবা পুৰেলি গীত গায়। ঝুনা গীতৰ বৈশিষ্ট্য হৈছে - এই গীতবোৰ পাতল ধৰণৰ, ইয়াত শৃঙ্গাৰ ৰসৰ প্ৰাধান্য বেছি। ঝুনা গীতৰ অংশ এটি তলত তুলি দিয়া হ'ল -

দিহা ঃপ্ৰাণ সখীহে অ আজু কেনে
নুপুহায় ৰজনী।
আকুল বিয়াকুল কৰি কান্দেৰাধা বিৰহিনী
আজি প্ৰাণ নাসিল যদুমণি।।

পদ ঃ

প্ৰথম প্ৰহৰ নিশি শয্যা পাৰি আছো বসি
ৰত্নময় পালেঙ্গি শুহাই।
পাৱৰ নেপূৰ কাঢ়ি গৈয়াছিলো আগবাঢ়ি
নাসিল কৃষ্ণ পৰ নাৰী পাই।।

'ওজাপালি অনুষ্ঠান'ৰ আন কেইটিমান অংগ আছে। সেইকেইটি অংগ হ'ল- ৰাগ বা ৰাগিনী, তাল, গতি, নৃত্য বা নাচ, মুদ্ৰা বা মুদুৰা বা হস্ত আৰু সাজপাৰ ইত্যাদি। এই কেই অংগ ওজাপালি অনুষ্ঠানৰ প্ৰাণ বুলি ক'ব পাৰি। তলত সেইকেইটিৰ অতি চমু আলোচনা এটি কৰা হ'ল-

**ৰাগ বা ৰাগিনী ঃ** ওজাপালি অনুষ্ঠানত বিভিন্ন ৰাগ বা ৰাগিনী ব্যৱহাৰ হোৱা দেখা যায়। এই অনুষ্ঠানৰ ৰাগ বা ৰাগিনীসমূহৰ আন আন উচ্চ পৰ্যায়ৰ গীতৰ ৰাগৰ লগত মিল থকা দেখা পোৱা যায়। যেনে ঃ বৰগীত, চৰ্য্যাগীত ইত্যাদি। এই ৰাগ বা ৰাগিনীবোৰ যিকোনো সময়ত গাব নোৱাৰি। প্ৰত্যেকটো ৰাগ বা ৰাগিনী গোৱাৰ সময় সুনিৰ্দ্দিষ্ট কৰি দিয়াৰ ঐতিহ্য ভাৰতীয় শাস্ত্ৰীয় সংগীত ধাৰাত লক্ষ্য কৰা যায়। ওজাপালি সংগীতত সঘনে ব্যৱহৃত হোৱা পোন্ধৰটা ৰাগ-ৰাগিনী গোৱাৰ প্ৰসংগত কিদৰে সময় সুনিৰ্দিষ্ট কৰি দিয়া হৈছে তাৰ আভাস তলত দিয়া হ'ল-

১) প্ৰভাতত অৰ্থাৎ ৰাতিপুৱা ঃ পূৰবী,
২) দুপৰীয়া ঃ ভৈৰবী আৰু ধনশ্ৰী,
৩) বিয়লি ঃ শ্ৰী গান্ধাৰ, কল্যাণ আৰু বৰাৰি,
৪) গধূলি ঃ ৰেলি বা লেলি, চৌৰথ বেহাগ বা দেলাগ,
৫) আগনিশা ঃ সাৰংগ আৰু মেঘ,
৬) পাছনিশা ঃ ৰামগিৰি, বসন্ত আৰু সুহাই, ইত্যাদি।

ওজাপালিত প্ৰত্যেকটো ৰাগ-ৰাগিনী পয়াৰ বা পদ ছন্দক আশ্ৰয় কৰিহে গোৱা হয়। অন্যহাতে দুলড়ী, ছবি, লেছাৰি, ঝুমুৰি আদি ছন্দত নিৰ্দিষ্ট ৰাগ-ৰাগিনী গোৱাৰ পৰম্পৰা ব্যাস ওজাপালিৰ মাজত অপ্ৰচলিত। কিন্তু অন্য ওজাপালিত ইয়াৰ প্ৰচুৰ প্ৰচলন দেখা পোৱা যায়। ওজাপালিৰ ৰাগ-ৰাগিনীৰ স্তৱ সাতোটা যেনে -

১) স্বৰ সাধনা আৰু সুৰ প্ৰতিপাদন,
২) উপস্থাপন বা ঘুন্নি,
৩) স্বৰৰ আৰোহীক্ৰম বা তোলনি,
৪) মালিতা বা ৰাগৰ জন্মালাপ,
৫) চৰণ বা মূৰ্চ্ছনা,
৬) অৱৰোহ বা ধুৱা,
৭) সঞ্চাৰী বা দিহা আৰোহী আৰু অৱৰোহী স্বৰৰ সমলয়।

ওজাপালিত ব্যৱহৃত ৰাগসমূহ হ'ল ঃ মাল্লৱ বা মালৱ। ('মাল্লৱ' ৰাগক ৰাগৰ ৰজা বুলি কোৱা হয় আৰু বাকীবোৰক ৰাগিনী বুলি কোৱা হয়)। সাৰংগ, সুমাৰংগ, বৰাৰি বা বড়াৰি, চালন (কলনি), বসন্ত, ভৈৰৱী, ৰামগিৰি বা ৰামকিৰি, গান্ধাৰ, গণ্ডগিৰি, পাহাৰি, শ্যামগৰা, সুহাই বা সুৱাই, ধনশ্ৰী, দিহাগাৰা, কল্যাণ, লেলি, শ্ৰী গান্ধাৰ, কৌ, তুড়, মেঘমল্লাৰ, দীপক, অহীৰ, ভাটিয়ালী, মালৰি, কেদাৰ, কাৰুণ্যকেদাৰ আদি ৰাগ-ৰাগিনী পৰম্পৰাগতভাৱে প্ৰচলিত।

তাল ঃ ওজাপালি সংগীতত বিভিন্ন 'তাল' ব্যৱহাৰ হোৱা দেখা যায়। যেনে ঃ 'সত্ৰীয়া ওজাপালি'ত চাবতাল, জাপতাল আৰু তেতাল তাল, ইত্যাদি। 'ব্যাস ওজাপালি'ৰ সংগীতধাৰাত পৰম্পৰাগতভাবে অন্ততঃ পাঁচবিধ তাল প্ৰয়োগ কৰা হয়। যেনে - (ক) চাবতাল, (খ) চৌতাল, (গ) জিকাৰী তাল বা জিকিৰি তাল, (ঘ) লেছাৰি তাল আৰু (ঙ) থোকাতাল, ইত্যাদি। 'তুকৰীয়া ওজাপালি' সংগীত ধাৰাত দুই প্ৰকাৰৰ তালৰ উপস্থিতি লক্ষ্য কৰা যায়। যেনে - (ক) চিংচপ আৰু চিংচপ্-চপ্, ইত্যাদি। 'ভাইৰা বা ভাউৰা ওজাপালি'ত প্ৰচলিত থুকনি, থিয়, একচবীয়া, চাবতাল, চৌতালী আদি তালৰ স্থিতি দেখা পোৱা যায়। ইয়াৰ 'থুকনি' তালখন সত্ৰীয়া নৃত্যৰ কৃষ্ণ নৃত্য, ঝুমুৰা, নাদুভঙ্গী নাচৰ আৰম্ভণি 'থুকনি তাল'ৰ লগত একে। ইয়াৰ মাত্ৰা তালি, খালি আৰু ভাগৰ লগতো সাদৃশ্য থকা দেখা যায়।

*দেশ আৰু অঞ্চলভেদে এটা নদীকেই বিভিন্ন নাম দিয়াৰ দৰে সু-প্ৰাচীন পৰম্পৰা কথকতায়ো ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত বিভিন্ন নামেৰে পৰিচয় দি আহিছে। পুৰাণ প্ৰসিদ্ধ ভাৰতৰ পূৰ্বদিশত অৱস্থিত সুজলা-সুফলা অসমদেশত এই পৰম্পৰাৰে এটি নাম হ'ল - 'ওজাপালি'। ওজাপালিৰ গঠন আৰু বিকাশত আৰ্য সংস্কৃতিৰ সমলৰ লগতে আৰ্যভিন্ন সাংস্কৃতিক সমলেও স্থান লাভ কৰিবলৈ সক্ষম হৈছে। থলুৱা উপাদান আৰু আৰ্যভিন্ন সাংস্কৃতিক সমলৰ প্ৰভাৱৰ ত্ৰিৱেণী সঙ্গমৰ ফলতে ওজাপালি অনুষ্ঠানৰ বিকাশ ঘটি এক শক্তিশালী পৰম্পৰা সৃষ্টি কৰিছে।*

গতি ঃ সাধাৰণতে তালৰ পৰিমাণকে গতি বুলি কোৱা হয়। কিন্তু ওজাপালিত খোজকঢ়াৰ ধৰণ অথবা পদনিক্ষেপৰ বৈচিত্ৰ্যৰ নামে হ'ল 'গতি'। ওজাপালি নৃত্যভঙ্গীৰ প্ৰায়োগিক দিশৰ পৰা 'গতি'ৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰিবই লাগিব। গতিৰ মাধ্যমেৰেহে নৃত্যভঙ্গীৰ সাৰ্থক... হয়। ব্যাস ওজাপালি নৃত্যত 'গতি'... সলনি বুলন, বুলি, চালনা, খোজ... ব্যৱহাৰ দেখা যায়। ত্ৰয়োদশ শতি... নন্দিকেশ্বৰৰ অভিনয় দৰ্পণৰ মতে... প্ৰকাৰৰ। যেনে -

১) মণ্ডল (Standing)
২) উৎপ্লৱন (Leoping or jumping movement)
৩) ভ্ৰমৰী (Flight move...)
৪) পদচাৰী বা চাৰী (Goit)

নৃত্য বা নাচ ঃ নৃত্য অবি... অসম্পূৰ্ণ। গীত বাচিক ব্যাপাৰ... গীতৰ চাক্ষুষ অভিব্যক্তি। গীতৰ ৰূ... ৰূপ প্ৰদান কৰে নৃত্য বা নাচে... সৌন্দৰ্য্য আৰু মাধুৰ্য প্ৰদান ক... ভাৰতীয় নৃত্য তিনিটা উপাদানৰ স... নৃত্য আৰু নাট্য। ওজাপালি বিশে... ওজাপালি নৃত্ত, নৃত্য, নাট্য আৰু গী... ব্যাস ওজাপালিত পাঁচ প্ৰকাৰৰ নৃত্য... হয়। যেনে ঃ ময়ূৰ নাচ, হংসিনী... নাচ, নটুৱা নাচ আৰু পাৰোৱা... ওজাপালি নাচৰ লগত সত্ৰীয়া বা শং... আৰু সূত্ৰধাৰী নৃত্যৰ সাদৃশ্য দেখা...

হস্ত বা মুদ্ৰা বা মুদুৰা...

অভিনয়ৰ সাৰ্থকতা প্ৰতিপন্ন কৰা... হস্তৰ ভূমিকা গুৰুত্বপূৰ্ণ। ভাৰতী... সংগীতত মুদ্ৰা বা হস্ত ভংগীৰ... গুৰুত্বপূৰ্ণ। নৰ্ত্তকে নিজৰ মনোভাৱ... মুদ্ৰা বা হস্তৰ সহায়েৰে প্ৰকাশ ক... গ্ৰন্থত হস্ত বা মুদ্ৰাৰ ভাগ সম্প... মতামত পোৱা গৈছে। ১ম শতিকাৰ... 'নাট্য শাস্ত্ৰ'ত তিনি প্ৰকাৰৰ হস্তৰ... যায়। যেনে ঃ (ক) অসংযুক্ত হস্ত, (... হস্ত আৰু (গ) নৃত্য হস্ত। নন্দিকেশ্বৰ... দৰ্পণতো তিনি প্ৰকাৰৰ হস্তক... এঘাৰটা (৫১ বিধ) মুদ্ৰাৰ উল্লেখ... শুভংকৰ কবিৰ শ্ৰীহস্ত মুক্তাৱলী... সংযুক্ত হস্ত ১৪ প্ৰকাৰৰ (খ) অসং...







...ৰৰ আৰু (গ) নৃত্য হস্ত ২৭ প্ৰকাৰৰ।

দৰঙৰ ব্যাস ওজাপালিয়ে প্ৰয়োগ ...মুদ্ৰা বা মুদুৰাবোৰৰ ভিতৰত কেইবিধমান ... - ধ্বজ, হংসিনী, মুষ্টি, অৰ্ধচন্দ্ৰ, শিখৰ, ...ী, পুষ্প, মৃগমুখ বা মৃনমুখ, সিংহমুখ, ...ল, অংকুশ, অসিমুখ, বীণা, ধনু, স্বস্তিক, ...লি, পদ্ম, মুকুল, কপোত, শিৱলিংগ, ...চালি, বেণু, ডম্বৰু, ব্ৰহ্মা, বিষ্ণু, শিৱ, চক্ৰ ...দি।

সাজপাৰ ঃ ওজাপালিৰ সাজপাৰৰ ... সত্ৰীয়া বা শংকৰী নৃত্যৰ বহুতো মিল দেখা যায়। ই সত্ৰীয়া নৃত্যৰ ঝুমুৰা বা ...াৰী নাচৰ সাজপাৰৰ লগত একে। ...পালিত যিজন মূল ব্যক্তি অৰ্থাৎ ওজা ...ৰ সাজপাৰৰ লগত দাইনাপালি আৰু ...ৰণ পালি বা পালিৰ সাজপাৰ অলপ ...গ। ওজাজনে মূৰত পাগ, কঁকালত ঘূৰি ...ঙা, কঁকালত কমৰবেল্ট, গাত হাত দীঘল ..., গাৰ ওপৰত চেলেং বা ৰিহা পৰিধান ...। গলত হাৰ বা মণিৰ মালা, হাতত ...ৰু বা মুঠিখাৰু, কপালত চন্দন নাইবা ...ফোঁট ব্যৱহাৰ কৰে। সত্ৰীয়া ওজাপালিয়ে ... জুনুকা বা নূপুৰ ব্যৱহাৰ কৰা দেখা যায়। ...ণ পালি কেইজনে শুধ বগা ধূতি-পাঞ্জাবী চোলা আৰু গাত চেলেং চাদৰ পৰিধান কৰে আৰু হাতত খুটিতাল ব্যৱহাৰ কৰে। সাধাৰণতে এয়াই ওজাপালিৰ সাজপাৰৰ বিৱৰণ।

আকৌ শ্ৰেষ্ঠ ওজা সম্পৰ্কেও কিছুমান লক্ষণ নিৰ্দ্ধাৰণ কৰা হৈছে। শ্ৰেষ্ঠ ওজা সম্পৰ্কে বিভিন্ন গুণী-জ্ঞানী তথা পণ্ডিত ব্যক্তিয়ে কৈছে যে- "নাচন কাচন বচন আৰু মোচন - এই চাৰিবিধ বিষয়ত যিজন ওজা দক্ষ তেঁৱেই শ্ৰেষ্ঠ ওজা। সেয়েহে কোৱা হয় ঃ

"নাচন কাচন মোচন আৰু বচন।
এই চাৰি বস্তু ওজাৰ প্ৰয়োজন।।"

নৃত্য, বেশ-ভূষা, সংলাপ বা বচন আৰু মুদ্ৰা বা মোচন বা হাত এই বৈশিষ্ট্য চাৰিটি কেৱল ওজাপালি সংগীতৰ বাবেই নহয়, আন আন উচ্চ নৃত্যৰ বাবেও অতি প্ৰয়োজনীয়। ওজাপালি নৃত্যত ভাৰতীয় শাস্ত্ৰীয় তথা পৰম্পৰীণ নৃত্যশৈলীৰ অনেক সমল নিহিত হৈ আছে। তাৰ উমান ইয়াৰ পৰাই পাব পাৰি। ওজাৰ নাচন-কাচন কেনে হোৱা উচিত সেই কথা তলৰ পদফাঁকিয়ে প্ৰমাণ কৰিব ঃ

"মুখে গীত হাতে মুদ্ৰা পাৱে ধৰে তাল।
ময়ূৰ (গৰুণ্ড) সদৃশ নাচে (ভ্ৰমে) সেহি
ওজা ভাল।।"

গতিকে ভাল ওজা হ'বলৈ হ'লে উপৰিউক্ত আটাইকেইটা কথা বা গুণ থাকিব লাগিব।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে লোক পৰিৱেশ্য কলাৰ অবিচ্ছেদ্য অংগ ওজাপালি অনুষ্ঠান এটি বিশাল পৰিসৰৰ অনুষ্ঠান। এই অনুষ্ঠান ফলে-ফুলে, পুষ্প-পত্ৰই এক বিশাল বৃক্ষত পৰিণত হৈ জাতিষ্কাৰ হৈ আছে।

❑❑❑

*গ্ৰন্থপঞ্জী ঃ*
*ক) ভাৰতৰ পূৰ্বাঞ্চলৰ লোক পৰিবেশ্য কলা ঃ*
*- ড° নবীন চন্দ্ৰ শৰ্ম্মা।*
*খ) সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা ঃ*
*- নাৰায়ণ চন্দ্ৰ দেৱগোস্বামী।*
*গ) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ*
*- ড° সত্যেন্দ্ৰ নাথ শৰ্ম্মা।*
*ঘ) সত্ৰীয়া নৃত্যৰ ৰূপৰেখা ঃ*
*- গোৱিন্দ শইকীয়া বৰবায়ন।*
*ঙ) অভিনয় দৰ্পণ ঃ*
*- নন্দিকেশ্বৰ।*
*চ) শ্ৰীহস্ত মুক্তাৱলী ঃ*
*- শুভংকৰ কবি।*

## লেছেৰি বুটলি ঃ

**জৈৱ বিবৰ্তন নঘটা প্ৰাণী ঃ** *আপুনি জানেনে, মানুহৰ মূৰৰ কামোৰণি পঁইতাচোৰা এক আচৰিত গুণৰ অধিকাৰী। পৃথিৱীৰ সমস্ত জীৱকুল ধ্বংস হৈ গ'লেও একমাত্ৰ জীৱ হিচাপে বাচি থাকিব মাথো পঁইতাচোৰা। কাৰণ বৰ্তমানলৈ আৱিষ্কৃত কোনো বিধ্বংসী তেজস্ক্ৰিয় ৰশ্মিয়ে ইয়াক টলাব নোৱাৰে। ফলত পৰমাণু যুদ্ধয়ো ইয়াৰ বিলুপ্তি ঘটাব নোৱাৰে বুলি ধাৰণা কৰা হয়। সেয়ে হেজাৰ হেজাৰ বছৰ ধৰি বিবৰ্তন ঘটা নাই এই পতংগবিধৰ।*

লোক-কলা

# হাজোৰ লোক উৎসৱ ঃ চ'ৰে বৰাত বা চৰাই পূজা

*দীপাংকৰ ঠাকুৰীয়া*
প্ৰাক্তন ছাত্ৰ

অতীজৰ পৰা অসমত প্ৰচলিত বিভিন্ন ঠাইৰ লোক সংস্কৃতিৰ একোটা সৰু সোঁতে বাৰে বহণীয়া অসমৰ সংস্কৃতিৰ পথাৰখন জীপাল কৰি তুলিছিল। বিভিন্ন অঞ্চলত পালন কৰি অহা স্বকীয় বৈশিষ্টৰ কিছুমান পৰ্ব বা উৎসৱ অথবা লোকাচাৰে অসমৰ সংস্কৃতিৰ ক্ষেত্ৰখন চহকী কৰি গৈছিল। আধুনিক সভ্যতাৰ যান্ত্ৰিকতাৰ হেঁচাত তেনে বহু অনুষ্ঠানেই হয়তো লোপ পাই গৈছে অথবা লোপ পাব ধৰিছে। এনে ধৰণৰ পুৰণি ঐতিহ্যমণ্ডিত লোক-কলাসমূহৰ উদ্ধাৰে অসমৰ সংস্কৃতিৰ ভঁৰালটো আৰু অধিক টনকিয়াল কৰি তুলিব। অসমৰ বিভিন্ন স্থানত পালন কৰি অহা লোক-কলাসমূহৰ ভিতৰত হাজোৰ 'চ'ৰে বৰাত' বা 'চৰাই পূজা'ও অসমৰ এক অন্যতম লোক উৎসৱ বুলি ক'ব পৰা যায়। অতি প্ৰাচীন কালৰে পৰাই ধৰ্মীয় মিলনৰ পূণ্যভূমি হাজোত ধৰ্মীয় চৰ্চাৰ লগে লগে সাংস্কৃতিক চিন্তা-চৰ্চাও ব্যাপকভাবে হৈছিল। গুৰু শংকৰাচাৰ্যই উত্তৰ-পূৰ্ব ভাৰত ভ্ৰমণৰ সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত হাজোত ব্যাপকভাবে ধৰ্মীয় চিন্তা-চৰ্চাৰ লগতে উচ্চ সাংস্কৃতিক চৰ্চাও চলা বুলি স্বীকাৰ কৰি গৈছিল। হাজোৰ ঐতিহাসিক দেৱদাসী নৃত্য, দূৰ্গাবৰী ৰামায়ণৰ গীত, নাওঁখেলৰ গীত আদিকে ধৰি মাঘবিহুৰ অন্যতম বুলবুলি চৰাইৰ যুঁজ, নাৰিকল যুঁজ, কণীযুঁজ ইত্যাদি জ্বলন্ত উদাহৰণ। ইয়াৰে দেৱদাসী নৃত্যৰ প্ৰচলন বৰ্তমানে অৱশ্যে দেখিবলৈ পোৱা নাযায়। যিয়েই নহওঁক ইয়াৰ মাজতে ফৰকাল আঘোণৰ সোণালী পৰিবেশত উদ্‌যাপিত 'চ'ৰে বৰাত' বা 'চৰাই পূজা'ও এক লেখত ল'বলগীয়া লোক-উৎসৱ। আজিও অতি উলহ-মালহেৰে পালন কৰি অহা হাজোৰ চ'ৰে বৰাত বা চৰাই পূজাই অসমৰ সাংস্কৃতিক জগতত এক সুকীয়া স্থান দখল কৰিব পাৰে। আঘোণ মাহৰ পূৰ্ণিমাৰ দিনা এই উৎসৱ পালন কৰা হয়। তাৎপৰ্যপূৰ্ণভাবে উল্লেখ কৰিব পাৰি যে এই দিনটোতে নামনি অসমত আন এক লোক-উৎসৱ মহ-হো বা মহখেদা উৎসৱো পালন কৰা হয়। বিবাহযোগ্যা ছোৱালীয়ে

বিবাহৰ সমাধানাৰ্থেই প্ৰধানকৈ চ'...
পালন কৰি অহা বুলি বিশ্বাস ক...
আঘোণৰ পূৰ্ণিমাৰ দিনা দিনটো উপ...
অকুমাৰী ছোৱালীবোৰে এই ...
আয়োজন কৰে। উৎসৱৰ এমাহ...
পৰাই ছোৱালীবোৰে মাটিৰে বিভি...
চৰাই তৈয়াৰ কৰা কাম আৰম্ভ ক...
চৰাইবোৰ কিছুমান সৰু সৰু আ...
ডাঙৰকৈ দুটা ভাগত ভাগ কৰি তৈ...
সৰুকৈ বনোৱা চৰাইবোৰ প্ৰায় ৫...

> উৎসৱৰ মূল পূজাভাগ সম্পূৰ্ণ দুৰ্গাপূজাৰ ... কৰা হয় আৰু বাকী আন কাম-কাজবোৰ ... অসমীয়া বিয়াৰ আৰ্হিত সমাপন কৰা হ... পূজা আৰু বিয়াৰ আৰ্হিৰ যি সংমিশ্ৰণ সে... বিচাৰ কৰিবলগীয়া বিষয়। মূল পূজাভাগ... হয় 'কাত্যায়নী দেৱী'ৰ নামত। এনে... কাত্যায়নী দেৱীৰ নামত কৰা পূজাৰে ... বিখ্যাত 'কামাখ্যা' মন্দিৰতো আঘোণ... পূৰ্ণিমাৰ দিনা 'চৰাব্ৰত' বুলি এক অনুষ্ঠানৰ ... থকা কথা জনা যায়, ইয়াতো সধৱা তিৰোতা... স্বামীৰ মঙ্গলৰ বাবে আৰু কুমাৰী ছোৱালী... মনোমত স্বামী পোৱাৰ উদ্দেশ্যে আৰু প... মঙ্গলৰ কাৰণে এই অনুষ্ঠানৰ আয়োজন...

সৰু দীঘল বাঁহত গুঁজি লোৱা হ...
গুঁজি লোৱা কেইবাটাও চৰাই এ...
ঘিলাপিঠাৰ আকৃতিৰ মাটি এটো...
সজোৱা হয়। সৰু চৰাইবোৰৰ থু...
বুলি কোৱা হয়। ডাঙৰ চৰাইবো...
প্ৰায় ৩০ ইঞ্চিমান দীঘল সৰু বাঁহ...
হয়, অৱশ্যে ডাঙৰ চৰাইবোৰ এ...
থোৱা হয়। এনেদৰে সজা চৰা...
কোনো নিৰ্দিষ্ট আকাৰ নাই। ছোৱা...
হৈ চৰাইবোৰ সাজি থাকোতে যি...
সেয়াই চৰাইবোৰৰ আকৃতি। এইখি...
সাজি থাকোতে ছোৱালীবোৰে কি...
নাম গায় থাকে, যেনে -





"ঐ চৰাই ইটো আল বান্ধিছি কোনে
তলে বয় পানী
জাপানে যুদ্ধ কৰে ইংৰাজে আছে চাই
...ৰাইজৰ দেখো টানা-টানি।"

মাটিৰে চৰাইবোৰ সজা হোৱাৰ
...হত ৰ'দত চৰাইবোৰ ভালদৰে শুকাই লোৱা
..., তাৰ পাছত চূণেৰে সকলোবোৰ চৰাই
...কৈ ৰং কৰি পিছত প্ৰাকৃতিক ৰঙেৰে বিভিন্ন
...বোলাই দিয়া হয়। হালধি, পূৰৈশাক আদিকে
... বিভিন্ন গছৰ পাতৰ ৰসেৰে ৰং বোলাই
...ইবোৰ ৰং-বিৰঙৰ কৰি সজাই তোলোতে
...ৱালীবোৰৰ মনত সুপ্ত হৈ থকা
...ন্দৰ্যপিয়াসী মনটো প্ৰস্ফুটিত হৈ উঠে।
...সৱৰ নিৰ্দিষ্ট দিনটোত ছোৱালীবোৰে
...বাসে থাকি উৎসৱৰ সকলো আয়োজন
...। কিছুমানে আকৌ 'এঘাৰ হবিছ' ভাত
...াৰ কথাও শুনা যায়। মন কৰিবলগীয়া কথা
... যে উৎসৱৰ মূল পূজাভাগ সম্পূৰ্ণ
...পূজাৰ আৰ্হিত কৰা হয় আৰু বাকী আন
...-কাজবোৰ এখন অসমীয়া বিয়াৰ আৰ্হিত
...পন কৰা হয়। এই পূজা আৰু বিয়াৰ আৰ্হিৰ
...ংমিশ্ৰণ সেয়া এক বিচাৰ কৰিবলগীয়া
...। মূল পূজাভাগ কৰা হয় 'কাত্যায়নী
...'ৰ নামত। এনেধৰণে কাত্যায়নী দেৱীৰ
... কৰা পূজাৰে অসমৰ বিখ্যাত 'কামাখ্যা'
...ৰতো আঘোণ মাহৰ পূৰ্ণিমাৰ দিনা 'চৰাব্ৰত'
এক অনুষ্ঠানৰ প্ৰচলন থকা কথা জনা যায়,
...তা সধৱা তিৰোতাসকলে স্বামীৰ মঙ্গলৰ
... আৰু কুমাৰী ছোৱালীবিলাকে মনোমত
... পোৱাৰ উদ্দেশ্যে আৰু পৰিয়ালৰ মঙ্গ
...কাৰণে এই অনুষ্ঠানৰ আয়োজন কৰে।
...ই নহওঁক ইয়াৰ পূজাভাগ যিহেতু
...ায়নী দেৱী'ৰ নামত কৰা হয় সেয়েহে
... পূজাভাগ আৰু হাজোৰ আন কোনো
... উৎসৱৰ সংমিশ্ৰণত হাজোৰ চৰাইপূজা
...ন হ'ল নেকি সি অনুসন্ধানমূলক বিষয়।
...পূজাত দুবিধ বিশেষ বস্তু ব্যৱহাৰ কৰা
...সয়া হ'ল - 'শোভেৰী' আৰু 'চৰাইফুল'।
...জাৰ লগত এই দুবিধ বস্তুৰ তেনে কোনো সম্পৰ্ক নাই। চৰাই ফুলবোৰ হাজোৰ পাহাৰকেইখনৰ পৰা ডালে-পাতে সংগ্ৰহ কৰা হয়। হাজোৰ জনসাধাৰণৰ মাজত চৰাইফুল বুলিয়েই পৰিচিত এইবিধ ফুলৰ অৱশ্যে অন্য নামো থাকিব পাৰে। এই ফুলবোৰ সংগ্ৰহ কৰোঁতেও কিছুমান যোৱা নাম গোৱা হয়, যেনে -

"চৰেই ফুল চিকিনে মিকিনে
অত ৰাতি আছিলি ক'ত,
অত ৰাতি আছিলো কেদাৰৰ পাহাৰত
গোপীসৰে নমাইলা মোক।"

'শোভেৰী' সজোৱা হয় কলদোনাৰ ওপৰত। ইয়াক বাঁহৰ শলখাৰে ৰঙীন কাগজেৰে কলদোনাৰ ওপৰত চৰাইৰ বাহৰ নিচিনাকৈ সজোৱা হয়। ইয়াৰ ভিতৰত সৰু চৰাইৰ 'জুমুৰি' এথোপা থোৱা হয় আৰু ইয়াক দেৱীৰ দৰে সজাই-পৰাই কলপুলি আৰু চৰাইফুলৰ মাজত ৰখা হয়। এনেদৰে স্থাপন কৰাৰ পিছত ফলমূল, নৈবেদ্য, ধূপ-ধুনা আদিৰে পূজা কৰা হয়। পূজাৰ শেষত 'শোভেৰী'টো নৈৰ পানী বা বহল পানীত উটুৱাই দিয়া হয়। শোভেৰীটোক কোনো কোনোৱে 'মুকুট' বুলিও কোৱা শুনা যায়। শোভেৰী উটুৱাই দিয়াৰ সময়তো যোৱা নামত এনেদৰে গোৱা হয় -

"ঔৰ তলে তলে ঝি ঝি পানী
কাৰৈ মাছটোৰে ধৰিছে উজনি।
কাৰৈ মাছটো ভালকৈ কচা
'শোভেৰী' অতোৱাক ভাত খাব মাতা।।"

আমি ইতিমধ্যেই উল্লেখ কৰিছোৱেই যে মূল পূজাভাগ আৰু অইন কাম-কাজবিলাক সম্পূৰ্ণ বিপৰীত ধৰ্মী। পূজাৰ বাহিৰে বাকী অইন কামবোৰ সম্পূৰ্ণ এখন অসমীয়া বিয়াৰ আৰ্হি। বিয়াৰ দৰেই ইয়াতো বেগুপাৰ্টি, ঢোল-খোলেৰে পানীতোলা নিয়ম আছে। ছোৱালীবোৰে যোৱা নাম গাই পানী তুলিবলৈ যায়। মাঙ্গলিক কাৰুকাৰ্য, উৰুলি ধ্বনিৰে পৰিবেশ সম্পূৰ্ণ গাম্ভীৰ্য হৈ উঠে। পূজাত বিধি ব্যৱস্থাৰে হোম-পাঠাদি কৰা হয়। একো হানি-বিঘিনি নহ'বলৈ পুৰোহিতৰ মতে পূজাভাগ যোড়শোপচাৰে কৰাৰ প্ৰয়োজন যদিও আজিকালি সকলোখিনি যা-যোগাৰ কৰা সম্ভৱ নহয় বাবে পূজাভাগ পঞ্চশোপচাৰে আজিকালি সম্পন্ন কৰা হয়। ইয়াৰ বাবে বেলপাত, গাখীৰ, ডিমৰু, আঁহত, বট আদিৰ উপৰি সাগৰৰ পানী, নিয়ৰৰ পানী, গৰুৰ শিচ, নিজৰাৰ পানী ইত্যাদি বস্তুৰ দৰকাৰ। এই পূজাতো ডাব নাৰিকল ৰঙা কাপোৰেৰে মেৰিয়াই 'ঘট' সজা হয়। পূজাৰ শেষত শান্তি লোৱা ছোৱালীবিলাকক মনোমত স্বামী পাবলৈ আশীৰ্বাদ দিয়া হয়। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে মূলতঃ চ'ৰে বৰাত বা চৰাই পূজা ছোৱালীক লৈয়ে জড়িত যদিও বিভিন্ন কাম-কাজৰ ক্ষেত্ৰত ল'ৰাবোৰেও পূৰ্ণ সহযোগিতা আগবঢ়ায়। আমন্ত্ৰিত অতিথিসকলক বিয়াৰ নিচিনা আদৰ অভ্যৰ্থনা কৰাত ল'ৰাবোৰেই যথেষ্ট পৰিমাণে সহায় কৰা দেখা যায়। পূজাৰ শেষত পূজাত ব্যৱহৃত চৰাইবোৰ পিছলৈ মানুহে নিজৰ নিজৰ গোঁসাই থাপনাত ভক্তিৰে সজাই ৰাখে। বহুতে ইয়াক এক গোপন ৰোগৰ ঔষধ হিচাপে ব্যৱহাৰ কৰিব পাৰি বুলি বিশ্বাস কৰে। পূজাৰ অন্তত বহুতে নিশালৈ নাম-প্ৰসঙ্গৰ আয়োজনো কৰে। নাম-প্ৰসঙ্গৰ সামৰণিত মাহ-প্ৰসাদ বিতৰণেৰে পূজাৰ সম্পূৰ্ণ সামৰণি মৰা হয়। চৰাই পূজাক লৈ বহু যোৱা নাম বা গীত আজিও হাজোৰ বহু জনসাধাৰণৰ মুখে মুখে প্ৰচলিত হৈ আছে। যিয়েই নহওঁক এই চৰাই পূজাই জনসাধাৰণক প্ৰকৃতিপ্ৰেমী হিচাপে আগ্ৰহী হ'বলৈ উৎসাহ যোগোৱাৰ পূৰা মাত্ৰাই সম্ভাৱনা আছে। ইয়াৰ বহুল প্ৰচাৰ আৰু চৰাইপূজাত ব্যৱহৃত গীতবোৰ সংৰক্ষণৰ ব্যৱস্থা কৰিলে অসমৰ সাংস্কৃতিক জগতখনৰ বহু উপকাৰ হ'লহেতেন বুলি আমি ভাবো আৰু ইয়াৰ বাবে নিশ্চয় কোনোবা আগবাঢ়ি আহিব বুলি আমি আশা ৰাখিছো।

*(লিখক মহাবিদ্যালয়ৰ প্ৰাক্তন সাধাৰণ সম্পাদক)*

# ভোগৰ উৎসৱ ভোগালী আৰু জনজাতীয় লোক খ

চ
স্নাতক

ভোগৰ সৈতে মানুহৰ জীৱনৰ সম্পৰ্ক অবিচ্ছেদ্য। ব্যস্ততাৰ অন্তত যেতিয়া সাময়িক বিৰতি পায়, তেতিয়া মানুহে ৰং-ৰহইচৰ লগতে ভোগ-বিলাসতো আগ্ৰহী হোৱা দেখা যায়। অসমৰ বেছিভাগ উৎসৱ-অনুষ্ঠান কৰ্মবিৰতিৰ শেষত আৰম্ভ হোৱা পৰিলক্ষিত হয়। এইক্ষেত্ৰত অসমীয়া সংস্কৃতিৰ ধ্বজাবাহক তিনিওটা বিহুৰ ভিতৰত 'ভোগালী' বিহুও অন্যতম। 'ভোগালী' শব্দৰ উৎপত্তি হৈছে 'ভোগ' শব্দৰ লগত 'আলী' প্ৰত্যয় যোগ হৈ আৰু ইয়াৰ গূঢ়াৰ্থ হৈছে ভোগ কৰা, উপভোগ বা বিলাস। কৃষিজীৱি লোকসকলৰ মাজত এই বিহুটি 'ভোগৰ বিহু' হিচাপে পৰিগণিত। মূলতঃ অগ্নিপূজাৰ এক আনুষংগিক তাৎপৰ্য এই বিহুৰ সৈতে সম্পৃক্ত যদিও অসমৰ জনসাধাৰণৰ মাজলৈ ই ভোগ-উপভোগৰ বিহু হিচাপেহে আমন্ত্ৰিত। সেয়ে ভিন্ন সাংস্কৃতিক পৰিবেশত পালিত বাৰেৰহণীয়া কৃষিজীৱি জনসাধাৰণৰ মাজত ভোগালী বিহুৰ পৰম্পৰাও কিছু ভিন্নতৰ। বড়োসকলৰ 'মাগৌ', মিচিঙৰ 'মাগ', ৰাভাসকলৰ 'দুমছি', হাজঙৰ 'পুষণী', কাৰ্বিৰ 'চু'জুনড', গাৰোৰ 'ৱানগালা', দেউৰীৰ 'মাঘ সংক্ৰান্তি', ডিমাচাৰ 'মাঘ হাঞ্জোৱা', খামতিৰ 'মাইমেফুং'- এই সকলোবোৰ ভোগালী বিহুৰেই সম্প্ৰদায়ভেদে ভিন্ন নামান্তৰ।

পুহ মাহৰ আৰম্ভণিৰ পৰাই কৃষক ৰাইজৰ মনত ভোগালীয়ে হেন্দোলনি লগায়। ডেকা-বুঢ়াই লগ লাগি মেজি বা ভেলাঘৰ সজাৰ বাবে কাঠ, খৰি, নৰা, ইকৰা, কলৰ চোঁচনি, বাঁহ-বেত আদি গোটাবলৈ আৰম্ভ কৰে। আনহাতে গৃহিণীহঁতে পিঠা-পনা, লাড়ু, জলপান আদিৰ বাবে বিধে বিধে চাউল, চেনী, গুড়, তিল, তেল আদি যোগাৰ কৰে। বিহুৰ কিছুদিন আগৰ পৰাই মেজি সজাৰ খদমদম লাগে। সাধাৰণতে ঘৰৰ পৰা কিছু আঁতৰৰ মুকলি পথাৰত নাইবা নৈ, খাল বা বিলৰ পাৰত মেজি বা ভেলাঘৰ সজা হয়।

মেজি সজাৰ ক্ষেত্ৰত প্ৰধানকৈ মিচিংসকল অন্যতম। তেওঁলোকে সাধাৰণতে দুটা মেজি সাজে -ইয়াৰে এটা সৰু, আনটো ডাঙৰ। পাঁচডাল শিমলু বা কদম গছৰ পুলিৰে খুঁটা পুতি ভেজা দি মেজিবোৰ সজা হয়। মিচিংসকলে মেজিক 'মাগ পাঃ নাম' বুলি কয়।

তিৱা বা লালুংসকলে ৰজা-ৰাণী বা ভাই-ককাই প্ৰতীকেৰে এটা ডাঙৰ আৰু আনটো সৰু মেজি সাজে। অৱশ্যে ৰজা-ৰাণীৰ ওচৰে-পাজৰে সৈন্যসদৃশ সৰু সৰু আকৃতিৰ আন বহুতো মেজি সাজে। সেই বোৰ ক্ৰমান্বয়ে 'ঘাটমেজি', 'বাটমেজি', 'ওভোতা মেজি', 'মদখোৱা মেজি' আদি নামেৰে নামাংকিত কৰা হয়। ভলুকা বাঁহ, জাতি বাঁহ আৰু নৰাৰে আটোমটোকাৰিকৈ মেজিবোৰ সজা হয়।

সোণোৱাল-কছাৰীয়ে আকৌ কাঠেৰে মেজি সাজে। উত্তৰা-দক্ষিণাকৈ প্ৰায় চাৰি-পাঁচফুটমান দীঘল আৰু আধাফুটমান বহলকৈ মাটিত গাঁত খান্দি খুঁটা পুতি চাৰিকোণীয়াকৈ কাঠ-খৰিবোৰ ঠাকঠাককৈ জাপি এই মেজিবোৰ সজা হয়।

ৰাভাসকলৰ মেজি হ'ল- 'ভেলানাক'। গাঁৱৰ ডেকা ল'ৰাহঁতে এপযেকমান আগেয়ে আগেয়ে পাহাৰীয়া বাঁহ কাটি আৰু ঘৰে ঘৰে গৈ খুজি অনা ধানখেৰেৰে 'ভেলানাক' সাজে। সাধাৰণতে ২০-৩০ ফুটমান ওখ গম্বুজাকৃতিৰে ৰাভাসকলে 'ভেলানাক' সাজে।

ডিমাচাসকলে খৰি, বাঁহ আৰু ধানখেৰেৰে সজা মেজিৰ নাম হ'ল 'হাৰুলি'। তেওঁলোকে ইয়াক 'নাফাইলা' বুলিও কয়। ডিমাচাসকলৰ 'হাৰুলি' বৰ তাৎপৰ্যপূৰ্ণ প্ৰতীকেৰে সজায়। তেওঁলোকে সাতটাৰ পৰা তেৰটালৈ 'হাৰুলি' সজায়।

খামতি বা টাই সকলৰ মেজি হ'ল- 'মাইক'চুমফাই'। 'মাই' মানে খৰি বা কাঠ, ক' মানে জপা বা ওখ কৰা কাৰ্য, 'চুম' মানে দাহ কৰা আৰু 'ফাই' মানে জুই। অৰ্থাৎ ওখকৈ খৰি জাপি জুই জ্বলাব পৰা ব্যৱস্থাই হ'ল 'মাইক'চুমফাই'। এইদৰে প্ৰত্যেক সম্প্ৰদায়ে নিজ নিজ পৰম্পৰা অনুসৰি মেজি সাজি পুহৰ সংক্ৰান্তিলৈ সাজু কৰি ৰাখে।

লোক উৎসৱত লোকখাদ্যৰ পৰম্পৰাও জড়িত থাকে। বিশেষকৈ ভোগৰ উৎসৱ ভোগালীতো সম্প্ৰদায়ভেদে ভিন ভিন খাদ্যাভ্যাস

দেখিবলৈ পোৱা যায়। জনজাতিসকল
পৰম্পৰাত মদ আৰু মাংসৰ স্থানেই অতি
ভিতৰত গাহৰিৰ মাংসই অন্যতম প্ৰ
বড়োৰ 'অমাবীৰ', ৰাভাৰ 'বাক্কান', কা
আৰু গাৰোৰ 'বাক' হ'ল গাহৰি মাংসৰ
নাম। তাৰ উপৰি ঘৰতে চাউলৰ পৰা
মদ হ'ল তেওঁলোকৰ অন্যতম প্ৰিয় পানী
যি 'জুমৌ', ৰাভাৰ 'চকত', কাৰ্বিৰ 'হৰ
'আপং', গাৰোৰ 'চু', ডিমাচাৰ 'জু', হাজ
এই সকলোবোৰ ভিন্ন ভাষী সম্প্ৰ
পানীয়বিধৰ ভিন্ন নাম আৰু তেওঁলো
পানীয় খাইহে ভোগালীৰ ভোগৰ আ
তাৰোপৰি ৰঙা আলু, বগা আলু, কা
আলু, মিঠা আলু, কচু আলু আদি ভোগ
কৰাতো জনজাতিসকলৰ প্ৰধান লোক

সম্প্ৰদায়ভেদে কিছুমান নি
প্ৰাধান্যও মন কৰিবলগীয়া। বড়োৰ '
টেকেলি পিঠা, মিচিঙৰ 'পুৰাং' অৰ্থাৎ
বান্ধি সিজোৱা চাউলেৰে তৈয়াৰী পি
'বিসিভাও', 'ৰুহনিদ', 'কাচামদ',
'খাৰজি' অৰ্থাৎ মদ আৰু মাংসৰ চাটনি
অৰ্থাৎ চুঙা পিঠা আদি জনজা
পৰম্পৰাগত পিঠা-পনা।

দেখা যায় যে লোক-উৎ
লোকবিশ্বাসেৰেও সিক্ত হৈ থাকে
বিহুটিও ইয়াৰ পৰা ব্যতিক্ৰম নহয়। এই
জনজাতিসকলৰ পান-ভোজন,
আৰু লোকবিশ্বাসেৰে সম্পৃক্ত। ই
উৎসৱ। বৈদিক যুগত কঠোৰ শীতৰ প্ৰ
নিস্তাৰ পাবৰ বাবে বসন্ত ঋতুক আহ্বা
দেৱতাক উপাসনা কৰা 'মহাব্ৰত' নামৰ
অনুষ্ঠিত কৰা হৈছিল। পুহৰ মকৰ সং
উৎসৱ আয়োজিত কৰা হৈছিল। এই
লক্ষ্য ৰাখি ভোগালী বিহুটিও তাৰ অ
হোৱা বুলি পণ্ডিতসকলে অনুমান ক
নহওঁক ভোজনপ্ৰিয় অসমীয়া সমাজ
জগাই তুলি অসমীয়া জনগণক
কৰাত ভোগালী বিহুৰ অৱদান অতু

□□□





# পৱিত্ৰ কোৰআন ঃ এটি চমু অৱলোকন

মঃ মনোৱাৰ হুছেইন
আৰবী বিভাগ

***পৱিত্ৰ কোৰআন মহান সৃষ্টিকৰ্ত্তা আল্লাহৰ বাণীপ্ৰধান গ্ৰন্থ। স্বৰ্গীয় দূত হজৰত জিব্ৰাইল (আঃ)ৰ দ্বাৰা হজৰত মহম্মদ (ছাঃ)ৰ ওচৰলৈ কোৰাণ প্ৰেৰণ কৰিছিল। কোৰআনখন একেদিনাই অৱতীৰ্ণ হোৱা নাছিল। আৱশ্যক অনুসৰি ৬১০ খ্ৰীঃৰ পৰা ৬৩২ খ্ৰীঃলৈ সম্পূৰ্ণ চু বছৰ জুৰি বিভিন্ন খণ্ডত বিভক্ত হৈ অৱতীৰ্ণ হৈছিল। যেতিয়াই কোনো ছুৰাহ বা ইয়াৰ কোনো অংশ নবী (ছাঃ)ৰ ওপৰত নাজিল হৈছিল তেতিয়াই তেখেতে সেইবোৰ তেখেতৰ চাহাবীসকলক শুনাইছিল। চাহাবীসকলে লগে লগে সেইবোৰ মুখস্থ কৰি লৈছিল। চাহাবীসকলৰ মাজত কিছুসংখ্যক বিশেষধৰণৰ দলিল ৰাখোতা আছিল। যিসকলে কোৰআনৰ বাণীসমূহ খেজুৰৰ ঠাৰি, শিলৰ টুকুৰা, জীৱ-জন্তুৰ হাড়, চামৰা আৰু বিভিন্ন বস্তুত লিখি ৰাখিছিল।***

পৱিত্ৰ কোৰআন মাথো এখন
ন্থই নহয়, ই আৰবী
ত্যৰ এটা ধন-ভাণ্ডাৰ
প। পবিত্ৰ কোৰআনৰ
ই ইছলামিক চিন্তা আৰু
ানৰ জন্ম হৈছে।
ৰআনৰ পৰাই উদ্ভৱ
ৱা এনে বিজ্ঞানৰ
ত আইন বিজ্ঞান (ইলম
ফিকা), ভাষা আৰু
ত্যৰ ক্ষেত্ৰত অলংকাৰ
(ইলম আল বয়ান)
কথা বিজ্ঞান (ইলম
বাদী) উল্লেখযোগ্য।
ন্দহে এইবোৰে আৰবী
ত্যত উল্লেখনীয়
না আগবঢ়াইছে। কোৰআনে আৰবী ভাষাক
ক্ত সংৰক্ষণ আৰু নিৰ্দিষ্ট মানদণ্ডত স্থাপন
ে। ইয়াৰ সাহিত্যিক মূল্যবোধ তেতিয়াই
ন কৰিব পাৰি যেতিয়াই আৰবৰ অন্যান্য
ষাৰ মাজত থাকিও নিজস্ব ভাৱ প্ৰকাশ
পৱিত্ৰ কোৰআনৰ ভাষা ইমান সাহিত্যৰস
কথাৰ শক্তি আৰু সৌন্দৰ্য বৃদ্ধিৰ বাবে
আৰু ৰচনাকাৰীসকলে বিভিন্ন সময়ত
লাকৰ লিখনিৰ মাজেৰে ইয়াৰ শুদ্ধ ভাষা
কৰে। পৱিত্ৰ কোৰআন ইছলাম প্ৰচাৰৰ
ংস। ই যোৱা ১৪শ বছৰ ধৰি ইছলামিক
াহিত্য আৰু ভাষাবিজ্ঞান আদি গৱেষণাৰ
উৎস হিচাপে ব্যৱহৃত হৈ আহিছে।
কোৰআনৰ আয়াতবোৰৰ মাজত
ভাৱে অন্ত্যঃমিল আছে। কোৰআনৰ
বৈশিষ্ট হ'ল ইয়াৰ লিখনশৈলী সহজ
আৰু ইয়াৰ ধ্বনি পৰম্পৰাবিশিষ্ট গদ্যৰ নিচিনা।

**ঐতিহাসিক মূল্যায়ন (Historical value) ঃ** এই সকলোবিলাকৰ উপৰিও পৱিত্ৰ কোৰআনে ইতিহাস লিখাৰ বহুতো সমল আগবঢ়াই আহিছে। কোৰআন আৰু নৱী কৰিম (ছাঃ)ৰ হাদীছত বহুতো ঐতিহাসিক ঘটনাৰ উল্লেখ পোৱা যায়। আচহাবে ফিল বা হাতীৰ ঘটনা আচহাবে কাব আৰু বনি ইছৰাইল সকলৰ ঘটনাই কোৰআন যে ইতিহাসৰ দলিল তাৰ প্ৰমাণ দিয়ে। ইয়াৰ উপৰিও প্ৰাচীন পৃথিৱীৰ বহুতো জাতি উপজাতি - আদ-ছামুদ আদিৰ বহুতো ইতিহাস কোৰআনত পোৱা যায়। পৱিত্ৰ কোৰআনৰ ঐতিহাসিক গুৰুত্ব বা মূল্য অনস্বীকাৰ্য।

**কোৰআন সংগ্ৰহ আৰু সংকলন (Collection and Compilation of Holly Quran) ঃ** পৱিত্ৰ কোৰআন মহান সৃষ্টিকৰ্ত্তা আল্লাহৰ বাণীপ্ৰধান গ্ৰন্থ। স্বৰ্গীয় দূত হজৰত জিব্ৰাইল (আঃ)ৰ দ্বাৰা হজৰত মহম্মদ (ছাঃ)ৰ ওচৰলৈ কোৰাণ প্ৰেৰণ কৰিছিল। কোৰআনখন একেদিনাই অৱতীৰ্ণ হোৱা নাছিল। আৱশ্যক অনুসৰি ৬১০খ্ৰীঃৰ পৰা ৬৩২খ্ৰীঃলৈ সম্পূৰ্ণ ২৩ বছৰ জুৰি বিভিন্ন খণ্ডত বিভক্ত হৈ অৱতীৰ্ণ হৈছিল। যেতিয়াই কোনো ছুৰাহ বা ইয়াৰ কোনো অংশ নবী (ছাঃ)ৰ ওপৰত নাজিল হৈছিল তেতিয়াই তেখেতে সেইবোৰ তেখেতৰ চাহাবীসকলক শুনাইছিল। চাহাবীসকলে লগে লগে সেইবোৰ মুখস্থ কৰি লৈছিল। চাহাবীসকলৰ মাজত কিছুসংখ্যক বিশেষধৰণৰ দলিল ৰাখোতা আছিল। যিসকলে কোৰআনৰ বাণীসমূহ খেজুৰৰ ঠাৰি, শিলৰ টুকুৰা, জীৱ-জন্তুৰ হাড়, চামৰা আৰু বিভিন্ন বস্তুত লিখি ৰাখিছিল। এই লিখকসকলক 'কাতাবাত আল ওৱাহী' বুলি কোৱা হৈছিল।

হজৰত মহম্মদ (ছাঃ)ৰ জীৱিত কালত পৱিত্ৰ কোৰআনৰ কোনো সংকলন প্ৰকাশ পোৱা নাছিল। এই ঐশ্বৰিক পুথিখন তেওঁৰ অনুগামীসকলৰ বাবে পথ প্ৰদৰ্শকস্বৰূপ। হজৰত মহম্মদ (ছাঃ)ৰ মৃত্যুৰ ৮১ দিন আগলৈকে অহা জাৰি আছিল। গতিকে তেওঁৰ ইচ্ছা আৰু সামৰ্থ্য থাকিলেও কোৰআনখন সময়ৰ অভাৱত যে পুথি আকাৰত লিপিবদ্ধ কৰিব পৰা নাছিল তাত সন্দেহ নাই।

হজৰত মহম্মদ (ছাঃ)ৰ কালত কোৰআনৰ বাণীসমূহ মানুহৰ মুখে মুখে প্ৰচলিত হৈ আহিছিল। যিসকলে কোৰআনৰ বাণী মুখস্থ কৰিব পাৰে তেওঁলোকক হাফিজ বুলি কোৱা হয়। হজৰত মহম্মদ (ছাঃ)ৰ জীৱিত কালৰ এনে বহুতো হাফিজ আছিল, যিসকলে কোৰআনৰ সম্পূৰ্ণ বাণী মুখস্থ কৰি ৰাখিছিল। ৰিদ্দা আন্দোলন আৰু ৬৩৩খ্ৰীঃত সংঘটিত উত্তৰ নাজদৰ আল ইয়ামামাৰ যুদ্ধত বহুতো হাফিজ শ্বহীদ হৈছিল। আনহাতে ইয়াৰ পূৰ্বে নবী (ছাঃ)ৰ জীৱনকালতো 'বিৰমাউনা' হত্যাকাণ্ডত বহুতো হাফিজ নিহত হৈছিল। এনে অলেখ হাফিজৰ মৃত্যুৰ প্ৰতি লক্ষ্য কৰি হজৰত ওমৰ (ৰাঃ)য়ে খলিফা হজৰত আবু বকৰক (ৰাঃ) কোৰআন শ্বৰীফৰ বাণীসমূহ সংগ্ৰহ কৰি পুথি আকাৰে সংকলন কৰিবলৈ পৰামৰ্শ দিয়ে। আবুবকৰ (ৰাঃ)য়ে ইয়াৰ যাবতীয় ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে আনছাৰ সম্প্ৰদায়ৰ বিশিষ্ট ব্যক্তি জায়েদ বিন ছাবিতক দায়িত্ব অৰ্পণ কৰিছিল। তেওঁ সকলো তথ্য গোটাই খলিফা আবু বকৰ (ৰাঃ)ৰ ওচৰত জমা দিবলৈ মনস্থ কৰিছিল। কিন্তু হঠাৎ খলিফাৰ মৃত্যু হোৱাত সেইবোৰ হজৰত হাবছা(ৰাঃ)ৰ ওচৰত জমা ৰাখে। অন্য এক বৰ্ণনাত পোৱা যায় যে খলিফা আবুবকৰে(ৰাঃ) ৭৫জন বিশিষ্ট ব্যক্তিক পৱিত্ৰ কোৰআন সংকলনৰ দায়িত্ব দিছিল। তেওঁলোকৰ ভিতৰত ২৫জন কোৰাইশ আৰু ৫০জন আনছাৰ সম্প্ৰদায়ৰ ব্যক্তি আছিল। উক্ত সমিতিয়ে কোনো অংশ বাদ নপৰাকৈ সম্পূৰ্ণ কোৰআন লিপিবদ্ধ কৰিছিল।

তৃতীয় খলিফা হজৰত ওচমান(ৰাঃ) (৬৪৪-৬৫৫) এটা বিপদজনক পৰিবেশৰ সৃষ্টি হৈছিল। হজৰত মহম্মদ(ছাঃ)ৰ সময়ত মানুহৰ অজ্ঞতা আৰু বিভিন্ন ভাষা-উপভাষাৰ উচ্চাৰণৰ প্ৰতি লক্ষ্য ৰাখি কোৰআনৰ আয়াতসমূহ নিৰ্দিষ্ট নিয়ম আৰু শৃঙ্খলাৰ মাজেৰে পঢ়িবলৈ শিকোৱা হৈছিল। এই পদ্ধতিয়েই পৰৱৰ্তীকাললৈ অব্যাহত আছিল। কিন্তু খলিফা হজৰত ওচমান(ৰাঃ)ৰ সময়ত ইয়াৰ ব্যতিক্ৰম দৃষ্টিগোচৰ হয়। কিছুমান নতুন শব্দ ব্যৱহাৰে তেওঁলোকৰ মাজত মত বিৰোধৰ সৃষ্টি কৰে আৰু ই শেষত গণ আন্দোলনৰ ৰূপ লয়। ৰাজধানীৰ কোৰআনৰ শিক্ষকসকলৰ ভিতৰত হজৰত আলি, উবাইয়া বিন কাব আৰু জায়েদ বিন ছাবিত আদি ব্যক্তিসকলে খলিফাক সকলো কথা অৱগত কৰায়। গতিকে অৱস্থা যাতে আৰু অধিক শোচনীয় নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি খলিফাই ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা হাতত লয়। খলিফা হজৰত ওচমানে (ৰাঃ) এটি চাৰিজনীয়া কমিটি গঠন কৰি জায়েদ বিন ছাবিতক উক্ত কমিটিৰ প্ৰধানৰূপে দায়িত্ব দিছিল। পূৰ্বতে বিভিন্ন ঠাইৰ পৰা সংগ্ৰহ কৰি ৰখা মূল কোৰআনখন হজৰত হাবছাৰ(ৰাঃ)ৰ পৰা লৈ অনা হৈছিল, আৰু উক্ত চাৰিজনীয়া কমিটিক কোৰআন পাঠৰ মত-বিৰোধ আঁতৰ কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। তেওঁলোকে অতি আগ্ৰহেৰে উক্ত কাৰ্য সম্পন্ন কৰাৰ প্ৰতি মনোনিৱেশ কৰিছিল, আৰু পূৰ্বৰ নিয়ম অনুসৰি অধ্যায়বোৰ স্থাপন কৰিছিল। উক্ত কমিটিৰ সদস্যসকলৰ মাজত কোৰআনৰ কোনো বিষয় লৈ যদি কেতিয়াবা মত-পাৰ্থক্য হৈছিল তেতিয়া জায়েদ বিন ছাবিত আৰু সহযোগী সদস্য তিনিজনৰ মতকে সৰ্বসন্মতভা... কৰিছিল। কিয়নো উক্ত সহযোগী তিনিওজন কোৰাইশ সম্প্ৰদায়ৰ লোক... কাৰণ কোৰাইশসকলৰ ভাষাতেই ... নাজিল হৈছিল। উক্ত কমিটিৰ দ্বাৰা ... কোৰআন সংকলন কৰি উলিওৱা ... তেওঁলোকে খলিফাৰ ওচৰত ... কোৰআনসমূহ জমা দিয়ে। তেতিয়া ... এখন কোৰআন মদিনাত ৰাখি বাকী ... দেশৰ বিভিন্ন ঠাইত যেনে - মক্কা, ছ... দামেস্ক, মেছোপটেমিয়া, কুফা, ... বাহৰাইনলৈ প্ৰেৰণ কৰিছিল।

ইয়াৰ পিছত দেশৰ বিভি... কোৰআন... সিঁচৰিত হৈ থকা অশুদ্ধ কোৰআন... সেইবোৰ জুইত জ্বলাই গৰম পানী... আৰু ভিনেগাৰৰ দ্বাৰা নষ্ট কৰি... হৈছিল। উল্লেখযোগ্য যে পৱিত্ৰ ... সংগ্ৰহ যদিও বহু পূৰ্বৰে পৰা ... হৈছিল, প্ৰকৃততে কোৰআনৰ ... সম্পাদনা ৩০ হিজৰী বা ৬৫০ ... হৈছিল।

কোৰআনৰ আয়াতসমূ... ঘটনা বা পটভূমিৰ আধাৰত অৱতী... গতিকে কোৰআনক সম্পূৰ্ণ আয়... উক্ত ঘটনা বা পটভূমি জনা আৱ...

*সহায়ক গ্ৰন্থ ঃ আৰবী সাহিত্য আৰু ... ভাষাৰ ইতিহাস।*

❑❑❑







# পদ্মনাথ গোহাঞিবৰুৱা ঃ তেওঁৰ কবিতা

*ড° জ্যোতিষ চন্দ্ৰ বৰ্মন*
অসমীয়া বিভাগ

**অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ সাহিত্যিক-চূড়ামণি কেইজনৰ ভিতৰত পদ্মনাথ গোহাঞিবৰুৱাও অন্যতম। দেশপ্ৰেম, সাহিত্যানুৰাগ আৰু ভাষা-জননীৰ প্ৰতি গভীৰ-প্ৰেম আদিবোৰেই আছিল তেওঁৰ সাহিত্য-সেৱাৰ মূল প্ৰেৰণা। কোনো কোনো ক্ষেত্ৰত সময় আৰু পৰিস্থিতিৰ বশৱৰ্তী হৈও সেই সময়ৰ দুই এগৰাকী লেখকৰ নিচিনা তেৰোঁ সাহিত্য ৰচনা কৰিব লগা হৈছিল।**

১৮৭১ খৃঃত উত্তৰ লক্ষীমপুৰৰ ...ড়ী গাঁৱত পদ্মনাথ গোহাঞিবৰুৱা ওপজে। ...ওঁৰ পিতৃৰ নাম ঘিনাৰাম বৰুৱা। ১৮৯০ ... প্ৰৱেশিকা পৰীক্ষা পাছ কৰি তেওঁ ...কতাত গৈ এফ্-এ আৰু ওকালতি পঢ়ে; ... সেই পৰীক্ষা পাছ নকৰি তেওঁ অসমলৈ ...ই আৰু কহিমা, যোৰহাট আদি ঠাইত স্কুলৰ ...কতা কৰে। শেষত তেজপুৰত নিগাজীকৈ ... কৰে আৰু ১৯৪৬ খৃঃত তাতে তেওঁৰ ... হয়।

অসমীয়া সাহিত্যৰ উন্নতিৰ কাৰণে ...াঞিবৰুৱাই জীৱনজুৰি সাহিত্য-সেৱা ...ছে। বেজবৰুৱাৰ নিচিনা অসমীয়া ...ত্যলৈ তেওঁৰো অৱদান বহুমুখী। তেওঁৰ ...ত্যিক অৱদানসমূহ হ'ল ঃ জয়মতী, ...ৰ, লাচিত বৰফুকন আৰু সাধনী ...মূলক নাটক), গাওঁবুঢ়া, টেটোন তামুলী, ...ে ভ্ৰম (প্ৰহসন), বাণৰজা (পৌৰাণিক ...), লীলা (কাব্য), জুৰণি, ফুলৰ চানেকী ...তা-সংগ্ৰহ), শ্ৰীকৃষ্ণ (কৃষ্ণ-চৰিত্ৰৰ বহল ...চনা), গীতা-সাৰ (গীতাৰ গদ্য ভাঙনি), ...তী, লাহৰী (উপন্যাস), সভাপতিৰ ...ভাষণ আদি বিশেষ উল্লেখযোগ্য। ...ী', 'উষা' আদি কাকত তেওঁ সম্পাদনাও ...ল।

অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ ...ত্যিক-চূড়ামণি কেইজনৰ ভিতৰত পদ্মনাথ ...াঞিবৰুৱাও অন্যতম। দেশপ্ৰেম, ...ত্যানুৰাগ আৰু ভাষা-জননীৰ প্ৰতি গভীৰ-প্ৰেম আদিবোৰেই আছিল তেওঁৰ সাহিত্য-সেৱাৰ মূল প্ৰেৰণা। কোনো কোনো ক্ষেত্ৰত সময় আৰু পৰিস্থিতিৰ বশৱৰ্তী হৈও সেই সময়ৰ দুই এগৰাকী লেখকৰ নিচিনা তেৰোঁ সাহিত্য ৰচনা কৰিব লগা হৈছিল। অনুপ্ৰেৰণাৰ বশৱৰ্তী হৈ নিজা প্ৰতিভাৰ বিষয়-সচেতন নোহোৱাকৈ কোনো কোনো সময়ত তেৰোঁ কাব্য ৰচনা কৰিছিল। হয়তো এই কাৰণতেই, সাহিত্যৰ আন আন শাখাৰ নিচিনা কবিতা ৰচনাৰ ক্ষেত্ৰত গোহাঞিবৰুৱাৰ কবি-প্ৰতিভা উজ্জ্বল হৈ উঠা নাই। "বৰ্ণনাত্মক খণ্ড-কবিতা আৰু ছনেট ৰচনাত তেওঁ কিছু সফলতা লাভ কৰা দেখা যায়। 'কবি', 'কবিতা', 'কল্পনা' আদি কিছুমান ছনেটত স্তৱবিভাগ নাই যদিও ভাবৰ ক্ৰমবিকাশ আছে, আৰু সংযত-কল্পনা আৰু প্ৰকাশভংগীৰ গাম্ভীৰ্য তাত লক্ষ্য কৰা যায়। গীতি-কবিতাৰ অনুভৱ-তীব্ৰতা আৰু প্ৰকাশ-ব্যাকুলতা গোহাঞিবৰুৱাৰ কবিতাত নাই, কিন্তু ছনেট কবিতাৰ উপযোগী সংযত কল্পনাৰ তেওঁ অধিকাৰী।" (ড° সত্যেন্দ্ৰনাথ শৰ্মা)

'মিলন-মহত্ত্ব' গোহাঞিবৰুৱাৰ এটি উৎকৃষ্ট কবিতা। মিলনৰ কিছুমান উদাহৰণ দি কবিয়ে এই কবিতাত বিশ্ব-জগতৰ প্ৰত্যেকৰে প্ৰত্যেকৰ লগত মিলনৰ যোগ-সূত্ৰ থকা দেখুৱাইছে ঃ

*"স্বৰ্গ-মৰ্ত্ত্য-মিলনৰ সাক্ষ্য দিয়ে*
*আকাশে সাগৰে*
*পাতালকো কৰে এক চামে চামে*
*মিলন-আকাৰে।"*

কবিয়ে এই মিলনৰ ফলৰ কথাও ক'ব বিচাৰিছে। শ্ৰীকৃষ্ণ আৰু অৰ্জ্জুন এই দুই সখিৰ মিলনৰ ফলস্বৰূপে গীতা-শাস্ত্ৰৰ উৎপত্তি হৈছে। এই শাস্ত্ৰই 'মানৱাত্মা-মুক্তি হেতু জগতত শ্ৰেষ্ঠ-ভেঁটি।' 'প্ৰকৃতিত পুৰুষৰ মিলন-মহিমা' প্ৰতিভাত হোৱা কাৰণে সীমাহীনভাৱে 'সৃষ্টিৰ স্বীকাৰ্য বিয়পিছে'। সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ মিলনৰ ফলস্বৰূপে এই বিশ্বব্ৰহ্মাণ্ডখন ৰৈছে। এয়ে মিলন-মহত্ত্ব।

'সৃষ্টি-পাতনি' কাব্যাংশখিনি গোহাঞিবৰুৱাৰ 'লীলা' কাব্যৰ অন্তৰ্গত। লীলা কাব্য মহাকাব্য পৰ্যায়ৰ কাব্য নহয়। মহাকাব্য মূলতঃ বস্তুনিষ্ঠ। যদিও ২৫টা সৰ্গত বিভক্ত কৰি কবিয়ে 'লীলা' কাব্য লেখিছে, তথাপি ই প্ৰধানভাৱে আত্মনিষ্ঠহে। কবিৰ প্ৰথমা পত্নীৰ নাম আছিল লীলাৱতী। লীলাৱতীৰ মৃত্যুত দুঃখিত হৈ সেই পত্নীৰ লগত কবিৰ সম্পৰ্কৰ কথা 'লীলা' কাব্যত বৰ্ণনা কৰা হৈছে। ই যেন কবিৰ ডেকাকালৰ আত্মচৰিত। কাব্যখন অমিত্ৰাক্ষৰ ছন্দত লেখা হৈছে। কিছুমান মনোৰম প্ৰাকৃতিক বৰ্ণনা কাব্যখনৰ প্ৰধান আকৰ্ষণ। নেওগদেৱৰ মতে - "লীলাক যদিও কাব্য বা বস্তুনিষ্ঠ দীঘলীয়া কাব্যপ্ৰবন্ধৰূপে উপস্থাপন কৰা হৈছে আৰু দ্বিতীয় সংস্কৰণত সৰ্গবিভাগ কৰা হৈছে, ইখনিৰ বস্তু প্ৰকৃততে আত্মনিষ্ঠ 'ইলিজি' বা শোক-কবিতাহে।......কিন্তু সেই ব্যক্তিগত শোকক মিল্টনৰ Lycidas, শ্যেলীৰ Adonois বা টেনিছনৰ In Memoriam-অৰ দৰে

নৈৰ্ব্যক্তিক আৰু বিশ্বজনীন সুৰ দিব নোৱাৰাত কাব্যিক ৰসায়ন সম্ভৱ হোৱা নাই।"

'সৃষ্টি-পাতনি' অংশত সৃষ্টি-পাতনি কেনেকৈ হৈছে কবিয়ে তাৰে এটা আভাষ দিবলৈ যত্ন কৰিছে। 'সৃষ্টিৰ পাতনি-ৰূপে মায়াৰ বিকাশ, জগতৰ সৃষ্টি পাছে; পাছে জীৱগণ।' পাছত ক্ৰমে স্বৰ্গ, মৰ্ত্য, পাতাল আদিৰ সৃষ্টি হ'ল ঃ

*"স্বৰগ মৰত আৰু পাতাল নামত*
*ত্ৰিজগত নিৰমাণ - ব্ৰহ্মাণ্ডৰ ভাগ।"*

'একাকাৰ মানৱৰ ধাৰে বোৱা সুখ দেখি হিংসা উপজিল দেৱতা-প্ৰাণত।' সেয়েহে দেৱতাই গৈ বিধাতাক মান্তি কৰালে মানৱৰ সেই সুখ ধ্বংস কৰিবলৈ। সেইমৰ্মে বিধাতাই নৰৰ অৰ্দ্ধ অঙ্গ লৈ নাৰীৰ সৃষ্টি কৰিলে ঃ

*"প্ৰত্যেক মানৱ দ্বিধা হোৱা,আজ্ঞা মোৰ;*
*এক হন্তে দুই যেবে প্ৰকৃতি-পুৰুষ।*
*আজ্ঞামাত্ৰে হ'ল দুই -যুগান্তৰ।"*

'কবিতা' গোহাঞিবৰুৱাৰ এটা ছনেট। গোহাঞিবৰুৱাৰ ভাল কবিতাবোৰৰ ভিতৰত ইয়ো এটা। বিশ্বজগতে বহুত কথা ক'বলৈ বিচাৰে, কিন্তু ব্যক্ত কৰিব নোৱাৰি দুখ কৰিছে। কবিয়ে কবিতাটোত ইয়াৰ কিছুমান উদাহৰণ দিছে। নীল আকাশে যেন কিবা ভাবি গুণি আছে, কিন্তু ভাৱ ব্যক্ত কৰিব নোৱাৰি চকুপানী টুকিছে। 'ফুল-কুঁৱৰী'য়ে অৰ্থভৰা হাঁহি মাৰে, 'ৰূপহী-জোনায়ে' প্ৰেমভাৱৰ সংকেত দিয়ে, কিন্তু ভাষাৰ অভাৱত সম্পূৰ্ণ ব্যক্ত কৰিব নোৱাৰে। সন্ধিয়াৰ ৰঙা বেলিয়েও বিচ্ছেদ-পোৰণিৰ কথা প্ৰকাশ কৰিব নোৱাৰে। নৈয়ে যেন কুলুকুলুকৈ কিবা অন্তৰৰ বেদনা ক'বলৈ বিচাৰে, ইয়াৰ গম লওঁতা কোনো নাই।

'কবিতা-ৰাণী'য়ে বিশ্বজগতৰ এই অপ্ৰকাশিত মনোভাৱ প্ৰকাশ কৰি দিছে ঃ

*"নসহি কবিতা ৰাণী জড়-জগতত*
*দিলেহি বুজনি-সুৰ অব্যক্ত ভাৱত।"*

**<u>গোহাঞিবৰুৱাৰ ভাল কবিতাকেইটাৰ ভিতৰত 'ওৰণি' আন এটা উৎকৃষ্ট কবিতা। নাৰীৰ ধুনীয়া মুখৰ ওপৰত সদায় ওৰণি থাকে। সেয়েহে নাৰীৰ ধুনীয়া মুখৰ লগত ওৰণিয়ে নানা ধেমালি কৰিব পাৰে। ই 'অবলা-সাৰথি-সাজে' মুখ ঢাকি নাৰীক লাজৰ পৰা ৰক্ষা কৰে। মলয়াত উটি-বুৰি বসন্ত-ৰাগ আহিলে ই উৰি গৈ নাৰীৰ 'বিজুলী-বয়নখনি' দেখুৱায়। নাৰীয়ে আনৰ লগত 'চকু-কথা পাতোতেই' হঠাতে ই মুখ আবৰি ধৰি 'বিচ্ছেদ-ধেমালি' চায়, কেতিয়াবা ই ৰূপহীৰ মিচিকিয়া হাঁহিটি চায়, কেতিয়াবা আকৌ তেওঁৰ গালত চুমা খায়, ই নাৰীৰ বিচ্ছেদৰ বিভীষিকা দূৰ কৰে। আমন-জিমনকৈ বহি থাকোতে ই 'বেণী এৰি খৰি খহি' ৰূপহীৰ আমোলনী শোভা চায়, আৰু নাৰীৰ 'আবেগত প্ৰেম-ৰস বিৰিঙিলে কপালত' ই উলাহেৰে তাক মচি লয়।</u>**

'উৰ্ম্মিলা'ও গোহাঞিবৰুৱাৰ এটা ছনেট। এই কবিতাত কবিৰ সুকীয়া ভাৱ-বৈশিষ্ট্য লক্ষ্য কৰা যায়। কবি ৰত্নকান্ত বৰকাকতীয়েও 'উৰ্ম্মিলা' নামৰ কবিতা ৰচনা কৰিছে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ আদৰ্শত। উৰ্ম্মিলাক উপেক্ষা কৰা কাৰণে কবিয়ে তাত বাল্মীকি কদোষাৰোপ কৰিছে। কিন্তু গোহাঞিবৰুৱাৰ ভাৱ-দৃষ্টি বেলেগ। কবিৰ মতে ঃ বাল্মীকি সুচতুৰ স্বৰ্গী কবি। উৰ্ম্মিলাৰ প্ৰতি যেন তেওঁৰ মৰম বেছি। জগতৰ আন আন কামিনী-কুসুমক (কৌশল্যা, কৈকেয়ী, সুমিত্ৰা, সাৱিত্ৰী, দ্ৰৌপদী, দময়ন্তী, জয়মতী, ৰম্ভা, মন্দোদৰী, তাৰা, ৰুক্মিণী, ঊষা আদি) প্ৰকাশ্যভাবে ফুলাই নৰ-সমাজক আকুল কৰাই ছে। কিন্তু কলানিপুণ আদি-কবিয়ে উৰ্ম্মিলা-কুসুমক পূৰ্ণ-বিকশিত নকৰি অৰ্দ্ধ-বিকশিত অৱস্থাতে গোপন কৰি ৰাখি...

*'সুচতুৰ স্বৰ্গী কবি স্বৰ্গৰ কাৰণে*
*উৰ্ম্মিলা-পাহিটি থ'লে অৰ্দ্ধেক...'*

- কবিতাটোত ব্যৱহৃত 'নাৰী-ফু...' প্ৰয়োগ মন কৰিবলগীয়া।

গোহাঞিবৰুৱাৰ ভাল কবি... ভিতৰত 'ওৰণি' আন এটা উৎকৃ... নাৰীৰ ধুনীয়া মুখৰ ওপৰত সদায় ও... সেয়েহে নাৰীৰ ধুনীয়া মুখৰ লগত... নানা ধেমালি কৰিব পাৰে। ই 'অব... সাজে' মুখ ঢাকি নাৰীক লাজৰ পৰা... মলয়াত উটি-বুৰি বসন্ত-ৰাগ আহি... গৈ নাৰীৰ 'বিজুলী-বয়নখনি' দেখু... আনৰ লগত 'চকু-কথা পাতোতেই'... মুখ আবৰি ধৰি 'বিচ্ছেদ-ধেমা... কেতিয়াবা ই ৰূপহীৰ মিচিকিয়া হাঁ... কেতিয়াবা আকৌ তেওঁৰ গালত চু... নাৰীৰ বিচ্ছেদৰ বিভীষিকা দূৰ কৰে... জিমনকৈ বহি থাকোতে ই 'বেণী... খহি' ৰূপহীৰ আমোলনী শোভা... নাৰীৰ 'আবেগত প্ৰেম-ৰস বিৰিঙি... ই উলাহেৰে তাক মচি লয়। সেয়ে... একান্ত বাসনা - জন্মে জন্মে যেন ও... পায় ঃ

*"মৰি মৰি জন্মো যেন*
*ৰমণী-ওৰণি হই।"*

কবিৰ ভাৱৰ স্বতঃস্ফুৰণ ই... কৰা যায়। হিতেশ্বৰ বৰবৰুৱাৰ 'কা... নিচিনা এই কবিতাটিও নাৰী-ৰূপ... কবিতাটিত ব্যৱহাৰ কৰা 'আমো... নিজা তৈয়াৰী শব্দ।

□□□







# গ্ৰন্থাগাৰ, গ্ৰন্থপাঠ আৰু সমাজ

*হীৰেন্দ্ৰনাথ ভট্টাচাৰ্য*
গ্ৰন্থাগাৰিক



গ্ৰন্থাগাৰ হৈছে এটা সামাজিক অনুষ্ঠান। ই হ'ল বৰ্তমান আৰু ...পুৰুষৰ ব্যৱহাৰৰ কাৰণে বিজ্ঞানসন্মত ...শৃঙ্খলিত আৰু সংৰক্ষিত বিদ্যায়তনিক ...ৰাৰ সম্পদকেন্দ্ৰ। আধুনিক গ্ৰন্থাগাৰত ..., আলোচনী, পাণ্ডুলিপি আদিৰ উপৰিও ...উটাৰৰ হাৰ্ডডিস্ক, ফ্লপি, চি ডি ৰ'ম, ডি ... ৰ'ম, মাইক্ৰ'ফিল্ম, মেগনেটিক টেপ ...দ্বাৰা জ্ঞান সঞ্চয় কৰা হয়। গ্ৰন্থাগাৰসমূহ ...খন সমাজ বা একোটা জাতিৰ দাপোনৰ ...বিশ্বৰ ইতিহাসত একো একোটা জাতিৰ সভ্যতাৰ চানেকি এই গ্ৰন্থাগাৰত থকা গ্ৰন্থই বহন কৰি আনে। প্ৰতিটো যুগৰে বিভিন্ন জাতিৰ ক্ষণজন্মা মহৎ লিখকসকলৰ জ্ঞান সংৰক্ষণ কৰি সৰ্বকালৰ জনগণক সেই জ্ঞানৰ আস্বাদ ল'বলৈ, বৰ্তমানৰ দাপোণত অতীতৰ প্ৰতিফলন কৰিবলৈ আৰু তদানুসৰি আলোচনা, গৱেষণাৰ পথ মুকলি কৰিবলৈ পুথিভঁৰালসমূহে যিদৰে মহৎ উপকাৰ সাধন কৰিছে আন কোনো জাতীয় অনুষ্ঠানে তেনেদৰে কৰিব নোৱাৰে।

সমাজ গঠন হোৱা সময়ৰে পৰা সামূহিক দ্বায়িত্ব পালনৰ বাবে বিভিন্ন সংস্থা প্ৰতিষ্ঠা কৰি অহা হৈছে। উদাহৰণস্বৰূপে স্কুল, কলেজ, ইউনিভাৰ্চিটি আদি শিক্ষানুষ্ঠান, গৱেষণা সংস্থা, সাংস্কৃতিক সংস্থা, চাৰুশিল্প আৰু আত্মবিনোদন সংস্থা, বাণিজ্য আৰু শিল্প উদ্যোগ আদি সামাজিক সংস্থাৰ নাম ল'ব পাৰি। গ্ৰন্থাগাৰো ঠিক একেধৰণৰ এক সামাজিক অনুষ্ঠান। কিন্তু সমাজৰ এক বা ততোধিক প্ৰয়োজনীয়তা মাথোন পূৰাব পৰা অন্যান্য অনুষ্ঠানৰ তুলনাত গ্ৰন্থাগাৰে সমাজৰ প্ৰায়বোৰ প্ৰয়োজনীয়তাকে পূৰণ কৰিব পাৰে। গ্ৰন্থাগাৰৰ গ্ৰন্থই জ্ঞান প্ৰদান কৰে, মানুহৰ সুপ্ত নান্দনিক অনুভূতিৰ প্ৰকাশ ঘটায়, মানুহৰ মেধাক প্ৰবুদ্ধ কৰে আৰু জীৱনৰ মূল্যবোধৰ শিকনি দিয়ে। গ্ৰন্থাগাৰে মানুহক আত্মবিনোদনৰ আহিলাও যোগায়। ইয়াৰ দ্বাৰা আমি ক'ব পাৰো যে গ্ৰন্থাগাৰৰ সামাজিক ভূমিকা একমুখী নহয় বৰং বহুমুখী।

এটা সময়ত গ্ৰন্থাগাৰ এটা গুদামঘৰ হিচাপেহে বিবেচিত হৈছিল। এই গুদামঘৰত গ্ৰন্থ একমাত্ৰ সংৰক্ষণৰ কাৰণেহে ৰখা হৈছিল। এই গ্ৰন্থ অধ্যয়নৰ বাবে কাৰো বোধ জন্মা নাছিল। গ্ৰন্থাগাৰিক হিচাপে গ্ৰন্থাগাৰৰ ৰখীয়া একোজন আছিল। বৰ্তমান গ্ৰন্থাগাৰ সেৱা অনুষ্ঠান হিচাপে পৰিগণিত হৈছে। গ্ৰন্থাগাৰৰ সাম্প্ৰতিক লক্ষ্য হৈছে সমাজৰ উন্নয়নৰ কাৰণে গ্ৰন্থাগাৰ সেৱা আৰু গ্ৰন্থৰ সাৰ্থক ব্যৱহাৰৰ প্ৰসাৰণ ঘটোৱা। এই উদ্দেশ্যে গ্ৰন্থাগাৰে সমল সংগ্ৰহ কৰে, শৃঙ্খলাৱদ্ধ কৰে আৰু সংৰক্ষণৰ লগতে ব্যৱহাৰৰ ওপৰত অধিক গুৰুত্ব দিয়ে। পাঠকৰ সুপ্ত মানসিকতাক জাগৰিত কৰি অধ্যয়নৰ অভ্যাসলৈ পৰ্যবসিত কৰে। ফলত এগৰাকী স্বভাৱগত পাঠকে নিয়মিতভাবে গ্ৰন্থাগাৰলৈ গৈ অধ্যয়ন কৰিবলৈ লয়। সুপ্ত পাঠক এগৰাকীক স্বভাৱগত নিয়মিত পাঠক কৰিবলৈ হ'লে গ্ৰন্থ আৰু পাঠকৰ মাজত এক আকাংক্ষা প্ৰণোদিত সংযোগৰ আৱশ্যক আৰু ই হ'ব লাগে সময়মতে যেনেকৈ খুব পিয়াহত এগিলাছ পানী খাব পাৰিলে তৃপ্তি পোৱা যায় কিন্তু পিয়াহ কমিলে তেনে তৃপ্তি পোৱা নাযায় আৰু ইচ্ছা কমি যায়। গ্ৰন্থ স্বয়ং এক নিৰ্জীৱ কৃত্ৰিম পদাৰ্থ আৰু ইয়াৰ অন্তৰ্নিহিত ভাবৰাশি স্বয়ংক্ৰিয়ভাবে প্ৰকাশ নহয়। সেয়ে গ্ৰন্থৰ অন্তৰ্নিহিত ভাবৰাশিক প্ৰকাশ কৰি পাঠকক আকৰ্ষণ কৰিবলৈ একোজন দক্ষ গ্ৰন্থাগাৰিকৰ প্ৰয়োজন।

বিশ্বৰ ইতিহাসত দেখা যায় যে একোটা জাতিৰ মানদণ্ড গ্ৰন্থইহে প্ৰমাণ কৰে। একো একোখন মহৎ গ্ৰন্থই এটা জাতিৰ, এখন দেশৰ সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তন সাধিব পাৰে। ঠিক তেনেকৈয়ে ব্যক্তি বিশেষৰ জীৱনতো কিতাপে প্ৰভাৱ পেলায়। যদি এটা কথা মন কৰো তেন্তে আমি দেখিম যে একো একোটা সময়ত একো একোখন সমাজৰ পৰিবৰ্তন হয় আৰু সেই সমাজত কোনো প্ৰভাৱশালী ব্যক্তিয়ে সমাজৰ গতি সলনি কৰি দিয়ে। উদাহৰণস্বৰূপে আমাৰ অসমৰ শংকৰদেৱ, মাধৱদেৱৰ কথালৈ আঙুলিয়াব পাৰো। এই মহাপুৰুষসকলে বহুত কিতাপ লিখি সেইবোৰ পঢ়ুৱাই আৰু নাট-গীত, ভাওঁনা, বৰগীত আদি ৰচনা কৰি সেইবোৰ সমাজত ভাওঁ দি সমাজ সংস্কাৰ কৰিবলৈ সক্ষম হৈছিল।

গ্ৰন্থপাঠে মানুহৰ জ্ঞানচক্ষু মুকলি কৰি দিয়ে। সেইবুলি যিকোনো গ্ৰন্থ যি কোনো বয়সৰ পঢ়ুৱৈয়ে পঢ়িব নালাগে। ইয়াৰ কাৰ্যকাৰিতা বিচাৰ কৰিহে কি কিতাপ পঢ়িব লাগে, কি পঢ়িব নালাগে তাক বাছনি কৰি ল'ব

লাগে। গ্ৰন্থপাঠৰ কাৰ্যকাৰিতা ফাঁহিয়াই চাবলৈ হ'লে ইয়াক সামাজিক পৰিৱেশত ৰাখি বিচাৰ কৰাটো আৱশ্যকীয় কথা। কোনো কোনো ক্ষেত্ৰত ততাতৈয়াকৈ আধা ডজন চিন্তাগধুৰ আলোচনী পঢ়াতকৈ লাহে লাহে ঘেঁহিয়াই ঘেঁহিয়াই ধৰ্ম্মগ্ৰন্থ পঢ়াটো অধিক গুৰুত্বপূৰ্ণ হ'ব পাৰে, একোজন লোকৰ বাবে সমগ্ৰ গ্ৰন্থাৱলীৰ তুলনাত এটা কবিতাৰ এশাৰী কথাই অধিক তাৎপৰ্যপূৰ্ণ হ'ব পাৰে, দহঘণ্টা ধৰি গ্ৰন্থপাঠ কৰাতকৈ এঘণ্টা ধ্যান কৰাটো অধিক মূল্যবান হ'ব পাৰে। যদিহে কোনো লোকৰ গ্ৰাহিকা শক্তি প্ৰবল হয়, তেন্তে গ্ৰন্থপাঠ তেওঁৰ বাবে স্বাভাৱিক আৰু সহজ হৈ পৰে।

গ্ৰন্থপাঠৰ ফালৰ পৰা চাবলৈ গ'লে ইয়াৰ অৰ্থ এই যে কোনো এখন পুথি বা কিবা এটা প্ৰবন্ধ পঢ়ি উঠাৰ পিছতে ব্যক্তিৰ মনত এনে এটা উপলব্ধি হ'ব লাগিব যে তেওঁৰ এটা প্ৰয়োজন পূৰণ কৰা হ'ল। যদিহে গ্ৰন্থপাঠৰ পিছত মনত কোনো অনুভূতিৰ সৃষ্টি নহয় আৰু মনত একো নাথাকে তেন্তে তেনে গ্ৰন্থপাঠ সম্পূৰ্ণ পৰিপূৰক আৰু অৱসৰ বিনোদনমূলক আৰু ইয়াৰ দ্বাৰা ব্যক্তিত্বৰ বিকাশত বিশেষ লাভ নহয়।

এই প্ৰসঙ্গতে এবাৰ মন কৰিবলগীয়া কথা হ'ল এই যে বিখ্যাত কাহিনীকাৰ আৰু সৃজনীধৰ্মী চিন্তানায়কসকলৰ গ্ৰন্থৰাজিকে অধিকভাগ লোকে পঢ়া দেখা যায়। যিবোৰ বিষয়ত সামাজিক পৰিবৰ্তন ঘটে তেনে বিষয়ৰ সমৰ্থনকাৰী আৰু সমালোচনামূলক ৰচনাও একেলগে চলি থাকে। যদিহে এখন সমাজৰ লোকে ধৰ্ম বিষয়ত আটাইতকৈ বেছি আগ্ৰহ প্ৰকাশ কৰে তেন্তে তেনে সমাজৰ অধিকভাগ ৰচনাত সেই সাংস্কৃতিক পদ্ধতি সমৰ্থন কৰা দেখা যায়, নহ'লে অন্ততঃ সেই বিষয়ে গঠনমূলক দৃষ্টিভঙ্গীৰে আলোচনা কৰা হয়, কিন্তু লগতে আকৌ কিছুমাত্ৰাত নাস্তিক মত সমৰ্থন কৰিও গ্ৰন্থ ৰচনা কৰা দেখা যায়। যিবোৰ দেশ বা সমাজত বিজ্ঞানৰ অগ্ৰগতি অধিক মাত্ৰাত হয় সেইবোৰ দেশত বিজ্ঞানক ভেটি কৰি লৈ ৰচিত গ্ৰন্থৰ প্ৰকাশ বেছি হয় আৰু তাত সেই সম্পৰ্কীয় গ্ৰন্থ পাঠ কৰা পঢ়ুৱৈৰ সংখ্যাও অধিক হয়।

গ্ৰন্থপাঠৰ প্ৰকৃতি, ধৰণ আদি আটাইতকৈ বেছি নিৰ্ভৰ কৰে সমাজখনৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, আধ্যাত্মিক ইত্যাদি পৰিবেশৰ ওপৰত। তথাপিও কোন পাঠকে কেনে ধৰণৰ কিতাপ বেছি পঢ়িবলৈ ইচ্ছা কৰে ই বহুখিনি নিৰ্ভৰ কৰে পাঠকৰ বয়সৰ ওপৰতো। উঠি অহা ডেকা-গাভৰুসকলে সাধাৰণতে উপন্যাস, দুঃসাহসিক ঘটনা, ৰহস্যমূলক, শৰীৰ আৰু সৌন্দৰ্যচৰ্চামূলক গ্ৰন্থ পঢ়ি ভাল পায়। কণ কণ

> বিশ্বৰ ইতিহাসত দেখা যায় যে একোটা জাতিৰ মানদণ্ড গ্ৰন্থইহে প্ৰমাণ কৰে। একো একোখন মহৎ গ্ৰন্থই এটা জাতিৰ, এখন দেশৰ সমাজ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধিব পাৰে। ঠিক তেনেকৈয়ে ব্যক্তি বিশেষৰ জীৱনতো কিতাপে প্ৰভাৱ পেলায়।

ল'ৰা-ছোৱালীসকলে সাধুকথা, কমিক, ছবি থকা কিতাপ ইত্যাদি পছন্দ কৰে। বয়সীয়া ব্যক্তিসকলে আকৌ কিছুমান তত্ত্বগধুৰ গ্ৰন্থ, সমালোচনামূলক গ্ৰন্থ নাইবা ধৰ্মমূলক পুথি পঢ়ি ভালপায়। বাতৰি কাকত আৰু আলোচনী আদিও এটা অতি আকৰ্ষণীয় আৰু বেছি প্ৰচলিত পঠন সামগ্ৰী ৰূপত দেখা যায়। আজিৰ সমাজত আকৌ চি ডি, মাইক্ৰ'ফিল্ম, ই-বুক ৰিডাৰ, কম্পিউটাৰ, ইণ্টাৰনেট আদিয়েহে প্ৰধান পঠন সামগ্ৰীৰ ৰূপত প্ৰতিষ্ঠা লাভ কৰিবৰ উপক্ৰম হৈছে।

গ্ৰন্থ এখন হৈছে এজন ব্যক্তিৰ জীৱনত আহৰণ কৰা জ্ঞান আৰু সাধনাৰ অভিব্যক্তি। ই হৈছে সভ্যতাৰ পৰিবাহক। প্ৰগতিৰ পথত আগবাঢ়ি যোৱা সমাজ তথা জাতি একোটাৰ ধ্যান-ধাৰণা আৰু চিন্তা-ভাবনাই যেতিয়া উচ্চ স্তৰলৈ গতি কৰি[...] তেতিয়াই এক সংখ্যক চিন্তাশীল গ[...] বুদ্ধিজীৱী লিখকে গ্ৰন্থ ৰচনাৰ যো[...] জাতিটোৰ মানসিক উৎকৰ্ষৰ চা[...] কিতাপ বা গ্ৰন্থ অবিহনে অতীতৰ কো[...] যুগমীয়া চিন ৰখাটো অসম্ভৱ হ[...] সেয়েহে সমাজৰ এবিধ অমূল্য স[...] গ্ৰন্থসমূহ। ই সমাজৰ ব্যক্তিসক[...] বিকাশৰ এবিধ উত্তম আহিলা। এ[...] যিমানেই গ্ৰন্থ প্ৰকাশ, গ্ৰন্থপাঠ আৰু [...] উচ্চমানৰ হয়, সিমানেই সমাজ[...] গতি ক্ষিপ্ৰতৰ হয়। এখন সমা[...] ব্যক্তি সকলৰ জ্ঞান, বুদ্ধিমত্ত[...] ইত্যাদিয়েই সুস্থ সবল সমাজ[...] ৰূপে বিবেচিত হয়। সেয়েহে গ্ৰন্থা[...] আৰু সমাজ এই তিনিওটাৰ [...] ওতঃপ্ৰোত সম্বন্ধ আছে আৰু এটা[...] ওপৰত প্ৰভাৱ বিস্তাৰ কৰি আহি[...]

বৰ্তমান পৰিস্থিতিত [...] বস্তুবাদী জীৱন যাপনৰ দিশে ধা[...] মানুহৰ দয়া-মমতা, শ্ৰদ্ধা, স[...] শৃঙ্খলাবোধ আদি গুণ ক্ৰমশঃ ক[...] বিভেদকামী শক্তিবোৰে বন্দুক[...] দ্বাৰা সমাজৰ গাঁঠনিগত বিন্যাস [...] দিয়াৰ উপক্ৰম কৰিব ধৰিছে। [...] গ্ৰন্থাগাৰবিলাকৰ যোগসূত্ৰ (Ne[...] উন্নতি ঘটাই অবিৰতভাৱে পাঠ[...] ভাল গ্ৰন্থৰ ফালে ঢাল খুৱাই [...] মনবোৰক অশুভ আৰু বিচ্ছিন্ন[...] আৰু হতাশাৰ পৰা আঁতৰাই [...] আমাৰ দেশ কৃষি প্ৰধান দেশ। [...] অঞ্চলতেই আমাৰ দেশৰ অধিকাং[...] কৰে। গাওঁ অঞ্চলত শিক্ষি[...] চহৰাঞ্চলৰ তুলনাত কম। গতিকে [...] অশিক্ষিত আৰু অৰ্দ্ধশিক্ষিত [...] জীৱন আৰু জগত সম্পৰ্কে [...] দিয়াৰ ক্ষেত্ৰত পুথিভঁৰালে [...] ভূমিকা গ্ৰহণ কৰিব পাৰে।

□□□









# মহাপুৰুষ শংকৰদেৱৰ মহত্ত্ব

*চুমিতা দাস*
স্নাতক ১ম বৰ্ষ

ড° সূৰ্যকুমাৰ ভূঞাই তেওঁৰ গৱেষণা "Anglo assamese Relation" [...]খিছে - "A parallel is always [...]wn between the history of the [...]ormation movements in [...]stern Europe and the [...]temporary vaishnava revival [...]ndia". মধ্যযুগৰ দাসত্বৰ শিকলি ছিঙি [...]ক্তিৰ সুগম পথ নিৰ্মাণৰ বাবে ১৪শ [...]কাত ইউৰোপত ভুমুকি মৰা নৱজাগৰণৰ [...]ৱালভাবে সমগ্ৰ ভাৰতব্যাপী প্ৰবাহিত [...] এক আন্দোলন। উক্ত আন্দোলনক ভক্তি [...]লন বা বৈষ্ণৱ আন্দোলন বুলিও জনা [...] ভক্তি আন্দোলনৰ নেতৃত্ব দিবলৈ ভাৰতৰ [...] প্ৰান্তত জন্ম গ্ৰহণ কৰা বৈষ্ণৱ গুৰু, সন্ত [...]কলৰ ভিতৰত দেশৰ পূৱ প্ৰান্তত আবিৰ্ভাৱ [...] মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ (১৪৪৯-[...] খ্ৰীষ্টাব্দ) আছিল সবাতোকৈ উজ্জ্বল [...]ত্ৰ। 'সৰ্বগুণাকৰ' উপাধিটোৰে বিভূষিত [...] পৰা বৈষ্ণৱ গুৰু শংকৰদেৱৰ বাহিৰে [...] গৰাকীলৈ আঙুলি টোঁৱাব নোৱাৰি। তাৰ [...] বিচাৰিলে পোৱা যায় গুৰুজনাৰ বহুমুখী [...]ন। মানৱ জীৱনৰ লাগতিয়াল প্ৰতিটো [...] গুৰুজনাৰ নিপুণ হাতৰ পৰশ পাই ঠন [...]ঠিছিল। অন্যান্য বৈষ্ণৱ গুৰুসকলে [...] ধৰ্ম প্ৰচাৰতে ব্যস্ত থকা বা সমাজ [...]ৰ বাবে কেৱল ধৰ্মকে মাধ্যম হিচাপে [...]বাৰ বিপৰীতে সৰ্বগুণাকৰ শংকৰদেৱে [...] সংস্কাৰ, সমাজ পুনৰ্গঠন আৰু সমাজ [...]ৰ বাবে আলম হিচাপে লৈছিল সাহিত্য-[...]তিৰ দৰে দুটা শক্তিশালী মাধ্যম। [...]দেৱে সমাজ সংস্কাৰৰ বাবে যি সাহিত্য-[...]ৰ সৃষ্টি কৰিছিল সিয়েই অসমীয়া [...]-সংস্কৃতিৰ সোণালী যুগ এটাৰ নিৰ্মাণ কৰি থৈ গৈছে। গুৰুজনা আছিল অতুলনীয় প্ৰজ্ঞাৰ অধিকাৰী। তেওঁৰ পৰ্বতোসম পাণ্ডিত্য আৰু বিশ্বজনীন অৱদানৰ ওচৰত ভাৰতৰ প্ৰতিগৰাকী বৈষ্ণৱ গুৰুৱেই সূৰ্যৰ আগত জোনাকী পৰুৱা সদৃশ হৈ পৰে। সেইবাবেই কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই শংকৰদেৱক ভগৱান শ্ৰীকৃষ্ণ আৰু ইটালীৰ লিওনাৰ্ডো দ্যা ভিঞ্চিৰ লগত তুলনা কৰিছে। ইপিনে অসমৰ এগৰাকী বিখ্যাত দাৰ্শনিক পণ্ডিত ৰাধানাথ ফুকনেও লিখিছে যে "শংকৰদেৱ বুদ্ধদেৱৰ পিছতেই শ্ৰেষ্ঠতম দাৰ্শনিক এই স্পষ্ট কথাটো কিয় যে মহাপুৰুষীয়াসকলে স্বীকাৰ কৰিবলৈ ভাল নাপায় তাৰ কাৰণ বুজিব পৰা নাই। (ৰাধানাথ ফুকন ৰচনাৱলী ২ ঃ ২০৮ পৃঃ)

শংকৰদেৱৰ ধৰ্ম দৰ্শন গীতা ভাগৱতৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ মূল নীতি আছিল - 'এক দেৱ, এক সেৱ, একত বিনে নাই কেৱ।' সেই গৰাকীয়ে 'অছিল, জ্যোতিপ্ৰসাদৰ ভাষাত - সুন্দৰবো সুন্দৰ, সকলো কলাৰ, সকলো গুণৰ আকৰ দৈৱকীনন্দন শ্ৰীকৃষ্ণ। গুৰুজনাৰ নীতি আদৰ্শত জাত-পাত, উচ্চ-নীচ, জ্ঞানী-মুৰ্খ, ধনী-দুখীয়াৰ কোনো ভেদাভেদ নাছিল। তেওঁৰ আদৰ্শ আছিল -

'ব্ৰাহ্মণ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি একতুল।।'
(কীৰ্ত্তন)

জাত-পাতহীন, সাম্যবাদী সমাজৰ বুনিয়াদ ৰচনাৰ ক্ষেত্ৰত শংকৰদেৱৰ সমকক্ষ কোনো হ'ব নোৱাৰে। সেয়ে আমাৰ ৰাজ্যখনত ভাৰতৰ অন্য ৰাজ্যৰ তুলনাত জাত-পাত, অস্পৃশ্যতাৰ চোক বহু পৰিমাণে কম। এয়া সমাজ সংস্কাৰক শংকৰদেৱৰ প্ৰভাৱ। তদুপৰি গুৰুজনাৰ প্ৰভাৱত অসমত বসবাস কৰি থকা বিভিন্ন ধৰ্মাৱলম্বী মানুহৰ মাজত আজিও সাম্প্ৰদায়িক সম্প্ৰীতি অটুট আছে।

একাংশ শিক্ষিত লোকে ক'ব বিচাৰে যে গুৰুজনাই প্ৰথমবাৰ বাৰ বছৰলৈ যোৱা তীৰ্থ ভ্ৰমণৰ জ্ঞান আৰু অভিজ্ঞতাৰে পুষ্ট হৈ একশৰণ ধৰ্ম প্ৰচাৰত মনোনিবেশ কৰিছে। কিন্তু তত্ত্ব আৰু তথ্যই এই কথা সমৰ্থন নকৰে। ভ্ৰমণৰপৰা অনেক অভিজ্ঞতা আহৰণ কৰাটো স্বাভাৱিক, এয়া যিকোনো ব্যক্তিৰ ক্ষেত্ৰতে প্ৰযোজ্য। কিন্তু মহাপুৰুষজনাই নিজৰ ভাৱাদৰ্শক বাস্তৱ ৰূপ দিবৰ সময়ত স্থানীয় উপাদানৰ ওপৰত অধিক গুৰুত্ব দিছিল। তাৰ অনেক উদাহৰণৰ ভিতৰত ভাগৱতত উল্লিখিত শ্লোক এটাৰ গুৰুজনাই কৰা অসমীয়া অনুবাদৰ পৰা অনুমান কৰিব পাৰি -

কিৰাত কছাৰী খাচী গাৰো মিৰি
যবন কঙ্ক গোৱাল।
অসম মুলুক ৰজক তুৰুক
কুৱাচ ম্লেচ্ছ চণ্ডাল।।
আনো পাপী নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পবিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তাড়িয়া
বৈকুণ্ঠ মুখে চলয়।।

সামৰণিত ক'ব পাৰি যে জগত-গুৰু শংকৰদেৱেই আমাৰ একমাত্ৰ পৰিচয়। গুৰুজনাৰ মাধ্যমতেই বিশ্বদৰবাৰত আমি নিজৰ চিনাকী দিব পাৰো। গুৰুজনাই সৃষ্টি কৰি থৈ যোৱা বিশাল সাহিত্য-সংস্কৃতিয়েই হ'ল আমাৰ সভ্যতাৰ স্বৰ্ণসৌধ। তাকে লৈয়েই আমি ভৱিষ্যতৰ বুকুলৈ আগবাঢ়ি যাব লাগিব। শংকৰী সাহিত্য সংস্কৃতিয়েই এন্ধাৰৰ মাজতো আমাক পোহৰৰ বাট দেখুৱাই আহিছে। বিহগী কবি ৰঘুনাথ চৌধাৰীয়ে লিখিছে -

"জালিকটা যি কেইডাল আছে পুষ্পহাৰ।
সেয়েহে মাথোন ভাষা কৰিছে পোহৰ।।"

□□□

# লিংকন হত্যা ঃ এটি মহান জীৱনৰ যৱনি...



দীৰ্ঘ চাৰি বছৰ ব্যাপি চলা আমেৰিকাৰ গৃহযুদ্ধ শেষ হোৱাৰ বহু আগতেই কিছুমান মানুহৰ মনত এটা নৃশংস হত্যাৰ পৰিকল্পনাই বাহ বান্ধিবলৈ আৰম্ভ কৰিছিল। এই হত্যাৰ পৰিকল্পনা কৰিছিল দক্ষিণী অঞ্চলৰ বিশেষকৈ ভাৰ্জিনিয়া নামৰ ৰাজ্যৰ এদল জিঘাংসাপৰায়ণ ক্ৰীতদাসৰ মালিকে। তেওঁলোকে মহান প্ৰেছিডেণ্ট আব্ৰাহাম লিংকনক হত্যা কৰিবলৈ পৰিকল্পনা কৰিছিল। এই নিকৃষ্ট মানসিকতাৰ প্ৰভুসকলে ভাবিছিল দাসপ্ৰথা বিলোপৰ মাজেৰে তেওঁলোকৰ স্বাৰ্থ সম্পূৰ্ণভাবে ধ্বংস হৈ গৈছে; তেওঁলোক ৰজা-মহাৰজাৰ বিলাসবহুল জীৱনৰ পৰা সাধাৰণ খাটি খোৱা মানুহৰ পৰ্যায়লৈ অৱনমিত হৈছে। সেয়ে যি কোনো প্ৰকাৰে তেওঁলোকে প্ৰেছিডেণ্ট লিংকনক শেষ কৰিবলৈ উঠি পৰি লাগিছিল। এই উদ্দেশ্যেৰে তেওঁলোকে ১৮৬৩ চনৰ পৰাই এটা গভীৰ ষড়যন্ত্ৰ কৰিবলৈ আৰম্ভ কৰে।

লিংকনক অতৰ্কিতে আক্ৰমণ কৰি হত্যা কৰাৰ উদ্দেশ্যেৰে ধনী ফাৰ্ম হাউচৰ মালিক আৰু দাস প্ৰভুসকলে এখন গুপ্তঘাতক সমিতিও গঢ়ি তোলে। এই কামৰ বাবে অৰ্থ সংগ্ৰহ কৰিবলৈ আলবামাৰ সংবাদপত্ৰত বিজ্ঞাপনো প্ৰচাৰ কৰা হৈছিল। বিজ্ঞাপনৰ মাধ্যমেৰে মুক্তহস্তে অৰ্থসাহায্য আগবঢ়োৱাৰ কাৰণে জনসাধাৰণৰ ওচৰত আবেদন জনোৱাও হৈছিল। কেৱল এয়ে নহয়, লিংকনক হত্যা কৰা কাৰ্যত উৎসাহ দিবলৈ দক্ষিণৰ কাকত-পত্ৰত নগ্নভাবে পুৰস্কাৰো ঘোষণা কৰা হৈছিল। কিন্তু শেষ অৱধি ইতিহাসত অন্য কাহিনীহে লিপিৱদ্ধ হ'ল। এই সমস্ত ঘৃণ্য মানুহেও সেইদিনা মহান মানৱ লিংকনক হত্যা কৰিব পৰা নাছিল। তেওঁক হত্যা কৰা ব্যক্তিজন কিন্তু কোনো দলৰেই অন্তৰ্ভূক্ত নাছিল। দক্ষিণৰ প্ৰতি তেওঁৰ কোনো আকৰ্ষণো নাছিল। অতীতত কোনো হত্যাও তেওঁ কৰা নাছিল। এক বিচিত্ৰ ৰোগত ভোগা এই কমবয়সীয়া ডেকাজনে আমেৰিকাৰ প্ৰেছিডেণ্টক হত্যা কৰাৰ মাজেৰে বিখ্যাত ব্যক্তি হৈ উঠিবলৈ দুৰাকাংক্ষা কৰিছিল। এই অদ্ভূত মানসিকতাই তেওঁক আব্ৰাহাম লিংকনক হত্যা কৰিবলৈ প্ৰৰোচিত কৰিছিল।

এই হত্যাকাৰীৰ নাম আছিল উইলকিছ বুথ। বুথ আছিল এজন নাট্যৰসিক আৰু অভিনেতা। অত্যন্ত সু-পুৰুষ, সবল-সুঠাম বুথ ৰমণীঞ্জক যুৱক আছিল। সুন্দৰী গাভৰুৰ সাহচৰ্যত তেওঁ উৎফুল্লিত হৈ পৰিছিল। এওঁ যে ইতিহাসৰ এজন আশ্চৰ্যকৰ হত্যাকাৰী, এই বিষয়ে কোনো সন্দেহ নাই। বুথে হয়তো ইতিহাসৰ এজন জঘন্যতম হত্যাকাৰী হিচাপে কুখ্যাত হ'ব বুলি আগতে কল্পনাও কৰা নাছিল। তেইশ বছৰীয়া যুৱক বুথে সেই সময়ত নাটকত অভিনয় কৰি খ্যাতি অৰ্জনো কৰিছিল। যি অদ্ভূত আকাংক্ষাৰ বশীভূত হৈ সুদৰ্শন বু... প্ৰকাৰে আব্ৰাহাম লিংকনক হত্যা... প্ৰসিদ্ধি লাভ কৰিব খুজিছিল ই যে... মানসিক বিকৃতি, এই বিষয়ে কোনো...

এক সাংস্কৃতিক বাতাৱৰণ... বুথৰ জন্ম হৈছিল। দেউতাক জু... বুথ আছিল এজন বিখ্যাত অভি... কালত মঞ্চত শ্বেইকস্পীয়েৰৰ নাট... অভিনয় দক্ষতা আছিল অসামান্য।... ওপৰত জুলিয়াছ বুথৰ খুব আ... তেওঁৰ পুত্ৰই এদিন খ্যাতিমান অ... দেশ আৰু দহৰ মুখ উজ্জ্বল কৰি...

কিন্তু আশা থাকিলেই স... উইলকিছ বুথে অভিনয় কৰি... সহজাত প্ৰতিভাৰ স্ফুৰণ তেওঁৰ... পোৱা নাছিল। লেখা পঢ়াত তেওঁ... নাছিল।

বুথৰ পৰিয়াল আমি... নিৰামিষভোজী অথচ ভাগ্যৱ... উইলকিছ বুথে বিনা কাৰণত প্ৰাণী... আনন্দ পাইছিল।

পৰিয়ালৰ অন্যান্যসকলে... যথেষ্ট সুনাম অৰ্জন কৰিছিল।... উইলকিছ বুথৰ বুকুত ঈৰ্ষাৰ জুই... তেওঁৰ মনত এটা চিন্তাই খুলি... ভাবেই হওঁক ৰাতাৰাতি বিখ্যাত... ইয়াৰ বাবে লিংকনক হত্যা কৰা... হ'ব বুলিও তেওঁৰ দৃঢ় ধাৰণা... সপোনে মাত্ৰ এই চিন্তাই বুথক...

বুথে কামটো অকলে... সম্ভৱ নহ'ব বুলি ভাবি সাহায্য... কেইজনমান অসৎ প্ৰকৃতিৰ... উলিয়াইছিল।







এইসকল সহযোগীৰ ভিতৰত আছিল ...সেনাবাহিনীৰ পৰা পলাই যোৱা এজন ...ক আৰ্ণল্ড, থিয়েটাৰৰ কৰ্মচাৰী স্পাংগলাৰ ...ৰ এজন মদপী, এজন বনুৱা, এজন জি...বলৰ ছহিছ, সুৰেট নামৰ এজন কেৰাণী, স্নাত...পিট কৰি ভাল পোৱা গুণ্ডা পাৱেল আৰু ...ড। এই আটাইকেইজন কদৰ্য চৰিত্ৰৰ মানুহক ...হিচাপে লৈ লিংকনক হত্যা কৰাৰ ষড়যন্ত্ৰ তৈয়াৰ কৰিছিল উইলকিছ বুথে। ...সকলৰ সৈতে লিংকনক হত্যাৰ উদ্দেশ্যেৰে ...অন্য সকলো কাম বাদ দি সকলো সময়তে ...গৰ অপেক্ষাত থাকিবলৈ ধৰিলে। ...হূৰ্তত তেওঁ লিংকনৰ গতিবিধিৰ খা-খবৰ ...লৈ চেষ্টা কৰিলে।

১৮৬৫ চনৰ জানুৱাৰী মাহৰ এটা ... বুথে জানিব পাৰিলে যে আব্ৰাহাম ...নে সেই মাহৰ ওঠৰ তাৰিখে নাটক চাবলৈ ...থিয়েটাৰত উপস্থিত হ'ব। আনন্দত ...ল্লিত হৈ উঠিল বুথ, এয়েই লিংকনক হত্যা ...সোণালী সুযোগ। কিন্তু বুথৰ আশা পূৰ্ণ ...কাৰণ অনিবাৰ্য কাৰণবশতঃ সেই সন্ধ্যাত ...ন নাটক চাবলৈ যাব নোৱাৰিলে।

ইয়াৰ পিছত কেইবা মাহো পাৰ ...বুথে এদিন হঠাৎ খবৰ পালে যে লিংকন ...নৰ পৰা বাহিৰৰ এখন ঠাইৰ সেনা ...ত উপস্থিত হ'ব।

ৰিভলভাৰ আৰু অন্যান্য অস্ত্ৰ- ...বুথে লিংকনক হত্যা কৰাৰ সুযোগ ...ৰাস্তাৰ দাঁতিত থকা এটা জোপোহাৰ ...খাপ পিটি বহি থাকিল। কিন্তু লিংকন ...নাও নিৰ্দিষ্ট ঠাইলৈ নগ'ল। বুথো ব্যৰ্থ

ইয়াৰ পিছত আমেৰিকাৰ ইতিহাসৰ ...খ্যাত গৃহযুদ্ধৰ অৱসান ঘটিল। দক্ষিণী ...ৰ প্ৰধান সেনাপতি লীয়ে আত্মসমৰ্পণ ...নও বাধ্য হ'ল।

গৃহযুদ্ধ শেষ হোৱাৰ পিছত ...ণ্টৰ নিৰাপত্তা ব্যৱস্থাত এটা শিথিলতাই ...ছিল। বুথে এই খবৰ পাই উৎসাহিত হৈ উঠিল। বুথে গোপনে লিংকন যাব পৰা সম্ভাব্য স্থানবোৰত চোকা নজৰ ৰাখিবলৈ ধৰিলে। শুকুৰবাৰৰ দিনা সেই উদ্দেশ্য লৈয়েই তেওঁ ফৰ্ড থিয়েটাৰ হলত হাজিৰ হ'ল।

ফৰ্ড থিয়েটাৰলৈ গৈ আলেঙে আলেঙে বুথে প্ৰেছিডেণ্ট লিংকনৰ আগমনৰ খবৰ খাতি ল'বলৈ চেষ্টা কৰিলে। তেওঁ জানিব পাৰিলে সেই সন্ধ্যাত প্ৰেছিডেণ্ট লিংকনৰ কাৰণে এটা বিশেষ 'বক্স' আসন সংৰক্ষণ কৰি ৰখা হৈছে। প্ৰেছিডেণ্ট সেই সন্ধ্যাত থিয়েটাৰ চাবলৈ অহাটো নিশ্চিত।

খবৰ পাই আনন্দত মতলীয়া হৈ উঠিল বুথ। আজি ৰাতিয়েই তেওঁ কামটো কৰি পেলাব, হত্যা কৰিব লিংকনক। কামটো সমাধা কৰিব লাগিব লিংকনে নাটক চাবলৈ উপস্থিত হোৱাৰ পিছত।

উইলকিছ বুথে তেওঁৰ ভয়ংকৰ ইচ্ছাটোক বাস্তৱত ৰূপায়িত কৰাৰ উদ্দেশ্যে থিয়েটাৰৰ জনৈক কৰ্মীক বেছ কৌশলেৰে কামত লগালে। প্ৰেছিডেণ্ট যিখন চকীত বহাৰ কথা আছিল বুথে সেই চকীখন থিয়েটাৰৰ কৰ্মীজনৰ সাহায্যত কৌশলেৰে এনেভাৱে বহালে যাতে সহজেই আঁৰৰ পৰা গুলি চলাব পৰা যায়। লোক চক্ষুৰ আঁৰৰ পৰা গোপনে কামটো সমাধা কৰাৰ বন্দৱস্ত কৰি পেলালে তেওঁ। ইয়াৰ পিছত থিয়েটাৰৰ পৰা ওলাই গৈ পৰৱৰ্তী কামৰ ফালে মনোযোগ দিলে। বুথে মনে মনে ঠিক কৰিলে যে কেৱল লিংকনেই নহয়, হত্যা কৰা হ'ব চিউৱাৰ্ডকো। ইয়াৰ বাবে সহকাৰীসকলকো বুথে কামত লগোৱাৰ ব্যৱস্থা কৰিলে। সিঁহতকো অস্ত্ৰ দিয়া হ'ল। বুথে নিজৰ হাততো পিষ্টল ৰাখিলে।

সেই দিনটো আছিল ১৪ এপ্ৰিল, গুড ফ্ৰাইডে। সেইদিনাই লিংকনে দলত্যাগ কৰি যোৱা এজন সৈনিকক প্ৰাণদণ্ডৰ পৰা ৰেহাই দি মাৰ্জনাপত্ৰত চহী কৰিছিল। সৈনিকজনক দল এৰি পলোৱাৰ অপৰাধত গুলি কৰি হত্যা কৰাৰ কথা আছিল। লিংকনে সেই আদেশপত্ৰ দেখি কৈছিল - 'মোৰ অনুমান ল'ৰাজনে মাটিৰ তলত নাথাকি ওপৰত থাকিলেই ভাল কাম কৰিব পাৰিব।'

এই মাৰ্জনা পত্ৰত কৰা স্বাক্ষৰেই লিংকনৰ জীৱনৰ শেষ চৰকাৰী কাম আছিল। প্ৰেছিডেণ্টক অভ্যৰ্থনা জনোৱাৰ কাৰণে তৈয়াৰ কৰা হৈছিল সুদৃশ্য তোৰণ। প্ৰধান সেনাপতি বিজয়ী ইউলিচিছ গ্ৰাণ্টক চোৱাৰ কাৰণেও মানুহে ভীৰ কৰিছিল।

নিৰ্দিষ্ট মুহূৰ্তত আহি লিংকন উপস্থিত হ'ল। প্ৰেছিডেণ্টক অভ্যৰ্থনা জনোৱাৰ কাৰণে ফৰ্ড থিয়েটাৰ সংলগ্ন এলেকাত বিৰ দি বাট নোপোৱা অৱস্থা। আব্ৰাহাম লিংকনে মেৰী লিংকনক লৈ ফৰ্ড থিয়েটাৰত প্ৰৱেশ কৰাৰ লগে লগে জনতাই বাৰে বাৰে হৰ্ষধ্বনি কৰিবলৈ ধৰিছিল। প্ৰেছিডেণ্টৰ সৈতে তেওঁৰ সহকৰ্মীসকলো উপস্থিত আছিল।

লিংকনে হাঁহিমুখেৰে জনতাৰ অভিবাদন গ্ৰহণ কৰি থিয়েটাৰ হলৰ ভিতৰত প্ৰৱেশ কৰিলে। ৰাতি তেতিয়া আঠটা চল্লিশ। থিয়েটাৰৰ অৰ্কেষ্ট্ৰাত বাজি উঠিল সংগীতৰ সুৰ। অতিথিসকলৰ সৈতে নিৰ্দিষ্ট আসনখনত আহি বহিল প্ৰেছিডেণ্ট লিংকন। অকণমান পিছতেই আৰম্ভ হোৱাৰ কথা 'আৱাৰ আমেৰিকান কাজিন' নামৰ হাস্যমধুৰ নাটকখন। ইয়াৰ পৰিচালক আছিল লৰী কীন।

মেৰী লিংকনো সেই দিনা খুব হাস্যোজ্জল হৈ আছিল। তেওঁ লক্ষ্য কৰিছিল দীৰ্ঘপথ ভ্ৰমণ কৰি অহাৰ পিছতো লিংকন খুব আনন্দিত হৈ আছে। ইমানদিনে যুদ্ধ-বিগ্ৰহৰ হুলস্থুলৰ শেষত শান্ত মনেৰে উশাহ লোৱাৰ বাবেই হয়তো লিংকনে সন্তোষ পাইছে - মেৰীয়ে ভাবিলে।

যথাৰীতি এটা সময়ত নাটক আৰম্ভ হ'ল। অন্যান্য দৰ্শকৰ দৰে স্বয়ং লিংকনেও একাগ্ৰচিত্তেৰে অভিনয় উপভোগ কৰিছিল। তেতিয়া ৰাতি দহ বাজি দহ মিনিট। অন্ধকাৰৰ গইনা লৈ বুথে থিয়েটাৰ হলৰ প্ৰাঙ্গনত প্ৰৱেশ কৰিলে। তেওঁৰ শৰীৰত ক'লা ৰঙৰ পোছাক, ভৰিত ওখ গোৰোহাৰ জোতা।

এটা নৃশংস উন্মাদনাত চাৰিওফাল জৰীপ কৰি ল'ব খুজিলে উইলকিছ বুথে। সন্মুখত বিশেষ আসনতেই তন্ময় হৈ নাটক উপভোগ কৰিছিল প্ৰেছিডেণ্ট লিংকনে। মৃত্যুদূতৰ পদধ্বনি সেই সময়ত তেওঁৰ কৰ্ণপাতেই নহ'ল।

হাতত এটা ডাঙৰ আকাৰৰ টুপী লৈ থিয়েটাৰ হললৈ সোমাই গ'ল বুথ। চিৰি বগাই মাজ অংশত থকা আসনবোৰৰ কাষেৰে আগুৱাই গ'ল তেওঁ। অকণমান পিছতেই বুথক প্ৰেছিডেণ্টৰ দেহৰক্ষী এজনে আটক কৰিলে। নিজৰ পৰিচয়-পত্ৰ দেখুৱাই দেহৰক্ষীৰ হাতৰ পৰাও সাৰি গ'ল বুথ। ভাৱলেশহীনভাবে এইবাৰ তেওঁ ভিতৰলৈ আগুৱাই গ'ল। এটা সময়ত তেওঁ বাৰাণ্ডাৰ দৰ্জা বন্ধ কৰি দিলে। অকণমান পিছতেই নিঃশব্দে দুৱাৰখন খুলিলে দুবৃত্ত বুথে। নিজকে কুটাঘাতকাৰী ৰূপে সাজু কৰি ল'লে তেওঁ। অতি সতৰ্কভংগীৰে শক্তিশালী আগ্নেয়াস্ত্ৰটো উলিয়াই ল'লে। অতি সাৱধানে লক্ষ্য স্থিৰ কৰি লৈ ট্ৰিগাৰ টিপি দিলে সেই নৃঃশংস হত্যাকাৰীয়ে। পিছমুহূৰ্ততে চিকাৰী চিতা বাঘৰ দৰে ক্ষিপ্ৰতাৰে মঞ্চত জপিয়াই পৰিল তেওঁ।

সম্মুখৰ চকীত হাউলি পৰিল মহান লিংকন। কোনো আৰ্তনাদেই তেওঁৰ মুখৰ পৰা নিৰ্গত নহ'ল।

দৰ্শকসকলেও ঘটনাটো অনুধাৱন কৰিব নোৱাৰিলে। হঠাতে তীক্ষ্ণ আৰ্তনাদ কৰি উঠিল মেৰী লিংকনে; সেইজন, সেইজন মানুহে প্ৰেছিডেণ্টক হত্যা কৰিছে।

লগতে থকা সহকৰ্মী মেজৰ ৰথবোনো জপিঁয়াই উঠিছিল। লিংকনৰ কান্ধৰ পৰা বৈ আহিছিল উষ্ণ তেজৰ ধাৰা। ৰথবোনেও চিএঁওৰি কৈ উঠিল -'সেই মানুহজনক ধৰক এতিয়াই। তেওঁ প্ৰেছিডেণ্টক গুলি কৰিছে -'

গোটেই থিয়েটাৰ হলটোত মূহূৰ্ততে শ্বাসৰুদ্ধকৰ পৰিস্থিতিৰ সৃষ্টি হ'ল। হঠাতে পৰিস্থিতি উপলব্ধি কৰি জনতাৰ মাজত যেন বিষ্ফোৰণ ঘটি গ'ল। প্ৰতিহিংসাত যেন উন্মাদ হৈ উঠিল জনতা। হত্যাকাৰীক ফাঁচী দিয়ক! দুৰ্বৃত্তটোক ধৰি টুকুৰা টুকুৰ কৰি দিয়ক -! থিয়েটাৰ হ'ল জ্বলাই দিয়া... । আদি চিএঁৰেৰে চাৰিওফালে হুলস্থূল লাগিল।

কোনোবা এঠাইত বোমা লুকুৱাই থোৱা হৈছে, থিয়টাৰৰ হ'ল উৰি যাব আদি উৰা বাতৰি শুনা গ'ল। মানুহে এই কথাত উন্মত্তৰ দৰে ভয়ত ইফালে সিফালে পলাবলৈ ধৰিলে। চাৰিওফালে বিয়পি পৰিল বিশৃংখলা আৰু আতংক।

সম্পূৰ্ণ নিস্তেজ আৰু জ্ঞানহীন অৱস্থাত নিথৰ হৈ লিংকন পৰি ৰ'ল। শোকত ম্ৰিয়মান হৈ অকলে চকুলো টুকি থাকিলে মেৰী লিংকনে। দৰ্শকৰ মাজৰ পৰা এজন চিকিৎসক দৌৰি আহি লিংকনক পৰীক্ষা কৰি থিয়টাৰ হ'লৰ পৰা যিমান পাৰি সোনকলে তেওঁক বাহিৰলৈ উলিয়াই নিবলৈ ক'লে।

সেই মতেই সেনাবাহিনীৰ কেইজনমান সৈন্যই দাংকোলাকৈ লিংকনক থিয়েটাৰ হলৰ সন্মুখতে থকা এটা চৰাইখানালৈ লৈ যোৱাৰ ব্যৱস্থা কৰিলে। এই অৱস্থাৰে প্ৰেছিডেণ্টক হোৱাইট হাউছলৈ লৈ যোৱাৰ কোনো উপায় নাছিল। জীৱন দ্বীপো লাহে লাহে নিৰ্বাপিত হ'বলৈ ধৰিলে মহান লিংকনৰ।

ইতিমধ্যে বিদ্যুতৰ দৰে চাৰিওফালে খবৰ বিয়পি পৰিল যে প্ৰেছিডেণ্ট আব্ৰাহাম লিংকন নিহত হৈছে। কেৱল সেয়ে নহয়, আচল খবৰটোৰ লগতে চাৰিওফালে নানা ধৰণৰ গুজৱো বতাহতে উৰি ফুৰিবলৈ ধৰিলে। গুজৱ ওলাল, কেৱল প্ৰেছিডেণ্টেই নহয় ভাইচ প্ৰেছিডেণ্ট জনচন আৰু ছেক্ৰেটাৰী ষ্টানটনো নিহত হৈছে।

ই যে সচাঁকৈয়ে ইতিহাসৰ ক'লীয়া ডাৱৰে ঢকা, এন্ধাৰে আৱৰা এটা কলংকিত চিন আছিল, এই বিষয়ে সন্দেহ নাই গোটেই আমেৰিকাই উত্তাল হৈ পৰিল।

চৰকাৰী যন্ত্ৰই ইতিমধ্যে হত্যাকাৰীক গ্ৰেপ্তাৰ কৰাৰ কাৰণে চাৰিওফালে নিৰবন্ধ্ৰ জাল



পেলালে। ছেক্ৰেটাৰী ষ্টানটনে
আমেৰিকাৰ সীমান্ত বন্ধ কৰি দি
আদেশ দিলে। পুলিচ আৰু গো
বিভাগৰ মানুহে গোটেই এলেকা
নজৰৰে তালাচী চলাই হত্যাকাৰী
চলাথ কৰিলে। বীৰ সেনাপতি ইউ
গ্ৰাণ্টক ফিলাডেলফিয়াৰ পৰা
ৱাশ্বিংটনলৈ অবিলম্বে আহিবলৈ
হ'ল। বুথৰ নিক্ষিপ্ত গুলিয়ে লিংক
ভাবে আহত কৰিছিল। গুলি তেওঁ
কাণৰ তলেৰে পাৰ হৈ গৈ মস্তি
সোমাই গৈছিল। জীৱন মৃত্যুৰ
প্ৰেছিডেণ্ট লিংকন মাত্ৰ ৯ ঘণ্টা
হৈ পৰি আছিল।

কিন্তু জঘন্যতম নৰহ
লিংকনক হত্যা কৰাৰ পিছত
ষ্টেজত জাঁপ মাৰি পৰি পলোৱা
বুথক মেজৰ ৰথবোনে জপটি
কিন্তু দুৰ্বৃত্ত বুথে লগে লগে ছুৰী
কৰিলে মেজৰক। আহত ৰথবোনে
পলাই সাৰিবলৈ সমৰ্থ হয় তে
লুকুৱাই থোৱা এটা ঘোঁৰাত উঠি
নিৰ্বিঘ্নে পলাই যায়, কোনোৱেই
কৰিব নোৱাৰিলে।

বুথে লিংকনক গুলি
কৰাৰ কথা তেওঁৰ দেউতা
পৰিলগৈ। হতভগীয়া মানুহজনে
প্ৰেছিডেণ্টৰ দৰে দেৱতুল্য
গুলিয়াই হত্যা কৰিব পাৰে বুলি
পৰা নাছিল। বেদনাত ভাগি পৰি
জুলিয়াছ ব্ৰুটাছ।

হত্যাকাৰী উইলকিছ
সলাই আশ্ৰয় লৈ ঘূৰি ফুৰিছিল
বাহিনীয়ে তেওঁক সৰ্বত্ৰ বিচাৰি
এনেদৰে এসপ্তাহ
সেনাবাহিনীৰ এজন ৰক্ষীৰ
বুথ আহতও হৈছিল। আকৌ
সেনাবাহিনীৰ কৰ্ণেল কনজাৰৰ
হৈ মৃত্যুমুখত পতিত হয় বুথ



েন দাস মহাবিদ্যালয় আলোচনী

ন্ত অৱস্থাত ধৰাটো সম্ভৱপৰ নহ'ল। বুথৰ
সংগীসকল তাৰ আগতেই পুলিচৰ হাতত
পৰিছিল।

অৱশ্যে গুলি লগাৰ পিছত বুথ লগে
ই মৃত্যুমুখত পৰা নাছিল; কোনোমতে
-বাগৰি গুৰুতৰভাবে আহত অৱস্থাত
এটা ঘৰত গৈ উপস্থিত হৈছিল তেওঁ।
হলওৱে নামে এগৰাকী মহিলাই বুথক
ৰোনাস্তি সেৱা-শুশ্ৰূষা কৰিছিল। কিন্তু
তিকভাবে আঘাতপ্ৰাপ্ত বুথৰ প্ৰাণৰক্ষা
তেই সম্ভৱ নহ'ল। মৃত্যুৰ লগত যুঁজি যুঁজি
বিদ্ধ
ৰাৰ
দিনৰ
ত এই
ং স
কাৰীৰ
-প্ৰদীপ
যায়। মৃত্যুৰ আগতে সেই হঠকাৰী
ৰী বুথে শেষবাৰৰ বাবে মাকৰ মুখখন
জিছিল যদিও সেই ইচ্ছা তেওঁৰ অপূৰ্ণ
ৰ'ল।

মহান প্ৰেছিডেণ্ট লিংকনৰ জীৱন
ৱেই সেইদিনা এজন অপৰিণামদৰ্শী
হাতত শেষ হৈ যায়। কিন্তু সেই
ৰী উইলকিছ বুথৰ মৃতদেহক কেন্দ্ৰ কৰি
পিছত ৰহস্য ঘনীভূত হৈ উঠে। বুথৰ
ক লৈ বিতৰ্কৰ সূচনা হয়। কমেও বিশটা
ক বিভিন্ন সময়ত বুথৰ বুলি দাবী জনাই
ন ৰহস্যটো অধিক গম্ভীৰ কৰি তোলে।

সেই ঘনীভূত ৰহস্যৰ জাল ফালি
ত্য উদ্‌ঘাটন কৰিবলৈ ১৮৬৯ চনৰ ১৫
ৰীত আমেৰিকাৰ তৎকালীন ৰাষ্ট্ৰপতি
নচনে বুথ সমাধি খান্দি শৱদেহটো
কৰণৰ আদেশ দিয়ে। ইয়াৰ বাবে বুথৰ
আত্মীয়-স্বজনক আহ্বান জনোৱা হয়।

তথাপি কোনো সমস্যাৰ সমাধান
উইলকিছ বুথৰ আত্মীয়-স্বজন, মাক-
ক কোনোৱেই বুথৰ দেহটো চিনাক্ত কৰিব নোৱাৰিলে। বুথৰ দেহ সম্পৰ্কে সৃষ্টি হোৱা ৰহস্য, ৰহস্য হৈয়ে থাকি গ'ল। কৰ্ণেল কনজাৰৰ গুলীত আহত বুথ পলাই যোৱাৰ পিছত তেওঁৰ মৃতদেহটো ক'লৈ গ'ল, এই ৰহস্যৰ মেৰপাকৰ পৰা প্ৰকৃত সত্য উদ্‌ঘাটন কৰা সম্ভৱ নহ'ল।

শেষত বিশটা মৃতদেহৰ মাজৰ পৰা পাঁচটাক বাচি লোৱা হয়। এই পাঁচটাৰ ভিতৰত যিকোনো এটাই বুথৰ শৱদেহ হ'ব পাৰে। দৰ্শনাৰ্থীসকলে পাঁচোটা লাওখোলা দেখিবলৈ পোৱা সত্বেও বুথৰ লাওখোলা চিনাক্ত কৰাত ব্যৰ্থ হয়।

*লিংকনৰ অন্তিম যাত্ৰাত লক্ষ লক্ষ অনুগামীয়ে বেদনাৰ্ত হৃদয়েৰে ভাগ লৈছিল। সমগ্ৰ আমেৰিকা যুক্তৰাষ্ট্ৰই সেইদিনা শোকাকুল আৱেগত স্তব্ধ হৈ পৰে। আমেৰিকাৰ ইতিহাসত ইমান বিশাল শোভাযাত্ৰা আগতে কেতিয়াও দেখা পোৱা হোৱা নাছিল।...*

লিংকনৰ অন্তিম যাত্ৰাত লক্ষ লক্ষ অনুগামীয়ে বেদনাৰ্ত হৃদয়েৰে ভাগ লৈছিল। সমগ্ৰ আমেৰিকা যুক্তৰাষ্ট্ৰই সেইদিনা শোকাকুল আৱেগত স্তব্ধ হৈ পৰে। আমেৰিকাৰ ইতিহাসত ইমান বিশাল শোভাযাত্ৰা আগতে কেতিয়াও দেখা পোৱা হোৱা নাছিল। সকলোৱে শোকসন্তপ্ত হৃদয়েৰে চকুলো টুকি বিদায় জনাইছিল তেওঁলোকৰ মহান আৰু প্ৰিয়তম প্ৰেছিডেণ্টক।

মে' মাহৰ ৪ তাৰিখে স্প্ৰিংফিল্ড চহৰৰ মনোৰম সমাধিক্ষেত্ৰত সমাহিত কৰা হ'ল আমেৰিকাৰ সেই প্ৰবাদপ্ৰতিম মহান আত্মাক। চিৰশান্তিত শুই পৰিল দয়াৰ্দ্ৰ আব্ৰাহাম লিংকন।

স্প্ৰিংফিল্ড ত্যাগ কৰি অহাৰ সময়ত লিংকনে যেন উপস্থিত গুণমুগ্ধ জনতাৰ আগত কৈছিল তেওঁ আকৌ কেতিয়া উভতি আহিব কোনো ঠিক নাই। বিশেষ ট্ৰেইনত তেওঁৰ মৃতদেহ ইলিয়নলৈ সজ্জিত অৱস্থাত লৈ যোৱাৰ সময়ত এনে লাগিছিল যেন তেওঁ সুখ-নিদ্ৰাত আচ্ছন্ন, এতিয়াই হয়তো সাৰ পাই যাব।

চিৰসমাহিত আব্ৰাহাম লিংকনৰ শৱদেহ ৰখা কফিনটোও বহুবাৰ চুৰি কৰাৰ চেষ্টা কৰা হৈছিল। ১৮৭৬ চনত এদল বিকৃত মস্তিষ্কৰ মানুহে প্ৰথমে কফিনটো চুৰি কৰি নিয়াৰ চেষ্টা কৰি ব্যৰ্থ হয়। এই কাৰণতে সেই মহান মানুহজনৰ দেহটো বহুকেইবাৰ স্থানান্তৰিত কৰাও হৈছিল।

শেষত প্ৰেছিডেণ্ট লিংকনৰ অমূল্য সমাধি ৰক্ষাৰ কাৰণে বিশেষ ব্যৱস্থা লোৱা হৈছিল। ১৯০১ চনৰ ২৬ ছেপ্তেম্বৰত বিশেষভাবে তৈয়াৰী কফিনত মহান লিংকনৰ দেহাৱশেষ সংৰক্ষিত কৰা হ'ল। এখন সুন্দৰ বেদীও সজাই-পৰাই সাজু কৰা হ'ল। শেষত তাতেই চিৰশান্তিৰ আশ্ৰয় ল'লে আমেৰিকাৰ জনদৰদী মহান প্ৰেছিডেণ্ট আব্ৰাহাম লিংকনে।

আজিও যিসকলে আমেৰিকালৈ যায়, তেওঁলোকে লিংকনৰ মৃত্যুতিথিত তেওঁৰ সমাধি প্ৰত্যক্ষ কৰিব পাৰে। দৰ্শকৰ কাৰণে সেইদিনা সমাধিস্থলখন উন্মোচিত কৰা হয়।

মহান লিংকন নিহত হোৱাৰ পিছত মহাকালৰ বুকুত বহু বছৰ লীন গ'ল। কিন্তু আজিও সমস্ত শোষিত জনগণৰ হৃদয়ত তেওঁৰ স্মৃতি অম্লান হৈ আছে। মানুহৰ হৃদয়ৰ মণিকোঠাত এই মানৱ দৰদী মহান মানুহজনে চিৰস্থায়ী আসন দখল কৰি আছে, কাৰণ ই এজন কালজয়ী মানুহৰ স্মৃতি। ই কোনোদিনেই ইতিহাসৰ পাতৰ পৰা, মানুহৰ হৃদয়ৰ পৰা হেৰাই নাযায়।

মৃত্যুৱে যেন আব্ৰাহামক দুগুণে মহান আৰু ভাস্বৰ কৰি তুলিলে। লিংকনৰ ঘোৰ বিৰোধী ষ্টানটনে সেইদিনা মহান আব্ৰাহাম লিংকনৰ শায়িত দেহৰ কাষত থিয় হৈ অৱৰুদ্ধ কণ্ঠেৰে কৈছিল - 'আজি তেওঁ কালোত্তীৰ্ণ, যুগান্তৰ এজন মানুহ... ।'

*সহায়ক গ্ৰন্থ ঃ*
*অনুকৰণীয় ব্যক্তিত্ব -ডেল কাৰ্নেগী।*

# নিৰ্দোষ ধেমালিৰ উৎসৱ

## এপ্ৰিল ফুল

আপুনি ক'ৰবালৈ গৈ আছে। হঠাৎ আপোনাৰ বন্ধু এজনৰ সৈতে দেখাদেখি হ'ল। কথাবাৰ্তা আৰম্ভ হৈছিলহে মাত্ৰ হঠাৎ আপোনাৰ বন্ধুজনে ক'লে যে আপোনাৰ পেণ্টৰ জিপাৰডাল খোল খাই আছে। লগে লগে আপোনাৰ দৃষ্টি জিপাৰডাললৈ গ'ল। কিন্তু এয়া কি, চব দেখোন ঠিকে-ঠাকেই আছে। তেন্তে...? তেনেতে আপোনাৰ বন্ধুজনে হাঁহি মাৰি ক'লে 'এপ্ৰিল ফুল'। আজি যে এপ্ৰিলৰ পহিলা তাৰিখ আপুনি হয়তো পাহৰিয়েই গৈছিল। ঠিক তেনেদৰে আপোনাৰ ঘৰলৈ এটা ফোন-কল আহিল যে আপোনাৰ বন্ধু এজনৰ ঘৰত কিবা এটা জৰুৰী সমস্যা। শীঘ্ৰে আপুনি যাব লাগে। কোনো কথা ভবাৰ অৱকাশ নাই। বন্ধুৰ সমস্যা, তাতে জৰুৰী। বচ্। থৰকাছুটি এৰি আপুনি ল'ৰালৰিকৈ বন্ধুৰ ঘৰত উপস্থিত। কিন্তু ক'তা? বন্ধুচোন আনন্দমনেৰে নিজকৰ্মত ব্যস্ত। আৰু আপুনি যেতিয়া বন্ধুক এই বিষয়ে সুধিব, তেতিয়া হয়তো বন্ধুও আচৰিত হ'ব। কিন্তু উৰাদিহহীন এই কথাৰ বিষয়ে দকৈ ভবাত হঠাৎ হয়তো তেওঁ উত্তৰ পাই যাব - আস্ আজি দেখোন এপ্ৰিলৰ এক তাৰিখ। আৰু তেতিয়াই তেওঁৰ মুখেৰে এমোকোৰা হাঁহি ওলাই যাব। লগে লগে ওলাই যাব উৰহী গছৰ ওৰ। হেৰি, আপোনালোকৰ বন্ধুত্বৰ আশ্ৰয় লৈ আপোনাক কোনোবাই মুৰ্খ সজালে। এনেধৰণৰ নানান ধেমালি সেইদিনা ঘটি থাকে। কাৰোবাৰ ঘৰলৈ হয়তো এনেকুৱা অনুষ্ঠানলৈ নিমন্ত্ৰণ আহে, যি অনুষ্ঠানৰ কোনো অস্তিত্বই নাই। কাৰোবাৰ হাতলৈ হয়তো এনেকুৱা উপহাৰ আহিব, যিটো খোলাৰ পিছত হয়তো তাৰ ভিতৰত একোৱেই নাথাকে।

'এপ্ৰিল ফুল' এনে এটা উৎসৱ যাৰ বাবে কোনো বন্ধ ঘোষণা কৰা নহয়, প্ৰয়োজন নাই কোনো উপহাৰৰ, আয়োজন কৰিব নালাগে কোনো ভোজ-ভাতৰ। মাথো দৈনন্দিন জীৱনৰ সৈতে আনন্দিনাৰ দৰেই ব্যস্ত থাকি নিজকে মুৰ্খতাৰ পৰা বচাই ৰাখি অইনক মুৰ্খ সজোৱাৰ প্ৰচেষ্টা এই বিশেষ দিনটোত চলোৱা হয়। অকল আমাৰ দেশতেই নহয়, পৃথিৱীৰ সকলো প্ৰান্তৰতে এই বিশেষ দিনটোৰ গুৰুত্ব দেখা যায়। আনকি চল-চাতুৰী, ধেমালি আৰু দুষ্টামিৰে ভৰা এই বিশেষ দিনটোত খবৰ কাগজ, ৰেডিঅ', টেলিভিছন আদিয়েও সৰ্বসাধাৰণক আভুৱা ভাঁৰি বিশেষ কিছুমান বাতৰি প্ৰকাশ আৰু প্ৰচাৰ কৰে। গ্ৰেট ব্ৰিটেইনত কোনো লোকক অফিচাৰে দেখাত বৰ সহজ কিন্তু ভিতৰি কঠিন কাম এটা কৰিবলৈ কয়। প্ৰথমতে মানুহজনে কামটো উজু বুলি হাতত লয় যদিও পিচতহে তেওঁ অনুভৱ কৰে যে আচলতে তেওঁক মুৰ্খ সজাবলৈহে এই কামটো কৰিবলৈ দিয়া হৈছিল। ফ্ৰান্সত আকৌ পেপাৰেৰে কাটি উলিওৱা মাছৰ প্ৰতিকৃতি কাৰোবাৰ পিঠিত লগাই দিয়া হয় বা লেফাফাৰ ভিতৰত চিঠি আকাৰে কাগজৰ মাছ পঠিওৱা হয়। আকৌ স্কটলেণ্ডত কাৰোবাৰ পিঠিত 'মোক লঠিওৱা' বুলি লিখা কাগজ আঠা মাৰি দিয়ে। তাত এই উৎসৱ দুদিন ধৰি চলে আৰু পিছৰ দিনটোক 'টেলি ডে' বুলি কোৱা হয়। মেক্সিকোত আকৌ এনেধৰণৰ এটি উৎসৱ ডিচেম্বৰৰ ২৮ তাৰিখে পালন কৰা হয়।

'এপ্ৰিল ফুল' নামৰ উৎসৱটো কেনেকৈ, ক'ৰপৰা আহিল আৰু কোনে কি উদ্দেশ্যে প্ৰচাৰ কৰিলে তাক কোনেও সঠিককৈ ক'ব নোৱাৰে। কিছুসংখ্যক বুৰঞ্জীবিদৰ মতে এই উৎসৱৰ আৰম্ভণি ১৫৮২ চনত পোনপ্ৰথমবাৰৰ বাবে ফ্ৰান্সত হৈছিল। তাৰ বহুবছৰ পিচত ই বিশ্বৰ অন্য প্ৰান্ততো বিয়পি পৰে। তৎসত্বেও ইয়াৰ উৎপত্তি সম্পৰ্কে ভিন্ন মত দেখা যায়। আজিলৈকে উদ্ভৱ হোৱা সকলো মতকে গ্ৰহণযোগ্য বুলি মানি লোৱা হোৱা নাই যদিও এইবোৰ একেবাৰে উলাই কৰিবও নোৱাৰি। কাৰণ প্ৰতিটো তত্ত্বৰ লগত এপ্ৰিল ফুলৰ আৰম্ভণি বা এই উৎসৱৰ সম্বন্ধ দেখিবলৈ পোৱা যায়। কেতবোৰ তত্ত্বই ইয়াক প্ৰাচীন উৎসৱৰ সৈতে সম্পৰ্কিত বুলি... উদাহৰণস্বৰূপে ৰোমৰ শীতকা... 'চেটাৰনালিয়া'কে ল'ব পাৰি। ৰোম... উৎসৱটি ডিচেম্বৰ মাহৰ শেষৰফা... কৰা হৈছিল। সুৰাপান, উপহাৰৰ... আৰু নৃত্যৰে ইজনে-সিজনক ভা... শুভেচ্ছা প্ৰদান কৰিছিল। এই অ... মানে বসন্তৰ আগমনৰ কথাকে সূ... ইয়াত কিছুমান আচহুৱা প্ৰথা প্ৰ... গৈছিল। উৎসৱৰ দিনা ঘৰৰ লগুৱা... দৰে আৰু মালিকসকলে লগুৱাৰ... কৰিছিল। তদুপৰি এজন লোকক... ভুৱা ৰজা পাতি দেশত অৰাজকতাৰ... চতুৰ্থ শতিকাৰ পিচৰ ফালে এই উৎ... এক তাৰিখে পালন কৰিবলৈ লোৱা... কিছুমান প্ৰথা খ্ৰীষ্টমাছৰ লগত সাঙো... সময় যোৱাৰ লগে লগে হয়তো... আলমতে এপ্ৰিল ফুল উৎসৱৰ ... পাশ্চাত্যৰ বহুতো লোকে আ... উৎসৱকো এপ্ৰিল ফুলৰ আৰম্ভণিৰ... কৰিব খোজে। কাৰণ এই হো... ধেমালি, চল-চাতুৰী আদিৰ সমা... পোৱা যায়। ইউৰোপৰ এটি... 'Honors Lud' আৰু অতী... উদ্যাপিত 'Hillariya'ৰ লগত... বুলি ক'ব খোজে।

পশ্চিমৰ পৌৰাণিক... সাধুকথাত উল্লেখ থকা ঘটনা কিছু... ফুল ডে'ৰ উৎপত্তিৰ কাৰণ বুলি ... এক পৌৰাণিক কাহিনী হ'ল 'চিৰি... আখ্যান'। এই আখ্যানমতে মৃত্যুৰ... প্ৰচপ্ৰিনা নামৰ ছোৱালী এ... জীৱনসঙ্গিনী কৰিবলৈ পাতাললৈ... লৈ যায়। প্ৰচপ্ৰিনা ৰোমানস... অধিষ্ঠাত্ৰী দেৱী চিৰিচৰ কন্যা। ...ৰ কৰিবলৈ প্ৰচপ্ৰিনাই মাক চিৰিচক মাতিবলৈ ...ল। কিন্তু মাকে জীয়েকৰ মাতটোৰ প্ৰতিধ্বনিৰ ...ৰ একোকে বিচাৰি নাপালে। এই ঘটনাৰ ...মত পতা হৈছিল 'চিৰিলিয়া' উৎসৱ। এই ...ৱতো কিছুমান চাতুৰী বা ধেমালিৰ সমন্বয় ...ল। সম্ভৱতঃ এই উৎসৱ আৰু উক্ত ঘটনাৰ ...মতে এপ্ৰিল ফুল ডে'ৰ জন্ম হৈছিল।

আকৌ এক ব্ৰিটিছ লোক-কথাত এজন ... মূৰ্খ সজোৱাৰ এটি আমোদজনক ঘটনা ...লৈ পোৱা যায়। 'নটিংহামছায়াৰ' নামৰ এখন ... 'গোথাম' নামেৰে এখন সৰু চহৰ আছিল। ...মতে সেই চহৰৰ নাগৰিকসকল মূৰ্খ আছিল। ...তিকাৰ এটি প্ৰথামতে দেশৰ ৰজাজনে যিটো ...ৰ আহ-যাহ কৰে সেই পথটো ৰাষ্ট্ৰীয় সম্পদ ...ৰে। এদিন ৰজাই গোথামৰ মূল পথেৰে

...তজন গৈ দেখিলে যে তাৰ মানুহবোৰ ...ৰ্খ হোৱাৰ উপৰি পাগলো। তেওঁ ...খিলে, গোথামবাসীয়ে পানীৰ পৰা ...ৰি অনা মাছ আকৌ পানীত এৰি ...ছে, চিলিং নথকা পিঞ্জৰাত চৰাই ...ছুমান বন্দী কৰিবলৈ ব্যৰ্থ চেষ্টা কৰি ...াছে। আচলতে ৰাজৰোষৰ পৰা ...চিবলৈ তেওঁলোকে সেয়া অভিনয়হে ...ৰিছিল।

...লৈ যাব খুজিছিল। তাৰ নাগৰিকসকলে ভয় ... যে তেওঁলোকে এতিয়া তেওঁলোকৰ মূল ... হেৰুৱাব। সেয়ে তেওঁলোকে এটি ভুৱা ... প্ৰচাৰ কৰি ৰজাক সেই পথেৰে যোৱাৰ ...ৰত কৰে। কিন্তু ৰজাই সেই কথা গম পাই ...লাকে কিয় তেনে কৰিলে তাকে জানিবলৈ ...মলৈ এজন দূত পঠিয়ালে। দূতজন গৈ ...ল যে তাৰ মানুহবোৰ মূৰ্খ হোৱাৰ উপৰি ...না। তেওঁ দেখিলে, গোথামবাসীয়ে পানীৰ ...ৰি অনা মাছ আকৌ পানীত এৰি দিছে, চিলিং ... পিঞ্জৰাত চৰাই কিছুমান বন্দী কৰিবলৈ ব্যৰ্থ ...কৰি আছে। আচলতে ৰাজৰোষৰ পৰা ...লৈ তেওঁলোকে সেয়া অভিনয়হে কৰিছিল। ...দূতজনে তাকেই প্ৰকৃত সত্য বুলি ভাবি ...নকে গৈ এই ঘটনাৰ সম্ভেদ ৰজাক দিলে। ... দূতৰ মুখে সকলো শুনি গোথাম চহৰক ...চহৰ' আখ্যা দি তাৰ লোকসকলক সিহঁতে কৰা ভুলৰ বাবে কোনো শাস্তি নিদিলে। পাচলৈ এই সাধুৰ আলমত 'এপ্ৰিল ফুল ডে'ৰ আৰম্ভণি হয় বুলি কোনো কোনোৱে ক'ব খোজে।

মধ্যযুগতো মূৰ্খক কেন্দ্ৰ কৰি সৃষ্ট কিছুমান উৎসৱ এপ্ৰিল ফুলৰ আৰম্ভণি বুলি ক'ব পাৰি। ফ্ৰান্সত উদ্‌যাপিত 'ফিষ্ট অৱ ফুল' নামৰ উৎসৱ তেনে এটি লেখত ল'বলগীয়া উৎসৱ। উৎসৱৰ দিনা এজন লোকক ভুৱা পোপ বা ধৰ্মযাজকৰূপে সজাই তোলা হয়। তেওঁ গীৰ্জাৰ কিছুমান ভুল ৰীতি-নীতি বা ভণ্ডামি ধেমালিৰ চলেৰে ৰাইজৰ আগত দাঙি ধৰে। গীৰ্জাবোৰে এই উৎসৱৰ বিৰোধিতা কৰি ইয়াক নিৰ্মূল কৰাৰ চেষ্টা চলাইছিল। সময়ৰ সোঁতত এই এদিন হেৰাই যায়।

পশ্চিমীয়া ইতিহাসৰ পৰা জানিবলৈ পোৱা যায় যে মধ্যযুগত বহুৱা বা মুৰ্খসকলৰ যথেষ্ট সমাদৰ আছিল। ৰাজপ্ৰাসাদ বা ৰাজপথৰ চাৰিআলিত এই মুৰ্খসকলে হাঁহি উঠা কাৰ্যৰ দ্বাৰা জনগণৰ দৃষ্টি আকৰ্ষণ কৰিছিল। দেশ বা ৰাজ্যত শাসক বা তেওঁৰ প্ৰতিনিধিয়ে অন্যায় কাম কৰিলে এই বহুৱাসকলে ধেমালিৰ ছলেৰে সেইবোৰ উদঙাই দিছিল আৰু ৰাইজক সজাগ কৰিছিল। সেইসময়ত বহুৱাবোৰে আজিকালিৰ চাৰ্কাছৰ বহুৱাবোৰৰ দৰে নানা ৰং বিৰঙৰ পোছাক আৰু মুখত আঁক-বাঁক কৰি লৈছিল। এই বহুৱাৰ বহুৱালিৰ পৰাও 'এপ্ৰিল ফুল'ৰ জন্ম হ'ব পাৰে।

নৃতত্ত্ববিদ, বুৰঞ্জীবিদ আৰু লোক-সংস্কৃতিৰ গৱেষকসকলেও এপ্ৰিল ফুল সম্পৰ্কত কেতবোৰ মন্তব্য দাঙি ধৰিছে। তেওঁলোকৰ মতে এই উৎসৱৰ উৎপত্তিৰ মূলতে বসন্ত কাল বা প্ৰকৃতি। বসন্তৰ আগমনৰ লগে লগে প্ৰকৃতিয়েও মানুহৰ লগত কিছুমান ধেমালি কৰে। ফৰকাল আকাশ হঠাৎ গোমা হৈ পৰে। হঠাৎ অহা বতাহ-বৰষুণ-ধুমুহাই মানুহক বিপদত পেলায়। এনে পৰিস্থিতিৰ দ্বাৰা প্ৰভাৱিত হৈ হয়তো মানুহেও মানুহক চল কৰি বিপদত পেলাই ৰং চাইছিল বুলি ভাবিবৰ থল আছে। তাৰ ফলশ্ৰুতিতে কিজানি এপ্ৰিল ফুল উৎসৱটিৰ সৃষ্টি হ'ল। আন এটি কাহিনীয়ে এপ্ৰিল ফুলক প্ৰকৃতিৰ এটি আমোদজনক পৰিঘটনাৰ ফলশ্ৰুতি বুলি ক'ব খোজে। সেইমতে - বসন্তকালত বৰষুণৰ লগে লগে ফ্ৰান্সৰ নৈ-বিল পানীৰে ভৰিপৰে। এইখিনি সময়ত মাছবোৰৰ কণী ফুটি পোৱালি জগে। কিন্তু ইহঁত সৰু আৰু অনভিজ্ঞ হৈ থকাৰ বাবে অতি সহজে মানুহে পাতি থোৱা জালত বা বৰশীত লাগে। এই পোৱালীবোৰক 'এপ্ৰিল ফিছ্' বুলি কোৱা হয়। মাছবোৰক ঠগোৱাৰ দৰে লাহে লাহে মানুহেও এপ্ৰিল মাহত কিছুমান মানুহক চল-চাতুৰীৰে ঠগিবলৈ আৰম্ভ কৰে আৰু ঠগ খোৱা মানুহকো এপ্ৰিল ফিছ্ বুলি ক'বলৈ ল'লে। সেয়ে আজিও এক এপ্ৰিলৰ দিনা ঠগ খোৱা মানুহক মাছৰ আৰ্হিত তৈয়াৰ কৰা চকলেট উপহাৰ দিয়া হয়।

এপ্ৰিল ফুল সম্পৰ্কত আটাইতকৈ গ্ৰহণযোগ্য আৰু সৰ্বজন গৃহীত তথ্যটো হ'ল জৰ্জিয়ান কেলেণ্ডাৰৰ প্ৰচলন। ১৫৮২ চনত ফ্ৰান্সত পোনপ্ৰথমবাৰৰ বাবে জুলিয়ান কেলেণ্ডাৰৰ ঠাইত জৰ্জিয়ান কেলেণ্ডাৰৰ প্ৰচলন হ'বলৈ ধৰে। জুলিয়ান কেলেণ্ডাৰ অনুসৰি নতুন বছৰ আৰম্ভ হৈছিল পহিলা এপ্ৰিলত আৰু জৰ্জিয়ান কেলেণ্ডাৰ অনুসৰি পহিলা জানুৱাৰীত। সেই সময়ত যোগাযোগ ব্যৱস্থা অতি লেহেম আছিল বাবে কোনো খবৰ এঠাইৰ পৰা আন এঠাইলৈ পঠিয়াবলৈ মাহৰ উপৰি মাহ লাগিছিল। সেয়ে বহু ঠাইত এই খবৰ বহু পলমকৈ পাইছিল। সেই সময়ত বহু লোকে জৰ্জিয়ান কেলেণ্ডাৰ মানি নল'লে আৰু আগৰ দৰে এপ্ৰিলৰ এক তাৰিখে নতুন বছৰ উদ্‌যাপন কৰি থাকিল। এই আঁকোৰগোজ স্বভাৱৰ লোকসকলক বাকীসকলে মূৰ্খ বুলি কৈছিল আৰু তেওঁলোকক লৈ নানা ধেমালি কৰিছিল। কালক্ৰমত সেই ধেমালিয়েই এদিন 'এপ্ৰিল ফুল' নামৰ উৎসৱটোলৈ ৰূপান্তৰিত হ'ল বুলি বহুতেই ক'ব খোজে। ফ্ৰান্সত উদ্‌যাপিত এই উৎসৱ ১৮ শতিকাত ইংলেণ্ড, স্কটলেণ্ড আৰু আমেৰিকান কলনীবোৰলৈ প্ৰসাৰিত হ'ল। আজিও এপ্ৰিল ফুল ডে'ৰ আৰম্ভণি বা ইয়াৰ প্ৰসাৰণ সম্পৰ্কে থকা তথ্য মেঘাচ্ছন্ন হৈ আছে যদিও পৃথিৱীৰ বৃহৎ সংখ্যক লোকে এই দিনটোত কাৰোবাক মূৰ্খ সজাবলৈ তৎপৰ হৈ থাকে। তাৰ ফলশ্ৰুতিতে উক্ত দিনা সংঘটিত হয় নানান মজাৰ ঘটনা। আপুনি বাৰু ডাঠি ক'ব পাৰিবনে যে আপুনি এতিয়ালৈ কাৰো সন্মুখত উক্ত দিনটোত এবাৰো মূৰ্খ হৈ পোৱা নাই?

□□□

*(লেখাটি যুগুতাওতে ইণ্টাৰনেট আৰু বিভিন্ন কাকত-আলোচনীৰ সহায় লোৱা হৈছে।)*

# ৰেগিং ঃ এক সামাজিক ব্যাধি

মখলিছ
স্নাত

ৰেগিং - বৰ্তমান সমাজৰ শিক্ষানুষ্ঠানবোৰত শুনিবলৈ পোৱা এক ভয়লগা সমস্যা। যিয়ে কঁপাই তোলে নতুনকৈ শিক্ষানুষ্ঠানত প্ৰৱেশ কৰা ছাত্ৰ-ছাত্ৰীৰ হৃদয়। ৰেগিঙৰ কবলত পৰি বহুতো ছাত্ৰ-ছাত্ৰীয়ে সামৰি ৰাখিবলৈ বাধ্য হয় নিজৰ সোণোৱালী সপোন। দুচকুত বহুতো সপোন আঁকি শিক্ষানুষ্ঠানৰ দুৱাৰ-দলিত খোজ পেলোৱা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে সম্মুখীন হ'বলগীয়া হয় ৰেগিঙৰ। ৰেগিং যদিও মাৰ্জিত আৰু হাস্যৰসেৰে ভৰা এক চিনাকী পৰ্বহে, বৰ্তমান ইয়াৰ স্বৰূপৰ পৰিবৰ্তন হৈছে। বৰ্তমান ৰেগিং মানেই যেন শাৰীৰিক আৰু মানসিক নিৰ্যাতনহে।

স্কুল-কলেজৰ জীৱনটোৱেই হৈছে মানৱ জীৱনৰ ভেঁটিস্বৰূপ। এই ভেঁটি যদি সুনিশ্চিতভাৱে আৰু দৃঢ়তাৰে সজোৱা নহয়, তেনেহ'লে গোটেই জীৱনটোৱেই এক হাহাকাৰত পৰিণত হয়। কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ একমাত্ৰ গুৰুত্বপূৰ্ণ বিষয় হৈছে আত্মশৃঙ্খলা। কিয়নো শৃঙ্খলা অবিহনে কোনো ছাত্ৰ-ছাত্ৰীয়ে কেতিয়াও জীৱনৰ উন্নতি সাধিব নোৱাৰে। কিন্তু আজিৰ নৱ-প্ৰজন্মৰ মাজত বিশৃঙ্খলতা এনেভাৱে বৃদ্ধি পাইছে যে ইয়াৰ পৰিণতিত বৃদ্ধি পাইছে নানা অপৰাধমূলক কাৰ্য। উচ্ছৃঙ্খলতাৰ ধামখুমীয়াত আজিৰ প্ৰজন্মই ভাবিবলৈ আহৰি নাপায় যে ৰেগিঙো এক অপৰাধ।

বৰ্তমান প্ৰজন্মৰ মাজত ৰেগিঙৰ প্ৰৱণতা ইমানেই বৃদ্ধি পাইছে যে ৰেগিঙৰ নামত শিক্ষানুষ্ঠানবোৰত পুৰণি ছাত্ৰ-ছাত্ৰীখিনিয়ে নৱাগত ছাত্ৰ-ছাত্ৰীখিনিক অকথ্য নিৰ্যাতন চলাবলৈও কুণ্ঠাবোধ নকৰে। আনকি কেতিয়াবা পৰিস্থিতি ইমানলৈ আগবাঢ়ি যায় যে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে সেই শাৰীৰিক আৰু মানসিক চাপ সহ্য কৰিব নোৱাৰি উক্ত শিক্ষানুষ্ঠান এৰি আহিবলৈ বাধ্য হয়। আকৌ কেতিয়াবা বাতৰি কাকতত প্ৰকাশ হোৱা দেখা যায় যে ৰেগিঙৰ বাবেই কোনো ছাত্ৰ বা ছাত্ৰী হয় চিৰদিনৰ বাবে ঘূণীয়া হৈছে নহয়তো কোনোৱে মৃত্যুক আঁকোৱালি লৈছে।

ৰেগিঙৰ এই আগ্ৰাসী দখলক যদি বাধা দিয়াৰ প্ৰতি আমি যত্নপৰ নহওঁ তেন্তে ই ভৱিষ্যতলৈ আৰু অধিক জটিল পৰিস্থিতিৰ সৃষ্টি কৰাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। সম্প্ৰতি চৰকাৰে ৰেগিং ৰোধ কৰাৰ বাবে কঠোৰ নিৰ্দেশনা জাৰি কৰিছে আৰু ইয়াক আইনৰ আওঁতালৈও আনিছে। তৎসত্বেও ক'ব লাগিব যে এই ক্ষেত্ৰত আশানুৰূপ সফলতা লাভ কৰিব পৰা নাযাব যদিহে কৰ্তৃপক্ষ, ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকৰ মাজত সজাগতা বৃদ্ধি নহয়। তাৰোপৰি আমি ক'ব লাগিব যে ৰেগিঙৰ দৰে অপৰাধ যি মাথো উঠি অহা প্ৰজন্মৰ মাজতহে প্ৰচলিত তাৰ মূলতেই হৈছে আমাৰ ক্ষয়িষ্ণু মূল্যবোধৰ শিক্ষা। আমি উঠি অহা প্ৰজন্মক প্ৰকৃত মূল্যবোধৰ শিক্ষা দিয়াত ব্যৰ্থ হোৱাৰ পৰিণতিতে আজি এই পৰিস্থিতিৰ উদ্ভৱ হৈছে। গতিকে এই ক্ষেত্ৰত নিজৰ ল'ৰা-ছোৱালীক নৈতিকতাৰ পাঠ দিয়াটোও অভিভাৱকৰ দায়িত্বৰ ভিতৰত পৰে।

ৰেগিঙৰ বাবে যে অকল ছাত্ৰ-ছাত্ৰীখিনিহে ক্ষতিগ্ৰস্ত হৈছে তেনে নহয়, ইয়াৰ ফলত বহুতো পিতৃ-মাতৃৰ বুকুৰ সপোনো ধূলিসাৎ হৈছে। কিন্তু আমাৰ জানো অধিকাৰ

□□□

আছে কাৰোবাৰ সপোন ধূলিসাৎ ক
সমস্যাটোক অকল শিক্ষানুষ্ঠানৰ
বুলি ধৰিলেই নহ'ব, ই এক সামাজি
আনৰ দূৰৱস্থাত ৰং চাই আহ্লাদি
মানসিকতা নৱ-প্ৰজন্মৰ মাজত
পিছলৈ ই বিস্তৃত ৰূপ ধাৰণ ক
পৰ্যায়ত সেই ছাত্ৰ-ছাত্ৰীখিনি
সমাজৰ গুৰি ধৰিব, তেতি
তেওঁলোকক পূৰ্বৰ মানসিকতাই
নকৰিব? তেতিয়া সমাজ এখন
পৰিচালিত হ'ব কিদৰে? সেই
তথাকথিত নাগৰিকখিনিৰ পৰা
আশা কৰিব পাৰিব?

কিন্তু সমাজৰ কোনো
সমাধানবিহীন নহয়। গতিকে ইয়া
বাবে সকলোৱে যত্নপৰ হোৱাটো
নৈতিক কৰ্তব্য। লগতে যিখিনি
ছাত্ৰীয়ে ৰেগিং কৰে, তে
তেওঁলোকৰ মানসিকতাৰ পৰিবৰ্ত
উচিত। ঠিক একেদৰে যিখিনি নতু
ৰেগিঙৰ বলি হয় তেওঁলোকেও
বহি নাথাকি ইয়াৰ বিৰুদ্ধে সজে
সাব্যস্ত কৰিব লাগিব। সজাগতা
লাগিব অভিভাৱক তথা শিক্ষানু
কতৃপক্ষইও। ৰেগিঙৰ দৰে অপ
জড়িত ছাত্ৰ বা ছাত্ৰীক কোনো ক
নকৰি সমুচিত শাস্তি প্ৰদান কৰি
চামে তেনে কাৰ্য কৰাৰ আগে
হ'লেও ভাবিবলৈ বাধ্য হ'ব।
সমাজত উক্ত ধৰণৰ অপৰাধৰ প
তেতিয়াহে এই সমস্যাবোৰৰ বি
নিকা সমাজ গঢ় লৈ উঠিব।





# গল্প গুচ্ছ

*চুটিগল্প বস্তুটো তেনেই সহজ, ই এক স্পষ্ট সাঁচ বহুওৱাৰ যত্ন কৰে, আৰম্ভণিতেই মনোযোগ আকৰ্ষণ কৰি যৱনিকা আহি নপৰালৈকে সেই আকৰ্ষণৰ ধাৰাবাহিকতা ৰক্ষা কৰে। মানুহৰ একেৰাহে একে কথাতে ধ্যান দি থাকিব পৰা সীমাবদ্ধতাৰ কাৰণে ইয়াৰ দৈৰ্ঘ নিৰূপিত হোৱা উচিত; কোনো বিৰতি আহি পৰাৰ আগতেই হঠাৎ আৰম্ভণি ঘটাৰ নিচিনাকৈ চুটি গল্প এটাৰ সামৰণিও পাঠকৰ ক্লান্তি অহাৰ আগতেই আহিব লাগিব।*

*- এইচ জি ৱেলছ*

## গল্প সূচী



শিৰোনামা
ড° লোপা বৰুৱা
শ্ৰদ্ধাঞ্জলি
ভাৰতী মেধি
মানস পুত্ৰ
নীহাৰিকা মালাকাৰ
মানৱতাৰ মৃত্যু
সংঘমিত্ৰা হাটখোৱা
মানৱীয় গুণ ক'ত হেৰাল
চাইদুৰ ৰহমান

# শিৰোনামা

ড° লো

একান্ত নিষ্ঠা, একাগ্ৰতা আৰু সততাৰে সাংবাদিকতা বৃত্তিটোক জীৱনৰ লক্ষ্য হিচাপে গ্ৰহণ কৰিছিল সত্যব্ৰত দস্তিদাৰে। এগৰাকী আদৰ্শ সাংবাদিক হোৱাৰ বাসনাৰে তৃণমূল পৰ্যায়ৰ পৰা নিজকে প্ৰস্তুত কৰি তুলিছিল। কিন্তু ক'ৰবাত যেন কেনা লাগিল। অতি আশাৰে পৰিধান কৰা সাংবাদিকতাৰ পৰিষ্কাৰ সাজযোৰ লাহে লাহে মলিয়ন হ'বলৈ ধৰিলে।



প্ৰয়োজনতকৈ অধিক মানুহ টোপোলা বান্ধি অনা বাছখন হঠাৎ ৰৈ গ'ল। আগত আৰু কেইবাখনো গাড়ী। এইবোৰ অৱশ্যে প্ৰাত্যহিক ঘটনা। গাড়ীয়ে মটৰে অহা যোৱা কৰোতে কেতিয়া ক'ত এনেকৈ ৰৈ থাকিব লাগে তাৰ ঠিক নাই। বাছ যাত্ৰীসকলো অভ্যস্ত হৈ গৈছে। সেয়ে প্ৰায়ভাগেই মনে মনে বহি থাকে। যাবইতো এটা সময়ত এনে ভাবত যাত্ৰীসকলো মনে মনে বহি থাকিল।

অসুবিধা হ'ল সত্যব্ৰত দস্তিদাৰৰ। সাংবাদিক সত্যব্ৰত দস্তিদাৰৰ। আজি ভালেমান দিনৰ মূৰত তেওঁ লাইন বাছত উঠিছে। দিন মানে ভালেমান বছৰ। বিশেষ প্ৰয়োজন নাথাকিলে তেওঁ নিজৰ গাড়ী নোহোৱাকৈ এনেদৰে দূৰণিলৈ নাহে। কিন্তু আজি উপায় নাই। ৰাতিপুৱাই মাকৰ অসুখৰ খবৰ পাই তেওঁ আহিবলৈ বাধ্য হৈছে। গাড়ীখনৰো আকৌ আজিহে বিজুতি ঘটিবলৈ পালে। লৰালৰিকৈ লাইন বাছতে আহিল। লাহে লাহে ভিতৰি অতিষ্ঠ হৈ উঠিল দস্তিদাৰ। কিমান সময় বা ৰ'ব লাগে!

বাছ যাত্ৰীসকলো অতিষ্ঠ হৈ পৰিল। জুলাই মাহৰ ৰাতিপুৱা। তীব্ৰ ৰ'দত এবাছ মানুহৰ মাজত অস্থিৰতা ক্ৰমাৎ বাঢ়ি আহিল।

ঃ কি হ'ল, আজি নাযাবই নেকি? সম্মুখৰ চিটটোত বহি অহা থুলন্তৰ ভদ্ৰলোকজনে সুধিলে। শাৰীৰিক অৱয়ব আৰু পোছাক পৰিচ্ছদৰ পৰা তেওঁক মাৰোৱাৰী যেনেই লাগিল। এবাৰ নিৰীক্ষণ কৰিলে দস্তিদাৰে। নাই, কোনো উত্তৰ নিদি কাষত বহি থকাজনে বিড়ি এটা জ্বলাই আৰামত হোঁপা মাৰিছে। নিৰ্বিকাৰ চিত্তে মুখৰ পৰা উলিয়াই দিয়া ধোঁৱাই পৰিস্থিতিটো অস্বস্তিকৰ কৰি তুলিলে।

ঃ হেৰি, বিড়িটো পেলাই দিয়ক। বাছৰ ভিতৰত বিড়িৰ ধোঁৱা সহ্য কৰিব নোৱাৰি নহয়। তেওঁৰ পিছৰ আসনত বহা ভদ্ৰ মহিলাগৰাকীয়ে যথেষ্ট টান সুৰত আপত্তি কৰি উঠিল। থিয় হৈ যোৱা ডেকা দুজনমানেও মহিলাগৰাকীৰ সপক্ষে তৎপৰ হৈ উঠিল। জ্বলাই লোৱা বিড়িটো বৰ দুখেৰে খিড়িকিৰে দলিয়াই দি বাওহাতৰ তলুৱাৰে মুখখন মচি

যাত্ৰীজন মনে মনে বহি থাকিল। চিগাৰেট এটাৰ প্ৰয়োজন হৈছিল নামি যাবলৈ মন যোৱা নাই। নি যাত্ৰীসকলৰ কাৰ্যকলাপকে লাগিল।

হুৰমুৰকৈ ক'ৰবাৰ প এগৰাকী আহি বাছখনত উঠিল টোপোলাসহ মূৰৰ ওপৰত ধৰণৰ বাঁহৰ পাচি। মূৰৰ চুলি অ উজাগৰী ৰাতিৰ চিন। পিন্ধনত ব্লাউজ আৰু বুকুত মেথনি মৰা ৰঙৰ এখন মেখেলা। অতি দস্তিদাৰে তিৰোতাজনীলৈ লক্ষ্য কৰ্মঠ, আটিল দেহৰ তিৰো সৌষ্ঠৱ ঢাকি ৰখাৰ বাবে পিন্ধি যথেষ্ট হোৱা নাই। অতি কষ্টে পাচিটো মূৰৰ ওপৰত ধৰি তি মাজতে থিয় দিলেহি। হাত মুখ দিয়াত বুকুখন আৰু স্ফীত দস্তিদাৰে চকুহাল নমাই আনি লাগিল তেওঁৰ। এৰা, আজি





ওঁৰ লাজ লাগিছে। সঁচাকৈয়ে লাজ লাগিছে।

আঙুলিৰ মূৰত হিচাব কৰি চালে ওঁ। বাৰ বছৰ। সুদীৰ্ঘ বাৰ বছৰ। এটা যুগ। বছৰ আগতে তেওঁৰ বাবে এনে দৃশ্য ন্তই সহজ আছিল। মনত পৰাৰে পৰা গাঁৱৰ বেশত এনে সাজত বহু মহিলাক দেখিছে। ৰ মাতৃৰ সেই পৰিচিত ৰূপটো তেওঁৰ চকুৰ ত ভাহি উঠিল। বুকুত মেথনি মাৰি মাকে া সাজযোৰ! তেওঁৰ সৈতে পাঁচোটা নক বুকুৰ অমৃত খুৱাই ডাঙৰ কৰা তেওঁৰ ক দেখিতো কোনোদিনে এনেকৈ লাজ নাছিল। তেওঁ নিজেও দহ এঘাৰ লৈকে নাঙঠ হৈয়েই গা ধুই ছিল। ওয়াও লাজ লগা নাছিল। সেই পৰিবেশত ই স্বাভাৱিক আছিল। নাই তেওঁ এৰি অহা বাৰলৈ ঘূৰি চাব নোখোজে। তেওঁৰ য় সলনি হৈছে। তেওঁ এতিয়া এগৰাকী াদিক। এগৰাকী নামজ্বলা সাংবাদিক। কদলৰ আশীষধন্য এগৰাকী বিশিষ্ট দিক। কিন্তু ক'ৰবাত যেন কিবা এটাৰ ৱ হৈছে। ঠিক তিৰোতাজনীৰ বুকুৰ ত লাজ ঢাকিবৰ বাবে প্ৰয়োজন হোৱা এখনৰ দৰে তেওঁৰো কিবা এটাৰ অভাৱ ।

ঃ এই দেখা নাই, মস্ত পাচিটো লৈ থিয় হৈছ? ভৰি থ'বৰে জেগা নাই। া গজগজাই উঠিল। দস্তিদাৰে চকুমুদি 'ল।

ঃ নাই নাই ইয়াত নহ'ব। দেখা নাই, ৱা আছে। চেপেটা লাগি মৰিব। ফালে নোযোৱা কিয়? কোলাত কেঁচুৱা কা মহিলাগৰাকীয়ে প্ৰায় আৰ্তনাদ ই উঠিল।

ঃ নক'ব বুজিছেনে এই লাইনটো ৱাই। একেবাৰে পাণ জপাদি মানুহ লৈ নাপালে গাড়ীবোৰ লৰিবই জে। ভৰি এটা দিবলৈ ঠাই নহ'লেও ৱ, এইফালে আহক, জেগা চন পৰি একেবাৰে ফুটবল খেলিব পৰা হৈ আছে। ইফালে চেঙেলীয়া ল'ৰাবোৰে গুৰু-গোঁসাই নমনা গতিত গাড়ী চলাব, গাড়ী নহয় যেন এৰ'প্লেনহে। যোৱা বছৰটোত কেইটা এক্সিডেণ্ট হ'ল মন কৰিছেনে? আৰু কিমান ৰজাবাৰীৰ পুনৰাবৃত্তি হয় কোনে ক'ব। সিদিনাখন শুৱালকুছিৰ ওচৰত জানো সেইটো কম ডাঙৰ এক্সিডেণ্ট হ'ল? দৈনিক এনে ঘটনা ঘটিয়েই আছে।

ঃ কেৱল ল'ৰামখাক দোষ দিলে হ'ব কি? এই ভেহিকেল ইন্সপেক্টৰ বিলাকো জানো কম। টকা খাই লাইচেন্স একোখন দিয়াৰ বাবেহে এনে অতপালি বাঢ়ি গৈছে। ইফালে বাট পথৰ অৱস্থা নাচায় কিয়। বাৰিষাৰ কথা বাদেই, খৰালি মাহতো আঁচলৰ গাঁঠিত জীৱটো বান্ধি লৈ অহা যোৱা কৰিব লাগে। চৰকাৰৰো কাণসাৰ নাই। টেলিভিচন, ৰেডিঅ', বাতৰি কাকত সকলো একে গুৰুৰ ঘৰৰ দাস। কোনেও সঁচাটো ক'ব নোখোজে। কেৱল চৰকাৰী হিচাপটো জাহিৰ কৰিয়েই চকু মুদি বহি থাকে। কিছুদিনৰ আগতে চৰাবৰীত হোৱা দুৰ্ঘটনাটোলৈকে নাচায় কিয়? কিমান মানুহ মৰিল, কিমান মেটেকাৰ তলত পোত গ'ল। গোটেই নিশা গাড়ীৰে ডেড বডি কঢ়িয়ালে; কিন্তু চৰকাৰী হিচাপত ওলাল কিমান? ক'ৰবাত বোমা বিস্ফোৰণ হ'লে সৰহসংখ্যক সাংবাদিকে দূৰৰ পৰাই খবৰ সংগ্ৰহ কৰি বাতৰিকাকতত গা শিঁয়ৰি যোৱাকৈ শিৰোনামাৰে চাঞ্চল্যকৰ বাতৰি পৰিবেশন কৰিব। ঘটনাস্থলীত পৰি থকা জোতা-চেণ্ডেলৰ হিচাব অনুসৰিহে মৃত লোকৰ হিচাব উলিওৱাৰ দৰে কাৰ্যও আচৰিত নহয়। সকলো চৰকাৰৰ দালাল বুজিছে। এই বাতৰি যোগনিয়াৰ দলটোৰ মাজতো সৎ নিষ্ঠাবান মানুহ অতি কমেইহে আছে। বাছখনৰ ভিতৰত যাত্ৰীসকলৰ কথোপকথন লাহে লাহে উত্তপ্ত হৈ আহিল। দস্তিদাৰৰ বৰ অস্বস্তি লাগিল। তেওঁ বহা আসনৰ পৰা উঠি যাবলৈ সংকোচ বোধ কৰিলে। তেওঁৰ ভাব হ'ল, সাংবাদিক বুলি ভাবি কোনোবাই যেন তেওঁলৈকে পোনাই কেটেপাত বাটলু গুটি জুৰিছে! ইফালে সিফালে অতি সন্তৰ্পনে লক্ষ্য কৰিলে। নাই, কোনো চিনাকী মুখ চকুত নপৰিল। স্বস্তিৰ উশাহ এটা লৈ চকু দুটা মুদি দিলে।

এৰা, আজিৰ পৰা বাৰ বছৰৰ আগৰ সেই সত্যব্ৰত দস্তিদাৰ নামৰ মানুহজনৰ আচল পৰিচয়টো সঁচাকৈয়ে ক'ৰবাত হেৰাল। আবৰ্জনা আঁতৰাই কুৰুকি তেওঁ হেৰোৱা পৰিচয়ৰ সন্ধানত বুকুৰ ভিতৰলৈ সোমাই গ'ল। জাবৰৰ দ'মৰ মাজত খুচৰি থাকোতে হঠাৎ চকুত পৰা আধলি এটাই শিশুৰ মন অধীৰ কৰি তোলাৰ দৰে এক অধীৰতাই তেওঁক চঞ্চল কৰি তুলিলে। হেৰোৱা পৰিচয়টো হঠাৎ খামুচি ধৰিবলৈ প্ৰবল ইচ্ছা জাগিল।

একান্ত নিষ্ঠা, একাগ্ৰতা আৰু সততাৰে সাংবাদিকতা বৃত্তিটোক জীৱনৰ লক্ষ্য হিচাপে গ্ৰহণ কৰিছিল সত্যব্ৰত দস্তিদাৰে। এগৰাকী আদৰ্শ সাংবাদিক হোৱাৰ বাসনাৰে তৃণমূল পৰ্যায়ৰ পৰা নিজকে প্ৰস্তুত কৰি তুলিছিল। কিন্তু ক'ৰবাত যেন কেনা লাগিল। অতি আশাৰে পৰিধান কৰা সাংবাদিকতাৰ পৰিষ্কাৰ সাজযোৰ লাহে লাহে মলিয়ন হ'বলৈ ধৰিলে। চৰকাৰী শেন চকু আৰু উৰ্দ্ধতম মহলৰ হেঁচাত নাম কিনাৰ পথাৰত দৌৰোতে কাপোৰ যোৰত বোকা মাটিৰ দাগ লগাত প্ৰথমে লাজ লাগিছিল। অত্যাধিক আইৰণযুক্ত টিউবেলৰ পানীত ধোৱা কাপোৰ লাহে লাহে হালধীয়া বৰণ ধৰাৰ দৰে তেওঁৰ সাজযোৰতো ক্ৰমাত পৰিষ্কাৰ কৰিব নোৱাৰাকৈ ৰং ধৰিলে।

লাহে লাহে লাজ নলগা হ'লগৈ। চৰকাৰী বায়ুৰ অনুকুলে কেৱল মাজে মাজে পিঠিৰ চীল-মোহৰটো সলাই ল'ব পাৰিলেই কোনো চিন্তা নাথাকে। দস্তিদাৰেও নিজে ক'ব নোৱাৰাকৈ কোনোবা টলকত এই সহজ পথটোৰে আগবাঢ়ি গৈ বহুদূৰ পালেগৈ। নাই, এতিয়া লাজ কৰি লাভ নাই। এতিয়া এয়াই সহজ, এয়াই স্বাভাৱিক। নিজকে পতিয়ন নিয়াবলৈ চেষ্টা কৰিলে দস্তিদাৰে।

ইতিমধ্যে বাছখনৰ ভিতৰৰ বতাহ গৰম হৈ উঠিছে। যাত্ৰীসকলৰ কথাৰ সুৰো

তদনুৰূপ হৈছে। কোনোবা এজনে গৰম সুৰত কৈছে ঃ থৈ দিয়কহে চৰকাৰৰ কথা। কোনো চৰকাৰে আমাক একো কৰি নিদিয়ে। কংগ্ৰেছ বোলে কংগ্ৰেছহে; আহিল জনতা, উটি গ'ল। এইবাৰ হাতীৰ পিঠিত উঠি যোৱা ল'ৰা ৰজাৰ হাতীৰ পালটো বনৰীয়া হৈ ঘৰবাৰী ভাঙি গোটেইখন লৰ্বাংলাখুটি কৰি ফুৰিছে। পিচে অহাবাৰ সেইটো নেচেল। আহক নহয় নিৰ্বাচন; আমাৰ গাঁৱৰ ভিতৰত ভোট বিচাৰি সোমালে ৰাইজে পহুখেদা দিব। মানুহজনৰ কণ্ঠত যথেষ্ট উষ্মা। দস্তিদাৰে কেৰাহিকৈ চালে, কোনো বিশেষত্ব নথকা এজন সাধাৰণ মানুহ। এৰা, আজি কিছুদিনৰ পৰা তেওঁৰ মনতো এক ভয়ানক অনুশোচনাই বাহ লৈছে। এই যে প্ৰত্যহ প্ৰচাৰ মাধ্যমসমূহে হত্যা, হিংসা, লুণ্ঠন, ধৰ্ষণৰ বাতৰি পৰিবেশন কৰি আছে ইয়াৰ শেষ কেতিয়াবা হ'বনে? উত্তৰবিহীন এটা প্ৰশ্ন।

ঃ হেৰা চেকাৰ ভাইটি, আৰু কিমান দেৰি কৰিবা? আজি কলেজৰ ক্লাছ নাপামগৈ। আগৰ গাড়ীখনতে যোৱা ভাল আছিল। মহিলা যাত্ৰীগৰাকীৰ কণ্ঠত অভিযোগ। হয়তো দৈনিক অহা যোৱা কৰা কোনোবা মহাবিদ্যালয়ৰ অধ্যাপিকা!

ঃ অলপ ধৈৰ্য্য ধৰক বাইদেউ। একেলগে বহুত গাড়ী 'জাম' লাগিছে। যোৱাকালি অলপ আগত থানাৰ কাষৰ বজাৰখনত বোমা ফুটিছে নহয়। গোটেইবোৰ গাড়ী চেকিং কৰিহে যাবলৈ দিব। একে উশাহতে চেকাৰজনে কথাখিনি কৈ নিজৰ কামত তৎপৰ হৈ পৰিল। আদেশৰ সুৰত থিয় হৈ যোৱা পুৰুষ যাত্ৰীসকলক নামি যাবলৈ ক'লে। যাত্ৰীসকলেও যেন তেতিয়াহে সম্বিৎ ঘূৰাই পালে। বাছখনৰ ভিতৰত যেন এটা প্ৰচণ্ড ভূমিকম্পহে হ'ল। অলপ আগলৈকে গৰমত গেলেপা লগা মানুহজাক হঠাৎ যেন জাৰত ঠেৰেঙা দিলে। ৰাতিৰ আন্ধাৰত নিৰ্ভয় মনে কাগজ কুটি থকা কঠালগুটীয়াটোৰ চকুত হঠাৎ টৰ্চৰ পোহৰ পৰিলে নিতাল মৰাৰ দৰে এবাছ মানুহ নিতাল মাৰিলে।

গাড়ীৰ কণ্ডাক্টৰ, হেণ্ডিমেনৰ সহযোগত দুটা মিলিটাৰীয়ে এফালৰ পৰা বয়বস্তুবোৰ খুলি পৰীক্ষা কৰি গ'ল। একান্ত বাধ্য হৈ সকলোৱে নিজৰ বয়বস্তুবোৰ উলিয়াই দিলে।

ঃ চাওঁ এইটো, এইটো কাৰ? মিলিটাৰীয়ে বন্দুকৰ নলীৰে খুন্দিয়াই থকা লেতেৰা থৈলাৰ মোনাখনৰ মালিক বিচাৰি কণ্ডাক্টৰজনে ডাঙৰকৈ চিঞৰিলে। মোনাখনত আটাইৰে চকু নিবদ্ধ হ'ল, কিজানি তাতেই বোমা এটা সোমাই আছে।

> এই ভেহিকেল ইন্সপেক্টৰ বিলাকো জানো কম। টকা খাই লাইচেন্স একোখন দিয়াৰ বাবেহে এনে অতপালি বাঢ়ি গৈছে। ইফালে বাট পথৰ অৱস্থা নাচায় কিয়। বাৰিষাৰ কথা বাদেই, খৰালি মাহতো আঁচলৰ গাঁঠিত জীৱটো বান্ধি লৈ অহা যোৱা কৰিব লাগে। চৰকাৰৰো কাণসাৰ নাই। টেলিভিচন, ৰেডিঅ', বাতৰি কাকত সকলো একে গুৰুৰ ঘৰৰ দাস। কোনেও সঁচাটো ক'ব নোখোজে। কেৱল চৰকাৰী হিচাপটো জাহিৰ কৰিয়েই চকু মুদি বহি থাকে।

ঃ সেইটো মোৰ মোনা। অলপ আঁতৰত বহি থকা পৰিষ্কাৰ পৰিপাটি সাজ পৰিহিত ডেকাজনে অলপ লাজ লাজকৈ ক'লে। লাহে লাহে মোনাটো টানি আনি খুলি দিলে। এটা প্ৰকাণ্ড কঁঠাল। হাঁহিব খুজিলেও কাৰো মুখত হাঁহি নোলাল। পুনৰ মোনাটো চিটৰ তললৈ ঠেলি সুমুৱাই দিলে ডেকাজনে।

দস্তিদাৰেও ব্ৰিফকেছটো খুলি দিবলগীয়া হ'ল। ভিতৰত থকা কাগজপত্ৰ, দৰৱৰ বটল আৰু কেমেৰাটো লিৰিকি বিদাৰি চাই মিলিটাৰী দুটা আঁতৰি গ'ল। কিছু বিৰক্তিৰে বস্তুবোৰ যথাস্থানত থৈ ব্ৰিফকেছটো বন্ধ কৰি তেওঁ নিশ্চুপ হৈ বহি থাকিল।

নাই, ক'তো সন্দেহজনক একো নাই।

গাড়ীৰ 'টুল বক্স' পৰ্যন্ত পৰীক্ষা ক...
ওপৰত তুলি নিয়া দুটা ডাঙৰ ...
বস্তা তললৈ নমাই আনি নেফানেফ...
নাই, একো নাই। কুকুৰে কামোৰা...
নম্বৰ বেজীটো লৈ আশ্বস্ত ...
যাত্ৰীসকল কিছু আশ্বস্ত হ'ল। ...
এতিয়া অন্ততঃ বোমাৰ ভয় ...
গন্তব্যস্থল পাবগৈ।

ঃ চাওঁ এইটো কাৰ? ...
ইয়াত? খোল বুলিছো নহয়, ...
ওলোৱা হুঁটা মাতত ইতিমধ্যে মা...
মনে মনে টোপনি যাবলৈ ধৰা ...
চেৰেউ চেৰেউকৈ কান্দি কান্দি ব...
এবাছ মানুহৰ কৌতুহলী চকু ...
পৰিলগৈ বাছখনৰ একেবাৰে ...
তলত থকা পাচি এটাত। দস্তিদা...
থিয় হৈ শেষৰ ফালে দৃষ্টি দিলে ...
আগতে আহি গাড়ীত উঠা সেই ...
দুয়োহাতেৰে পাচিটো হেঁচি ধৰি ...
মিলিটাৰীটোৱে বন্দুকৰ নলীটোৰে ...
আছে। লগে লগে কণ্ডাক্টৰ ল'ৰা...
ধমক দি আছে।

ঃ খোল বুলিছো নহয়, ...
ঃ বাবু, এইটো নুখুলিব ...
চোমা একো নাই দে। তিৰোতা...
গভীৰ অনুনয়ৰ সুৰ।

বোমা? শব্দটোৱে ...
খিৰিকিত যেন খুন্দিয়াই থৈ গ'ল ...
বুকুবোৰ আকৌ এবাৰ আতং...
উঠিল। বতাহবোৰ আকৌ গৰ...
তাহানিৰ সাধুকথাৰ বেল সৰা ...
শহাপহুৰ দৰে নিজে ক'ব ...
যাত্ৰীসকল বাছৰ পৰা নামি গৈ ...
ৰ'ল গৈ। দস্তিদাৰৰো এইবা...
আহিল। এৰা, মাইকী মানুহ ...
একো বিশ্বাস নাই।

আজি কিছুদিনৰ ...
চকুৰ সম্মুখতে এনেকুৱা যাত্ৰী...
ঘটনা এটা তেওঁৰ মনত ...





...ৰ পৰা হঠাৎ দুজন আৰ্মি আহি ৰীতা
...ৰী নামৰ ছোৱালীজনীক চোঁচোৰাই
... নিছিল। ছোৱালীজনীৰ ভেনিটি বেগৰ
...ত তেওঁ নিজ চকুৰে আগ্নেয়াস্ত্ৰ প্ৰত্যক্ষ
...হল। হ'ব পাৰে, এতিয়াও বাছখনৰ
...ত যি কোনো মুহূৰ্ততে বোমা এটা
...ৰিত হ'ব পাৰে। শেষ সিদ্ধান্ত লৈ এটা
... দস্তিদাৰো বাছখনৰ পৰা নামি গৈ
...দ দূৰত্বত থিয় দিলেগৈ।

ইতিমধ্যে আৰ্মিৰ জোৱান এজনে
...হ কৰি পাচিটো দাঙি নি ৰাস্তাৰ কাষত
...গৈ। বাছখনৰ ভিতৰত সেই বিশেষ
...তাজনী আৰু দুৱাৰ মুখত পহৰাৰত
...ৰ জোৱান এজনৰ বাহিৰে কোনো
...কিলগৈ।

কেৰাচিন তেল মাটিত পৰিলে
...ণাত বিয়পি যোৱাৰ দৰে কথাটো
...াত চাৰিওফালে বিয়পি পৰিল। আগে
...থকা গাড়ীৰ যাত্ৰীসকলো ভয়ত বিতত
...হৈৰলৈ ওলাই আহিল।

কোনোবাই ক'লে, বোমাটো প্ৰায়
...কলো ওজনৰ। কোনোবাই ক'লে, নহয়,
...পাঁচ কিলো ওজনৰ। খেন বোমা।
...না মুহূৰ্ততে ফুটিব পাৰে। কোনোবাই
...ৰৰ আঁৰত লুকাই থকা বোমাটোত সংলগ্ন
...গ ঘড়ীটো দেখাই পালে। ওচৰৰ থানাৰ
...হা আৰক্ষী কেইজন তৎপৰ হৈ পৰিল।
...ঠাইৰ পৰা এশ গজ এলেকা জনশূন্য কৰি
...। মুঠতে চৰম উত্তেজনাপূৰ্ণ সময়ৰ বাবে

সকলো সন্তম হৈ পৰিল।

দুজনমান সাহসী ডেকাই কাষৰ মানুহ ঘৰৰ পৰা দহ হাতমান দীঘল বাঁহৰ টুকুৰা জোৰা দি পাচিটো কাষৰ গড়খাৱৈত পেলাই দিবলৈ উদ্যত হ'ল। কাৰো যেন এতিয়া উশাহ সলাবলৈ সময় নাই।

ঃ ধৰ ধৰ....., পলাল পলাল.....,

প্ৰেক্ষাগৃহৰ আঁৰ কাপোৰ দাং খোৱাৰ চৰম মুহূৰ্তটোত ক'ৰবাত যেন জুই লাগিল। মাতটো অনুসৰণ কৰি সকলোৱে অবাক হৈ চাই ৰ'ল। গাড়ীৰ ভিতৰত থকা তিৰোতাজনী তীব্ৰ গতিৰে দৌৰিছে। পিছে পিছে আৰক্ষীৰ লোক দুজন। সকলোকে অবাক কৰি তিৰোতাজনী পাচিটোৰ কাষত থিয় হৈ গাৰ সমস্ত শক্তিৰে বাঁহডাল থাপ মাৰি ধৰি দলিয়াই দিলে। স্থিৰ হাতেৰে পাচিটোৰ পৰা নমাই আনি টোপোলাটোৰ গাঁঠিকেইটা খুলি দি কাপোৰখন বুকুৰ ওপৰত মেৰিয়াই ল'লে।

এক অবৰ্ণনীয়, অকল্পনীয়, মৰ্মান্তিক দৃশ্য। এখন হাতসহ বিকৃত মুখেৰে এটা কিশোৰৰ খণ্ডিত মৃতদেহ!!

নৰাধমহঁত এয়া চা, বোমাটো ওৰেৰাতি মোৰ বুকুত বান্ধি লৈ ফুৰিছো। কালি বজাৰত বোমা ফুটাই মোৰ ল'ৰাটো মাৰিলিহঁক। ৰাতিটো পুলিচ থানাৰ বাৰাণ্ডাত খপি খপি মৰাশটো আঁচলেৰে বান্ধি আনিছো। মই শাকপাচলি বেচি ভাতখোৱা মানুহ। তহঁতে গাৰ মঙহ বেচি খাইছ। চালা নৰখাদকৰ জাত। শেষৰফালে তিৰোতাজনীৰ মাতটো বিকৃত হৈ এটা উচুপনিত পৰিণত হ'লগৈ।

সকলো স্তব্ধ হৈ গ'ল। ৰৈ ৰৈ কেৱল ভাহি আহিল সেই তিৰোতাজনীৰ উচুপনিৰ শব্দ। সত্যব্ৰত দস্তিদাৰৰ হাতখনে বাকচৰ ভিতৰত থকা কেমেৰাটো খামুচি ধৰিলে। মুহূৰ্তৰ ভিতৰতে তেওঁৰ ভিতৰত থকা তাহানিৰ পৰিষ্কাৰ মানুহটো ওলাই আহিল। কেমেৰাত ধৰি ৰাখিলে সেই জীৱন্ত ছবিখন। তেওঁৰ ভাব হ'ল - পাচিটোৰ ভিতৰত থকা সেই মৃতদেহটোৰ ছবিখন যেন পৃথিৱীৰ গোলকটোৰ ভিতৰত থকা ভাৰতবৰ্ষৰ মানচিত্ৰখনৰ পৰা ক্ৰমাৎ ছিগি পৰিব খোজা অসম ৰাজ্যখন। মৃতদেহটো যেন লাহে লাহে উৰঁলি গৈছে। তাৰ পৰা উৎকট গোন্ধ ওলাইছে। সেই গোন্ধ ক্ৰমাৎ বিয়পি পৰিছে কাশ্মীৰ, ইথিওপিয়া, চুডান, কালাহাণ্ডি নতুবা গাইসালৰ ৰেলৰ আলিৰ বুকুলৈ। সেই গোন্ধৰ পৰা পৰিত্ৰাণ পাবলৈ যেন তেওঁ প্ৰাণটাকি দৌৰিছে। পিচে পিচে দৌৰিছে সেই তিৰোতাজনীৰ চকুহাল। ক'তো উশাহ সলাব পৰা নাই। সেই ছবিখনৰ শিৰোনামা এটা বিচাৰিবলৈ আপ্ৰাণ চেষ্টা কৰিলে সত্যব্ৰত দস্তিদাৰে।

পুনিৰে ভৰি থকা পুখুৰী এটালৈ প্ৰকাণ্ড চপৰা এটা মাৰি দিয়াৰ পিছত আঁতৰি যোৱা পুনিবোৰ আকৌ লাহে লাহে আগৰ ঠাইলৈ চাপি অহাৰ দৰে মৃতদেহটোৰ স'তে তিৰোতাজনীক আগুৰি মানুহবোৰে আকৌ জুম বান্ধিলে।

❑❑❑

## কৌতুক

*সংগ্ৰাহক ঃ দিগন্ত ডেকা*
*উঃ মাঃ ২য় বৰ্ষ (কলা)*

শিক্ষক ঃ তোমালোকৰ কিবা সুধিবলৈ আছে যদি সোধা।
চুমি ঃ I don't know মানে কি ছাৰ?
শিক্ষক ঃ মই নাজানো।
চুমি ঃ তেনেহ'লে কাক সুধিম ছাৰ?

☹ ☹ ☹ ☹

শিক্ষক ঃ কোৱাচোন মদন, তোমাৰ হাতত দুটা মিঠাই আছে। তাৰে এটা যদি হৰিয়ে নিয়ে তেন্তে তোমাৰ হাতত কেইটা মিঠাই থাকিব?
মদন ঃ হৰিক প্ৰথমতে নি চাবলৈ দিয়কচোন, একে চৰত গাল ৰঙা কৰি দিম।

# শ্ৰদ্ধাঞ্জলি

উস্, কিবাকৈ গল্পটোৰ পাণ্ডুলিপিটো বনোৱা হ'ল। মনৰ ভিতৰৰ পৰাই এটা স্বস্তিৰ নিশ্বাস ওলাই আহিল। ৰাতিপুৱা চাৰি বজাৰ পৰা সকলো কাম বাদ দি এইমাত্ৰ কামটো সম্পন্ন কৰিলো। ঘড়ীটোলৈ চালো - ছয় বাজিলেই। ইফালে ভাত ৰান্ধিবলৈও আছে, এওঁ আকৌ অফিচলৈ যাব দহ বজাত। উস্, বিয়াৰ পিছৰ পৰা জীৱনটো ইমান যান্ত্ৰিক হৈ পৰিছে! ল'ৰা-ছোৱালী, শাহু-শহুৰ, আলহী-অতিথি মুঠতে আহৰি নাই। ব্ৰজেনক কথা দিয়াৰ বাবেহে কামটো হ'ল। ব্ৰজেন হ'ল মই কাম কৰা স্কুলখনৰ আলোচনী সম্পাদক। ল'ৰাজন খুবেই ভাল, পিছে মনপুতি পঢ়াশুনা নকৰে। নহ'লে তাৰ প্ৰতিভা হিচাপে খুব ভাল ৰিজাল্ট কৰিলেহেতেন!

কথাবোৰ ভাবি থাকোতে গে'টখনত টং টং শব্দ কৰি হকাৰটোৱে বাতৰি কাকতখন দি গ'ল। চাহ কাপ হাতত লৈ বাতৰি কাকত হাতত ল'লো। প্ৰথম পৃষ্ঠাটোত ওপৰে ওপৰে চকু ফুৰালো। সেই একেই হিংসাত্মক খবৰবোৰ - ক'ৰবাত বোমা ফুটিল, বোৱাৰীৰ ৰহস্যজনক আত্মহত্যা ইত্যাদি। দ্বিতীয় পৃষ্ঠালৈ পাত লুটিয়াওতে হঠাৎ চকুত পৰিল -

শ্ৰদ্ধাঞ্জলি



মালতী দাস

যোৱা ১৬ জুলাই সোমবাৰে আমাৰ পৰম আৰাধ্যা মাতৃ (শাহু আই) মালতী দাস পৰলোকগামী হয়। মৃত্যুৰ সময়ত.......। তেখেতৰ আজি আদ্যশ্ৰাদ্ধৰ দিনা আমি অশ্ৰুসিক্ত নয়নেৰে ভগবানৰ ওচৰত তেওঁৰ ........কামনা কৰিলো।

সৰু বোৱাৰী

...................

খঙে চুলিৰ আগ পালেগৈ। বাতৰি কাকতখন টেবিলত থেকেচা মাৰি থৈ দিলো। শ্ৰদ্ধাঞ্জলি? বাতৰি কাকতত এখন ফটো আৰু কেইশাৰীমান গতানুগতিক বাক্য! এটি লিখিত সমবেদনা! এয়াই নেকি শ্ৰদ্ধাঞ্জলিৰ অৰ্থ?

মালতী আইতা মোৰ বৰ মৰমৰ। চকুৰাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ যেতিয়া দেউতাৰ চাকৰিটো বদলি হৈছিল, তেতিয়া আমি আইতাক লগ পাইছিলো এগৰাকী প্ৰতিবেশী হিচাপে। আমাৰ ভাৰাঘৰটোৰ সন্মুখৰ প্ৰকাণ্ড ঘৰটোত তেওঁ অকলশৰে থাকিছিল। ক'বলৈ গ'লে আমগুটীয়া গাওঁৰ ভিতৰত আইতাৰ ঘৰখন আছিল এখন সমৃদ্ধিশালী ঘৰ। সময় অতিবাহিত হোৱাৰ লগে লগে তেওঁৰ লগত এক নিবিড় সম্পৰ্ক স্থাপন হৈছিল আমাৰ ঘৰখনৰ। আইতাক প্ৰথমতে এৰাই চলিবলৈয়ে চেষ্টা কৰিছিলো। ভয় কৰিছিলো তেওঁৰ আদেশসূচক কথাবোৰ। এদিনৰ কথা - মাৰ অনুপস্থিতিত আইতাই এটা গোলাপজলৰ বটল হাতত লৈ আহি কৈছিল, " মোৰ চকুত গোলাপজল কেইটোপাল ভালকৈ দিয়াচোন। মোৰ এনেহেন লাগিছিল যেন মোক কোনোবাই এটা প্ৰকাণ্ড শিলহে দাঙিব দিছিল। ভয়ে ভয়ে দুই টোপালকৈ চাৰি টোপাল গোলাপজল আইতাৰ চকুদুটাত সানি দিছিলো। তেখেতে অলপপৰ চকুদুটা মুদি ৰাখি কৈছিল, "গোলাপজল আজিহে ভালকৈ চকুত পৰিছে। মই নিজেই দিওঁ যে, নপৰেই। আজিৰ পৰা তুমিয়েই দিবা দিয়া।"

ক'ব নোৱাৰাকৈয়ে এটা [...] উঠিছিল মোৰ ওঁঠত। সেয়াই আ[...] বন্ধুত্বৰ পাতনি। লাহে লাহে অনু[...] তেওঁৰ অন্তৰৰ গভীৰ মৰমবোৰ [...] ঘৰটো ময়ে আইতাক চাফ-চিকুণ ক[...] ভাবিছিলো, এনেহেন মৰমিয়াল [...] কেনেকৈ পুতেক বোৱাৰী[...] অকলশৰীয়া কৰিছিল?

দুটা ল'ৰা আৰু তিনিজনী [...] পৰিয়ালৰ [...] সৈতে আইতাৰ সাতজনীয়া। পেটমোচা পুতেক [...] আছিল। পৰাই পঢ়া-শুনাত চোকা আছিল [...] কম বয়সতে চহৰৰে কলেজখন[...] বিজ্ঞান বিভাগৰ প্ৰৱক্তাৰূপে নি[...] ডাঙৰ পুতেক নিৰঞ্জনে সৰু [...] বিয়াৰ আগতেই পৃথককৈ থাকি[...] সেয়েহে নুমলীয়া পুতেক আছিল [...] আমঁঠু। আনকেইটা সন্তানৰ প্ৰতিও [...] কোনোধৰণৰ কৃপণালি কৰা না[...] মাকৰ মৰমক নেওচা দি অভিকে [...] নহওঁতেই ফ্লেট ভাড়া কৰি চহৰ[...] লৈছিল। মৰ্মান্তিক আঘাত পায়ো[...] আইতা। মাথো ককাৰ ফটোখনৰ [...] হৈ চকুলো টুকিছিল।

ককা আছিল ওচৰৰে [...] বিদ্যালয়খনৰ প্ৰধান শিক্ষক। আ[...] পাছ কৰাৰ কেইদিনমান পিছতে [...] অকলশৰীয়া কৰি মেলেৰীয়া [...] ইহসংসাৰ এৰিছিল। দুয়ো পু[...] সম্পত্তিবোৰ সমানে দুভাগ কৰা[...] আইতাৰ বাবে গলগ্ৰহ হৈ প[...] টকাকেইটা, যাক অনাৰ দায়িত্ব [...] অভিকক। সি মাহত এবাৰ আহি [...]





[...] কিনি দিয়েই নিজৰ দ্বায়িত্ব পালন [...]ল। পুত্ৰৰ উদাসীনতা, বয়সৰ হেঁচা আৰু [...]ক চাপে আইতাক বহুগুণে দুৰ্বল [...]ল।

মনত পৰে ব'হাগ বিহুৰ সময়ত ভূগোল বি[...]ই শিকাই দিয়া বিহুগীত ফাঁকি -

কালৈ সাঁচিলা, চেলেং চাদৰ লাগিব,
লাগিব বাকচৰ ধন
...............................
অ' চাউল দিম চিৰা দিম
কাগজত বান্ধি দিম
লৈ লাহেকৈ আঁতৰি যাবা।

গাখীৰৰ দৰে বগা, চঞ্চলা চকু আৰু [...]লৈ বৈ পৰা একোচা দীঘল চুলিৰ সৈতে [...] হেনো সেই সময়ৰ এগৰাকী ৰাংঢালী আছিল। " আজিকালিৰ দৰে আমি [...]নচা নাছিলো নহয়। আমি নাচিছিলো [...] পথাৰৰ আঁহতৰ তলত।" - আইতাই [...]।

আইতা অকল যে ৰাংঢালীয়েই [...] তেনে নহয়, তেওঁ [...]ী সাহসী মুক্তি যুঁজাৰুও [...]। স্বাধীনতা যুঁজৰ [...] গাওঁৰ ইমূৰৰ পৰা [...]ল প্ৰতিগৰাকী মহিলাক [...] কৰিছিল একমাত্ৰ [...]ই। এনেকুৱা এগৰাকী [...]ৰ শেষ পৰিণতি আছিল [...]বিদাৰক। দিনক দিনে [...]হ গৈ থকা মাকৰ অৱস্থা [...] অভিকে মাকক নিৰঞ্জনৰ ঘৰত থৈ [...]ল, য'ত আৰম্ভ হৈছিল মালতী আইতাৰ [...]ন্ত্ৰণা। আমি গুৱাহাটীলৈ ঘূৰি অহাৰ [...]মাগে আইতাক দেখা কৰাৰ মানসেৰে [...]ৰ ঘৰত উপস্থিত হৈছিলো। [...]তা, আপোনাৰ কাণৰ থুৰীয়া, গলৰ [...] জোনবিৰিটো ক'ত? - কোনো কথাৰ [...] নেমেলাকৈয়ে কথাযাৰ মোৰ মুখৰ পৰা [...]পৰিছিল।

ঃ আচলতে এই কেইদিন ময়ে যে তেওঁৰ আলপৈচান ধৰি আছো সেয়েহে মোকে দিছে। - হাঁহি এটা মাৰি নিৰঞ্জনৰ খুৰাৰ ঘৈণীয়েকে কৈছিল। কথাষাৰৰ সত্যতা বিচাৰি আইতাৰ চকুলৈ চাইছিলো। তেওঁৰ চকুহালে বুজাই দিছিল তেওঁ কিমান যে নিঃসহায় আছিল। আমাৰ বাবে খুৰীয়ে পানী আনিব যাওঁতে তেওঁ কৈছিল - " ইহঁতৰ পালনত ক'তনো গণ্ডগোলটো কৰিলো গমকে নেপালো। বোৱাৰীহঁতৰ কথা নকওঁৱেই, ল'ৰাকেইটাইতো অন্ততঃ .........!" তেওঁ আৰু একো ক'ব পৰা নাছিল, মাথো কান্দিছিল আৰু কান্দিছিল। এইক্ষেত্ৰত আমিও খুৰীক একো নক'লো। ভাবিলো সিঁহতৰ ঘৰৰ কাম-কাজত মাত মাতিবলৈ আমিনো কোন?

আইতা ঢুকোৱা খবৰটো দেউতাই মোক ফোনত কৈছিল আৰু অভিক খুৰাই মোকো আদ্যশ্ৰাদ্ধলৈ নিমন্ত্ৰণ জনোৱা বুলি কৈছিল। আজি আইতাৰ শ্ৰাদ্ধ আৰু তেওঁক শ্ৰদ্ধাৰে সোঁৱৰাগৰাকী হ'ল সৰু বোৱাৰীয়েক, যিগৰাকী নাৰীয়ে আইতাৰ এটা খবৰকে কৰা নাছিল। অথচ কাকতত কি শ্ৰদ্ধা নিবেদন। এয়াই নেকি শ্ৰদ্ধাৰ অঞ্জলি - শ্ৰদ্ধাঞ্জলি?

*তেখেতে অলপপৰ চকুদুটা মুদি ৰাখি কৈছিল, "গোলাপজল আজিহে ভালকৈ চকুত পৰিছে। মই নিজেই দিওঁ যে, নপৰেই। আজিৰ পৰা তুমিয়েই দিবা দিয়া।"...*

*...ক'ব নোৱাৰাকৈয়ে এটা হাঁহি বিৰিঙি উঠিছিল মোৰ ওঁঠত। সেয়াই আছিল আমাৰ বন্ধুত্বৰ পাতনি।*

ঃ ঐ কাৰ সপোনত নিমগ্ন সখী চিত্ৰলেখা? - গীতাৰ মাতত মই বাস্তৱ জগতলৈ ঘূৰি আহিলো। ঘড়ীটোলৈ চালো সাত বাজি গ'ল। ইচ্ৰাম একো কামেই হোৱা নাই। শাহু-শহুৰ ভ্ৰমণত যোৱা বুলিহে। নহ'লেতো...

ঃ অ' গীতা, আহ আহ। কেতিয়া আহিলিনো? গমেই পোৱা নাই।

ঃ তই যেতিয়া অনিৰুদ্ধৰ সপোনত নিমগ্ন আছিলি, তেতিয়া।

মোৰ নামটো চিত্ৰলেখা বাবেই তাই মোক এনেদৰে জোকায়।

ঃ ঐ এওঁ উঠিলে দিব মছলা, ৰাতি পুৱাই পুৱাই আন নাম লওঁতে। বাৰু বাদ দে সেইবোৰ। মই আচলতে এই মানুহ বোলা জীৱটোৰ চৰিত্ৰবোৰ বিশ্লেষণ কৰি আছিলো।

ঃ তই 'কোই মিল গয়া' চিনেমাখন চালি নেকি?

মই তাইৰ ফালে প্ৰশ্নবোধক দৃষ্টিৰে চোৱাত তাই হাঁহি কৈছিল - নহয় মানে তই যে কিবা 'মানুহ' 'জীৱ' আদি শব্দবোৰ উচ্চাৰণ কৰি আছ সেয়েহে কৈছো। কিন্তু মোৰ পৰা উপযুক্ত সঁহাৰি নাপায় তাই কথাবোৰ গভীৰভাৱে সুধিলে। মই মোৰ চিন্তাৰ বুৰবুৰণিবোৰ তাইৰ আগত দাঙি ধৰিলো। তাই এটা দীঘল হুমুনিয়াহ কাঢ়িলে।

ঃ উপায় নাই বুজিছ। বাৰু বাদ দে সেইবোৰ কথা। মই **পিছে কিয় আহিছো জাননে নাই?** বীণাপেহীৰ **ল'ৰাটো ইঞ্জিনীয়াৰ হ'ল** নহয়। পেহীয়ে **আবেলি একাপ চাহ খাবলৈ নিমন্ত্ৰণ** জনাইছে। **ওলাবি হা। মই যাওঁ এতিয়া।** কথাকেইযাৰ কৈ তাই গ'লগৈ।

আবেলি তাইৰ লগত বীণাপেহীহঁতৰ পৰা পাক এটা মাৰি আহিলো। ওৰেটো বাটে গীতাই দেশৰ আৰু দহৰ বৰ্ণনা দি গ'ল। মোৰ মনত হ'লে হেজাৰটা প্ৰশ্নই খুন্দিয়াই থাকিল। ভাবিলো, বীণাপেহীৰ ল'ৰাটোও অভিকৰ দৰেই হ'বনে! আমিবোৰে মানৱতা হেৰুৱাই পেলাইছো নেকি? আমাৰ সমবেদনাবোৰ জনাবলৈ সহায় লৈছো ম'বাইল ফোন, ফেক্স, টি. ভি., ৰেডিঅ', বাতৰি কাকত আদিৰ। অথচ অন্তৰত নাই কোনো মৰম। নাই কোনো আন্তৰিকতা। মনতে ভগৱানক প্ৰাৰ্থনা জনালো যাতে পৃথিৱীত আৰু দ্বিতীয় অভিক খুৰাৰ জন্ম নহয়। দয়া কৰা প্ৰভু যাতে আমি আটায়ে শ্ৰদ্ধাঞ্জলি শব্দটোৰ অৰ্থ বুজি পাওঁ। প্ৰভু প্লিজ, প্লিজ!

□□□

# মানস-পুত্ৰ

নীহাৰি

তাই চকু মেলি চালে। ওপৰত ফেঁহুজালি দিয়া আকাশ। ধ্ৰুৱ তৰা আৰু শুক্লপক্ষৰ জোনটো এতিয়াও বিদ্যমান। তলত কোমল মাটি আৰু ঘাঁহনিৰ দলিচা। কাষেৰে বৈ আছে অবিৰাম অবিৰতভাবে তেজস্বী ব্ৰহ্মপুত্ৰ। মহাবাহু ব্ৰহ্মপুত্ৰ। তাইৰ মৰমৰ লুইতখন। কিন্তু আজিৰ এই লুইতখনক তাই যেন চিনি নেপায়। তাই প্ৰেমত পৰা লুইত এইখন নহয়। নহয় তাই দেখিলেই হাতযোৰ কৰি প্ৰণাম কৰা ব্ৰহ্মপুত্ৰ এইখন। আজিৰ পৰা দহ বছৰমান আগতে এইখন লুইতৰে প্ৰেমত হাবুডুবু খাইছিল তাই। তেতিয়া তাইৰ কাষত আছিল সাগৰ। সাগৰৰ বাহুত মূৰ থৈ তাই গুণগুণাইছিল 'মহাবাহু ব্ৰহ্মপুত্ৰ মহামিলনৰ তীৰ্থ'। সাগৰেও তাইৰ সৈতে কণ্ঠ মিলাইছিল। সিঁহতে ৰচিছিল নতুন দিনৰ সপোন। গাঁঠিছিল মৰমৰ মুকুতামালা। সন্ধিয়া লুইতৰ বুকুত সূৰ্যাস্ত চাই অভিভূত হৈ কেতিয়া যে সাগৰৰ বুকুৰ মাজলৈ সোমাই গৈছিল, তাই ক'ব নোৱাৰে। লুইতৰ পাৰৰ পৰা উঠি আহোতে সদায়ে দুয়োহাত জোৰ কৰি সেৱা জনাই তাই গাইছিল -

'ব্ৰহ্মপুত্ৰ মহাবাহু শান্তনুকুলনন্দন।
আমোঘা গৰ্ভ সম্ভূত লৌহিত্য পাপং মে হৰ।।'

এই শ্লোকটো তাইক দেউতাকে শিকাইছিল, পোনপ্ৰথমবাৰৰ বাবে শৰাইঘাট দলঙেৰে ব্ৰহ্মপুত্ৰ নদী পাৰ হওঁতে। কিমান বয়স আছিল বাৰু তাইৰ সেই সময়ত। সাত নে আঠ বছৰ মাত্ৰ। সিঁহতৰ গোটেই ঘৰখন পেহীয়েকৰ ল'ৰাৰ বিয়া খাবলৈ গুৱাহাটীলৈ আহিছিল। গুৱাহাটী চোৱা আৰু বিয়া খোৱাৰ আনন্দত তাইৰ মন থৌকি-বাথৌ। শৰাইঘাট দলঙৰ মাজৰ পৰা ব্ৰহ্মপুত্ৰৰ বিশালতা দেখি তাই অবাক হৈ গৈছিল। ইমান ডাঙৰ নদী থাকিব পাৰেনে? সিঁহতৰ ঘৰৰ কাষেৰে বৈ যোৱা বেঁকী নৈখনচোন নিচেই সৰু। সেইদিনাই তাই ব্ৰহ্মপুত্ৰৰ ৰূপত মুগ্ধ হৈছিল। ব্ৰহ্মপুত্ৰৰ ৰূপে সময়ে সময়ে তাইক বিমোহিত কৰিয়েই থাকিল। নৱগ্ৰহৰ ওপৰৰ পৰা দেখা ব্ৰহ্মপুত্ৰ, বাৰিষাৰ, শৰতৰ, শীতকালৰ ব্ৰহ্মপুত্ৰৰ বিভিন্ন ৰূপত তাই মুগ্ধ। তাই প্ৰেমত পৰিল ব্ৰহ্মপুত্ৰৰ।

সেইবাৰ তাই তেজপুৰলৈ গৈছিল। তেতিয়া তাই চৈধ্যটা বসন্তই গৰকা এজনী চঞ্চলা-চপলা হৰিণী। তেজপুৰত থকা দিনকেইটাত মাহীয়েকৰ ছোৱালী অপৰাৰ লগত তাই বহুতবাৰ অগ্নিগড়লৈ গৈছিল। কাৰণ অগ্নিগড়ৰ তলৰ কলিবাৰীতে মাহীয়েকৰ ঘৰ। অগ্নিগড়ৰ ওপৰৰ পৰা ব্ৰহ্মপুত্ৰৰ সৌন্দৰ্য চাই তাই নিজকে পাহৰি পেলাইছিল। কি নৈসৰ্গিক আৰু মনোমুগ্ধকৰ দৃশ্য। চকু কাঢ়ি নিয়া দূৰত ৰিণিকি ৰিণিকি দেখা পোৱা নগাঁওখনে, জাক জাক বগলীৰ নৈৰ ওপৰেৰে ঘৰমুৱা প্ৰত্যাৱৰ্তনে তাইক মোহিত কৰিছিল। সন্ধিয়াৰ ৰঙা অস্তযোৱা বেলিয়ে ৰাঙলী কৰা ব্ৰহ্মপুত্ৰৰ পানীৰ দৰেই ৰঙা পৰি গৈছিল তাইৰ দুয়োখন গাল, যেতিয়া সিঁহতৰ লগত আছিল ঘৰৰ কাষৰে দীপক নামৰ সেই ধুনীয়া ল'ৰাটো। সেইবাৰেই তাই কলিবাৰীৰ বাণ থিয়েটাৰত চাই ছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ বিৰচিত নৃত্য-নাটিকা 'শোণিত কুঁৱৰী'। অতি সুন্দৰ অভিনয় কৰিছিল ঊষা, অনিৰুদ্ধ আৰু চিত্ৰলেখাৰ ভাওত অভিনয় কৰা শিল্পীসকলে। পিচদিনা অগ্নিগড়লৈ গৈ গোটেই সন্ধিয়াটোত তাই নিজকে সজাই চাইছিল ঊষা আৰু চিত্ৰলেখাৰ ৰূপত। কোন আছিল বাৰু তাই, ঊষা নে চিত্ৰলেখা? এই দীপকেই অনিৰুদ্ধ আছিল নেকি বাৰু?
চকুত চকু থৈ নিজকে বিচা
চিত্ৰলেখায়ো বাৰু অনিৰুদ্ধৰ
নেকি?

ব্ৰহ্মপুত্ৰৰ বুকুলৈ নামি
আঁজলিৰে পানী আনি লাহেকৈ
ব্ৰহ্মা পুত্ৰক, মনে মনে বি
'লৌহিত্য..........পাপং মে হৰ
হে ব্ৰহ্মপুত্ৰ মই তোমাৰ প্ৰেম

সেই ৰাতিয়েই অপ
সিঁহতক ব্ৰহ্মপুত্ৰৰ জন্ম কা
দীপক, অপৰা আৰু তাই, জো
বহি শুনিছিল লুইতৰ জন্মক
শান্তনুৰে পত্নী আমোঘাৰ সৈ
আশ্ৰম পাতি পুণ্য তীৰ্থ গঢ়ি তুলি
আমোঘাই ব্ৰহ্মাৰ ঔৰসত লা
তেজোদ্দীপ্ত, বীৰ্যবান কিন্তু জ
শান্তনু মুনিয়ে চাৰি পৰ্বতেৰে
খণ্ডিত জলময় সন্তানক ৰক্ষণাবে
উত্তৰে কৈলাশ আৰু দক্ষিণে গ
নামহে আইতাকে সিঁহতক ক'ব
দুটা পৰ্বতৰ নাম তেওঁৰ বিস্মৃতি
হেৰাই গৈছিল। মাতৃ হত্যাক
মহাপাপ মোচনৰ কাৰণে হস্তৰ
সৰোবৰৰ পাৰ কাটি সেই পানী
পাপমুক্ত হৈছিল। তেতিয়া
পানীভাগ অসমৰ মাজেৰে বৈ
উদ্দেশ্যি। ব্ৰহ্মাৰ ঔৰসজাত হ'
নাম ব্ৰহ্মপুত্ৰ বুলি জনাজাত হ
লুইত, লৌহিত্য। আইতাকৰ মু
তাই ব্ৰহ্মপুত্ৰখনক যেন নতুন
বহুত গুপুত কথা জানিলে। পি
বালিত বালিঘৰ সাজি গোট





ই দিলে নদীখনৰ সান্নিধ্যত। ঘৰটো বৰ
ৰকৈ সাজিছিল তাই। ঝাওঁবনৰ আগবোৰ
ঙ আনি ঘৰটোৰ আগফালে ফুলনিবাৰী
ঠছিল। কঁহুৱাৰ ঠাৰিৰে জেওৰা দিছিল।
টোৰ পিছফালে হাতেৰে বালি খান্দি এটা
ৰী কৰিছিল। নিগৰি নিগৰি পানী আহি
ৰীটো পানীৰে ভৰি পৰা দেখি তাই বৰ
ৰিত হৈছিল। অপৰা আৰু আন ল'ৰা-
লীবোৰৰ লগত একাঁঠু পানীত নামি মাছৰ
া ধৰি আনি তাই পুখুৰীটোত এৰি দিছিল।
ওপৰত তাই এখন আদৰ্শ ঘৰ সাজি
ছিল। বোধহয় তাইৰ নাৰীসত্ত্বাৰ মূৰ্ত প্ৰকাশ
ল সেই ঘৰটো। ঘৰটোলৈ চাই তাই
ছিল - দীপক আৰু তাই এনেকুৱা এখন
থাকিয়েই এখন সুখৰ সংসাৰৰ পাতনি
ৰ। অপৰাই পিঠিত ঢকা এটা মাৰি তাইক
লৈ আনি কৈছিল, "ঘৰলৈ নাযাৱ নেকি?
হ'ব এতিয়া। ব'ল, কালিলৈ আকৌ
ম।" অনিচ্ছাসত্বেও উঠি আহিছিল তাই।
অহাই যেন তাইৰ কাৰণে কাল হ'ল।
না আবেলি পৰত অপৰাৰ লগত নদীৰ
ল গৈ তাইৰ বুকুখন ভাগি গ'ল। মন ভাঙি
খত। কি হ'ল তাই পতা ঘৰখন? পানী,
ফালে কেৱল পানী। তাই ঘৰসজা
থনিৰ কোনো চিনমোকাম নাই। পানীত
যোৱা মেটেকাবোৰ চাই থাকিল যদিও
দুয়োগাল চকুপানীৰে তিতি গ'ল।
ই তাইক বৰকৈ জোকালে - 'আকৰী
ৰ..., বাৰিষাৰ সময়ত নদীত এনেকৈ
াঢ়েই, তাতে আকৌ কান্দিবৰ কি হ'ল?
আমি অগ্নিগড়লৈ যাওঁ, তাৰপৰা বাঢ়নী
াই বৰ ভাল লাগে। তাতে দীপককো
াই যাব পাৰ, মনটো ভাল লাগিব। মই
া গম পাওঁ, বুজিছ?"

সিহঁতে নদীৰ পাৰৰ চমু বাটটোৰে
ড়ৰ ওপৰ পালেগৈ। সঁচাকৈ দীপক
আছিল লগৰ ল'ৰাৰ লগত। অপৰাই
ক জোকালে, "চা দীপক, তোৰ কইনাক
হিছো।" - তাইৰ কাণ-মূৰ লাজত ৰঙা
'ল। কিন্তু দীপকে তৎক্ষাণাৎ কৈ
'অপৰা কি কৈছ এইবোৰ তই? আগতে আদৰক আমাৰ নিচিনা মাত কথা ক'বলৈ শিকা, কি যে ভাষাবোৰ কয়, বুজাত বৰ কষ্ট হয়, বুজিছ।

*'মহাবাহু ব্ৰহ্মপুত্ৰ, শান্তনুৰ কুলৰ পুত্ৰ, আমোঘাৰ গৰ্ভজাত, ব্ৰহ্মাৰ ঔৰসজাত, লৌহিত্য তোমাক প্ৰণাম কৰিছো, মোৰ পাপ খণ্ডন কৰা।' তাই ইমানদিনে শ্লোকটোৰ অৰ্থ নজনাকৈ পাঠ কৰি আহিছিল। পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ সাগৰৰ জ্ঞানৰ গভীৰতা অনুভৱ কৰি তাই আকৌ এবাৰ মূক হৈছিল।*

একেটা দিনতে তাইৰ বুকুখন দুবাৰকৈ ভাঙিল। নাই নাই, তাই আৰু তেজপুৰত নাথাকে। এখন ভঙা, ৰিক্ত হৃদয় লৈ পিছদিনাই তাই তেজপুৰ এৰিলে। সেইদিন ধৰি আৰু তাই তেজপুৰলৈ যোৱা নাই। হয়, তাইৰ মাত-কথাবোৰ নামনি অসমৰ। বহুত চেষ্টা কৰি তাই নিভাঁজ অসমীয়া ক'বলৈ শিকিলে। এতিয়া তাইৰ মাত-কথাত কোনেও হাঁহিব নোৱাৰে। ইউনিভাৰ্ছিটিত পঢ়ি থাকোতে ফাংচনবোৰৰ এনাউন্সমেণ্ট তাইহে কৰিবলগা হৈছিল। এই কথাবোৰ বাৰু দীপক নামৰ সেই ল'ৰাজনে জানেনে? সাগৰ আৰু তাই যেতিয়া জ্যোতিপ্ৰসাদৰ 'মই কাঞ্চনজংঘা...' কবিতাটোৰ আবৃত্তি কৰিছিল গোটেই অ'ডিটৰিয়ামটো কাঁহ পৰি জীণ গৈছিল। দীপক আৰু তেজপুৰৰ লুইতে তাইৰ মন, তাইৰ সপোনবোৰ ভাঙি চুৰমাৰ কৰি পেলাইছিল যদিও সাগৰে তাইক নতুনকৈ সপোন ৰচিবলৈ শিকাইছিল। নিতৌ সন্ধিয়া ব্ৰহ্মপুত্ৰৰ বুকুৰ মাজত ভৰাই দিছিল। কেনেকৈ যে দুটা বছৰ পাৰ হৈ গ'ল তাই গমকে নাপালে।

'অস্ত আকাশৰ......সপোন ৰহণ সানি' - ভূপেন হাজৰিকাৰ এই প্ৰিয় গানটো গাই গাই সাগৰে তাইৰ ওঁঠত চুমা আঁকি দি কৈছিল, "আদৰ, মোৰ সোণ, মই এই দুটা বছৰ টেমছ নদীৰ বুকুত বেলি ডুবা চাম আৰু তোমালৈ মনত পেলাম। তুমি আঁজলি ভৰাই লুইতৰ পানীত চুমা দিবা, বংগোপসাগৰ হৈ সাত সাগৰ তেৰ নদীপাৰ হৈ মোৰ ওচৰ পাবগৈ তোমাৰ মৰমবোৰ। মাত্ৰ দুটা বছৰ সোণজনী, তুমি ৰৈ থাকিবা, মই আহিম।"

তাই কান্দি কান্দি সাগৰৰ বুকু তিয়াই পেলাইছিল। দুয়ো একেলগে থিয় হৈ হাতযোৰ কৰি গাইছিল -

'ব্ৰহ্মপুত্ৰ মহাবাহু শান্তনুকুলনন্দন।
আমোঘা গৰ্ভ সম্ভূত লৌহিত্য পাপং মে হৰ।।'

সাগৰে আকৌ সেই দিনাহে শ্লোকটোৰ অৰ্থ ভাঙি দিছিল- 'মহাবাহু ব্ৰহ্মপুত্ৰ, শান্তনুৰ কুলৰ পুত্ৰ, আমোঘাৰ গৰ্ভজাত, ব্ৰহ্মাৰ ঔৰসজাত, লৌহিত্য তোমাক প্ৰণাম কৰিছো, মোৰ পাপ খণ্ডন কৰা।' তাই ইমানদিনে শ্লোকটোৰ অৰ্থ নজনাকৈ পাঠ কৰি আহিছিল। পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ সাগৰৰ জ্ঞানৰ গভীৰতা অনুভৱ কৰি তাই আকৌ এবাৰ মূক হৈছিল। সাগৰ গ'লগৈ। তাই ৰৈ থাকিল। টেমছ নদীৰ পাৰতে সাগৰে ব্ৰহ্মপুত্ৰৰ সৌন্দৰ্য আৰু মৰম বিচাৰি পালে। ইংৰাজ ৰমণী বাৰবাৰাৰ প্ৰেমসাগৰত ডুব গৈ সাগৰ টেমছৰ পাৰতে ৰৈ গ'ল আৰু তাই ৰৈ গ'ল ব্ৰহ্মপুত্ৰৰ পাৰত। তাই এই বাৰ বছৰে ৰৈয়ে আছে। কিন্তু সময় যে ৰৈ নাথাকে, যেনেকৈ ৰৈ নাথাকে লুইতৰ পানী। মাক দেউতাক নোহোৱা ঘৰখনত তাই অকণমান মৰম বিচাৰি হাবাথুৰি খাই ফুৰে। বত্ৰিশ বছৰীয়া ধাদহী এজনীক বহুৱাই খুৱাব নোৱাৰি বুলি কৈ বৌৱেকে ঘৰখনৰ সমস্ত কামৰ দায়িত্ব দি যেতিয়া বিয়নী মেল মাৰি ফুৰে, সেই সুৰুঙাতে তাইক মৰম কৰিবলৈ অহা মানুহ নথকা নহয়, আছে। কিন্তু তাইৰ দায়িত্ব ল'ব পৰা সাহসকণ কাৰো নাই, কাৰণ তাই যে এম. এ. পাছ ছোৱালী। কি কৰিব তাই এই এম. এ. ডিগ্ৰীটোৰে? ডিগ্ৰীৰ চাৰ্টিফিকেট কেইখন ধুই তাই কি পানী খাব? অথচ বহু চেষ্টা কৰিও তাই আজিলৈকে এটা চাকৰিকে গোটাব নোৱাৰিলে। অৱশ্যে আত্মসহায়ক গোটে পতা সমবায়খনত তাইৰ এটা সুকীয়া স্থান হৈছিলগৈ। হাতলৈ টকা কেইটামানো আহিব ধৰিছিল।

সকলো লাহে লাহে ঠিক হ'বগৈ বুলি ভাবিবলৈ লওঁতেই আকৌ এবাৰ ব্ৰহ্মপুত্ৰই তাইক ঠগিলে। ৰাতিটোৰ ভিতৰতে পানী, কেৱল পানী। চাওঁতে চাওঁতে সকলো তল গ'ল। তাই বেগটোত দুযোৰমান কাপোৰ আৰু চাৰ্টিফিকেট কেইখনহে বচাব পাৰিলে। ককায়েক-বৌৱেক আৰু ভতিজাটোৰ কি হ'ল, ক'লৈ গ'ল তাই একো ক'ব নোৱাৰে। কেনেকৈ যে কাৰ নাৱত উঠি তাই ৰিলিফ কেম্পটো পালেহি, তাই নাজানে। হাহাকাৰ, চিঞঁৰ-বাখৰ, মৰণ-যন্ত্ৰণা কি তাই এইবাৰহে গম পালে। দিন গৈছে, ৰাতি আহিছে। কেতিয়াবা পেটৰ ভোক পেটতে মাৰ গৈছে। কেতিয়াবা দুটামান কিবা পেটত পৰিছে। দিনটো যেনতেন কিন্তু ৰাতিটো আহিলে বনৰীয়া হাতীটো অহা যেন লাগে। কাৰ, ক'ত, কেতিয়া, কোনে গাৰ বস্ত্ৰ নোহোৱা কৰে একো ঠিক নাই।

গিৰিপ গিৰিপ শব্দ শুনি তাই নিতাল মাৰি পৰি ৰ'ল যদিও ওচৰতে শুই থকা পানী-কেঁচুৱাটোৱে কান্দি কান্দি এইফালে যে মাইকী মানুহ আছে তাৰ জাননী দি থাকিল। তাই খঙতে কেঁচুৱাটোৰ কাষতে থকা মাকক হেঁচুকি দি ক'লে-কেঁচুৱাটোক খুৱাই কান্দোনটো বন্ধ কৰিব নোৱাৰে নেকি? কি আচৰিত, ইমান ঠাণ্ডা শৰীৰটো। - তাই শিঁয়ৰি উঠিল। এৰা, মানুহজনী মৰি আছে। লাহে লাহে গিৰিপ গিৰিপ শব্দবোৰ ওচৰ চাপি আহিল। কেঁচুৱাটোৱে আকৌ এবাৰ কান্দি উঠিল। 'ধ্যুৰ চাল্লা, ঝুঠা হ্যে, চলো।'

তাই বাচি গ'ল। তাই কেঁচুৱাটো জোৰে সাৱটি বহি থাকিল। ভোক আৰু পিয়াহত কান্দি কান্দি কেঁচুৱাটোৱে এটা সময়ত নিতাল মাৰিলে।

ৰাতিপুৱা, মৰি থকা মানুহজনীলৈ চাই তাই ভাবিলে- কি হ'ব এতিয়া এই কেঁচুৱাটোৰ? কি কৰিব তাই কেঁচুৱাটোক? মানুহজনীৰ কাষতে এৰি দিব নেকি মৰিবলৈ? তেনেতে এজনী বুঢ়ীয়ে চিঞঁৰি চিঞঁৰি তাইক ক'লে," ঐ, যা যা, ৰিলিফৰ গাড়ী আহিছে। কেঁচুৱাৰ গাখীৰ আৰু জলপানৰ টিন দি আছে। লৈ আনগৈ যা।

তাই থিয় হৈ কেঁচুৱাটো কোলাত লৈ ৰিলিফৰ গাড়ীৰ ফালে খোজ দিলে।

ঃ বয়স কিমান? - চুটিকৈ চুলি কটা এগৰাকী ভদ্ৰমহিলাই, বোধহয় ডাক্তৰ, তাইক সুধিলে।

ঃ বত্ৰিশ। - তাই উত্তৰ দিলে।

ঃ তোমাৰ নহয়হে, বেবীটোৰ।

তাই চিন্তা কৰিলে, কিমান বুলি ক'ব বাৰু। লাহেকৈ ক'লে-

ঃ ছয়মাহ। - বৰ সৰু হৈ আছে। কি ক'ব তাই।

তাইক দুটা বেবীফুডৰ টিন আৰু দুবটল মিনাৰেল ওৱাটাৰ দিলে। বহুত দিনৰ মূৰত বিশুদ্ধ পানী এটুপি খাবলৈ পাই তাইৰ আত্মা তৃপ্ত হৈ গ'ল। কেঁচুৱাটোকো খুৱালে। বেবীফুডেৰে তাই আৰু কেঁচুৱা দুয়োটাই কেইদিনমান খালে। লাহে লাহে ৰিলিফৰ গাড়ীবোৰো নহা হ'ল। যোৱা সপ্তাহত এককেজিমান চিৰা আৰু গুড় দিছিল। শেষ হোৱা দুদিন হ'ল। দিনটো পেটত একো এটা নপৰাত পেটটো বিষাবলৈ ধৰিলে। মুখখনো বমি বমি লাগিছিল। তাতে আকৌ কেঁচুৱাটোৰ কান্দোন আছেই। তাই জানে ৰাতিটো এনেকৈয়ে পাৰ কৰিব লাগিব কাৰণ ৰিলিফৰ গাড়ী কেতিয়াও নাহে। এটা মানুহ খৰ গতিৰে তাইৰ ফালে আহি থকা দেখিলে, খোজে কাটলে মিলিটাৰী যেন তাইৰ অনুভৱ হ'ল। মানুহটোৰ হাতত কেইটামান কল। তাই কেঁচুৱাটো দেখুৱাই দুটামান কল খুজিলে।

মানুহটোৱে এটা আঁজোৰতে তাইক আলিটোৰ পৰা তললৈ নমাই আনি ক'লে - 'চুপ চাপ পৰে ৰহো। পেইছা ভী মিলেগা, কেলা ভী মিলেগা।'

তাই পৰি ৰ'ল। প্ৰায় এঘণ্টামান সময় তাইৰ ওপৰত ধ্বংসলীলা চলাই মানুহটো গুচি গ'ল। এৰি গ'ল কলকেইটা আৰু কেইটাখনমান দহটকীয়া নোট। তাই পৰি থাকিল - লেবেজান হৈ। সাক্ষী হৈ ৰ'ল ওপৰৰ জোনাক বিধৌত আকাশ আৰু কাষতে ব্ৰহ্মপুত্ৰখন। তাইৰ মৰমৰ, তাইৰ প্ৰেমিক ব্ৰহ্মপুত্ৰখন।

কিমান সময় এনেদৰে পৰি থাকিল তাই ক'ব নোৱাৰে। হাড়ে-ছালে লগা কুকুৰ এটাই ভূকি ভূকি কেঁচুৱাটোৰ ওচৰ চপাত তাইৰ সম্বিত আহিল। তাই কেঁচুৱাটোৰ গাত হাত দি চালে- মৰিল নেকি? নাই মৰা, উশাহ লৈ আছে এতিয়াও। কি কৰিম এতিয়া? তাই চিন্তা কৰিলে এই কেঁচুৱাটোৰ সৈতে তাই ব্ৰহ্মপুত্ৰত জাপ দিব। জাহ যাব ব্ৰহ্মপুত্ৰৰ বুকুত প্ৰেমাস্পদৰ বুকুত। লাহে লাহে তাই উঠি বহিল, দেখিলে এলানি তাই... সোঁত বৈ গৈছে ব্ৰহ্মপুত্ৰৰ বুকুলৈ। ... ৰঙা কৰিব পাৰিবনে নৈখন? যাৰ সতীত্ব ধুই নিয়া এই ৰঙা পানী... নদীলৈ? কেঁচুৱাটো বুকুত সাৱটি ... হ'ল নদীত জাঁপ দিবলৈ।

পূব আকাশৰ ৰঙা আভাই ... কাঢ়ি নিলে। জীৱনত প্ৰথমবাৰৰ ... সূৰ্যোদয় দেখিলে। ব্ৰহ্মপুত্ৰৰ বুকু... অহা নতুন সূৰ্যটোৰ জ্যোতিৰে চৌ... হৈ পৰিল। নিজকে প্ৰশ্ন কৰিলে ... তই বাৰু ইমানদিনে সূৰ্যাস্ত চাই কি... হৈছিলি?

তৎক্ষণাত তাই সিদ্ধান্ত ... পেলালে, নাই নাই, তাই নমৰে। ... কেতিয়াও সূৰ্যাস্ত নাচায়। চাৰ... কেঁচুৱাটোৰ কপালত চুমা এটা দি ... আজিৰ পৰা তাই এটা সুন্দৰ ন... পাতনি মেলিব আৰু তাইৰ নতুন ... হ'ব এই অকণমানি দেৱশিশুটো।

তাই চাৰ্টিফিকেট থকা ... খৰখোজেৰে আহি মথাউৰিটো... ব্ৰহ্মপুত্ৰখনলৈ চাই মনতে ... "ব্ৰহ্মপুত্ৰ, তোমাক সাক্ষী কৰি মই ... এই সন্তানৰ মাতৃ হ'লো।'

এৰা, এইটো তাইৰ ... কেৱল তাইৰে নহয়, তাই আৰু ... মানস-পুত্ৰ। কি নাম থ'ব বাৰু ই... লুইত, লৌহিত্য নে ব্ৰহ্মপুত্ৰ??

□□□



# মানৱতাৰ মৃত্যু

সংঘমিত্ৰা হাটখোৱা
স্নাতক ২য় বৰ্ষ

...জি দীপৰ মনত অপাৰ আনন্দ। কাৰণ ... তাৰ মাক-দেউতাক আৰু সৰু... য়কজনীয়ে তাক লগ কৰিবলৈ অহাৰ ... সেই কাৰণে সি পুৱাতে গা-পা ধুই খোৱা-... কৰি ল'লে কাৰণ সি মাক দেউতাকক ...লৈ যাব লাগিব। সি থাকে দিশপুৰত, ... তাৰ মাক দেউতাক আহিব মৰিগাঁওৰ ... হঠাতে দীপৰ লগৰ এজনে ফোন কৰি ...যে সিহঁত এটা কামৰ বাবে জালুকবাৰীলৈ ...গে। তেতিয়া সাজু হৈ দীপে লগৰজনৰ ... জালুকবাৰীলৈ আহি গ'ল।

তেতিয়া সময় দিনৰ প্ৰায় ১১ মান ...ল। তেতিয়া হঠাৎ সিহঁতে শুনিবলৈ ...যে কোনো দুবৃত্তই হেনো গণেশগুৰিৰ ... সেঁতুৰ তলতে বোমা বিস্ফোৰণ ...। এক হুলস্থুলীয়া পৰিবেশেৰে বিশৃঙ্খল হৈ পৰিছে সকলো। ক'ৰ মানুহ ক'লৈ গৈছে তাৰ কোনো চিন-চাব নাইকিয়া হৈ গৈছে। সকলোবোৰ পুৰি নিঃশেষ হৈ গ'ল। মানুহবোৰে কেৱল ইফালৰ পৰা সিফাললৈ দৌৰা-দৌৰি আৰম্ভ কৰিছে। কোনোৱে আকৌ নিজৰ আত্মীয়-স্বজনক বিচাৰি হাবাথুৰি খাইছে। কাৰণ হঠাৎ এইবোৰ কি হৈ গ'ল কোনেও একো ধৰিবই নোৱাৰিলে। কেৱল চাৰিওফালৰ পৰা হৃদয় বিদাৰক চিঞঁৰ কিছুমানহে শুনিবলৈ পোৱা গ'ল।

দীপৰ হঠাৎ মনত পৰি গ'ল যে আজি তাৰো মাক-দেউতাক অহাৰ কথা। তেতিয়া সি ঘৰত খবৰ লৈ জানিব পাৰিলে যে তেওঁলোকেও সেই বোমা বিস্ফোৰণৰ সময়তে দিশপুৰত আহি উপস্থিত হৈছিল। এই কথা শুনাৰ পিছত দীপৰ মূৰত সৰগ ভাঙি পৰিল।

সি কি কৰিব কি নকৰিব একো ভাবিব নোৱাৰা হৈ পৰিল। সি যিমান সোনকালে পাৰে সিমান সোনকালে দিশপুৰলৈ আহি গ'ল। তাৰ পিছত সি মাক দেউতাকৰ কোনো সন্ধান নোপোৱাত গণেশগুৰিলৈ আহিল আৰু তাত নিহত আৰু আহতসকলৰ মাজত মাক-দেউতাকক বিচাৰিব ধৰিলে।

এনেদৰে বিচাৰি থাকোতে সি হঠাৎ এঠাইত স্তব্ধ হৈ ৰ'ল। তাৰ কণমানি পৃথিৱীখন যেন নিমিষতে ধ্বংস হৈ গ'ল।

*(মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি আয়োজিত সাহিত্য প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত গল্প।)*

□□□

## মহৎ লোকৰ বাণী

সংগ্ৰাহক ঃ *ৰুমী দাস*
উঃ মাঃ ২য় বৰ্ষ

...ক্ষাই অশুদ্ধতা আঁতৰ কৰে আৰু সত্য উদঘাটন কৰে। - *চক্ৰেটিছ।*

...ছা পোহৰতকৈ সঁচা এন্ধাৰেই ভাল। - *হেম বৰুৱা।*

...থমে নিজৰ ওপৰত শ্ৰদ্ধা আৰু বিশ্বাস ৰাখিব লাগে, তেতিয়াহে আনৰ ওপৰত শ্ৰদ্ধা আৰু বিশ্বাস ৰাখিব পাৰি। - *স্বামী বিবেকানন্দ।*

...ল কৰাটো পাপেই, কিন্তু লুকাই ৰখাটো তাতোকৈ ডাঙৰ পাপ। এইটোৱেই অভিশাপ।- *মহাত্মা গান্ধী।*

...জগতত জীয়াই থাকিবলৈ প্ৰেম আৰু সাহস আদিৰ খুবেই দৰকাৰ। - *আব্ৰাহাম লিংকন।*

# মানৱীয় গুণ ক'ত হেৰাল

মঃ চাহি
স্নাত



ৰা তিপুৱাই দৰ্জ্জাত কাৰোবাৰ টোকৰ শুনি সাৰ পাই উঠিলো। দৰ্জ্জাখন খুলি বাহিৰলৈ চাওঁতে দেখিলো এজন একেবাৰে লেতেৰা পোছাক পৰিধান কৰা আদহীয়া ব্যক্তি। তেওঁক ৰাতিপুৱাই ৰাতিপুৱাই দেখি ভাবিলো দেখাত কি যে জঘন্য মানুহ এইজন। ছেঃ দিনটো বা কেনে যায়? মনত বহুতো ভাবৰ উৎপত্তি হ'ল। অলপ সময় তেওঁৰ ফালে চাই তেওঁক ভিতৰলৈ আহিবলৈ ক'লো। বেচেৰা লাজ লাজ কৰি ঘৰৰ ভিতৰলৈ সোমাই আহিল। বহিবলৈ দি কিছুসময় তেওঁৰ ফালে ৰ' লাগি চাই থাকিলো। অতপৰে তেওঁৰ বিষয়ে যি বেয়া ভাবৰ উৎপত্তি হৈছিল সেইবোৰ অলপ ভংগ হোৱা যেন লাগিল। তেওঁক দেখিয়েই ভাব হৈছিল তেওঁ যেন বহুদিন একো খাবলৈ পোৱা নাই। অলপ চাহ কৰি খাবলৈ দিলো। বেচেৰাই লাজ লাজকৈ চাহখিনি খালে।

চাহ-তাহ খোৱা হোৱাৰ পিছত তেওঁৰ বিষয়ে অলপ বিস্তাৰিতভাবে জনাৰ কাৰণে তেওঁৰ ঘৰ ক'ত আৰু মোৰ ওচৰলৈ অহাৰ কাৰণ সুধিলো। বেচেৰাই তেওঁৰ থকা ঠাইৰ নাম কৈয়েই কান্দিবলৈ ধৰিলে। তেওঁক অলপ সান্ত্বনা দি মোৰ ওচৰলৈ অহাৰ কাৰণটো সুধিলো। তেওঁ ক'লে যে তেওঁ এজন বানপীড়িত। বৰ্তমান চৰকাৰৰ সাহায্য শিবিৰত আছে। বানপানীয়ে তেওঁৰ ঘৰৰ সকলো সম্পত্তি নাশ কৰাৰ পিছত তেওঁ নিজৰ পৰিয়াল আৰু ল'ৰা-ছোৱালীকেইটাৰ লগত কেম্পত আহি বাস কৰি আছে। কিন্তু আজি দুই-তিনিদিনে একো খাবলৈ নোপ... ছোৱালীকেইটাই বৰকৈ কন্দা-ক... দেখি সহ্য নোহোৱাত ভি... উদ্দেশ্যেৰে ওলাই আহিছিল ... খোজাৰ সাহস তেওঁৰ নহ'ল... উপায়হীন হৈ তেওঁ মোৰ দুৱাৰ... এইখিনি কৈয়েই তেওঁ হুকহুকা... ধৰিলে।

মানুহজনৰ সকলো ক... মনটো বেয়া লাগি গ'ল। মনত... তেওঁৰ নিচিনা আৰু কিমানজন... যাৰ লগত একে ঘটনাই ঘটি আ... চিন্তা কৰি মনটো টেঙাই গ'ল... দুৰ্ভাৱনাত গাৰ নোম শিঁয়ৰি উঠি...

তেওঁলৈ খুব পু... পেণ্টৰ জেপৰ পৰা এশ টকী... উলিয়াই তেওঁক দিলো। মানুহ... মূৰ পিহি আশীৰ্বাদৰ এসোপা ... তেওঁক বিদায় দি বিচনাখনত ...

চকুৰ আগত ভাহি... কেম্পত থকা অন্য মানুহবিলা... অৱস্থাৰ কাহিনী।

*(মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি আয়োজিত সাহিত্য প্ৰতিযোগিতাত দ্বিতীয় স্থানপ্ৰাপ্ত গল্প।)*

□□□

বিচিত্ৰা

## ১২৯ বছৰ আচৰিত যদিও সঁচা

১) নেপোলিয়নৰ জন্ম হৈছিল ১৭৬০ চনত। হিটলাৰৰ জন্ম হৈছিল ১৮৮৯ চনত। দুয়োজনৰ জন্মৰ ব্যৱধান ১২৯ বছৰ।
২) নেপোলিয়ন ক্ষমতাৰ আসনত বহিছিল ১৮০৪ চনত। আনহাতে হিটলাৰ ক্ষমতাৰ আসনত বহিছিল ১৯৩৩ চনত। ব্যৱধান ১২৯ ...
৩) নেপোলিয়নে ভিয়েনা দখল কৰিছিল ১৮০৯ চনত। আনহাতে হিটলাৰে ভিয়েনা দখল কৰিছিল ১৯৩৮ চনত। ব্যৱধান ১২৯ বছৰ...
৪) নেপোলিয়নে ৰুছিয়াৰ যুদ্ধত জয়লাভ কৰিছিল ১৮১২ চনত। হিটলাৰে ৰুছিয়াৰ যুদ্ধত জয়লাভ কৰিছিল ১৯৪১ চনত। ব্যৱধান ...
৫) নেপোলিয়ন যুদ্ধত পৰাজিত হৈছিল ১৮১৬ চনত। আনহাতে হিটলাৰৰ পৰাজয় হৈছিল ১৯৪৫ চনত। ব্যৱধান ১২৯ বছৰ।





# কবিতাৰ কুঁকি

*প্ৰকৃত কবিতাই একো কথা নকয়, ই কেৱল সম্ভাৱনাৰ দুৱাৰবোৰহে খুলি দিয়ে, যিখন পছন্দ সেইখনেৰে আপুনি সোমাই যাব পাৰে।*

*- জিম মৰিছন*

*কবিতা মানে ফুলশয্যা নহয়*
*কিম্বা নহয় নাৰীৰ দেহ*
*কবিতা মানে জুই*
*যি থাকে মেহনতী মানুহৰ বুকুৰ ভিতৰৰ*
*আশাৰ সমাধি চুই...*

**সজাইছে ঃ**

**ঈশ্বৰৰ দান**
*আবুল হুছেইন*

**মালৈ**
*পাৰ্থপ্ৰতিম ৰাজবংশী*

**বিষ**
*আচাদুল্লা আলী*

**এটি মানস**
*ৰফিউল আখতাৰ হুছেইন*

**প্ৰভাতী সূৰ্যৰ অপেক্ষাত**
*ৰেজিনা ৰহমান*

**অপেক্ষা**
*মনিজা বেগম*

**নিঃশব্দ**
*অঞ্জলী দাস*

**অসম বিৰোধী**
*ৰাজদ্বীপ কলিতা*

**এটি স্তৱক**
*আচাদ উল্লা আলী*

**বেদনাৰ স্মৃতি**
*মতিউৰ ৰহমান*

**প্ৰেমৰ ধুমুহা**
*ফ'ৰিদা চুলতানা শইকীয়া*

**ৰক্তবীজ**
*তনুজা বেগম*

**আহ্বান**
*ৰুণা লাইলা*

**হেপাঁহৰ নিশা**
*কণমানি বেগম*

**সন্ত্ৰাস**
*নেকিবুদ্দিন আহমেদ*

**তুমি এতিয়া বহুত দূৰত**
*ৰফিউল ইছলাম*

**কাল্পনিক গোলাপ**
*ছহিদুল হুছেইন*

**তোমাৰ চুকুযুৰিত**
*অমল কুমাৰ দাস*

**বিষাদ**
*অনামিকা মালাকাৰ*

## ঈশ্বৰৰ দান

*আবুল হুছেইন*
*ইতিহাস বিভাগ*

ঈশ্বৰে আমাক দুটা চকু দিছে
তেওঁৰ সৃষ্টিৰ সকলো বস্তু
সমানে দেখিবলৈ

ঈশ্বৰে আমাক দুখন কাণ দিছে
তেওঁৰ সৃষ্টিৰ সকলো
ভাল কথা শুনিবলৈ

ঈশ্বৰে আমাক দুখন হাত দিছে
তেওঁৰ সৃষ্টিৰ সকলো জীৱৰ
সেৱা কৰিবলৈ

ঈশ্বৰে আমাক দুখন ভৰি দিছে
তেওঁৰ সৃষ্টিৰ সকলো শুদ্ধপথত
খোজ দিবলৈ

ঈশ্বৰে আমাক এটা নাক দিছে
তেওঁৰ সৃষ্টিৰ সকলো
সুগন্ধি ল'বলৈ

ঈশ্বৰে আমাক এখন মুখ দিছে
তেওঁৰ সৃষ্টিৰ সকলো জীৱক
ভাল কথা শুনাবলৈ

ঈশ্বৰে আমাক এখন জিভা দিছে
তেওঁৰ সৃষ্টিৰ সকলো বস্তুৰে
শুদ্ধতা চাকিবলৈ

ঈশ্বৰে আমাক এটা মন দিছে
তেওঁৰ সৃষ্টিৰ সকলো জীৱৰ
ভালৰ বাবে চিন্তা কৰিবলৈ

ঈশ্বৰে আমাক এখন হৃদয় দিছে
তেওঁৰ সৃষ্টিৰ সকলো জীৱক
মৰম কৰিবলৈ

## মাঁলৈ...

*পাৰ্থপ্ৰতিম ৰাজবংশী*
*স্নাতক ১ম বৰ্ষ*

আপোনাৰ মাতটোকে শুনি থাকো
ৰাতিও
তৰাবোৰ নুমাই যায় লাহে লাহে
মনলৈ যে কি কি কথাবোৰ আহে

সপোন নেদেখো

মই আপোনাৰ মুখত সেই গীত শুনো
যিটো গীত দুখতহে শুনে -
মই মৰিম যিদিনা...

ৰাতি ৰাতি আপোনাৰ মাতটোকে
শুনি থাকো

কুঁৱলীৰ মাজত চকামকাকৈ
দুই এটা খোজৰ চিন দেখো

সময়ে চাগে' মোকেই বিচাৰি আহিছিল
পিছে আপোনাৰ মাত শুনি হয়তো
আপোনাকে বিচাৰি গ'ল

আপুনিনো থাকে ক'ত
ঠিকনাহে নেপাওঁ...

তৰাবোৰ লাহে লাহে নুমাই যায়
মনলৈ কি কি কথাবোৰ যে আহে

ৰাতি ৰাতি চটফটাই থাকো
বিছনালৈ গৈ ভাবি থাকো

সন্দেহৰ দুচকু আগুৰাই আহে নিজলৈ -
ময়েই কিজানি আপোনাৰ ভৰা নাওঁখন
মাজনদীতে ডুবাই দিলো

নহয়নে মা...







## ...ই মানস...

*...উল আখতাৰ হুছেইন*
*...ক ১ম বৰ্ষ*

...তৃষাৰ বিনন্দীয়া
...াহ

তোমা...ৰ হাবিয়াস কৰিছো

...ৰ ৰামধেনুখনেৰে
...কাঢ়ি যাব খোজো

মোৰ প...
এই তিমিৰগ্ৰস্ততাই ...াক লগ পাবৰ বাবে
...াক বিচাৰি...

মোৰ সময়ৰ ...

## ...তী সূৰ্যৰ অপেক্ষাত

*...না ৰহমান*
*...৩য় বৰ্ষ*

আকুল ...
আত্মসমৰ্পণ ক...

...ষ্ট থৰক বৰক খোজেৰে কৰা অবিৰাম

...পালৰ পৰা দেহেৰে বৈ যোৱা
...পিৰ দৰে ঘামবোৰৰ
...া কিমান?

সময়ৰ ...
...ণ জোনাক হাতত লৈ দুবৰিডৰালৈ চালো
...টোপালত মুকুতা বিচাৰি
...ৰিছো ভ্ৰমত মজি
...ন চকুপানী কাৰোবাৰ
...সূৰ্যৰ উদয় হ'বলৈ এতিয়াও বাকী

...ৰ প্ৰেয়সীক ক'বা -
...ৰু উভতি যোৱাৰ সময় নাই

বানৰৰ সেঁতুবন্ধন চাবলৈ
চিনিয়েই নাপাওঁচোন ৰাজপথবোৰ
হিলৈ বাৰুদৰ ধোঁৱাৰ কুণ্ডলীত
কৰাল মৰা তেজৰ চেকুঁৰাবোৰ
ৰাজপথৰ পৰা গো-বাটলৈ

বন্ধু, হেৰেমৰ ছাহজাদীৰ কৰুণ ক্ৰন্দনেৰে
হৃদয় ব্যথিত কৰাৰ মোৰ আহৰি নাই

## অপেক্ষা

*মনিজা বেগম*
*স্নাতক ২য় বৰ্ষ*

কেতিয়া আহিবা তুমি
মোৰ অন্তৰৰ শিখা জ্বলাবলৈ
যাৰ পোহৰেৰে উজলিব
মোৰ হিয়াৰ কোঠালি



সজল কাতৰ দুচকুৰে
ৰৈ আছো তোমালৈ
আহিবানে তুমি মোৰ জীৱনলৈ
এধানি মৰম দিবলৈ

সন্ধিয়া বকুলৰ তলত
জিলমিল জোনাকী পোহৰত
অপেক্ষাৰ প্ৰতিপল

আহিবানে তুমি
তুলসীৰ তলত চাকিগছি জ্বলাবলৈ

অসীম সপোন ৰচি
ৰৈ আছোতোমালৈ
যাবানে একেলগে সমাধি-স্থানলৈ

কেতিয়া আহিবা তুমি
মোৰ অসহায় জীৱনলৈ



## নিঃশব্দ

*অঞ্জলী দাস*
*উঃ মাঃ ১ম বৰ্ষ*

নিঃশব্দ এন্ধাৰৰ মাজত
বিচাৰো তোমাক কাষত,
সপোনৰ মায়া চাকিত
তুমি আহি ধৰা দিয়া
মোৰ নিচেই কাষত।

পুৱতিৰ জালত
বিচাৰো মই পৰিচয়
যাওঁ বিচাৰি তোমাক
দিঠক দিঠক বুলি কাষত,

তুমি বা ভাবিছা কি...
নেযাওঁ মই সমাধান বিচাৰি
মইতো থাকো তোমাৰ বাবে
প্ৰতিপল তোমাৰ কাষত,

তুমিতো নাজানা
কিমান যে আকুল মই
তোমাৰ কাষত মন জুৰাবলৈ
খন্তেক নিঃশব্দে বহি
চকুত চকু
মনত মন থৈ
একাঁজলি সময় সাৰটি
হৃদয়ালাপ কৰিবলৈ
নিঃশব্দে তোমাৰ কাষত বহি...

## অসম বিৰোধী

ৰাজদ্বীপ কলিতা
স্নাতক ১ম বৰ্ষ



হে অসম বিৰোধীসকল
তোমালোকে কিয় হত্যা কৰিলা
এই নিৰ্দোষীসকলক

কি পালা বাৰু
তেজেৰে সাগৰ বোৱাই
জানো, একো নোপোৱা

হয়তো কাৰোবাৰ বাবে নামিছে
জীৱনত দুখ
যাক সুখী কৰিব নোৱাৰে
পৃথিৱীৰ আন কোনেও

তেনেহ'লে কিয় হত্যা কৰিলা
এই নিৰ্দোষীসকলক
দিলা মাথো দুখাৰ্তক দুখ

কিয় খেলিলা তেজেৰে ফাকু
কিয় ধ্বংস কৰিলা কলিতে
এপাহ দুপাহ অতপাহ ফুল

*(২০০৮ চনৰ ৩০ অক্টোবৰৰ ধাৰাবাহিক বোমা বিস্ফোৰণত নিহতসকলৰ সোঁৱৰণত)*

## এটি স্তৱক

আচাদ উল্লা আলী
স্নাতক ১ম বৰ্ষ

তোমাৰ হাঁহিটি
আকাশৰ চেঁচা ঘূৰণীয়া জোনটিৰ
দৰে উজ্জ্বল

তোমাৰ হৃদয়ত আছে
অসীম ভালপোৱা

অথচ
নুবুজা প্ৰেমৰ ভাষা

তোমাৰ হৃদয়খনি সাগৰৰ দৰে
গভীৰ আৰু বিশাল

এটি মধুৰ কবিতা তুমি

অথচ
নুবুজা কবিতাৰ ভাষা
মোৰ হৃদয়ৰ...



## বেদনাৰ স্মৃতি

মতিউৰ ৰহমান
স্নাতক ৩য় বৰ্ষ

বহুদিন বহুৰাতি উজাগৰে
থাকিলো তোমাৰ বাবে
প্ৰিয়তমা তুমি কেতিয়া আহিবা
তুমি হয়তো নুবুজিবা
মোৰ হৃদয়ৰ বেদনা।
প্ৰিয়তমা তুমি কুশলে আছানে?
তুমি বাৰু ভাবানে
তোমাৰ আৰু মোৰ মাজৰ
সেই স্মৃতিবোৰৰ কথা?

মোৰ বাবে সেই স্মৃতিবোৰে
যেন এতিয়া হৈছে ...
এই বেদনাবোৰৰ কাৰণে
মই যেন চটফটাই ...
বহুদিন বহুৰাতি উজাগৰে
কেৱল মাত্ৰ তোমা...



প্ৰেম...
ফৰিদা চুল...

মোৰ জীৱনলৈ এজাক ...
চাৰিওফালে মাথো দে...
আৰ...
তুমি তাতে আছা ...
বিশাল সাগৰৰ সি...
আৰু ইটো মুৰৰ ...
দুয়ো...
মোৰ হৃদ...
অতি সযতনে ...
কিন্তু হঠাৎ ...
ক'ৰপৰা আহি...
আৰু উৰুৱাই ...
মাথো তাই...
বিষাদ...



## ...বীজ

... বেগম
... ৩য় বৰ্ষ

...ন হাবিৰ বাসিন্দা সি
...ৰ ৰক্তবীজ
...ৰ ৰঙা
...ৰঙীন চুলি ঠৰঙা
...তাৰ ধনুৰ কাঁড়ৰ লেখিয়া
...ক্তবীজ

...ৰ নাই
...মাথো আক্ৰোশ
...াৰ নাই
...গনো আদৰ্শ
...চউদিশে জ্বলে মাথো
... জুই

... হাবিৰ বাসিন্দাই বিচাৰে
...কঁচা মঙহ
...ৰ সি গচকি গৈছে
... হেজাৰ লোকৰ প্ৰাণ
...া নাই ক'তো তাৰ দয়া
...ৰি, বৰপেটা ৰোড, কোকৰাঝাৰ
...গুৱাহাটীত

... হাবিৰ বাসিন্দাই
...ৰলে তাণ্ডৱৰ
...নে মাথো শুনা গ'ল
... নিৰীহ প্ৰাণীৰ

... আছিল কণমানি মৰমীজনীৰ
... তাই আঁকোৱালি ল'লে
...মৃত্যুক
...ক্তবীজ
... কোনো দয়া মৰম

...য় তুমি বচোৱা



## আহ্বান

ৰুণা লাইলা
স্নাতক ২য় বৰ্ষ



শান্তিৰ নামত
জ্বলিছে জুই
চৌদিশে বৈছে
তেজৰ নৈ
জাতি জাতি ভাই ভাই
হ'ল সকলো ঠাই ঠাই।
সংহতিৰ নামত ভেদাভেদ
নাই একতাৰ বান্ধ
ধন আৰু ক্ষমতাৰ লোভত
অন্ধ আজি মানৱ।
চৌপাশে শুনো
মৃত্যুৰ আৰ্তনাদ
দেশত নাই মানৱতা
জাতি ভাই সকলো
এক হওঁ আহা
একেটি পৰম আহ্বান।

মানৱ সভ্যতা আজি
আৰ ডি এক্সৰ কবলত
ৰক্তবীজৰূপী সন্ত্ৰাসৰ পৰা
ৰক্ষা কৰা তুমি

পাণবজাৰ, কাছাৰীঘাটৰ ধ্বংসলীলাৰ
পিছত
ই লিখি থৈ গ'ল -
আমি ৰক্তবীজ
আমি সন্ত্ৰাসবাদী
অমৰ আমি
আমি জীয়াই থাকিম
সদা সৰ্বদা মানৱ তেজ
পানৰ বাবে

*(মহাবিদ্যালয় সপ্তাহৰ সাহিত্য প্ৰতিযোগিতাত ১ম স্থানপ্ৰাপ্ত কবিতা)*

## হেপাঁহৰ নিশা

কণমানি বেগম
উঃ মাঃ ১ম বৰ্ষ

হেপাঁহৰ নিশাটি
পাৰ হৈ গ'ল তন্দ্ৰাতেই
মাথোন সপোনতে দেখিলো
খিৰিকিৰ চিচাৰে
নিয়ঁৰে আৱৰা অমানিশাত
এজাক জাজল্যমান
তৰা
খিৰিকিৰ কাষেৰে গৈ
অসীমত লীন গ'ল

হেপাঁহৰ নিশাটি পাৰ হৈ গ'ল
মাথো হৈ ৰ'ল এটি
বিষাদ স্মৃতি

## সন্ত্রাস

নেকিবুদ্দিন আহমেদ
স্নাতক ২য় বৰ্ষ

হে সন্ত্ৰাস তই কিয় আহিলি
সহস্ৰ জাতকৰ জীৱন নাশিলি
আৰু পঙ্গুত্বই পালে তাত স্থান
পঙ্গুত্বই যদি জাতকৰ হয় উপহাৰ

মানৱ সমাজ সমাজেই হওঁক
নৈতিকতা তাত জীয়াই উঠক
বোধগম্য হওঁক ই বিশ্বসমাজৰ
জীৱন ধন্য হওঁক সহস্ৰজাতকৰ

মানৱ সমাজ এতিয়া দানৱৰ সমাজ
সন্ত্ৰাসৰ দাস হ'ল সহস্ৰজন তাত

সেয়ে হয়তো সন্ত্ৰাস তই আহিলি
আৰু সহস্ৰ জাতকৰ জীৱন নাশিলি

*(মহাবিদ্যালয় সপ্তাহৰ সাহিত্য প্ৰতিযোগিতাত ২য় স্থানপ্ৰাপ্ত কবিতা)*

## তুমি এতিয়া বহুত দূৰত

মঃ ৰফিউল ইছলাম
উঃ মাঃ ১ম বৰ্ষ

তুমি এতিয়া মোৰ পৰা বহুত দূৰত
তোমাক নোপোৱাটো প্ৰায় খাটাং হৈ গৈছে
অথচ বুজাব নোৱাৰো নিজক
কাৰণ ভাবি ভাল লাগে তুমি মোৰ বুলি

আনৰ আগত কৈ ভাল লাগে
তুমি মোক ভাল পোৱা বুলি

সপোনতো তোমাকেই দেখো
মোৰ লগত থকা তুমি
একেলগে কথা পাতা, কাজিয়া কৰা
কিন্তু দিঠকত...

তোমাৰ প্ৰতিচ্ছবি সদায়ে থাকিব
মোৰ হৃদয়ত
উশাহত উজাৰি ল'ম তোমাক

কাৰণ যদিও এতিয়া তুমি বহুত দূৰত
আগতেতো আছিলা মোৰেই...



## কাল্পনিক গোলাপ

মঃ ছহিদুল হুছেইন
উঃ মাঃ ১ম বৰ্ষ

পুষ্প কাননত আছিল এপাহ গোলাপ,
তাৰ গাত আছিল অসীম সংলাপ।
লাহে লাহে গোলাপ পাহি ডাঙৰ হৈ
আহিল,
দেখিবলৈ আৰু ধুনীয়া লাগিল।
গৈছিলো এদিন মই গোলাপ পাহিৰ
ওচৰলৈ,
অলপ সময় লক্ষ্য কৰিছিলো তাইলৈ।
তাইৰফালে চাই থাকিলে মোহ লাগি যায়,
তাইৰ পৰা কি যে সুন্দৰ গোন্ধ ওলায়।
সেই অতি আদৰৰ মায়াবী ফুলপাহি,
যাক মই থৈছিলো ভালদৰে চিনি।
বহুদিন ধৰি প্ৰতীক্ষা কৰি আছিলো বৈ,
এদিন যাম বুলি তাইৰ ওচৰলৈ।
কিন্তু ফাগুনৰ এজাক নিষ্ঠুৰ পছোৱাই,
নিলে ফুলপাহ উৰুৱাই।
কাল্পনিক হৈয়ে ৰ'ল মোৰ জীৱন,
সেই সকলোবোৰ মিছা সপোন।

## তোমাৰ চকুযু...

অমল কুমাৰ দাস
স্নাতক ২য় বৰ্ষ

তোমাৰ চকুযুৰিত
আকাশে ঘৰ পাতি বহে
তোমাৰ চকুযুৰিত
জোন তৰাই নাচি বাগি...
তোমাৰ চকুযুৰিত
সাতোৰঙী ৰামধেনুৱে...
তোমাৰ চকুযুৰিত
উথলি থাকে ভালপো...
তোমাৰ চকুযুৰিত
ভাললগাই বান্ধে ঘৰ
তোমাৰ চকুযুৰিত
এদিনৰ বাবে সাঁতুৰি...
তোমাৰ চকুযুৰিত
এনিশা এটি সপোন...
দিবানে
তোমাৰ প্ৰেমত পৰি...
এবাৰ...

## বিষাদ





## উপন্যাস-সম্ভাৰ

আটাইতকৈ কৌশলপূৰ্ণ ছদ্মবেশী উপায়েৰে ৰক্তপাত নোহোৱাকৈ কৰা হত্যা কলমৰ দ্বাৰা কৰা হয়।

- মাও

স্মৃতিত ভাসমান তোমাৰ মৰম
ব্ৰজেন মালাকাৰ

ৰাজকুমাৰ, ৰাজকুমাৰী আৰু বিলীয়মান দৈত্যৰ ছাঁ
পাপৰিপৰ্ণালী দাস



সম্পূৰ্ণ উপন্যাস

# স্মৃতিত ভাসমান তোমাৰ মৰম...

ব্ৰজেন মালাকাৰ
স্নাতক ২য় বৰ্ষ



সি কাৰো পুতৌৰ পাত্ৰ হ'ব নিবিচাৰে, নিবিচাৰে কাৰো পৰা সহানুভূতিপূৰ্ণ আব্দাৰ।

জীৱনটো এটা জলন্ত চিগাৰেট, জীৱনটো এটা পিঁয়াজৰ দৰে, জীৱনটো এটা পদুম... পানী। জীৱনটো এটা.......! জলন্ত চিগাৰেট...ধীৰে ধীৰে জ্বলি শেষ হৈ যায়... অৱশিষ্ট ছাই।... পিঁয়াজ... এফালৰ পৰা বাকলিবোৰ এৰুৱাই গ'লে ভিতৰত একো পো... শূন্য...! পদুম পাতৰ পানী...এই আছে ফটফটীয়া হৈ... কোন মুহূৰ্তত পিছলি পৰে তি... জীৱনটো এটা বিৰাট শূন্য, যাৰ মূলৰূপটো সকলো ফালৰ পৰাই একে? শূন্যৰ স্থা... আনুষংগিকৰহে মান বেলেগ বেলেগ হয়। যেনে একৰ পিঠিত শূন্য দিলে একৰ মান দহ... দিলে বিশ। এতিয়া দহ আৰু বিশ প্ৰত্যেকেই যেন দুটা বেলেগ বেলেগ ডেজিগনে... অথচ বেলেগ বেলেগ ডেজিগনেশ্যন (পদবী)ৰ লগত থাকিলেও শূন্যৰ মান শূন্যই। দু... দিলে বা ইয়াৰ ওলোটাটো কৰিলে সৃষ্টি হোৱা দুইটা বেলেগ বেলেগ পদবীক প্ৰতিনিধি... অটুট থাকিব। কিন্তু একৰ পিঠিত শূন্য দিলে এটা পদবীৰ প্ৰতিনিধি হয় যদিও ইয়াৰ... শূন্যই মূল্য হেৰুৱাব। কেতবোৰ মানুহৰ জীৱনবোৰো ঠিক শূন্যটোৰ দৰেই নহয়নে? অথ... আঁকি দেখুৱাবলৈ প্ৰয়োজন হয় এডাল সুশীল ঘূৰণীয়া ৰেখা, যাৰ দুয়ো মূৰ সংলগ্ন... আৰু জীৱনৰ সংজ্ঞা দিয়াসকলৰ জীৱনবোধ!...

অৰিন্দমে আৰু এটা পেগ্ গলাধকৰণ কৰি চিগাৰেটটোত অগ্নিসংযোগ কৰি... তাৰ সহচৰ, অভিভাৱক তথা ৰান্ধনিঘৰৰ গৰাকী ইদুল শুই পৰিছে। অৰিন্দমে কাষৰ... শুই থকা ইদুলৰ মুখখনলৈ চালে। এটা নিষ্পাপ শিশুৰ দৰে শুই আছে সি। অৰিন্দমৰ... লৈ গোটেই নিশা কথা পাতি কটাই দিয়াৰ এক তীব্ৰ আকাংক্ষা হ'ল।

ঃ নাই নালাগে। সি শুই থাকক। তাৰ সুখনিদ্ৰাত ব্যাঘাত জন্মাবলৈ মই কো... আছে মানুহৰ - নিজে শান্তিত থাকিব নোৱাৰি আনক অশান্তি দিয়াৰ? - মনতে ভাবিলে... থৰক বৰক খোজেৰে বেলকনিলৈ ওলাই আহিল। মাজনিশাৰ ভুৱনেশ্বৰ চহৰ। বিজুলী... চমকনিৰে যেন এক সপোনপুৰী। অথচ মানুহে কোৱা মতে এইবিলাক ঠাইতে এ... আছিল, যাৰ বাবে গাড়ী মটৰ পৰ্যন্ত নচলিছিল। অথচ সেই প্ৰাকৃতিক হাবি গুচি এ... হেঁচাত ঘৰ এটা সাজিবলৈ মাটি এচিকটা পাবলৈ নাই। সময় ইমান বেগেৰে বৈ গৈ... খোজ মিলাবলৈ মানুহে যে কি যান্ত্ৰিকতাত ডুব নগৈছে! অথচ ইয়াৰ বিপৰীতে সি... ৰাখিব বিচাৰিছে। সি পাৰিবনে তাৰ সময়ক স্তব্ধ কৰিবলৈ নে তাৰ জীৱনেই স্তব্ধ... গৰাহত। এৰা তাৰ জীৱনৰ শান্তিবোৰেইচোন স্তব্ধ হৈ গ'ল।

সম্মুখৰ ৰাস্তাটোৰে বেগেৰে গুচি যোৱা পুলিচ পেট্ৰলিঙৰ কনভয়টোলৈ সি... কিনাৰত শুই থকাৰ পৰা উঠি এটা কুকুৰে প্ৰচণ্ড জোৰেৰে ভুকি উঠিল। অথচ সেই... ঘূৰি চাবলৈ কনভয়টোৰ সময় নাই। হায়, চৰকাৰৰ বৃথা প্ৰতিৰক্ষা ব্যৱস্থা! ইমান নি... মাজতো দৈনিক কিমান যে অশান্তিদায়ক ঘটনা ঘটিব নালাগিছে। এনেকুৱা সুৰক্ষা... উপহাস কৰিবলৈ মন গ'ল। কিন্তু কি হ'ব? তাৰ ইমান সাৱধানতা স্বত্বেও দেশো... খেলিমেলি হৈ গ'ল। তাৰ ভুলনো আছিল কোনখিনিত?

******

ঃ মিত্ৰ, অ' মিত্ৰ! মানুহ আৰু এনেকুৱা হ'ব লাগেনে? উঠা উঠা। - ইদু... পৰা হেঁচুকি জগাই দিলে। - শেহনিশালৈ ৰঙা পানীমখা গিলিব। হিচাপৰ কথা নাই, টে... গিলিব আৰু চকী-মেজ যিহকে পাই তাকে বিচনা ভাবি শুই পৰিব। বেলকনি হ... বোপা হজম কৰিব নোৱাৰিলে খোৱানো কেলেই? কি মানুহৰ পাল্লাত পেলালা... যে লেট্ৰিনক বেডৰুম নসজাব তাৰ কি মানে আছে? - ইদুলে তাক সম্মুখৰ মে... বটল, পানীৰ ঝাৰ আদি সামৰি লৈ বলকি গ'ল।

এৰা সি যে কেতিয়া চকীখনত বহি থাকোতে টোপনি গ'ল গমকে নাপা... মৰম লাগি গ'ল। সৰু ল'ৰা এটা অথচ, তাৰ ঘৰখনৰ প্ৰতি কিমান দায়িত্ববোধ। ...





...া-শুনা কৰা, তাৰ পিছত ঘৰৰ যাৱতীয় কাম ...নে - চাহ বনোৱা, ভাত ৰন্ধা, অৰিন্দমৰ ...চান ধৰা, একেবাৰে শেষত খাই-বই উঠি ... যোৱা, স্কুলৰ পৰা আহিয়েই ভাত পানী ... কাম কাজবোৰ কৰি অটাই পুনৰ পঢ়া, ...ত পানী বনাই খাই বই ৰান্ধনীঘৰ সামৰালৈ ... যে কাম! অথচ পঢ়া শুনাতো বেছ চোকা ...ৰোতা এজনীতকৈও যথেষ্ট পাকৈত ...ৰৰ কামত। ইমান সৰুতে ইমান দ্বায়িত্ব ...ছ সি, কিন্তু অৰিন্দমে? নিজৰ কামখিনিকে ...ক পৰিচালনা কৰিব নোৱাৰে। সিও নোৱাৰা ...কিন্তু লাভ কি ইমান ৰুটিনমাফিক হৈ চলাৰ? ...ৱনৰ ৰুটিনখনেই দেখো খেলিমেলি।

এৰা, কি যে দৈৱসংযোগ নাছিল তাৰ ...দুলৰ। সেইবাৰ সি কলকাতা (তেতিয়াৰ ...া)ত থকা মাহীৰ ঘৰলৈ বুলি ট্ৰেইনত ...। অন্য যাত্ৰীৰ লগত সি ইদুলকো দেখিছিল ...ন কৰা নাছিল। তাৰ মুখামুখি বাৰ্থত ... সময় শুই বহিয়ে কটাইছিল ল'ৰাজনে। ...জে অৰিন্দমৰ চকুৱে চকুৱে পৰিলে সি ...ল দৃষ্টি ঘূৰাইছিল। কিন্তু হাওৰা ষ্টেচনত ...তিয়া সি ল'ৰাজনক অকলে কান্দি থকা ... তেতিয়া সি সন্দেহবশতঃ ওচৰ চাপি ...ইদুলৰ দেউতাক নাছিল, মাকে গুৱাহাটীৰ ... মানুহৰ ঘৰত কাম বন কৰিছিল। কিন্তু ...ন নৰীয়াত মাক ঢুকুৱাত সিয়ে সেই ...ত চাকৰ হিচাপে থাকিবলৈ লৈছিল। ... তাক গাধৰ দৰে কামত খটুৱাৰ উপৰিও ...ভুলতে অবৰ্ণনীয় অত্যাচাৰ কৰিছিল। ... লগ পোৱাৰ দুদিন আগতেও তাক ...ৰ-পিট কৰাত বজাৰ কৰাৰ সুৰুঙা লৈয়ে ...ছিল আৰু ষ্টেচন পাই এখন ৰে'লত উঠি ...কিন্তু হাওৰাত নামিহে সি উৱাদিহ নাপায় ... লাগিছিল। তাৰ পিছত অৰিন্দমে তাক ...হল হলদিয়াৰ মাহীয়েকৰ ঘৰলৈ। ...ৰ ঘৰৰ পৰা অহাৰ পিছত ইদুল তাৰ ...াকিবলৈ লৈছিল তাৰ নিসংগ জীৱনৰ ...। এৰা, তাৰ লগত এমাহ থকাৰ পিছৰ ...াজিও মনত আছে তাৰ।

ইতিমধ্যে ইদুল যথেষ্ট সহজ হৈছিল ...ত। তেতিয়া তাৰ বয়স বোধহয় তেৰ ...নাছিল। কলেজৰ ক্লাছ কেইটা কৰি ঘৰলৈ আহি সি দেখিছিল ইদুলে ডাঙৰ ডাঙৰকৈ বাতৰি কাকতৰ পৃষ্ঠা এটা স্পষ্টকৈ পঢ়ি আছে। অৰিন্দমক দেখি সি থত্মত্ খাইছিল। ভাবিছিল, সি কামবন নকৰি বাতৰি কাকত পঢ়ি থকা বাবে হয়তো মালিকে তাক খুব পিটিব। সি ভয়তে ঘৰৰ চুক এটালৈ দৌৰিছিল। অৰিন্দমে তাক মাতিলতহে ভয়ে ভয়ে তাৰ ওচৰলৈ আহিছিল-

ঃ তই পঢ়িছিলি? - অৰিন্দমে গহীনভাবে সুধিলে।

......................

ঃ তই আগতে পঢ়িছিলিনে? স্কুললৈ গৈছিলি?

ঃ মা থাকোতে পঢ়িছিলো। স্কুলত প্ৰথম আছিলো।

ঃ কোন শ্ৰেণীলৈ পঢ়িছিলি?

ঃ চতুৰ্থ মানলৈ।

ঃ তোৰ আৰু পঢ়িবলৈ ইচ্ছা আছে?

ঃ আজিৰ পৰা আৰু নপঢ়ো। মোক খেদি নিদিবা। মই ঘৰৰ সকলো কাম কৰিম।

অৰিন্দম আচৰিত হৈছিল তাৰ কথাত। - তই কিয় এনেকৈ কৈছ?

ঃ মোৰ আগৰ মালিকেও কিতাপ পঢ়া দেখিলেই খুউব পিটিছিল। মই বাৰু আজিৰ পৰা কেতিয়াও নপঢ়ো, মোক খেদি নিদিবা।

অৰিন্দমৰ দুখ লাগিছিল। মানুহ যে কিমান স্বাৰ্থপৰ হ'ব পাৰে। নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে আনৰ ইচ্ছা-আকাংক্ষাক কিদৰে যে মোহাৰি নিদিয়ে! তাৰ পঢ়াৰ প্ৰতি আগ্ৰহ দেখিয়েই অৰিন্দমে তাক স্কুলত নাম লগাই দিছিল।

ঃ অই ল'ৰা, আজিৰ পৰা কিন্তু তই ভালদৰে পঢ়িব লাগিব। আগৰ মালিকে তোক পঢ়িব লোৱাৰ কাৰণে পিটিছিল; মই কিন্তু তোক নপঢ়িলে পিটিম। - অৰিন্দমে তাক স্কুলত নাম লিখাই দি আহিয়ে কৈছিল।

ঃ ঠিক আছে। মোক কিন্তু তুমি 'ল'ৰা' বুলি মাতিব নোৱাৰিবা। মোৰ এটা নাম আছে। মোক যদি ইয়াৰ পিছতো ল'ৰা বুলি মাতা মই কিন্তু তোমাক 'মানুহ' বুলি মাতিম।

ঃ হয় নেকি? তেন্তে তোক কি বুলি মাতিম? - অৰিন্দমৰ হাঁহি উঠিছিল তাৰ বিযোদ্গাৰ দেখি।

ঃ ইদুল বুলি। পিছে মই তোমাক কি বুলি মাতিম? - সি সুধিছিল।

ঃ ও....! তয়ো মোক মানুহ বুলি মাতিব নালাগে আৰু ময়ো তোক ইদুল বুলি নেমাতো। আমি দুয়ো দুয়োকে 'মিত্ৰ' বুলি মাতিম, হ'ব?

তেতিয়াৰ পৰাই দুয়ো দুয়োৰে মিত্ৰ হৈ পৰিছিল। আৰু সেই ইদুলেই লাহে লাহে তাক দ্বায়িত্ববোধ শিকাবলৈ লৈছিল। তাৰ উচ্ছৃঙ্খল কাম-কাজ, কথা-বতৰাবোৰ দেখি ইদুলে প্ৰায়ে সকিয়নি দিছিল। ছোৱালীৰ কিতাপৰ মাজত প্ৰেমপত্ৰ সুমুৱাই থৈ শিক্ষকৰ আগত ধৰা পৰা কিশোৰৰ দৰে অৱস্থা হৈছিল অৰিন্দমৰ, যেতিয়াই ইদুলে তাৰ বিসংগতিবোৰ দেখুৱাই দিছিল।

ঃ মিত্ৰ! ফটিকাৰ নিচা যোৱাই নাই নেকি? কলেজ নোযোৱা, চাৰে সাত বাজিল দেখো। - হঠাৎ ইদুলৰ মাতত সি সপোনৰ পৰা সাৰ পোৱা দিলে। এৰা, সিও যে আৰু..., কিবোৰ যে ভাবি নাথাকে। মানুহে বৃদ্ধকালতহে হেনো অতীতক স্মৰণ কৰি সময় অতিবাহিত কৰে। অথচ সি এতিয়াৰ পৰাই অতীততে ডুবি থকা আৰম্ভ কৰিছে। সি বাৰু মানসিকভাবে বুঢ়া হ'বলৈ আৰম্ভ কৰিছে নেকি?

চকীখনৰ পৰা উঠি অৰিন্দমে বাথৰূমৰ পিনে খোজ ল'লে। ইদুলে জানে, মানুহজনৰ অভ্যন্তৰত এনে এষাৰ কথা আছে যিটোৱে মানুহজনক প্ৰায়ে জুমুৰি দি অন্যমনস্ক কৰি ৰাখে। কিন্তু ইদুলে নাজানে কথাষাৰ কি - ই মানুহজনৰ কিবা ব্যৰ্থতাৰ দুখ নে মানুহজনৰ গোঁৱাৰ স্বভাৱ। কিন্তু অৰিন্দমক গোঁৱাৰ বুলি অন্তত সি ক'ব নোৱাৰে। তাৰ ইমানদিনৰ অভিজ্ঞতাৰ পৰা সি ক'বলৈ বাধ্য অৰিন্দমৰ দৰে মৰমিয়াল হৃদয়ৰ লোক খুউব কমেইহে আছে।

অৰিন্দমে কলেজৰ ক্লাছকেইটা কৰি তাৰ বন্ধু বণিজৰ ঘৰলৈ বুলি ওলাল। এৰা, বণিজৰ ঘৰতেই সি অকণ শান্তি পায়। বণিজৰ একমাত্ৰ ছোৱালী নিৰ্মিতাই তাক যিদৰেহে ব্যস্ত নকৰে। তাইৰ লগত ব্যস্ত হৈ সিও কলেজৰ প্ৰফেচৰৰ পোছাকযোৰ খুলি থৈ এটা আঠবছৰীয়া শিশু হৈ পৰে। আৰু নিৰ্মিৰ মাক উৰ্মি, তাইও কমখন আপদাল কৰেনে তাৰ। নিজৰ নবৌয়েকৰ দৰেই তাৰ সকলো কথাৰ খবৰ ৰাখে। কেতিয়াবা তাৰ ভাব হয়, তাৰ একাকী জীৱনৰ দুখ যন্ত্ৰণাৰ প্ৰতি পুতৌ জন্মি সিহঁতে ইমানখিনি কৰি তাক পুতৌৰ পাত্ৰ কৰা নাইতো! তাৰ সন্দেহ হয়। সি কাৰো পুতৌৰ পাত্ৰ হ'ব নিবিচাৰে, নিবিচাৰে কাৰো পৰা

সহানুভূতিপূৰ্ণ আব্দাৰ। তথাপি নিৰ্মিতাৰ বাবে সি বণিজৰ ঘৰলৈ যায়। নিৰ্মিতাৰ সঙ্গত সি পাহৰি যায় তাৰ পঙ্কিলতাময় অতীত। পৃথিৱীৰ সকলো শিশুৰ নিষ্পাপ মুখখনিৰ হয়তো এক অদ্ভুত শক্তি আছে, যাৰ দ্বাৰা মানুহৰ বাস্তৱিক ব্যথা বেদনাৰ কালিমাবোৰ ধুই মচি পেলাব পাৰে। সি কেতিয়া বণিজৰ ঘৰ পালে গমেই নাপালে। যন্ত্ৰৱৎ কলিং বেলৰ চুইচত হেঁচা দিলে।

ঃ আৰে অৰিন্দম। আহ আহ। এই এসপ্তাহ খবৰ খাতি নাই যে? - দুৱাৰ খুলিয়েই বণিজে তাক দেখি সুধিলে।

ঃ অলপ ব্যস্ত আছিলো আৰু।- সি গোকাট ফাঁকি মাৰিলে। - পিছে নিৰ্মি ক'ত?

ঃ মাকৰ লগত বান্ধবী এজনীৰ ঘৰলৈ গ'ল। তই ফোন এটাতো কৰি ল'ব পাৰ। ইমান ব্যস্তনে? আৰু শুন, তোৰ সেই অতীতটোক লৈ আৰু কিমান ব্যস্ত থাকিবি? বিয়া বাৰুৰ কথা চিন্তা নকৰ নে? বাদ দে আৰু সেই অনুসূয়াৰ কথা। তাই এজনী প্ৰৱঞ্চক আছিল। পাহৰি যা তাইক। তাইতো এতিয়ামানে চাগে সুখৰ সংসাৰত ব্যস্ত হৈ পতিব্ৰতা গৃহিণীৰ ৰূপ ধাৰণ কৰিছে।

ঃ এৰা, কিন্তু মোৰ মনে নকয় বণিজ, মই মানি ল'ব নোৱাৰো তাই মোক এনেকৈ ঠগিব পাৰে বুলি। তাই কিয় যে মোক এনেকৈ এৰি গ'ল। এটা কথা জানিবলৈ মই তাইক এবাৰ লগ পাব বিচাৰো, মাথো এবাৰ। তাই মাথো এবাৰ কওঁক মোৰ ভুল ক'ত আছিল।

ঃ বন্ধু মই জানো তাইক তই কিমান ভাল পাইছিলি। সেইবুলি তই সেই বিষয়ৰ অতীতটোক সাৱটি ধৰি থাকিলেই হ'বনে? অন্য এজনী বিয়া কৰাই ল'।

ঃ চা বণিজ, যদি সেইজনীও অন্য এজনী অনুসূয়া হৈ পৰে তেতিয়া মোৰ কি হ'ব? জীৱনৰ প্ৰথমভাগত সকলোৰে দৰে সপোন দেখাৰ অনুশীলন কৰিছিলো। এটা সময়ত সপোন বাস্তৱ যেন লাগিছিল। কিন্তু বাস্তৱৰ দুৱাৰদলি পোৱাৰ লগে লগে সকলো থানবান হৈ গ'ল। সকলো শেষ হৈ গ'ল। সঁচা বণিজ, সপোন যিমানেই কুসুম-কোমল, বাস্তৱ সিমানেই কঠিন, ৰূঢ়। - অৰিন্দমে আপোন মনে কৈ গ'ল বণিজৰ সন্মুখত। তাৰ দুচকুত বিৰিঙি উঠিল বিষাদৰ দুধাৰি লোতক। - চা বণিজ এবাৰ সপোনবোৰ থানবান হোৱাৰ পিছত

এতিয়া আৰু সপোনৰ পিছে পিছে দৌৰিবলৈ বাদ দিছো। সপোনতো সপোনেই। সপোনৰ ৰাজকাৰেঙত শোৱা দেখিলেও সাৰ পোৱাৰ পিছত তই যি ভগা বিছনাত শুবি সেইখনেই সঁচা। তথাপি মাজে সময়ে সেই স্মৃতিবোৰে আমাক বাউল কৰে। এবাৰ সপোন দেখাৰ পিছত যেতিয়া সেয়া বৃথা বুলি গম পোৱা যায় তাৰ পিছত আৰু তেনে সপোন দেখিবলৈ কোনোবাই আশা কৰিব পাৰেনে? অইনৰ সেই আকাংক্ষা থাকিলেও মোৰ নাই বন্ধু।

ঃ তথাপি অৰিন্দম জীৱনটো এনেকৈ বৰবাদ কৰাৰ কিবা যুক্তি আছে জানো! - বণিজে বুজনিৰ সুৰত ক'লে।

ঃ তই মৃত মানুহক জীয়াই তোলাৰ দৰে কথা কৈছ। যাৰ জীৱন এবাৰ ছাৰখাৰ হৈ গ'ল তাৰ আৰু পিছলৈ বৰবাদ হ'বলৈ কি আছে? ঘৰ এটা হ'বলৈ থাকে তাৰ পিছত তাৰ আৰু ধ্বংস হ'বলৈ থাকে কি?

ঃ চা অৰিন্দম, তোৰ ধাৰণাবোৰ ভুল। এবাৰ এটা ঘৰ ভাঙি গ'লেই মানুহ অঘৰী হৈ থাকেনে?

ঃ তোমালোকে মানুহৰ মনটোকো তই কাঠ-বাঁহ-খেৰেৰে সজা ঘৰ এটাৰ লগত তুলনা কৰিব বিচাৰিছ? তেতিয়া দেখো মানুহৰ সুখ দুখ আবেগ অনুভূতি সকলো মূল্যহীন হৈ পৰিব।

ঃ আবেগ অনুভূতিৰ মূল্য আছে বাবেইতো কৈছো এজনী সঙ্গী বিচাৰি লৈ তাইৰ আবেগ অনুভূতিবোৰ হৃদয়ঙ্গম কৰি তোৰ যন্ত্ৰণাৰ স্মৃতিবোৰ বিসৰ্জন দে।

ঃ এয়া মোৰ দ্বাৰা সম্ভৱ নহয় বণিজ। মই অন্য স্মৃতিক বিসৰ্জন দিব পাৰিলেও পাহৰিব পাৰিম জানো অনুসূয়াৰ সৈতে কটোৱা সেই নিবিড় মুহূৰ্তবোৰ? মই অনুসূয়াক ভাল পাইছিলো, এক পবিত্ৰ অনুভৱ আছিল তাইক লৈ। তাই সেয়া বুজিব নোৱাৰিলে। সেইবুলি অইন এজনীক সেই প্ৰেম দি অনুসূয়াৰ প্ৰতি থকা প্ৰেমক মই অপমান কৰিব নোৱাৰো নহয়। আৰু যাক মই সঙ্গী কৰিম তেওঁক মই প্ৰকৃত প্ৰেম দিব নোৱাৰি প্ৰতাৰণা কৰা নহ'বনে? মোৰ সমগ্ৰ সত্ত্বা জুৰি বৈ আছে অনুসূয়াৰ প্ৰতি থকা প্ৰেম আৰু তাৰ স্মৃতি। তাক ধ্বংস কৰা সম্ভৱ নহয় দোস্ত। প্লিজ এইবিষয়ে তই আৰু একো নক'বি। - উম্মাৰেই ক'লে অৰিন্দমে।

ঃ তথাপি তোৰ যন্ত্ৰণাময় অতীতৰ স্মৃতিক সামৰি বৰ্তমানক উপেক্ষা কৰাটো উচিত হোৱা

নাই। তই.....

ঃ মিত্ৰ আংকল, তুমি কিয় অ... মই জানা তোমাৰ লগত ভিডিও... বুলি ভাবি আছিলো। পিছে তুমি... তোমাৰ চকুত কি হ'ল, চকুপানী... কান্দিছা নেকি? তোমাৰ টিভি... ৰ'বা মই চলাই দিওঁ টিভিটো। -... পায়ে নিৰ্মিয়ে অৰিন্দমৰ ওচৰলৈ...

ঃ নহয় মাজনী, মই কন্দা নাই... চকুত এটা পোক সোমাইছে অ'... 

ঃ কেতিয়া সোমাল? চাওঁ দি...

- নিৰ্মি ব্যস্ত হৈ উঠে।

ঃ এহ্, বহুদিন হ'ল জানা।... নাই, তুমি কেনেকৈ পাৰিবা।... ভিতৰতে কোনেওতো নেদেখে...

ঃ ইচ্ ভগবান! তোমাৰ চকু... দেখো।

ঃ মাজনী, আগতেই যি নষ্ট... এতিয়া আৰু নোৱাৰে। সি নিশ্চয়... কাঠ হৈ গৈছে। - যথেষ্ট গ... অৰিন্দমে।

উৰ্মিয়ে জানে... কথাবোৰ। বণিজেই কৈছে তাই... মানুহজনলৈ। অথচ বাহিৰৰ প... পাৰিব যে দেখাত ইমান স্ফূৰ্তি... হৃদয়ত কঢ়িয়াই লৈ ফুৰিছে দু... উৰ্মিয়ে জানিছে, আজিও নিশ্চয়... আগত বিয়া বাৰুৰ প্ৰসঙ্গ উলিয়া... তেওঁ অতীত স্মৃতি ৰোমন্থন ক... উৰ্মিয়ে পৰিস্থিতিটো সহজ ক... পৰিল নিৰ্মি আৰু অৰিন্দমৰ আ...

ঃ যোৱা মাজনী, মিত্ৰ আং... ভিডিঅ' গেমৰ ছেটটো দেখু... জীয়েকক নিৰ্দেশ দিয়ে। নিৰ্মি... যায় তাইৰ কোঠাটোলৈ। তাৰ... তাৰ দুখ দূৰ হওঁক বুলিয়েই... যিমানখিনি যত্ন কৰিছে তাৰ ফ... সি সমৰ্থ হ'বনে? তাৰ নিজ... জন্মে। সি বাৰু আনৰ চকু... ধৰিছে নেকি? ****

যোৱাকালিৰ পৰা...





...ৰ। সেয়ে আজি কলেজলৈও নগ'ল। ইদুলৰ ...দৰখাস্তখন দি পঠিয়ালে। ইদুলেও খুব খং ...তাক। প্ৰায় মাজনিশালৈ বকবকাই থাকিল ...ই বেবেৰিবাং বকনি - দিনত হ'লে বেছ ...ক। ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাব - ভাল কাম কৰিব ... ভাল সংগত থাকিব লাগে। দিনত ...গিৰি কৰিব আৰু ৰাতি হ'লে হৈ পৰিব ...মদপী। মানুহে মদ খাই কেতিয়াবা, সেইবুলি ...মদখোৱা মানুহ তোমাকহে পালো। আৰে ...মিত্ৰ, নিজকে তিলতিলকৈ শেষ কৰাৰ ...নহয়তো! মৰিবৰ মন আছে যদি চিপজৰী ...থাকা। যিটো দেখিছো তুমি মদ খোৱা ...দেহে তোমাক খাব এতিয়া। বেছ মুখা ...জানাহে তুমিও। এই বাৰ কোনোবা ...ক তেল-তুল মাৰি হ'লেও চিনেমাত চান্স ...দিম দিয়া। ভৱিষ্যতে যে কি কৰিবা তাক ...জিবলৈ বাকী নাই। ইমান জোৰ কৰিলো ...মতে এবাৰ নোৱাৰিলোহে। বাপৰে কি

অৰিন্দমৰ আজিকালি বকনিবোৰ ...হাঁহি উঠে তাৰ অৱস্থাটো দেখি। বেচেৰাই ...কাৰধা কৰিও পাৰ পোৱা নাই। অৱশেষত ...ত্ৰ বকনিতেই ধৰিছে আৰু। উপায়োতো ...সিও দিনে দিনে বৰ বেপেৰৱা হৈ গৈছে। ...কি কৰিব। তাৰ অতীতটোক পাহৰি থকাৰ ...যায়েবা কি আছে। ৰাতিৰ আজৰি নিঃসঙ্গ ...তাক সেই স্মৃতিবোৰে হেঁচি ধৰিলেই ...বিচাৰি সি সুৰাৰ আশ্ৰয় লয়। তেনেকৈ ...নপৰালৈ যে তাৰ নিস্তাৰ নাই সেই জলন্ত ...ৰা যাৰ উত্তাপ তাৰ সহ্য নহয়। দুপৰীয়াৰ ...হূৰ্তত সি ডুব গ'ল তাৰ পুৰণি স্মৃতিত।

তেতিয়া অৰিন্দম স্নাতক ...ৰ্ষৰ ইংৰাজী বিভাগৰ ছাত্ৰ। অৰিন্দম ...হাবিদ্যালয়ৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী ...হাবিদ্যালয় সাহিত্য গোষ্ঠী নামৰ ...ৰ সম্পাদক। কিমান ব্যস্ততা অথচ প্ৰাণ ...ৱা দিন আছিল সেইবোৰ। কবি সন্মিলন ...তাৰ সন্ধিয়া উদ্‌যাপন কৰা, গোটেই ৰাতি ...থাকি ৰাতিটোৰ ভিতৰতে ৱাল মেগাজিন ...লিওৱা, নিজৰ নিজৰ অনুদান আৰু ...সংগ্ৰহ কৰি সংস্থাটোৰ বাৰ্ষিক মুখপত্ৰখন ..., এই আটাইবোৰ কাম কৰি বাকী

সময়খিনি গো-গ্ৰাসে বাহিৰা আৰু ক্লাছৰ কিতাপ পঢ়া। তেতিয়া কি উদ্যম আছিল! ইফালে সি সকলো কামতে আগৰণুৱা স্বভাৱৰ হোৱা বাবে বেছ জনপ্ৰিয় হৈছিল কলেজৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত। কলেজত থকা বিভিন্ন গোটৰ প্ৰত্যেকৰে প্ৰাচীৰ পত্ৰিকাত তাৰ কবিতাই প্ৰথম স্থান পাইছিল। কিন্তু ইমানখিনি খ্যাতি পোৱাৰ পিছতো অৰিন্দম কাকতি উছাহত অধীৰ হোৱা নাছিল।

সেইবাৰ কলেজৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত হোষ্টেলৰ ল'ৰাখিনিৰ হেঁচাত আলোচনী সম্পাদকৰ বাবে প্ৰতিদ্বন্দিতা কৰিবলৈ সিও মনোনয়ন দাখিল কৰিছিল। নিৰ্বাচনী প্ৰচাৰ, পোষ্টাৰ, বেনাৰ আদিৰ বাবে যাৱতীয় খৰচ পাতি তাৰ হোষ্টেলৰ বন্ধু কেইজনমানেই বহন কৰাৰ প্ৰতিশ্ৰুতি দিছিল। কাৰণ সিহঁতে জানিছিল - কলেজত অৰিন্দম কাকতি নামটোৰ যি গ্লেমাৰ আছে সেইটোৱেই নিৰ্বাচনী প্ৰচাৰৰ বাবে যথেষ্ট। তাৰ 'ভালপোৱাৰ কথা আছিল তোমাক', 'যি কথা কোৱা নহ'ল কাহানিও' আদি কবিতাৰ বাবে কলেজৰ কোনজন ল'ৰা বা ছোৱালী উন্মাউল হোৱা নাই, কাৰ 'ৰাফ-কপি'ৰ পাতত ইয়াৰ পংক্তি নাই। গতিকে তাৰ জয়ৰ কাৰণে কোনো চিন্তাই নকৰে তাৰ বন্ধুবৰ্গই। বহুতেতো অৰিন্দম কনটেষ্টত থকা বুলি জানি মনোনয়নে নিদিলে। এতিয়া অৰিন্দমৰ বিপৰীতে আছে একমাত্ৰ প্ৰতিদ্বন্দ্বী স্নাতক প্ৰথম বৰ্ষৰ অসমীয়া বিভাগৰ অনুসূয়া কলিতা। ছোৱালীজনীয়ে যথেষ্ট কষ্টৰে প্ৰচাৰত নামিছে। তথাপি ভোটাৰ সকলে যেন পাত্তাই দিব খোজা নাই। সকলোৱে এনে এটা ভাব- অৰিন্দমৰ লগত যুঁজিবলৈ আহে, তাকো সমৰ্থনৰ জোৰ দেখুৱাই। সি লক্ষ্য কৰি আছে অনুসূয়াক। ছোৱালীজনীয়ে যথেষ্ট নাৰ্ভাছ হৈছে ভোটাৰৰ মনোবৃত্তি দেখি। তাৰ পুতৌ লাগিল অনুসূয়ালৈ।

পিছদিনা প্ৰাৰ্থীত্বৰ তালিকা ওলাল। আলোচনী বিভাগৰ সম্পাদকৰ পদত অনুসূয়া কলিতা বিনা-প্ৰতিদ্বন্দ্বিতাৰে জয়ী হ'ল। হোষ্টেলৰ পৰিস্থিতি গৰম। অৰিন্দমৰ মনোনয়নে নাকচ হোৱা নাই অথচ বিনা প্ৰতিদ্বন্দ্বিতাৰে কেনেকৈ জিকিব পাৰে অনুসূয়া। হোষ্টেলৰ ল'ৰাসকলে ধৰ্ণা দিবলৈ যো-জা কৰিবলৈ ধৰিলে। নিশ্চয় নিৰ্বাচন কমিটিয়ে জালিয়াতি কৰিছে।

ঃ অ'ই অৰিন্দম, কি শাক্যমুনিৰ দৰে বহি আছ?

আমি আন্দোলন কৰিম, ব'ল। পিছে তোৰ মতামত কি? - উত্তেজিত হৈয়ে ক'লে প্ৰীতমে।

ঃ কোনো লাভ নাই প্ৰীতম। মই স্ব-ইচ্ছাই মোৰ মনোনয়ন উঠাই লৈছো। - শান্ত স্বৰে ক'লে অৰিন্দমে। - এৰা, জীৱনত পোৱাৰ তুলনাত নোপোৱাৰ গ্ৰাফডালেই বেছি ওখ। এতিয়ালৈ ইচ্ছা থকা স্বত্বেও বহুতৰে পৰা বঞ্চিত হৈছো। এইবাৰ যেনিবা স্ব-ইচ্ছাই এটা প্ৰাপ্য সুযোগ আঁতৰাই পেলালো। অনুসূয়া বোলা ছোৱালীজনী কোনোগুণে মোতকৈ কম যোগ্যতাৰ নহয়। কিন্তু মই তাইৰ আগত জয়ী হ'লোহেতেন একমাত্ৰ জনপ্ৰিয়তাৰ বাবেহে, যোগ্যতাৰ বাবে নহয়। গতিকে ইমান সহজতে তাইৰ আগত জয়ী হোৱাৰ প্ৰশ্নই নুঠে। পাৰিলে তহঁতে মোক ক্ষমা কৰি দিবি, কাৰণ নিজৰ আদৰ্শৰ বাবে তহঁতৰ আকাংক্ষাবোৰক মই অমান্য কৰিলো।

ঃ তই এটা মস্ত পাগল। চাবি, দুদিন পিছত যিজনী ছোৱালী তোৰ আগত নতশিৰ হ'লহেতেন তাইয়ে এতিয়া তোক অপদাৰ্থ জ্ঞান কৰিব। আদৰ্শবাদী হৈ তই যি কৰ কৰি থাক। - প্ৰচণ্ড আক্ৰোশত ওলাই গ'ল প্ৰীতম।

তাৰ দুদিন পিছত অনুসূয়া আহি ওলাল তাৰ ৰুমত। তাইৰ দুচকুত জয়ী হোৱাৰ আনন্দৰ বিপৰীতে বিষাদৰ ছাঁ। আহিয়ে সুধিলে - আপুনি গোপনে নমিনেচন উঠাই লোৱাৰ কাৰণ কি? মই জানো, আপোনাৰ সন্মুখত মই জয়ী হ'ব নোৱাৰিলোহেতেন। তেনেস্থলত আপুনি মোক পথ এৰি দিয়াৰ কাৰণ কি?

ঃ কোনো কাৰণ নাই। এনেয়ে মন গ'ল, উঠাই ল'লো। - সি থতমত খাই ক'লে।

ঃ আপুনি নিশ্চয় জানিছিল যে আপোনাৰ নমিনেচন উইথড্ৰ কৰাৰ পিছত ময়ে জয়ী হ'ম, যিহেতু মাথো দুজনেই প্ৰাৰ্থী। আপুনি ভাবে নেকি যে সেই পদত মই এতিয়াও থাকিম। কাইলৈ ময়ো ৰেজিগনেচন লেটাৰ দাখিল কৰিম। কি ভাবে আপুনি হা? - তাইৰ মুখত প্ৰচণ্ড বিৰক্তিৰ চিন।

ঃ তোমালোকে তোমাৰ ইচ্ছা মোক নিৰ্বাচনত হৰুওৱাটোহে আছিল? - তাৰ হাঁহি উঠি গ'ল।

ঃ কোনে ক'লে সেয়া? প্ৰথম নমিনেচন দিছিলো মই। কিন্তু আপুনিও প্ৰতিদ্বন্দ্বিতা কৰিব বুলি জনা হ'লে মই কেতিয়াও কনটেষ্টত নাহিলোহেতেন। সবল প্ৰতিপক্ষৰ লগত যুদ্ধ কৰি

*"...সবল প্ৰতিপক্ষৰ লগত যুদ্ধ কৰি হৰাটোতো এক আমেজ আছে। কিন্তু প্ৰবল পৰাক্ৰমী দল এটাই দুৰ্বল দল এটাক বাট এৰি দিলে সেই দলটোৱে জয়ৰ বৰমাল্য নেপায়, পায় পুতৌ আৰু গঞ্জনা। আৰু পুতৌৰ পাত্ৰ হ'ব নিবিচাৰো।..."*

হৰাটোতো এক আমেজ আছে। কিন্তু প্ৰবল পৰাক্ৰমী দল এটাই বিনাযুদ্ধে দুৰ্বল দল এটাক বাট এৰি দিলে সেই দলটোৱে জয়ৰ বৰমাল্য নেপায়, পায় পুতৌ আৰু গঞ্জনা। আৰু মই কাৰো পুতৌৰ পাত্ৰ হ'ব নিবিচাৰো।

ছোৱালীজনী আত্মাভিমানী নেকি? তাৰ দয়া লাগিল অনুসূয়ালৈ। অৱশেষত বহু বুজাই বঢ়াই সি কোনোমতে তাইৰ পদত্যাগ কৰা মনোভাবটো বাৰণ কৰিলে।

ঃ ঠিক আছে। কিন্তু এটা চৰ্তত হে। মই সম্পাদকৰ পদত নামতহে থাকিম, সম্পাদকৰ সকলো কাম কিন্তু আপুনিহে কৰিব লাগিব। অৰ্থাৎ প্ৰকৃত সম্পাদক আপুনিহে হ'ব লাগিব। এইটো মোৰ অনুৰোধ।

অৱশেষত অনুসূয়াৰ হৈ আলোচনীৰ সমস্ত কাম-কাজ সি চম্ভালিবলৈ লাগিল। সকলো কামতে অনুসূয়া তাৰ ছাঁটোৰ দৰে হৈ পৰিল। গল্প, কবিতা, প্ৰবন্ধ আদি গোটাই মেলি চোৱা, সম্পাদনাৰ বাবে প্ৰবন্ধবোৰৰ প্ৰাসঙ্গিক পুথিবোৰ সংগ্ৰহ কৰি তাৰ উদ্ধৃতিসমূহ মিলাই চোৱা, গল্প আদিৰ সম্পাদনা কৰা, তাৰ পিছত দিয়াৰ পৰা প্ৰুফ ৰিডিঙকে ধৰি আটাইবোৰ কামেই সি পৰম একাগ্ৰতাৰে কৰিছিল। তাৰ একাগ্ৰতা দেখি আচৰিত হৈছিল অনুসূয়া - ইমান ষ্টেমিনা, ইমান উৎসাহ। তাই প্ৰায়ে হীনমন্যতাত ভূগিছিল, অৰিন্দমৰ তুলনাত তাই যে কিমান বেছি তুচ্ছ।

মাজে মাজে অৰিন্দমৰ ভাব হয় - অনুসূয়া দুৰ্বল হৈছে নেকি তাৰ প্ৰতি! এৰা, তাইৰ দুৰ্বলতা থাকিলেও সি দুৰ্বল হ'ব নোৱাৰিব। কাৰণ ধনীৰ দুলালী অনুসূয়াক তাৰ হৃদয়ত স্থান দিলেও বাস্তৱত এয়া কেতিয়াও সম্ভৱ নহয়। আৰু তাৰ দৰে নিঠৰুৱা, আনৰ অনুগ্ৰহত জীৱন কটোৱা পৰিবেশৰ মাজলৈ আনি অনুসূয়াক সি কেতিয়াও অভাৱ, যন্ত্ৰণা আদিৰ সৈতে চিনাকী কৰি দিব নোৱাৰে। তেনে অৱস্থাত বাবুল দাইটিৰ কথা মনলৈ আহে তাৰ। সৰুতে মাক-বাপেক ঢুকুৱাৰ পৰাই বাবুল দাইটিয়েই তাক ডাঙৰ-দীঘল কৰিলে। এতিয়াও দাইটিয়েই তাক টকা-পইচা দিয়ে। আৰু দাইটিতো মাতব্বৰ নহয় যে তাক যিমান টকা লাগে বুলি কয় সিমান টকা দিব পাৰিব। কোনোমতে কৃষিকাৰ্যৰ উদ্যোগত আৰু নিজে পাতি লোৱা বাৰীখনৰ দুই এপদ বস্তু বেচিয়েই যিমান পাৰে তালৈ পঠিয়ায়। দাইটিয়ে ভাবে যে তেওঁৰো নিজৰ আগলৈ পিছলৈ নাই আৰু ইয়াকো চোৱা-চিতা কৰোতা নাই। গতিকে সাঁচি ৰাখিনো কি লাভ? মাথো ই যাতে অভাৱৰ বাবে পঢ়াশুনাত বাধা পাবলগীয়া নহয়, তাকেই ভাবে দাইটিয়ে। অৰিন্দমেও যৎসামান্য খৰচতে চলাৰ চেষ্টা কৰে। সিও জানে - লাহে লাহে পৰি অহা দেহাটোৰে দাইটিয়ে কিমান কষ্ট কৰি তালৈ মাহেকত টকাখিনি পঠিয়ায়। পাৰিবাৰিক সম্বন্ধত দাইটি তাৰ একো নহয় যদিও অৰিন্দমৰ বাবে দাইটিয়েই সকলো। তাৰ চকুৰ সন্মুখত দাইটিৰ বয়সে আঁচোৰা মুখখন স্পষ্ট হৈ আছে। নাই, সি নোৱাৰে দাইটিৰ কষ্টোপাৰ্জিত ধন ৰং-ৰহইচত খৰচ কৰিবলৈ।

হঠাৎ সি নিজেই লজ্জিত হয় - সি কিবোৰ যে নাভাবিছে। তাৰ সন্দেহ হয় - অনুসূয়া তাৰ প্ৰতি দুৰ্বল হৈছে নে সি অনুসূয়াৰ প্ৰতি! তাইতো কোনোদিনেই তাক একো কোৱা নাই। তাৰ অৱচেতনত বাৰু অনুসূয়াৰ প্ৰতি কিবা আকৰ্ষণ আছে নেকি? নাই, ইয়াৰ কোনো উত্তৰ নাই তাৰ ওচৰত। লাহে লাহে অনুসূয়াই তাৰ লগত ঘনিষ্ঠতা বঢ়াই তোলে। আলোচনী প্ৰকাশ হৈ ওলোৱাৰ পিছতো অনুসূয়াই তাৰ লগত আগতকৈও বেছি ব্যস্ত হৈ পৰে, লগতে ব্যস্ত কৰি তোলে তাক। ব'লকনা, ডিষ্ট্ৰিক লাইব্ৰেৰীৰ পৰা আহো অলপ। দুখন কিতাপ চাবমিট কৰিবলগীয়া আছে। - হঠাৎ ধমহকৈ ক'ৰবাৰ পৰা আহি অনুসূয়াই তাক ক'ব।

ঃ অনুসূয়া, তুমিয়ে যোৱাগৈ নেকি! মোৰ তিনিবজাত এটা ক্লাছ আছে। - সি তাইক এৰাই চলিবলৈ কয়।

ঃ ঠিক আছে, তিনিবজাতহে ক্লাছ। আমি দুইবজাতে আহি পাম, কিমাননো দূৰ? - তাক জোৰ কৰি টানিয়ে লৈ যায় তাই। সি ইতস্ততঃ বোধ কৰে। কোনোদিন ছোৱালীৰ লগত একেলগে ঘূৰি পোৱা নাই, অট'ত উঠি পোৱা নাই। তাৰ

বাবে বাবে বাবুল দাইটিলৈ মন...
দাইটিক ফাঁকি দিব ধৰিছে নেকি...
তাৰ দুশ্চিন্তা বাঢ়ি যায়...
সময় সি কিতাপতে ডুবি থাকিব...
সন্দেহবোৰ সঁচা নেকি? প্ৰীতম...
তাক। সিহঁত এতিয়া সহজ...
আলোচনীখনৰ সম্পাদিকাৰ ক...
আলোচনীৰ ক্ষেত্ৰত অৰিন্দমে ক...
অকপটে প্ৰকাশ কৰি আলোচনী...
অৰিন্দম কাকতি বুলিহে স্বী...
প্ৰীতমহঁতে তাক কয় - বুদ্ধি...
প্ৰেমত পেলোৱাৰ এনে অদ্ভুত...
দেখিলো। বাহ্, কি সাংঘাতিক...
সি স্পষ্টীকৰণ দিয়ে...
প্ৰেমৰ সম্পৰ্ক নাই। কিন্তু সিহঁতে...
এনেয়ে যে এৰি দিব।
কেতিয়াবা অনুসূ...
নাথাকিলে ক'ব - অৰিন্দমদা বিৰ...
ব'লকচোন কিবা এটা খাই আ...
ঃ কিয়, তোমাৰহে ভোক লা...
আহাগৈ।
ঃ অকলে যাবলৈ কিবা তা...
- তাই আব্দাৰ ধৰে।
ঃ তাৰমানে মই স্পেয়াৰ পা...
ঋতুজনী আছে নহয়! তাইৰ...
সি সুৰুঙা বিচাৰি কয়।
ঃ কোনে ক'লে স্পেয়াৰ...
ছোৱালী অকলে ৰেষ্টুৰেণ্টত...
দেখায় জাননে?
ঃ তাৰমানে মই ডেক'ৰেচন...
হ'লে যাব নোৱাৰো দেই! - সি...
তাই পিছফালৰ পৰা টানি ধৰে...
অজুহাত দেখুৱায়। নাঃ তাই...
পৰে বিলাসী ৰেষ্টোৰাঁৰ তি...
অনুসূয়া আৰু অনুসূয়াৰ খুড়া...
সি অস্বস্তিবোধ কৰে। তথাপি...
নোৱাৰে।
অনুসূয়াই তাক আগ...





...প্ৰায়ে অনুসূয়াৰ খুড়াকৰ ছোৱালী ঋতু থাকে
...ৰ লগত। লাহে লাহে সি অনুসূয়াক বিশ্বাসত
...সি ভাবে তাই নিশ্চয় তাক প্ৰেমৰ প্ৰস্তাৱ
...য়। ভালেই হ'ল। সি ক্ৰমে অনুসূয়াৰ সঙ্গ
...ভাবে লয়। তথাপি তাৰ ভাব হয় অনুসূয়াই
...তাক ভাল পায়। এৰা সি জানো ভাল নাপায়,
...। সিওঁতো ভাল পাই পেলাইছে অনুসূয়াক।
...য় লাগে, সি যাতে ধৰা পৰি নাযায়। তাইতো
...াপাবও পাৰে অৰিন্দমৰ নিচিনা অভাৱগ্ৰস্ত
...টাক। হয়তো তাই বন্ধু হিচাপে ভাল পায়।
...েনেবাকৈ তাই তাৰ অভ্যন্তৰৰ কথা গম পাই
...ালি দিয়ে - ঠগ, প্ৰৱঞ্চক। ইমান নীচ তই।
... তই সন্মান জনাব নাজান! তোক মই ভাল
...জন বুলি ভাবি আছিলো আৰু তই তলে
...মান কপটীয়া মনৰ। তোক মই বন্ধুত্বৰ উচ্চ
...ত বহুৱালো আৰু তই তলে তলে ইমান কু-
...ৰি আছ? তোক মই ঘিণ কৰো, ঘিণ কৰো
...ই কেলেহুৱা স্বভাৱক।

নাই, সি কেতিয়াও অনুসূয়াৰ পৰা এনে
...ৰ আশা নকৰে। তাৰোপৰি তাই তাক
...ৰ অপমান নকৰিলেও তাই যদি কয়,"
...াক মই কেতিয়াও প্ৰেমিকৰ ৰূপত বিচৰা
...তিয়া? তেতিয়া জানো পুনৰ সিহঁত দুয়ো
...হ'ব পাৰিব, ঠিক আগৰ দৰে? নাই সি
...ও ধৰা দিব নোৱাৰে তাইৰ আগত। আনকি
...ই তাৰ ভালপোৱা গ্ৰহণো কৰে সি জানো
...দৰে লাহ-বিলাহত জীৱন কটাই অহা
...। এজনীক আৰ্থিক নিৰাৰত্তা দিব পাৰিব?
...তাইৰ মাক-দেউতাকেই জানো সিহঁতৰ
...প্ৰতিবন্ধকতাৰ সৃষ্টি নকৰিব? তেতিয়াওতো
...বিচ্ছেদ অৱশ্যম্ভাৱী। নাই, নালাগে তাক
...াচ্ছাদন। তাতকৈ এনেকৈয়ে ভাল, তাইৰ
...ন্ধুৰ দৰে সুখ-দুখৰ কথা পাতিব, তাই তাৰ
...ৰ কপি কৰি দিব, কবিতাৰ কথা পাতিব,
...ৰ কথা পাতিব, ফুৰিব, হাঁহিব, তাই প্ৰায়ে
...ব্দাৰ ধৰিব, সৰু সৰু কথাতেই কাজিয়া
...ি অভিমান ভাগিব, এতিয়াৰ দৰে, বচ্।
... বেছি আৰু একো নালাগে। ইয়াতকৈ
...চাৰি সি অনুসূয়াক একেবাৰে হেৰুৱাব
...। তথাপি সি জানো তাইক প্ৰকৃত বন্ধুৰ
...বহুৱাব পাৰিছে? ইমানখিনি জানিও সি
...টোক বুজাব নোৱাৰে বুজি নাপায়।

লাহে লাহে তাৰ পৰীক্ষা কাষ চাপে, তাৰ পঢ়াৰ পৰিমাণ বাঢ়ি যায়। মেজৰৰ নোট, ৰিডিং, ৰিভাইজন আদিৰ মাজত ডুব যায় সি। মাজে মাজে অনুসূয়া আহে। তাক সকিয়নি দিয়ে স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দিবলৈ, সময়মতে পঢ়ি সময়মতে শুবলৈ, পৰীক্ষাত ভাল ৰিজাল্ট এটা দেখুৱাবলৈ। সি বেঙাৰ দৰে চাই থাকে তাইৰ অভিব্যক্তিলৈ, মুগ্ধ হৈ। তাইৰ বাৰু এই কাৰ্যবোৰে তাৰ প্ৰতি কিবা দুৰ্বলতা সূচায় নেকি? সি ভাবি নাপায়।

সময়ান্তত তাৰ পৰীক্ষা শেষ হ'ল। তাৰ দুদিন পিছতে সি ঘৰলৈ যাবগৈ, ঘৰলৈ মানে বাবুল দাইটিৰ তালৈ। পৰীক্ষাৰ সময়ৰ কঠোৰ ব্যস্ততাৰ বাবে পিছৰ এই কৰ্মহীন দিনবোৰ তাৰ বাবে বেছ অশান্তিদায়ক হৈ পৰিছে। মানুহ যেতিয়া বোজা বৈ বৈ অভ্যস্ত হৈ পৰে, তেতিয়া জঠৰ হৈ বহি থাকিব লগাটোও এক প্ৰকাৰ শাস্তিবোধ হয়। গতানুগতিকতাই মানুহক এনে এক পৰ্যায়ত উপনীত কৰাই যে তাৰ সামান্যতম হীন-দেৰি হ'লেই সকলোবোৰ আঁভজা লাগে।

অৰিন্দমৰ সেই আঁভজা মুহূৰ্ততেই অনুসূয়া আহি তাক লৈ গ'ল ফুৰিবলৈ বুলি। আজি প্ৰীতমহঁতেও তাক জোৰকৈ লগ ধৰিছিল চিনেমালৈ যাবলৈ। পিছে চিনেমাৰ বন্ধ হলঘৰটোত সোমাই থাকিবলৈ তাৰহে কিবা ভাল নালাগিল। কিন্তু অনুসূয়াই তাক টানি আঁজুৰি লৈ গ'ল। নেহৰু পাৰ্কৰ খালী বেঞ্চ এখনত বহি পৰিল দুয়ো। অনুসূয়াই কৈ গৈছে বিভিন্ন কথা, তাৰ পৰীক্ষাৰ দিনকেইটাত তাইৰ কি কি ঘটনা ঘটিল, কি কৰিলে, ক'ত গ'ল ইত্যাদি। কিন্তু প্ৰয়োজনীয় কথাটোত সঁহাৰি দিয়াৰ বাদে সি একদম মৌন হৈ আছে। এৰা, মানুহৰ হৃদয় যেতিয়া কথাৰে ভৰি থাকে মুখেৰে কোনো ভাষা নোলায়। তাৰ বাঙ্ময় অভিব্যক্তিৰ ভিতৰত এনে কেতবোৰ বিষাদসিক্ত চিন্তাই ঢৌ খেলিছে যাৰ হয়তো শেষ নাই। কিজানি তাৰ আজিৰ এই বিদায়ে হ'ব পাৰে অনুসূয়াৰ সৈতে চিৰবিদায়। সি হয়তো স্নাতকোত্তৰ ডিগ্ৰী সমাপ্ত কৰি ব্যস্ত হৈ পৰিব তাৰ জীৱিকা নিৰূপনৰ জীৱনাৱৰ্তত আৰু অনুসূয়া....! তাইও হয়তো হৈ পৰিব কাৰোবাৰ পতিব্ৰতা গৃহিণী। সি বাৰু পিছলৈ কেতিয়াবা এনেদৰে লগ পাবনে তাইক। হয়তো পাব বা নাপাব। কিন্তু তেতিয়া বাৰু এইজনী অনুসূয়াই থাকিবনে তাইৰ মাজত। এৰা, সকলো ক্ষেত্ৰতে আবেগক প্ৰাধান্য দিয়াৰ পক্ষপাতী অন্ততঃ সি হ'ব নোৱাৰে। সেয়ে পিতৃপ্ৰদত্ত সামাজিক স্থিতি বা আৰ্থিক নিৰাপত্তাৰ অভাৱতে সি দিব নোৱাৰে অনুসূয়াক হৃদয়েৰে আপোন কৰি লোৱাৰ প্ৰস্তাৱ।

ঃ অৰিন্দম দা, পৰহিলৈতো ঘৰলৈয়ে যাবগৈ! আৰু কেতিয়া আহিব ইয়ালৈ?

ঃ হু! অ! জানো কেতিয়াকৈ বা অহা হয়? ৰিজাল্টৰ পিছতহে এইবোৰ ঠিক হ'ব। হয়তো নাহিবও পাৰো। - হঠাৎ সম্বিত ঘূৰাই পোৱা মানুহৰ দৰে ক'লে সি।

ঃ কিজানি হয়! আপোনাৰনো আছে কোন ইয়াত? পঢ়িবলৈ আহিছিল, পঢ়িলে, এতিয়া যাবগৈ। - তাইৰ কথাষাৰত এক তীব্ৰ বেদনামদিৰ আকৃতিৰ গোন্ধ পালে সি। কিন্তু সি স্পষ্টকৈ ধৰিব নোৱাৰে তাইৰ এই আকৃতিৰ অন্তৰালত প্ৰেমেইনে বন্ধুত্বৰ টান। সি তাইক কি উত্তৰ দিব লাগে ঠিৰাং কৰিব নোৱাৰে।

ঃ অনু! সন্ধিয়া লাগিবৰে হ'ল। যাওঁৱেইগৈ ব'লা।

ঃ যাবগৈয়ে? - তাইৰ কথাষাৰত এক কৰুণাৰ ব্যঞ্জনা ভাহি উঠিল।

ঃ অ'ই বুদ্ধিজীৱী, বাহিৰলৈ নাহ, অথচ প্ৰেয়সীৰ লগত বহি আছ? আৰে য়াৰ, তই কি আমাক ডেটিং থকা বুলি ক'লে আমি টানি আনিলোহেতেন নেকি? - হঠাৎ সুৰজিৎ, ভৃগু, দেৱাঞ্জনহঁতৰ লগত চিনেমা চাই আহি পাৰ্কত সোমোৱা প্ৰীতমে জোকালে অৰিন্দমক।

ঃ তহঁতে নুবুজ কিয় প্ৰীতম? তহঁতৰ কি অকণো বিশ্বাস নাই মোৰ ওপৰত। - অৰিন্দমে যথেষ্ট শান্ত স্বৰে ক'লে তাক।

ঃ হ'ব হ'ব, ইমান ক্লিয়েৰিফিকেচন দিব নালাগে বন্ধু। আমি বাৰু আঁতৰি দিওঁ অলপ। - তাক পুনৰ জোকাই প্ৰীতমহঁত আঁতৰি গ'ল।

ঃ অনুসূয়া ইহঁতে আমাৰ দুয়োৰে মাজত প্ৰেমৰ সম্পৰ্ক থকা বুলি কয়হে। ইমান অবুজ। - নিৰ্লিপ্ততাৰে কয় অৰিন্দমে।

ঃ কিন্তু কথাষাৰ জানো মিছা অৰিন্দমদা? - তাইৰ কণ্ঠত পূৰ্বৰ আকূতি।

ঃ চোৱা অনু, আমাৰ এই সম্পৰ্ক হয়তো প্ৰেমতকৈও বহু উচ্চ, বহু বেছি পৱিত্ৰ। কিন্তু এয়া প্ৰেম নহয়, হ'ব নোৱাৰে।

ঃ কিয় নোৱাৰে অৰিন্দমদা? আমি মুখেৰে প্ৰেম

নহয় বুলি যিমানেই নকওঁ কিয়, নিজৰ মনক জানো ফাঁকি দিব পাৰিম ? আমি মনক জানো বুজাব পাৰিম আমাৰ দুয়োৰে দুয়োৰো প্ৰতি প্ৰেম নাই বুলি ?

ঃ তুমি কি কৈছা অনু ? - অবিন্দমে উদ্মা মিহলি কণ্ঠেৰে কয়।

ঃ সঁচা অবিন্দমদা, আপোনাক বহুত আগতেই ক'ম বুলি ভাবিছিলো, কিন্তু সন্দেহ আছিল, যদিহে আপুনি মোক স্বীকাৰ নকৰে ! তেতিয়াতো আপুনি হেৰাই যাব মোৰ পৰা। তথাপি এটা আশা আছিল, আপোনাৰো হয়তো মোৰ প্ৰতি দুৰ্বলতা আছে। গতিকে আপুনি হ'লেও প্ৰকাশ কৰিব হৃদয়ৰ একান্ত কথাবোৰ। কিন্তু নকৰিলে। কিজানি মোক আপোনাৰ যোগ্য বুলি ভবাই নাই। আপোনাক আজি সকলো কথা কোৱাৰ মানসেৰেই ইয়ালৈ আনিছিলো। আজি যদি আপোনাক কথাবোৰ কওঁ আপুনি সম্মতি নিদিলেও আঁতৰি যাবই আৰু মই কথাবোৰ নজনালেও আঁতৰি যাব। গতিকে যাবগৈয়ে যেতিয়া কথাবোৰ অব্যক্ত কৰি ছটফটাই থকাৰ প্ৰয়োজনেই বা ক'ত ? তথাপি অবিন্দমদা কওঁক, মোক আপুনি এবাৰো প্ৰেয়সীৰ আসনত বহুৱাই চোৱা নাছিল ? - আচৰিত হয় অবিন্দম মানুহক যে পৰিস্থিতিয়ে কেনেকুৱা স্থিতি ল'বলৈ বাধ্য নকৰায়।

ঃ বহুৱাইছো অনু। এবাৰ নহয়, সদায়। তোমাৰ আগত যিমানেই ভাল বন্ধুৰ ভাওঁ নিদিওঁ কিয়, মই সদায় নিজৰ আগত ভূ-লুণ্ঠিত হওঁ। কিন্তু আমাৰ এই সম্পৰ্কৰ কোনো মূল্য নাই, কাৰণ সামাজিক স্থিতিৰে ই অসম্ভৱ। - আবেগলব্ধ স্বৰেৰে কৈ পেলাই অবিন্দমে।

ঃ কিয় অসম্ভৱ ? - সন্ত্ৰস্ত হৈ উঠে অনুসূয়া।

সি কৈ যায় তাৰ সামাজিক স্থিতিৰ কথা। শোচনীয় আৰ্থিক অৱস্থাৰ কথা, নিবালম্ব জীৱনৰ কথা, বুজাই দিয়ে তাইক তাইৰ মাক-দেউতাকে কিয় স্বীকৃতি নিদিব তাহাঁতৰ প্ৰেমক। তথাপি তাই নামানে। অবিন্দমৰো তাইৰ প্ৰতি থকা প্ৰেমৰ কথা গম পাই তাই সকলো বাধা অতিক্ৰম কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। মাক-দেউতাকৰ সম্মতিৰ দায়িত্বও মূৰ পাতি লয় তাই। অগত্যা মাক-দেউতাকে সন্মতি নিদিলেও তাৰ সংস্থাপন এটা হ'লেই তাই গুচি আহিব তাৰ ওচৰলৈ। তাইৰ মতে যুগ্মজীৱনেই তাইৰ জীৱনৰ মূল লক্ষ্য নহয় যদিও তাই যে এৰি থাকিব নোৱাৰে তাক।

দুয়ো ওলাই আহে পাৰ্কৰ পৰা। অবিন্দমৰ হাত এখন সাৱটি ধৰে তাই। অবিন্দমৰ সম্মতি পোৱাত তাই যেন পৃথিৱীৰ আটাইতকৈ সুখী ব্যক্তি।

ঃ অবিন্দমদা মই কিন্তু আপোনাক আৰু আপুনি বুলি নহয়, 'তুমি' বুলিহে মাতিম, হ'বনে ?

ঃ হ'ব দিয়া। - এবা, এই ছোৱালীজনীয়ে তাৰ আগত আজিলৈকে ইমান বয়সীয়াল ছোৱালীৰ দৰে ব্যৱহাৰ কৰি আছিল, অথচ কেইটামান মুহূৰ্তৰ আগৰ পৰাই কিমান সৰু ছোৱালীৰ দৰে হৈ পৰিছে। এয়া তাৰ মৰমৰ আশ্বাসত নে অন্য কিবাত সি নাজানে। তথাপি এক অহেতুক ভয়ে হেঁচি ধৰে তাক। সি বাৰু হেৰুৱাব নেকি তাৰ প্ৰেমক !

নিৰ্দিষ্ট দিনা অবিন্দম ঘৰলৈ যাবলৈ ওলায়। অনুসূয়াই আগবঢ়াই দিয়ে তাক বাছ-আস্থানলৈ বুলি। তাইৰ চকুত আজি দুদিন আগৰ চঞ্চলতা নাই, হয়তো আছে বিৰহৰ বেদনা। তাই আজি তাৰ চকুলৈ চাব পৰা নাই।

ঃ তুমি মোক পাহৰি যাবা নেকি অবিন্দম ? - থোকাথুকি মাতেৰে সোধে তাই।

ঃ ধেৎ আঁকৰী, কেনেকৈ পাহৰিম ? কেইটামান দিনহে মাথো। ইমানদিন দেখো তোমালোকৰ ওচৰতে থাকিলো। দাইটিৰ ওচৰতো দুদিন থাকো। দাইটিৰ জানো বেয়া নালাগিব ? আহিম নহয় মই সোনকালে।

ঃ মই কিন্তু বৈ থাকিম তোমালৈ। - তাৰ দুগালত প্ৰেমসিক্ত ওঁঠৰ ছাপ দি কৈছিল তাই।

ইতিমধ্যে গাড়ীৰ সময় হোৱাত অবিন্দম উঠি গ'ল। গাড়ী চলিল। খিৰিকিৰে মাথো কঁপি কঁপি ওলাই থাকিল এখন ব্যাকুল হাত, বাহিৰৰ আকুল হাতখনক সঁহাৰি দি।

******

পৰীক্ষাৰ খবৰ ওলোৱাত বিশ্ববিদ্যালয়ত নামভৰ্ত্তি কৰাই সি। অনুসূয়াৰ সৈতে গাঁৱৰ পৰা গাঁৱতৰ হয় তাৰ সম্পৰ্ক। তাই হৈ পৰে তাৰ পথ প্ৰদৰ্শক, গাইড। ইতিমধ্যে তাহাঁতৰ সম্পৰ্কৰ কথা অনুসূয়াৰ ঘৰত গম পাই তাইক তাৰ পৰা আঁতৰাই ৰখাৰ চেষ্টা চলে। কিন্তু ঘৰত তাইৰ ওপৰত অকথ্য অত্যাচাৰ চলে। তাই সকলো সহি যায়। অবিন্দমৰ ওপৰতো সকলো যত্ন। পায় বেতৰ ক'লা দাগ। সি তাৰ সঙ্গ এৰি যাবলৈ ... তাইৰ পিঠিত দেখা

কয় তাইক। তাই সজোৰে হাত... বেষ্টোবাঁৰ কাঁচৰ গিলাচত। বক্তাক্ত... হাত।

ঃ পৃথিৱীৰ সকলো সম্পৰ্ক... কথাতেই এৰি দিয়া সম্ভৱ নহয়... মাৰি পেলোৱা মোক। - বাউলী... বুজি পায় তাইৰ নিৰ্ভেজাল আবে... সি পঢ়াত ব্যস্ত হৈ পৰে। এবা, ... সোনকালে কিবা এটা কৰিব লাগি...

******

ঃ অবিন্দম খুব টোপনি যাব... চোৱাচোন কেনেকৈ খীণাই গৈছ... সোমাই পৰা মুখখন দেখি কয় ত...

ঃ এবা, তোমাৰ বাবেইতো ই... তোমাৰ বাবে সকলো কষ্টই সহি... আবেগিক হৈ কয় সি।

ঃ কিন্তু মই কেটেঙা এটাৰ ... দেই। - তাই জোকায় তাক। - ... যত্ন লোৱাচোন। কোৰ্চৰ কিতা... আৰু বাহিৰা কিতাপমখাকে ইমা... লাগেনে ? হ'ব দিয়া, মোৰ হা... নহ'লেও চলিব নহয়। আৰু এতি... আশংকাত ইমান টেন্‌শ্যন ল'ব...

ঃ কিয় মোৰ সোনকালে ব... তোমাক যদি বিয়া দি দিয়ে, ... তোমাৰ মা মোৰ ওপৰত একে... ঃ সঁচা ! মা জনীক মই দেখি... বেয়াকৈ কয় তোমাৰ কথা। হ'... সোনকালে বিয়া নিদিয়ে দিয়া। ... পাঁচ বছৰ থাকিব পাৰিম। তেতি... কিবা এটা হ'বই। মুঠতে কাইতে... সংস্থাপন এটা হয় পৰহিলে ... উলিয়ালেও কোনো চিন্তা নাই... মই গুচি আহিম তোমাৰ ওচৰ...

ঃ উৱা, তাৰমানে পলাবা ? ... ল'ৰা-ছোৱালীয়ে যদি তোমা... মাতে, তেতিয়া ? - সি জোকা...

ঃ ল'ৰা-ছোৱালী আকৌ ... নহওঁ নহয়। তুমিয়ে দেখো ... উদ্দেশ্য বিবাহ নহয়, ... নহ'বলৈহে আমি বিয়া হ'ব লাগি...





...। বিয়া নোহোৱাকৈ প্ৰেমকেই কৰি থাকিম। ...যাৰজ্জীৱন প্ৰেমিকা যেতিয়া ভৰণ-পোষণৰ ... তোমাৰ। - তাই ধেমালীৰে প্ৰত্যুত্তৰ দিয়ে।

সঁচা, অনুজনী যে তাৰ সঙ্গত কিমান ...হৈ পৰে। অথচ ঘৰত চাগে তাই কেনেকৈ ...সময়বোৰ ! তাৰ দুখ লাগে তাইলৈ। কিমান ... তাইৰ তাক লৈ, কিমান কল্পনা ! তাইৰ ক্লাছ ...লে প্ৰায়ে তাৰ লগত ফুৰে, ধেমালি কৰে। ...হৈ পৰে তাৰ দিনবোৰ। তাৰ প্ৰিভিয়াছ ...ৰ দুমাহমান আগত এদিন অনুসূয়াই তাক ... তাৰ ৰূম পালে। তাৰ পৰীক্ষা সমাগত দেখি ...ৰাতি একাকাৰ কৰি পঢ়িছে এইকেইদিন। ...খতি কৰি পঢ়োতে ৰাতি প্ৰায়ে চিগাৰেট ...। তাই আহিয়ে তাৰ এছ্ ট্ৰেত থকা ...ৰ আধাপোৰা টুকুৰাবোৰ দেখি কি যে ৰূপ ...। তাই কান্দি-কাটি বাউলী হৈ পৰিল।

...মি চিগাৰেট খোৱা ? মনে মনে চাগে মদো ...হয় ? তুমি খুউব বেয়া ল'ৰা। মই অকণো ...পাওঁ তোমাক। - তাই একেবাৰে কান্দি ...অস্থিৰ হৈ পৰিল। সি কোনোমতে সান্ত্বনা ...ৱাৰে তাইক। তাই মৰিয়াবলৈ ধৰে তাক। ...সাপা চিগাৰেট খাইছা, তোমাৰ যদি কিবা ... মই কি কৰিম ? মাৰি পেলোৱা মোক। ...ৰি পেলোৱা তুমি। সেইদিনাই সি আৰু ...লৈকে চিগাৰেট নাখাওঁ বুলি দঢ়াই দঢ়াই ...ইহে শান্ত কৰিলে তাইক। কি অদ্ভুত ...! তাৰ কিবা অমঙ্গল হয় বুলি কিমান চিন্তা ...তাৰ মৰম লাগি যায় তাইৰ সৰলতাত। সি ...হয় - কি আকৰ্ষণ আছে প্ৰেমত ! যাৰ ...জনী সদ্যগাভৰুৱে এজন সদ্যযুৱকৰ বুকুত ...ঃসঙ্কোচে কৈ পেলাব পাৰে হৃদয়ৰ গুপুত ...ক্ৰজ্ঞান কৰিব পাৰে নিজৰ মাকক - ...ৰ বিৰুদ্ধাচৰণ কৰিলে ! সি মুগ্ধ হৈ যায়।

******

...! ধেমালি এৰাচোন। ক'ত আছে অনু ? ...ৰাধৰ সুৰেৰে কয়।

...। অবিন্দমদা, ঘৰৰ মানুহে তাইৰ বিয়া ...ছে। ল'ৰাজন ভাল হেনো, তাতে যথেষ্ট ...! তাৰমানে অনুৰেও মত দিছে বিয়াত ! ...হৈ কয় সি।

ঃ তাইৰ উপায় নাছিল অবিন্দমদা। তাইক ক্ষমা কৰি দিবলৈ কৈছে আপোনাক।

ঃ হুঃ ! মই কিয় ক্ষমা কৰিব লাগে ? কাৰোবাৰ দুৰ্বলতাক লৈ হেঁতালি খেলি ক্ষমা খুজিলেই সকলো শেষ হৈ যাব নেকি ? তাইতো মোক দিয়া সময়ৰ ম্যাদ এতিয়াও উকলা নাই। আৰু এটা বছৰৰ ভিতৰত মই নিশ্চয় কিবা এটা কৰিব পাৰিম। তাতে তাইৰো পৰীক্ষাৰ ফলাফল ওলোৱাই নাই। তাই কিয় সম্মতি দিলে ? তাৰোপৰি প্ৰথমতেইতো মই তাইক সকলো বুজাই কৈছিলো, তেন্তে এতিয়া ? নে মোৰ লগত কটোৱা সেই মুহূৰ্তবোৰ তাইৰ সাময়িক আবেগৰ উচ্ছ্বাস আছিল ? মই তাইক এবাৰ লগ পাব বিচাৰো ঋতু ! মাথো এবাৰ। - উদ্‌ভ্ৰান্ত মানুহৰ দৰেই কয় সি।

ঃ নাই অবিন্দমদা, তাই আপোনাক লগ কৰিব নোৱাৰে। আৰু আপোনাকো অনুৰোধ কৰিছে যদিহে আপুনি তাইক ভাল পাইছিল তাইৰ ভৱিষ্যতৰ কথা ভাবি যাতে তাইক বিচাৰি তাইৰ ঘৰলৈ নাযায়। - ক্ৰন্দনসিক্ত স্বৰেৰে কৈ যায় ঋতুৱে।

ঃ তাই কি মোক স্পষ্টীকৰণৰ এটা সুযোগো দিব নিবিচাৰে ? - কাতৰ হৈ কয় সি।

ঃ ঋতুৱে চেষ্টা কৰাৰ প্ৰতিশ্ৰুতি দিয়ে - মাথো এবাৰ দুয়োকে লগ কৰাই দিয়াৰ।

কিন্তু সকলো বৃথা। অনুসূয়াক সি লগ নাপালে। অবিন্দমৰ ভৰিৰ তলুৱাৰ ভূ-ভাগ এবাই যোৱা যেন অনুভৱ হ'ল।

স্নাতকোত্তৰ শেষান্ত পৰীক্ষাৰ কিছুদিন আগৰ পৰাই তাই তাৰ পঢ়াত অসুবিধা হ'ব বুলি লগ কৰা নাছিল। কিন্তু পৰীক্ষা শেষ হোৱাৰ এসপ্তাহ পিছতো যেতিয়া অনুসূয়াই তাক লগ কৰিবলৈ নাহিল সি নিশ্চয়কৈ তাইৰ অসুখ-বিসুখ হোৱা বুলি ভাবিছিল। কিন্তু বহু যত্নৰে যেতিয়া ঋতুক লগ ধৰি তাইৰ পৰা অনুসূয়াৰ বিয়াৰ বতৰা পালে তাৰ আৰু ধৈৰ্য ধৰাৰ থল নাথাকিল। উদ্বাউল হৈ কোনোদিনে মদ চুই নোপোৱা অবিন্দমে বাৰত মাত্ৰাধিক মদ খাই ৰাস্তাত পৰি ৰ'ল। তাৰ বন্ধু বণিজেহে তাক দাঙি আনি তাৰ ভাৰাঘৰত শুৱাই থৈ গ'ল। বণিজে সকলো জানিছিল কিন্তু তাৰো একো কৰাৰ সামৰ্থ নাছিল। মাথো তাক ধৈৰ্য ধৰিবলৈ প্ৰবোধ দিছিল। সেই সময়তে বাবুল দাইটিৰ মৃত্যুৱে তাৰ সকলো সম্বল

শেষ কৰি পেলালে। বাবুল দাইটিৰ সকামৰ পিছত তাৰ ঘৰ-মাটি সকলো ৰাজহুৱা অনুষ্ঠানলৈ দান দি সি গুচি আহিল অঘৰী হৈ। ইতিমধ্যে স্নাতকোত্তৰ পৰীক্ষাৰ ফলাফলে তাৰ হাতত সফলতাৰ চাবিকাঠি তুলি দিছিল। কিন্তু একোৱেই তাক উৎফুল্লিত কৰিব নোৱাৰিলে। স্মৃতি বিজড়িত চহৰখন এৰি সি ঢাপলি মেলিলে কলকাতাৰ মাহীৰ ঘৰলৈ। তাতে ইদুলক পাই আনিলে তাৰ সঙ্গী কৰি। তাৰ পিছত ভুৱনেশ্বৰত চাকৰি কৰি থকা বণিজে তাক মতাই নি সুমুৱাই দিলে গোপালপুৰ কলেজত অধ্যাপকৰ পদত। তাৰ কোনো ইচ্ছা নাছিল চাকৰি বাকৰি কৰি প্ৰতিষ্ঠিত হ'বলৈ। প্ৰতিষ্ঠিত হৈয়ে বা লাভ কি ? তাৰ প্ৰয়োজনেই বা কি ? জীৱন বুলিবলৈ আছে মাথো কেতবোৰ ঘূণে ধৰা স্মৃতি। তাৰ একালৰ প্ৰিয় অসমত সি এতিয়া মুক্ত উশাহ অকণ ল'ব নোৱাৰে। প্ৰতিটো বস্তুৱেই যেন তাক উপহাস কৰে। এবা, ক'ৰপৰা কেনেকৈ আহি যে সি ইমানখিনি পালে।

এই সুদীৰ্ঘ ছয়বছৰ সি নিৰ্জন দ্বীপত থকাৰ দৰে চিনাকী চকুবোৰৰ পৰা আঁতৰি ফুৰিছে। সি হজম কৰিব নোৱাৰে সেই স্মৃতিৰ যন্ত্ৰণা। সি বুজি নাপায়, তাৰ ভুল ক'ত আছিল যে অনুসূয়াই তাক এৰি গ'ল। অনুসূয়াৰ সেই প্ৰকাশ্য অনুভূতিবোৰ তাৰ সৈতে কৰা খেলনা সামগ্ৰীৰে প্ৰতিভূ আছিল নেকি ? তাই তাক এবাৰো সাক্ষাতৰ সুযোগ নিদিয়াৰ কাৰণ তাৰ তাইলৈ থকা অপ্ৰতিহত প্ৰেমৰ প্ৰতি ভয় নে তাৰ যুক্তিবাদৰ পৰা পলায়নৰ সুযোগ গ্ৰহণ, সি ভাবি নাপায়। তাৰ খং উঠে অনুসূয়াৰ প্ৰতি, যিণাই তাইৰ মিথ্যা প্ৰতিশ্ৰুতিক। কিমান নীচ তাই। তথাপি সি ভাল পায় সেইজনী অনুসূয়াক, এতিয়াও, যিজনীয়ে তাক এসময়ত নিষ্পাপ সান্নিধ্যৰ সংগদানেৰে উজ্জীৱিত কৰিছিল, আগুৱাই যাবলৈ।

হঠাৎ ইদুলৰ মাতত সি সম্বিত ঘূৰাই পোৱাৰ দৰে হ'ল। এবা, ইদুল আহি পালে কলেজৰ পৰা অথচ ইমান সময়ে সি তাৰ অতীত স্মৃতিত ডুবি আছে। তাৰ নিয়ন্ত্ৰণবিহীন মনটোৰ ওপৰতে প্ৰচণ্ড আক্ৰোশ হ'ল।

******

ঃ মিত্ৰ আংকল, অসমখন ইমান ধুনীয়া, ইমান ভাল। আমাৰ পাপাক ক'বাচোন আমি অসমতে থাকিম। - গুৱাহাটীৰ পৰা বণিজহঁত অহাৰ পৰাই

নিৰ্মি অসমৰ প্ৰশংসাত একদম পঞ্চমুখ। হয়তো প্ৰত্যেকৰে তেজত নিজৰ মাতৃভূমিলৈ এক অবুজ আকৰ্ষণ থাকে।

ঃ আৰু কি কি চালা অসমত?

ঃ আমি ফ্লাডত নাৱত উঠিলো। ধাননি পথাৰ দেখিলো আৰু বহুত দেখিলো। তুমি এবাৰ অসমলৈ যাবাচোন, আহিবৰে মন নাযাব। - উৎফুল্লিত হৈ কয় নিৰ্মিয়ে।

যান্ত্ৰিক উন্নতি যিমানেই হয় কৃত্ৰিমতাও সিমানেই বৃদ্ধি পায়। ভুৱনেশ্বৰৰ যান্ত্ৰিকতাতকৈ চাগে অসম এতিয়াও প্ৰাকৃতিক ৰূপেৰে ৰূপৱতী হৈ আছে। কিন্তু নিৰ্মিৰ উৎফুল্লতাই জানো নিশ্চিহ্ন কৰিব পাৰিব তাৰ বিষময় অতীতৰ কালিমা!

বণিজৰ ঘৰত বেছ কিছুসময় কটাই সি তাৰ ৰুমলৈ আহিল। অসমলৈ যাবলৈ তাৰ প্ৰবল ধাউতি হয়, কিন্তু সি যাব নোৱাৰে। সকলো পৰা অতি আপোন ঠাইখনে তাক যে কিদৰে প্ৰতাৰণা নকৰিলে। এসময়ত অসমৰ প্ৰাকৃতিক পৰিবেশক মূল হিচাপে লৈয়ে কিমান গল্প, কবিতা লিখিছিল। অনুসূয়াৰ সৈতে বিচ্ছিন্ন হোৱাৰ পিছৰে পৰা তাৰ সকলো সৃষ্টিশীল কৰ্ম স্থবিৰ হৈ গ'ল। এসময়ত মাজনিশালৈ কবিতাৰ ৰাগীত ডুবি থকা অবিন্দম এতিয়া সুৰাৰ বেষ্টনীত মগ্ন হৈ থাকে। ইয়াৰ বাহিৰে তাৰ আৰু অন্য উপায় যে নাই।

বণিজৰ ঘৰৰ পৰা অহা আজি এসপ্তাহে হ'ল, সি আৰু যোৱা নাই। সিদিনাৰ পৰা কিছুমান আচহুৱা কথা ভাবি আছে সি। বণিজে লগ পাইছিল ঋতুক। তাই এতিয়া মুম্বাইৰ আন্তৰ্জাতিক কোম্পানী এটাত উচ্চপদস্থ বিষয়া। গুৱাহাটীত কিবা কামত আহোতে লগালগি হ'ল দুয়ো। অবিন্দম ভুৱনেশ্বৰত থকা গম পাই তাক যি কোনো প্ৰকাৰে লগ পোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। অবিন্দমৰ সন্দেহ হয় - তাই কিয় যেনে তেনে লগ পাব বিচাৰে তাক। নে তাইৰ কিবা কু-অভিসন্ধি আছিল অনু আৰু তাক লৈ। তাই বাৰু মিছাকৈয়ে দুয়োকে ভুল বুজাবুজিৰ দ্বাৰা আঁতৰাই পঠিয়ালে নেকি? যদি কিবা কু-অভিসন্ধি আছিলো এতিয়া জানো সেয়া তাই নাইকিয়া কৰিব পাৰিব? চিন্তিত হৈ পৰে অবিন্দম।

পিছদিনাই অবিন্দমে স্পীডপোষ্টত অহা চিঠি এখন পালে। ঋতুৰ চিঠি। যিমান সোনকালে পাৰে সিমান সোনকালে মাতিছে তাক। খুউব জৰুৰী কথা। লগতে তাইৰ ফোন নম্বৰ আৰু ঠিকনা - গালভাংকাৰ এপাৰ্টমেণ্ট, আম্বেদকাৰ ৰোড, থাৰ্ড বাইলেন, পাৰেল, মুম্বাই।

> মোৰেই ভুল সকলোকে সহজ বিশ্বাসত লোৱাটো। সেয়ে সুবিধাবাদী অনুৰেও ঠগিলে। তাই নিশ্চয়কৈ মোৰ পৰা নামী দামী পাৰিবাৰিক স্থিতি এটা নোপোৱাৰ কথাটো জানিছিল। ফলত সুবিধা পাই আঁতৰি গ'ল।....আৰু তাইৰ প্ৰেম? কি যে তুলনা নকৰিলে তাই মোৰ লগত কলেজীয়া ৰোমান্সৰ মোহতেই তাই হয়তো মোৰ লগত উপৰুৱাকৈ অলপ একাত্ম হোৱাৰ অভিনয় কৰিলে। বাঃ, কি নিখুঁত অভিনয় আৰু মই হাঃ ময়ো মুগ্ধ হৈ গ'লো তাইৰ অভিনয়ত। ধৰিবই নোৱাৰিলো ৰিয়েলিটি আৰু অভিনয়ৰ তফাৎ।

হঠাৎ তাৰ মাজেদি এক তীব্ৰ বিদ্যুত সোঁত বৈ যোৱা যেন লাগিল। কিবা এক অবুজ আকৰ্ষণ নে তাগিদাত সি পিছদিনাই কলেজৰ ছুটী লৈ ৰে'লেৰে মুম্বাইলৈ বুলি যাত্ৰা কৰিলে। এয়াৰ কণ্ডিছণ্ড এক্সপ্ৰেছ ৰে'লৰ যাত্ৰা স্বত্বেও তাৰ এই সুদীৰ্ঘ যাত্ৰাটো এক যন্ত্ৰণাময় যুগ যেন ভাব হ'ল, একমাত্ৰ মানসিক অশান্তিৰ বাবে।

ঋতুৰ জৰুৰী কথাটো কি হ'ব পাৰে বাৰু! সি ভগৱানক প্ৰাৰ্থনা জনালে কথাটোৰ প্ৰসঙ্গত যাতে অনুসূয়া নাথাকে। যথা সময়ত ৰে'ল দাদৰ ষ্টেচনত ৰ'ল। অবিন্দমে চিধা ঋতুৰ ফ্লেটত নুঠি পাৰেলৰ আম্বেদকাৰ ৰোডৰ ওচৰতে থকা হোটেল এখনত উঠিল। যথেষ্ট ক্লান্তিকৰ যাত্ৰাৰ অন্তত সি গা-পা ধুই ঋতুলৈ এটা ফোন কৰিলে। কিন্তু ঋতুক নাপাই তাইৰ কামকৰা ছোৱালীজনীক তাৰ হোটেলৰ কম নম্বৰটো দিলে।

বিছনাত এনেয়ে বাগৰি সি চিগাৰেট এটা জ্বলাই ল'লে। নাভাবো বুলিও সি অনুসূয়াৰ কথাকেই ভাবিলে - ক'ত বা আছে তাই, কে গিৰীয়েকে মৰম কৰেনে তাইক, নে ম কৰে...

হঠাৎ কলিং বেলটো দুৱাৰখন খুলি ছোৱালীজনী দেখি সন্দেহবশতঃ সুধিলে - ঋতু?

ঃ অবিন্দমদা? - তায়ো আচৰিত হ পৰিবৰ্তন দেখি। সুদীৰ্ঘ সাত বছৰ সলনি হৈছে সি। আগৰ সপ্ৰতি তুলনাত বৰ্তমানৰ অবিন্দম কিমান মুখৰ যন্ত্ৰণাকাতৰ ৰেখাবোৰে পৰাজিত সৈনিকলৈ ৰূপান্তৰিত কৰি পূৰ্বোদ্যম।

যথাৰীতি বাৰ্তালাপৰ পি সুধিলে ঋতুক -

ঃ কোৱাচোন ইমান কি জৰুৰী যে ইয়ালৈ মতাই আনিলা?

ঃ অনুবাৰ কথা নোসোধে?

ঃ জানি কিবা লাভ আছে জা বাবে জীৱন উপন্যাসৰ এটা যন্ত্ৰণা মই পাহৰি থাকিব খোজো।

ঃ কিন্তু পাহৰিব পাৰিছে জা

ঃ অনুক বহুত বিচাৰিছিলো ম বেছি!! গতিকে হেৰাই গ'ল নোৱাৰিলেও পাহৰাৰ চেষ্টা কৰি

ঃ কিন্তু আপুনি যদি জানিলে আপোনাক কিমান ভাল পাইছিল কিমান ভালপায়! - স্বগতোক্তিৰ

ঃ হুঃ অনুৰ ভালপোৱা, তা মোৰেই ভুল সকলোকে সহজ বি সেয়ে সুবিধাবাদী অনুৰেও ঠগিলে মোৰ পৰা নামী দামী পাৰিবা নোপোৱাৰ কথাটো জানিছিল। আঁতৰি গ'ল।.... আৰু তাইৰ প্ৰে নকৰিলে তাই মোৰ লগত ক মোহতেই তাই হয়তো মোৰ অলপ একাত্ম হোৱাৰ অভি নিখুঁত অভিনয়! আৰু মই হাঃ তাইৰ অভিনয়ত। ধৰিবই নো আৰু অভিনয়ৰ তফাৎ। কি যে বিতৃষ্ণা ফুটি উঠে অবিন্দমৰ মু

ঃ নহয় অবিন্দমদা, তাইৰ





আপোনাৰ পৰা তাই আঁতৰি আহিছিল নাক নিজতকৈও বেছি ভাল পোৱা বাবে। তাইৰ যন্ত্ৰণাময় জীৱনৰ সন্ধান দি আপোনাৰ লৈ বিষাদৰ ফাকুগুৰি ছটিওৱাৰ ইচ্ছা তাইৰ। তাইও হয়তো জানিছিল তাইৰ প্ৰতি থকা নাৰ প্ৰেমৰ নিষ্কলুষতা। সেয়ে মোকো শপত ছিল ময়ো যাতে আপোনাক এই বিষয়ে নকওঁ। তাইৰ ভাব হৈছিল - তাই আপোনাৰ আঁতৰি যোৱাৰ পিছত আপুনি নিশ্চয় সুখেৰে টো অতিবাহিত কৰিব। সেয়ে মোৰ হতুৱাই কয়ে তাইৰ বিয়া ঠিক কৰা বুলি আপোনাক হৈছিল।

ঋতু, তেতিয়াহ'লে কি অনুৰ সঁচাকৈয়ে বিয়া হোৱা নাছিল? - আশ্চৰ্যচকিত হৈ উঠে ম।

নাই অবিন্দমদা। ডাক্তৰৰ সন্দেহত তাই নাৰ ফাইনেল পৰীক্ষাৰ সময়তে মুম্বাইলৈ আপৰ বাবে আহিছিল। কথাটো সঁচা দা, তাইৰ ব্লাড কেন্সাৰ আৰম্ভ হৈছিল। - উঠিল ঋতু। আৰু অবিন্দম....! তাৰ তলৰ খন যেন ওলোটাকৈ ঘূৰিব ধৰিছে।

.....আৰু তেতিয়াই আপোনাৰ গত যাতনাৰ বিষবাষ্প নিদিয়াৰ মানসেৰে অহাৰ সিদ্ধান্ত লৈছিল। আপোনাক তাইৰ ত মই মিছা কথাখিনি কৈ অহাৰ পিছত যি বিষাদময় অভিব্যক্তি তাক দেখিলেই বুজিলেহেতেন তাই আপোনাক কিমান হৈছিল। তেতিয়াৰ পৰা আজি সুদীৰ্ঘ সাত ক্তৰৰ যৎপৰোনাস্তি চিকিৎসাত তাই বাছি কিন্তু এতিয়া আৰু সময় নাই। লাষ্ট ষ্টেজ। হূৰ্তত কি হয় ঈশ্বৰেহে জানে। তাই ক লগ পাব বিচাৰে অবিন্দমদা, প্ৰায়ে ৰ কথা কয়।...আৰু বণিজদাৰ মুখত ৰ জীৱনৰ কথাবোৰ শুনাৰ পিছত মই তাইক ক'লো তেতিয়াৰ পৰাই তাই ক লগ পাবলৈ উদ্‌ভ্ৰান্ত হৈ পৰিছে।

অবিন্দমৰ ধৈৰ্যৰ বান্ধ ছিগি গ'ল। ন সি নিষ্পাপ অনুজনীক কিমান যে ধিক্কাৰ ছে। তাইৰ পবিত্ৰ প্ৰেমক কিমান যে নকৰিছে। ঋতুৰ লগত সি টাটা কেন্সাৰ লৈ বাট পোনালে।

নিৰ্দিষ্ট কেবিনটোত সোমাই সি যিজনী মানুহক দেখিলে, তাৰ সন্দেহ হ'ল - এইজনীয়ে সেই অনুনে যাক অবিন্দমে প্ৰাণতকৈও বেছি ভাল পাইছিল। কোটৰগত নিস্তেজ চকুহাল তাক দেখি যেন খন্তেকতে জিলিকি উঠিল। দুগালেদি দুধাৰি লোতক। সি বিছনাখনৰ কাষতে বহিল। কেমোথেৰাপিৰ অত্যাচাৰত তাইৰ মূৰৰ দীঘল চুলিবোৰ বখলা-বখলে উঠি গৈছে। অথচ সেই চুলিখিনিক সি কিমান প্ৰশংসা কৰিছিল। অধৈৰ্য হৈ পৰিল সি - কোৱা অনু, তোমাৰ বিপদসংকুল অৱস্থাত মোক কিয় অকণমান কাষত থাকি এবাৰ শুশ্ৰূষা কৰাৰ সুযোগ নিদিলা? বেছ মহীয়ান হৈ দেখুৱালা তুমি! কিয় ইমান ভাল পাইছিলা মোক? নিজে ইমান যন্ত্ৰণাত ভূগি থাকি মাথো মই অকণমান অশান্তি পাওঁ বুলি মোক নিৰ্মমভাৱে আঁতৰাই পঠিয়ালা মোক? মই কি পাপ কৰিছিলো যে মোক ইমান শাস্তি দিলা?

তৎক্ষণাত অনুসূয়াই দুৰ্বল হাতখনেৰে তাৰ হাতখনত খামুচি ধৰি সেহাই সেহাই ক'লে যে সি পাপী নহয়, সি তাইৰ বাবে ভগবান।

ঃ হুঃ ভগবান! যদি সি তাইৰ ভগৱানেই তেন্তে এতিয়া সি কিয়েইবা কৰিব পাৰে! আৰু সিহঁত দুয়োৰে বাবে সিহঁতৰ ভগৱানেই বা কি কৰিলে! মাথো চৰম শাস্তিৰে আঁতৰাই পেলালে দুয়োকে। - তাৰ চৰম বিষোদগাৰ ফুটি উঠিল ভগৱানৰ প্ৰতি।

ঃ অবিন্দম, প্লিজ, মোৰ শেষ ইচ্ছা - দুৰ্বল হাত এখনেৰে সৰু পেকেট এটা তালৈ আগবঢ়াই দি উচুপি উঠিল তাই। - মই হয়তো তোমাৰ যোগ্যই নাছিলো...সেয়ে ভগৱানেই.....

তাই পেকেটটোৰে কি বুজাব খুজিছে অবিন্দমে একো বুজিব নোৱাৰি ঋতুলৈ চালে। - আপোনাক মই লগ পোৱাৰ কথা তাইক কোৱাৰ পৰাই মোৰ হতুৱাই সেই সেন্দুৰৰ টেমাটো অনাই সাঁচি ৰাখিছে অবিন্দমদা। - ঋতুৱে ক'লে। সি অনুৰ চকুলৈ চালে, তাইৰ চকুত হেজাৰ আকুতি, হেজাৰ প্ৰাৰ্থনা। যন্ত্ৰৱৎ সি আঙুলিটো টেমাটোত বুৱাই লৈ ঘঁহি দিলে তাইৰ নিস্তেজ বিবৰ্ণ সেওঁতাত। তাই অলসভাৱে ধৰি থাকিল মূৰৰ ওপৰত থকা তাৰ হাতখন। সি কামনা কৰিলে সময়বোৰ স্থবিৰ হৈ যাওঁক চিৰদিনলৈ। কিন্তু অলপ সময়হে। তেতিয়াই কঁপি উঠিল অনুসূয়াৰ দুৰ্বল শৰীৰতো। তাই যেন কিবা ক'ব খুজিছে কিন্তু ক'ব পৰা নাই। সি চামুচেৰে পানী অলপ খুৱাই দিলে তাইক।



খন্তেকতে বেছি চলচলীয়া হৈ পৰিল তাইৰ চকু। শেষমুহূৰ্তত শেহাই শেহাই তাই কৈ উঠিল - অবিন্দম তুমি পাৰিলে মোক পাহৰি ঋতুক.....! - শব্দকেইটা কৈয়ে নিস্পন্দ হৈ গ'ল অনু। তাইৰ নিথৰ দেহটো সাৱটি ধৰি চিঞঁৰি উঠিল অবিন্দম। ডাক্তৰ আহি দেহটো চুইয়ে ক'লে - ছ'ৰি।

অবিন্দমে নুবুজাকৈ নাথাকিল এই শব্দটোৰ অৰ্থ। অজ্ঞান হৈ গ'ল সি সেই অৱস্থাতে।

### উপসংহাৰ

জীৱনৰ পোৱা নোপোৱাৰ হিচাপ কৰাৰ কোনো যুক্তি এতিয়া অবিন্দমে বিচাৰি নাপায়। তাৰ জীৱনৰ প্ৰতিটো ভাগতেই দেখো বিষাদৰ ককটেল। পিছৰছোৱা বা আৰু কি? অনুসূয়া গুচি গ'ল, বাবুল দাইটি গ'ল! তাৰ আৰুনো আছে কোন? অনুসূয়াৰ নিথৰ দেহটো সৎকাৰ কৰি অহাৰ পৰাই তাৰ মনলৈ এবাৰ কথাই আহি আছে - ঋতুক লৈ অনুৱে তাক কি ক'ব বিচাৰিছিল বাৰু! ভালেই হ'ল, তাই যদি ঋতুৰ সৈতে তাক.....!

তাৰ ওভতনি যাত্ৰাত পুনৰ সেই একেখন ৰে'লেৰেই উভতিছে। মাথো সহযাত্ৰীবোৰ বেলেগ, ঠিক তাৰ জীৱনযাত্ৰাৰ সাময়িক সঙ্গীবোৰৰ দৰে। কোনো স্থায়ী নহয়। সি বাৰু তাৰ মৃত্যুৰ পিছত লগ পাবনে অনুসূয়াক? যদি নাপায়...? আৰু বৰ্তমানেই বা সি জীয়াই থাকি কি কৰিব? অনুৰ স্মৃতিবোৰে তাক স্বস্তিৰে উশাহ ল'বলৈ দিবনে? দূৰ স্মৃতি হ'ব ধৰা অনু পুনৰ কিদৰে যে সোমাই পৰিল তাৰ জীৱনাৱৰ্তত। সি আত্মহত্যা কৰিব নেকি ইয়াৰ পৰা মুক্তি বিচাৰি? চলন্ত ৰে'লৰ ঝক্‌ঝক্ শব্দৰ লগত তাৰ চিন্তাৰ স্ৰোত বাঢ়ি গ'ল। কিন্তু ইদুল?... অবিন্দম মৰি গ'লে সি দেখো পুনৰ নিথৰুৱা হৈ পৰিব আগৰ দৰে! নাই, একমাত্ৰ ইদুলৰ বাবেই সি মৰি মৰি জীয়াই থাকিব লাগিব, অনুসূয়াৰ স্মৃতিক সাৱটি। কিন্তু অনুসূয়াক জানো সি পাব...?

অনুসূয়াৰ স্মৃতিৰ বেদনাত সি বাহিৰৰ অন্ধকাৰলৈ চাই জোৰেৰে উচুপি উঠিল। ৰে'লৰ ইঞ্জিনৰ শব্দৰ লগতে তাৰ উচুপনিৰ শব্দটো এন্ধাৰত মিলি গ'ল। ভাহি ৰ'ল মাথো এটা কৰুণ সুৰ অ-নু-সূ-য়া.....!

□□□

কাব্য উপন্যাস

# ৰাজকুমাৰ, ৰাজকুমাৰী আৰু বিলীয়মান দৈত্যৰ ছাঁ.....

ৰাজকুমাৰ, ৰাজকুমাৰী আৰু বিলীয়মান দৈত্যৰ ছাঁ.....

পাপ্পালী
স্নাতক ২য়

**এটা সপোনৰ হাতধৰি আগুৱাই যোৱাৰ
আগতে...**

লখাইতৰাক চিনা নাছিল সি
চিনা নাছিল পুৱাৰ ফেঁহুজালিৰ ফাকুখেলৰ
ৰং
চিনা নাছিল দুপৰীয়াৰ পাৰৰ ৰুণৰ
নিঃসঙ্গ নিঃসঙ্গ নিনাদৰ আঁৰৰ কাহিনী
চিনা নাছিল আবেলিৰ ৰবাব টেঙাৰ গোন্ধ
যোৰ যোৰ ভৰিৰ খুন্দা গছকত মুঁহকছ গৈ
পৰি থাকিব খুজিছিল যি
সান্ধ্য পথাৰৰ এন্ধাৰৰ হেলনীয়াত বৈ

চিনা নাছিল শিয়ালৰ আৰাৱৰ বিপৰীতে
ঢেঁকুৰা কুকুৰৰ ৰাউচিৰ যি প্ৰতিদ্বন্দ্বিতা
আৰু তাত লুকাই থকা জীৱনৰ ৰূপক
ভোগলিপ্সাত মত্ত আকাংক্ষাৰ দ্বন্দ্বযুদ্ধ

কিন্তু সেই অচিন দিগন্তত ৰৈ থাকি
নিশ্চিহ্ন হৈ যোৱাৰ আগমুহূৰ্ত্ততে
খুউব সহজভাবেই ঘটিছিল
সেই শুভাৰম্ভ...

এদিন অকণে অনা অমিতা এটা
আৰু আমিনাই অনা আম খাই
তাৰ চিনাকী পৰ্বৰ পদযাত্ৰা আৰম্ভ হৈছিল
লাহে লাহে ইটাৰ পিঠিত উঠি
ঈদৰ জোন চোৱাও হৈ গৈছিল
চাই আছিল উটৰ পিঠিত
উণৰ বোজা তুলি লৈ যোৱাৰ দৃশ্যও...

আৰু এনেকৈয়ে গৈ গৈ গৈ থাকোতে
এদিন
কেনেকৈ যে সোমাই পৰিছিল সি
হিচাপ নিকাচৰ তুলাচনীত
সকলো কথাই জুখি চোৱাৰ
এক পাকচক্ৰত!



দুপৰৰ ৰ'দত সিজি সি যেতিয়া
হিচাপৰ জটিল জঁটত পাকঘূৰণি খাই
আছিলহি
তেতিয়াই কিবা এটাই ভিতৰৰ পৰা
আঁকুহিছিল তাক

জাগতিক নিয়মেৰে যি হিচাপত
যোগ কৰিলে বাঢ়ে আৰু
টুটে বিয়োগৰ শেষত
সেই নিয়মত যেন সেও মানিব
খোজা নাছিল সি

আস্ কি পাকলগা আছিল সেই
অংক জংক পংকৰ যাতনা
কিন্তু যাতনাৰ সেই জপনা জপিয়াই
সি ওলাই আহিব পৰা নাছিল
তাৰ পৰা...

কি মৰ্মন্তুদ আছিল
হিচাপৰ সেই খেল -
সমনীয়াৰ হাতত দেখা
মাৰ্বলৰ গুটিবোৰৰ দৰে বৰ্তুলাকাৰ
এটা বৃত্তই যেন ক্ৰমশঃ পাকঘূৰণি খুৱাইছিল
তাক...

মিলা নাছিল - মিলা নাছিল
তাৰ হিচাপৰ লগত
অংক জংক পংকৰ হিচাপ

যোগৰ হিচাপত যেতিয়া সমনীয়াৰ
হাতত এটাৰ পিছত এটাকৈ বাঢ়ি গৈছিল
মাৰ্বলৰ গুটি কিম্বা বগৰী
সেয়া যে নাছিল তাৰ
সেয়া যে তাৰ নাছিল
তেন্তে সেই বাঢ়ন বা সংযুতিৰ
অৰ্থই বা থাকিল ক'ত?

আস্! কি দুখলগাকৈ সমনীয়াৰ
হাতত বাঢ়ি যোৱা সংখ্যাৰ বিপৰীতে
টুটি আহিছিল তাৰ
টুটি আহিছিল সি

এটা নিঃসীম শূন্যতাত ক্ৰমশঃ
যেন নিজেই বিয়োগ হৈ গৈ আছিল
লাহে লাহে
এখন বিয়োগান্ত নাটকৰ এটা
চৰিত্ৰৰ দৰে... নিজৰেই ভিতৰত

আৰু সেই বিয়োগান্ত দৃশ্যপটৰ যৱনিকা





পৰাৰ আগমুহূৰ্ত্ততে তাৰ মগজুলৈ
হেঁচি থেলি সোমাই আহিছিল
একৰ এক গ'ল থাকিল শূন্য
দুইৰ এক গ'ল থাকিল এক...

এক বিশাল শূন্যত বিষন্ন হৈ
থাকিছিল সি
ঠিক আজি টাপু নামৰ কণমানি
এজনী বিয়োগ নেওঁতাৰ শেহত
বিষন্ন হোৱাৰ দৰে...

সেই বিশাল শূন্যৰ বিষন্নতাত
দিগভ্ৰান্ত হৈ সি যেতিয়া বাউল হৈ
পৰিছিল
সেই বিষন্নতাই যেতিয়া আউলিয়াই
ফুৰিছিল তাক
ক্ৰমশঃ হৈ পৰিছিল এটা
ঘৰুৱা অঘৰী
তেতিয়াই সেই উত্তৰবিহীন বিষন্নতাৰ
দহনৰ উত্তাপত চটফটাই
ঢপলিয়াই ফুৰাৰ পৰতে
ক'ৰবাৰ পৰা আমফুলৰ গোন্ধ এটা আহি
আমনি কৰিছিলহি তাক

আম ফুলিলে আহে বান
কঁঠালে আনে ধান...
তাৰ বুকুৰ ভিতৰতো এটা দোকুলটকা
বানে উখলমাখল লগাইছিলহি
ঢোলৰ শব্দ এটা মেঘৰ গাজনি হৈ
ফটাই পেলাইছিল তাৰ মনৰ আকাশত
জমা হৈ থকা সকলো মেঘ

তাৰপিছত ঝৰ্ঝৰ্... ঝৰ্ঝৰ্...
দোপালপিটা কলহৰ কাণে ঢলা
বৰষুণ... কেবল বৰষুণ...
তাৰ বুকুৰ চোতাল ওপচাই মনাকাশৰ
মেঘৰ গিৰ্গিৰ্ গিৰ্জনিময় বৰষুণ...

সঁচাকৈয়ে আহিছিল বান
তাৰ বুকুলৈ আৰু লখাইতৰাৰ

তাৰ বুকুত উপচিছিল নিয়ম ভঙাৰ বান
একাত্ম হ'ব নোৱাৰা হিচাপ খেলিমেলি কৰি
দলিয়াই দিয়াৰ বান আৰু
লখাইতৰাৰ বুকুত...
সাপৰ নেগুৰ ছিগা সোঁতেৰে
দুপাৰৰ মথাউৰি ভাঙি মানৱসৃষ্ট
সকলো শৃঙ্খলা ভাঙি পেলোৱাৰ দুৰ্বাৰ বান

তেতিয়াই, ঠিক তেতিয়াই সি
একাত্ম হৈ পৰিছিল লখাইতৰাৰ সৈতে
আৰু এনেকৈয়ে তাৰ বুকুৰ ভিতৰতো
ক্ৰমশঃ ব'বলৈ আৰম্ভ কৰিছিল
অন্য এখন লখাইতৰা...

লাহে লাহে যেন তাৰ গাঁৱৰ সীমনাৰে
বৈ যোৱা লখাইতৰাৰ স'তে
একাত্ম হ'বলৈ আৰম্ভ কৰিছিল
তাৰ বুকুৰ লখাইতৰা
এখন লখাইতৰাই টানিছিল আনখনক
আৰু সেই টনাটনিৰ খেলত সি
জাঁজী এটাৰ দৰে ওপঙি ফুৰিছিল
ইফালৰ পৰা সিফাললৈ
সিফালৰ পৰা ইফাললৈ

এটা অস্থিৰ পখিলাৰ দৰে উফৰি
ফুৰিছিল সি আৰু
নিয়মানুৱৰ্তিতা নামৰ এখন মকৰাজালে
বাৰে বাৰে আৱদ্ধ কৰিব খুজিছিল
তাক...

সেই জালখনৰ একোডাল সুতাই যেন
লাহে লাহে চূৰ্ণীকৃত কৰিছিল তাৰ
পিঠিৰ বৰ্ণিল ৰেণুবোৰ
ক'ৰবাৰ পৰা যেন ৰিণিকি ৰিণিকি আহি
বাজি থাকিছিল এটা শব্দ বাৰম্বাৰ -
সৰৌপ... সৰৌপ...
তাৰ ৰেণুবোৰ আঁতৰাই একোডাল দীঘলীয়া
আঁচে আলিবাট সাজিছিলহি তাত...

বেদনাত বাঙ্ময় হৈ সি ঢপলিয়াইছিল
লখাইতৰাৰ ওচৰলৈ
বহিছিল সি...
তাৰ সম্মুখত এখন লখাইতৰা
আৰু বুকুত...

এক অজান আবেগত তাৰ সম্মুখৰ
লখাইতৰাখনক চুবলৈ
দুচকুৰে দুটা সুঁতি হৈ বৈ আহিছিল
তাৰ বুকুৰ লখাইতৰা...

নাই সি কন্দা নাছিল
আস্! কন্দা নাছিল সি
সি চুই চাইছিল অন্য এক অনুভূতিৰে
সম্মুখৰ লখাইতৰাক
আৰু তেতিয়াই
যেন লখাইতৰাই তাৰ দুচকুৰ সুঁতিৰে
বুকুৰ লখাইতৰালৈ বোঁৱাই দিছিল
এজাক সপোন...
আৰু সপোনৰ এখনি নাওঁ...



লাহে লাহে উঠি আহিছিল জোন
আৰু সেই জোনৰ প্ৰতিবিম্বটোৰ লগত
ফেৰ মাৰি যেন আগুৱাই আহিছিল
আন এটা জোন
আৰু সি তৰ্কিব পৰাৰ আগতেই
সেই জোনটোৱে ডিঙি উলিয়াই পানীৰ পৰা
উঠি আহি তাৰ পিঠিত থপৰিয়াই
কৈছিল - বাপু, এই ৰাতিখন
কি কৰিছহি ইয়াত অকলে...



তাৰ ভ্ৰম ভাগিছিল - আস্ সেয়া যে
নাছিল কোনো জোন। সেয়া আছিল
ঘাটৰ নাৰবীয়া কুঁজাকাই যাৰ পিঠিৰ
কুঁজটো জোন এটা হৈ সাঁতুৰি আহিছিল
লখাইতৰাৰ সিপাৰৰ পৰা

সেইদিনাই কুঁজাকাই সমভাগী হৈছিল
তাৰ। সুখ আৰু দুখৰ। সি মেলি ধৰিছিল
তাৰ বৰ্ণময় মনৰ বৰ্ণিল দলিচা
কুঁজাকাইৰ সন্মুখত। আৰু কুঁজাকাই...
তেওঁ টো তুলি উখল-মাখল লগাই
তাৰ চকুৰ সন্মুখত তুলি ধৰিছিল সি
কাহানিও নেদেখা লখাইতৰাৰ অনন্য ৰূপ

লাহে লাহে কিহবাই এটা ক'লীয়া ছাতি
মেলি ধৰিছিল আকাশত
মেঘৰ ছাতি... মেঘৰ ছাতি...

তাৰ ভিতৰৰ লখাইতৰাত টো উঠিছিল
আৰু সেই লখাইতৰাৰ পাৰত বহি থকা
এটা ল'ৰাই আনন্দত উত্ৰাৱল হৈ চিঞৰিছিল
তেতিয়া...

লাহে লাহে বৰষুণ নামিছিল
মেঘৰ ছাতি ফালি-ছিৰি ঝৰ্ঝৰ্কৈ
নামিছিল বৰষুণ
আৰু সেই ছাতিক ঢাকি
কুঁজাকাইৰ কচুপাতৰ ছাতিৰ তলত
সি আহি ঘৰ সোমাইছিল
ওৰে ৰাতি শুনি আছিল লখাইতৰাৰ
টো আৰু বৰষুণৰ ঝৰ্ঝৰ্ ঝৰ্ঝৰ্

আনন্দ-বিষাদৰ সাতদিনীয়া
শাওঁতা আছিল সেয়া
তীৰকঁপে জ্বৰ উঠিছিল তাৰ
লাহে লাহে শূন্যতাৰ এখন উৰুঙা ৰথত
উঠি সি উৰি গৈ আছিল গৈ আছিল আৰু
গৈয়েই থাকিল। বহুমাহ। বহুবছৰ...

**এটা সপোনৰ স'তে মুখামুখি হোৱাৰ পৰত ...**

...আৰু সেই উৰন্ত যাত্ৰাৰ পিছত
সি উপস্থিত হৈছিল অন্য এক বলয়ত
যাৰ কোনো দিশ নাছিল। নাছিল দিগন্ত।
শূন্যতাৰ এগিলাচ শীতল পানীয় পি
এক ভাসমান আলোক হৈ উফৰি পৰিছিল
ক'ৰবালৈ...

...আৰু সপোনৰ দৰেই দৃশ্যিত হৈছিল
সেই দৃশ্য...
চলচিত্ৰৰ দৰেই ক্ৰমশঃ মুকলি হৈ গৈছিল
সেই দৃশ্যপট এটাৰ পিছত এটাকৈ
আস্ এনেকৈয়ে সপোন এটাৰ স'তে
মুখামুখি হৈছিল সি
সোমাই পৰিছিল সপোনৰ এটা বলয়ত...

**যেতিয়া সপোন এটাৰ হাতধৰি আগুৱাই গ'ল সি...**

এজন ৰাজকুমাৰ...
সৰুতে সি পঢ়া কাঠৰ পখীঘোঁৰাত নহয়
এটা জীৱন্ত পখীঘোঁৰাত উৰি ফুৰা ৰাজকুমাৰ

সি দেখিছে আদিগন্ত বিয়পি পৰিছে
এটা পথ... আৰু সেই পথত কুঁৱলী উৰুৱাই
কলং কলং কদমত তীব্ৰবেগী পখীঘোঁৰাৰ
দৌৰ

মেঘৰ মাজত উৰিছে ৰাজকুমাৰৰ ঘোঁৰা
তৰাৰ চুমাৰ জোপোহা দেই গৈছে
ৰাজকুমাৰৰ ঘোঁৰা... মেঘৰ মোহনাত
অলপ জিৰাইছে ৰাজকুমাৰৰ ঘোঁৰা
কি দূৰন্ত... কি দূৰন্ত...



লখাইতৰাৰ পাৰত
বিষাদৰ এখন বাগিছাত বহি সি চাই আছিল
ৰাজকুমাৰৰ উদ্বেগহীন আনন্দৰ উচ্ছ্বাস
আস্! সিও হ'ব খুজিছিল নেকি ৰাজকুমাৰ
লাহে লাহে সি স্কিজোফ্ৰেনিয়াত ভুগিছিল

তেতিয়াৰ পৰাই দেখা গৈছিল প্ৰায়ে
লখাইতৰাৰ পাৰত বহি সূৰ্যাস্ত চাই
নিজকে নিপাত কৰা এজন স্কিজোফ্ৰেনিক
যুৱকক

এদিন কুঁজাকাই ঢুকাইছিল
লখাইতৰাৰ পাৰত সি অকলশৰীয়া
হৈ পৰিছিল





বাঢ়ি গৈছিল তাৰ স্কিজোফ্ৰেনিক লক্ষণ
তাৰ আত্মাই পলায়ন কৰিবলৈ
চেষ্টা কৰিছিল তাৰ পৰা
বাৰম্বাৰ জোৰকৈ ধৰি ৰাখিব খুজিছিল সি
আৰু সেই টনা-আঁজোৰাত মত্ত হৈ থকাৰ
পৰতে
সি চকুত পৰিছিল ৰাজকুমাৰৰ...
আকাশলংঘী দুৰ্বাৰ ৰাজকুমাৰৰ
যি চোঁ মাৰি নামি আহিছিল তাৰ ওচৰলৈ

তেওঁ তাৰ সমভাগী হৈছিল
সমবেদনাৰে টৌৱাই দিছিল তাক
সি বাৰম্বাৰ ক'ব খুজিছিল - তোমাৰ
অপাৰ অলৌকিক ক্ষমতাৰে মোকো কৰি
তোলা
দুৰ্বাৰ, দুৰ্লংঘ্য... ঠিক তোমাৰ দৰে
কিন্তু সেই স্কিজোফ্ৰেনিক ৰোগীৰো অন্তৰত
থকা
অহংবোধে বাধা দিছিল তাক নতশিৰ হ'বলৈ
অথচ বুকুৰ লখাইতৰাই পাৰ ভাঙিছিল
তাৰ দুচকুৰ

হঠাৎ উচুপনিৰ শব্দ এটাত সি
দুচকু তুলি চাইছিল
এয়া কি? তাৰ সন্মুখত ক্ৰন্দনৰত ৰাজকুমাৰ
তাৰ সন্মুখত নতজানু ৰাজকুমাৰ... !
স্তব্ধ হৈ পৰিছিল সি
পৰস্পৰক সমবেদনা জ্ঞাপনৰ এক বৃথা
প্ৰচেষ্টাৰ নীৰৱ সাক্ষী হৈ ৰৈছিল
মাথো লখাইতৰা...
আস্ সেই দূৰন্ত ৰাজকুমাৰকো এদিন
সান্ত্বনা দিছিল সি...
অথচ সেই মুহূৰ্ততে তাৰ আত্মাই
পলায়ন কৰিব বিচাৰিছিল তাৰ ভিতৰৰ পৰা

লগে লগে আৰম্ভ হৈ গৈছিল
এটা সাধুৰ...

এজন ৰাজকুমাৰ আছিল

নিঃসীম নিঃসঙ্গতাত কাতৰ হৈ পৰা
তেজোদ্দীপ্ত ৰাজকুমাৰ
জাঁজী হৈ ঘূৰি ফুৰা অঘৰী ৰাজকুমাৰ

দিগন্তত বা বলাই ঘূৰি ফুৰাৰ পৰতে
এদিন সি চকুত পৰিছিল
এজনী ৰাজকুমাৰীৰ
আৰু চকুত পৰিছিল তাৰ

কিবা এক অজান আবেগত
চোঁ-চোঁৱাই নামি আহিছিল ৰাজকুমাৰ
সোঁ-সোঁৱাই নমাই দিছিল
ৰাজকুমাৰৰ তেজাল ঘোঁৰা

লাহে লাহে দুয়ো ভগাই লৈছিল
মূৰৰ ওপৰৰ এখনি আকাশ
স্বপ্নৰ সেই আকাশ...
আবেগত অধীৰ হৈ ৰাজকুমাৰে
নিগনিৰ দৰে কুটি কুটি খাইছিল শূন্যতাবোৰ
ৰাজকুমাৰীৰ লগত
ৰামধেনুৰ ৰংবোৰ উছাহ নামৰ
ব্লটিং পেপাৰেৰে টুকি আনি
বোলাই দিছিল ৰাজকুমাৰীৰ দেহত
পান কৰিছিল
ৰাজকুমাৰীৰ লাৱনী হাতেৰে বাকি দিয়া
প্ৰেম নামৰ মদিৰা

মচগুল হৈছিল ৰাজকুমাৰ
আনন্দৰ আতিশয্যত
মাতাল হৈ পৰিছিল
ৰাজকুমাৰ...
আৰু দূৰৈৰ পৰা চাই চাই
এটা দৈত্যই আৰম্ভ কৰিছিল
ৰাজকুমাৰক তচ্নচ্ কৰি দিয়াৰ
নিৰ্মোহ পাশাখেল

আস্! ৰাজকুমাৰেও দেখিছিল
সেই শূন্যত বিলীয়মান হৈ
হঠাৎ দেখা দিয়া দৈত্যক
আৰু বুৰ্বকৰ দৰে ভাবিছিল

সেয়া কোনো আশীৰ্বাদদাতা দেৱতা
ৰাজকুমাৰে নাম দিছিল
বিলীয়মান দেৱতা... বিলীয়মান দেৱতা...

বিলীয়মান দেৱতাৰ মায়াত
মত্ত হৈ থকাৰ পৰতে এদিন
হঠাৎ দীৰ্ঘ ছায়া এটা বাঢ়ি আহিছিল
ঢাকি ধৰিছিল ৰাজকুমাৰ আৰু ৰাজকুমাৰীক
হঠাৎ এক অজান আশংকাত
কঁপি উঠিছিল ৰাজকুমাৰ
তাৰ বিপৰীতে জিলিকি উঠিছিল
ৰাজকুমাৰীৰ দুচকু
এক পৰম উচ্ছলতাত...



ৰাজকুমাৰে দেখিছিল সেই ছলনাময়ী দুচকু
আৰু কিবা এটা বুজি উঠাৰ আগতে
সেই ছলনাময়ী নাৰী উৰি গৈছিল
ছাঁটোৰ সৈতে

তাৰপিছত ঝৰ্ঝৰ্ ঝৰ্ঝৰ্
শূন্যতা-বিষাদৰ এজাক বৰষুণত
জুৰুলি জুপুৰি হৈ খহি পৰিছিল ৰাজকুমাৰ
স্বপ্নৰ সেই আকাশৰ পৰা...
জাঁজী হৈ ঘূৰি ফুৰিছিল শূন্যতাত বা বলাই
হয়তো ৰাজকুমাৰকো পাইছিল
স্কিজোফ্ৰেনিয়াই
আৰু লগ লৈছিল সেই স্কিজোফ্ৰেনিক
ৰোগীৰ

তাৰ দুখৰ সমভাগী হোৱাৰ পৰতে
উথলি উঠিছিল ৰাজকুমাৰৰো দুখ
সান্ত্বনা দিছিল সি ৰাজকুমাৰক...

সান্ত্বনা প্ৰদানৰ খেলৰ শেষত
এদিন সেই স্কিজোফ্ৰেনিক ৰোগীয়ে
হঠাৎ অনুভৱ কৰিছিল -
এক নিঃসঙ্গতাৰ বাদে যেন
কোনোৱেই নাই তাৰ ওচৰত
আস্ ক'ত সেই ৰাজকুমাৰ
ক'লৈ গুচি গ'ল তেওঁ - ক'ত বহি আছে সি
সান্ত্বনা দিছে কাক - বুকুৰ অতল তলি
উজাৰি...
তাৰ ভিতৰৰ পৰা
কিয় ভাহি আহিছে ৰাজকুমাৰৰ উচুপনি
কাৰ ভিতৰত কান্দিছে কোন
ৰাজকুমাৰৰ ভিতৰত সি নে
তাৰ ভিতৰত ৰাজকুমাৰ...



ৰাজকুমাৰক বিচাৰি সি ঢপলিয়াই ফুৰে
বুকুৰ ভিতৰৰো ভিতৰ
আৰু এটা বিলীয়মান দৈত্যৰ
ছাঁৰ গৰাহত যেন সি
হেৰুৱাই পেলাব ধৰে নিজক
হেৰুৱাই পেলায় ৰাজকুমাৰীক

দিক্‌ভ্ৰান্ত হৈ সি চিঞৰি উঠে -

ৰাজকুমাৰী... ৰাজকুমাৰী... !
অ' মোৰ সপোন অৰণ্যৰ
সৰি পৰা জোনাকী... !!
অ' খহি পৰা ৰাজকুমাৰী..... !!!

**সংযোজন ঃ**
লখাইতৰাৰ পাৰত আজিও দেখা যায় সেই স্কিজোফ্ৰেনিক যুবকক, যাৰ ভিতৰত এদিন একলা দুকলাকৈ বাঢ়ি আহিছিল এজন ৰাজকুমাৰ...আৰু খহি পৰিছিল ... এদিন...!

... সিদিনাও সি ৰাজকুমাৰীক বিচাৰি আছিল মেঘৰ ছাঁ এটাৰ আঁত ধৰি। লখাইতৰালৈ হাউলি থকা ডাল এটাৰ ফেৰেঙনি এটাত মকৰা এটাই জাল এখন
গুঁথি আছিল তেতিয়া।

□□□

বিচিত্ৰা

## সাগৰীয় জীৱ মেনাটি

*মানব্ৰ কলিতা*
স্নাতক ১ম বৰ্ষ

মেনাটি সাগৰীয় প্ৰাণী। দেখাত ডাঙৰ, ছালখন বৰ ডাঠ। মেনাটিৰ দুখন হাত আছে, কিন্তু ভৰি নাই। মাছৰ দৰে এডাল নেগুৰৰ নিচিনাকৈ পিছফালে বাঢ়ি যোৱা অংশ অলপ থাকে। ইয়াৰ গা বৰ কোমল, মঙহাল আৰু লোপক-থোপক। দাঁতবোৰ সৰু সৰু। চকু দুটা সৰু, মঙহৰ মাজত পোত খাই থাকে, ওঠদুটা কিন্তু বৰ মঙহাল। কাণ বাহিৰৰ পৰা দেখা নাযায়। খুঁতৰিত দাঢ়িৰ নিচিনা কেইডালমান নোম থাকে। এই মেনাটিক বৈজ্ঞানিকসকলে হাতীৰ বংশধৰ বুলি ক'ব খোজে। এটা সাধাৰণ মেনাটিৰ গাৰ ওজন দুহেজাৰ পাউণ্ডতকৈ বেছি আৰু ইয়াৰ দৈৰ্ঘ প্ৰায় পাঁচ মিটাৰ।

মেনাটি নিৰামিষভোজী। ইহঁতে পানীৰ তলত গঁজা ঘাঁহ, শেলাই আদি খায়। মানুহে দিয়া গাজৰ, আপেল আদিও ইহঁতৰ প্ৰিয় খাদ্য। ইহঁতৰ বৈশিষ্ট হ'ল ইহঁতে মানুহক বৰ ভাল পায়। কেতিয়াবা ইহঁতে জাহাজৰ লংগৰ পেলোৱা ৰছীডালকে কামোৰ মাৰি ধৰি পৰীক্ষা-নিৰীক্ষা কৰি চায়। কেতিয়াবা আকৌ জাহাজ বা নাওঁখনৰ তলিখনকে চায়।

মেনাটিয়ে দুই তিনি বছৰৰ মূৰত এটাকৈ পোৱালি দিয়ে। কেঁচুৱা মেনাটিয়ে প্ৰায় তিনি বছৰ পৰ্যন্ত মাকৰ লগত থাকে। ক'ৰবাত গৰম পানী পালে তাতেই উম লৈ কিছুসময় পৰি থাকে। ইহঁতে ঘণ্টাত দুই-চাৰি কিলোমিটাৰ পৰ্যন্ত সাঁতুৰিব পাৰে। কিন্তু বিপদৰ আগজাননী পালে নেজডাল ঘনঘনকৈ কোবাই বেছি জোৰত গুচি যাবও পাৰে।

মেনাটি সাধাৰণতে উত্তৰ আমেৰিকাৰ ফ্ল'ৰিডাত, দক্ষিণ আমেৰিকাৰ আমাজান অঞ্চলত, আফ্ৰিকাৰ পশ্চিম উপকূলত আৰু অষ্ট্ৰেলিয়াৰ ওচৰত পোৱা যায়। শীতকালত মেনাটিবোৰ সাগৰৰ পৰা ফ্ল'ৰিডাৰ ক্ৰিমেলৰিভাৰ নামৰ গৰম পানীৰ নদীখনলৈ গুচি যায় আৰু গ্ৰীষ্মকালত পুনৰ সাগৰলৈ উভতি আহে। সেয়েহে ফ্ল'ৰিডাত মেনাটি সৰহকৈ পোৱা যায়।

বহুদিনৰ আগতে যেতিয়া এই মেনাটিবোৰক খ্ৰীষ্টোফাৰ কলম্বাছে দেখিছিল, তেতিয়া তেওঁ মেনাটিক জলকুঁৱৰী বুলি কৈছিল। তেওঁৰ মতে মেনাটিৰ মুখখন হেনো তেনেই মানুহৰ মুখৰ নিচিনাই আৰু কাণ্ড-কাৰখানাবোৰো মানুহৰ দৰেই। সেয়েহে সম্ভৱ ইহঁতে মানুহক বৰ ভাল পায়।





# ভিন্ন ছন্দ


☆ বৰগছডাল বাগৰি পৰিল ➡ বিষ্ণুকান্ত শৰ্মা
☆ জীৱনৰ শান্তি আহৰণত ধ্যান আৰু প্ৰাণায়াম ➡ জিতেন্দ্ৰ বৰুৱা
☆ মধুমেহ দূৰ কৰাৰ প্ৰাকৃতিক উপায় ➡ হৰজ্যোতি বৈশ্য
➡ প্ৰাঞ্জল কলিতা
☆ ভ্ৰমণ কাহিনী ➡ চিত্ৰা ওজা
☆ প্ৰাচীৰ পত্ৰিকা 'প্ৰত্যয়'ৰ পৰা




সোঁৱৰণ

# বৰগছডাল বাগৰি পৰিল

*বিষ্ণুকান্ত শৰ্মা*
অসমীয়া বিভাগ

২০১০ চনৰ ২৬ জুলাই। হঠাৎ প্ৰিন্সিপাল মহোদয়ৰ পৰা ফোন পালো - 'চৌধুৰী নাই।' মই 'কি নাই?'- বুলি প্ৰশ্ন কৰাত ভগ্ন হৃদয়েৰে ক'লে - 'বাইক এক্সিডেণ্ট'। হাহাকাৰ কৰি উঠিল হৃদয়। যিজন ব্যক্তিক প্ৰথম সুৰেন দাস মহাবিদ্যালয়ত লগ পাইছিলো, বাক্য বিনিময় হৈছিল, যাৰ কথা-বতৰাত দৰদী হৃদয়ৰ উমান পাইছিলো, যিজনাৰ সৈতে সুদীৰ্ঘ ২২ বছৰ সহকৰ্মী হৈ কটালোঁ - সেই চৌধুৰী দা ইহ সংসাৰত নাই - কথাষাৰ বিশ্বাস কৰিবলৈ টান পালো। কিন্তু ই যে নিষ্ঠুৰ সত্য। গোটেই ৰাতি বিছনাত ছটফটাই থাকি পুৱা ৫ মান বজাত থানা পালো। ৰক্তাক্ত নশ্বৰ দেহ দৰ্শন কৰিলোঁ। কি নিষ্ঠুৰ! চাব নোৱাৰি চকু ঘূৰাই দিলোঁ। দুগালেৰে বৈ আহিল অশ্ৰুধাৰা। ৮-৯ মান বজাত অধ্যক্ষ মহোদয়ক লগ পালো। পোষ্ট মৰ্টেমৰ বাবে গুৱাহাটী মেডিকেললৈ নিবৰ কাৰণে গাড়ীত উঠাই নিলে। অধ্যক্ষৰ সৈতে মহাবিদ্যালয়লৈ আহিলোঁ। ৩ মান বজাত নশ্বৰ দেহত মহাবিদ্যালয়ৰ তৰফৰ পৰা শেষ শ্ৰদ্ধা জ্ঞাপন কৰা হ'ল। তাৰ পিছত মৃতদেহৰ পিছে পিছে গৈ হালোগাঁও পালোঁ। পৰিয়াল সমন্বিতে শত-সহস্ৰ লোকৰ কি হৃদয় বিদাৰক দৃশ্য! সহিব নোৱাৰি। মনত পৰিল নলিনীবালা দেৱীৰ এফাঁকি কবিতা -

*"কোন কাৰ জগতৰ কোন কাৰ মৰমৰ*
*চকুৰ চিনাকী মাথো দুদিনৰ"*

কিন্তু অবোধ মনৰ বাবে সকলো বৃথা প্ৰচেষ্টা মাথো, সকলো নিৰৰ্থক। নামানে সেই কবিতাৰ অৰ্থ। শ্মশানত চিতাৰ ওপৰত শায়িত শ্ৰদ্ধাৰ 'সুবোধ দা'ৰ শৰীৰ। দাউ দাউকৈ জ্বলিল



চিতা। মাটিৰ মানুহ বিলীন হৈ গ'ল মাটিতে।

*"ভাগি গ'ল বীণখনি ছিগি গ'ল তাঁৰ*
*বৈ গ'ল অৱশেষ অমিয়া জোঁকাৰ"*-

সুৰেন দাস মহাবিদ্যালয়ত সেই 'অমিয়া জোঁকাৰ' তেখেতৰ কৰ্মৰাজিৰ বাবে চিৰদিনলৈকে থাকিব। মহাবিদ্যালয়ৰ বাবে তেখেত আছিল এজোপা 'বৰগছ'। সেই বৰগছ আজি বাগৰি পৰিল। অমায়িক, নিৰহংকাৰ, নিৰ্জু, মানৱ দৰদী আৰু হাস্যৰসিক 'চৌধুৰী দা' আছিল মহাবিদ্যালয়ৰ প্ৰতিটো কামতে অপৰিহাৰ্য। 'কামৰ সৰু-বৰ নাই' - এই মন্ত্ৰেৰে দীক্ষিত আছিল তেখেত। প্ৰয়োজন সাপেক্ষে আঁতৰাব পাৰে চুৰাপাতো। মহাবিদ্যালয়ৰ অফিচ ষ্টাফৰ বাবে তেখেত আছিল সোঁ-হাতস্বৰূপ। সুন্দৰ হস্তাক্ষৰেৰে জিলিকি উঠিছিল 'ডি. পি. আই'লৈ যাব লগা বিলসমূহ। মহাবিদ্যালয়ৰ যিকোনো অনুষ্ঠানতে তেখেত আছিল আগৰণুৱা। মহাবিদ্যালয়ৰ বাবে তেখেত ব্যক্তি নাছিল, আছিল নিজেই এটা অনুষ্ঠান। আজৰি সময়তো হাস্যৰসৰ যোগান ধৰোতা, নাটকীয় বচন মাতোতা, কথা-বতৰাত ফঁকৰা-যোজনাৰ সমাহাৰ ঘটাওতা সেই ব্যক্তিজনা আঁতৰি গ'ল -চিৰদিনলৈকে।

প্ৰয়াত চৌধুৰী দাৰ সংক্ষিপ্ত জীৱন-পঞ্জী এনেধৰণৰ -

ঁসুবোধ চন্দ্ৰ চৌধুৰী
জন্ম - ০৬/১১/১৯৫৪ ইং
মৃত্যু - ২৬/০৭/২০১০ ইং
পিতা - ঁগোলাপ চন্দ্ৰ চৌধুৰী
গাওঁ - হালোগাওঁ
ডাকঘৰ - হালোগাওঁ
জিলা - কামৰূপ, অসম

**শিক্ষা জীৱন ঃ**

ঃ ১৯৭২ চনত বামুন্দী হাইস্কুলৰ পৰা ২য় বিভাগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ।
ঃ ১৯৭৪ চনত আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ পৰা ২য় বিভাগত প্ৰি-ইউনিভাৰ্চিটী পৰীক্ষাত উত্তীৰ্ণ।
ঃ ১৯৭৭ চনত আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ পৰা ২য় শ্ৰেণীত অৰ্থনীতিত সন্মানসহ স্নাতক পৰীক্ষাত উত্তীৰ্ণ।
ঃ ১৯৭৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ২য় শ্ৰেণীত এম. এ. পৰীক্ষাত উত্তীৰ্ণ।
ঃ ১৯৯৬ চনত দমদমা আঞ্চলিক কলেজৰ পৰা ২য় বিভাগত বি. এড. পৰীক্ষাত উত্তীৰ্ণ।

**সাহিত্যিক কৰ্মৰাজি ঃ**

বিভিন্ন আলোচনী, বাতৰি কাকত আদিত প্ৰকাশিত প্ৰবন্ধৰাজি এনেধৰণৰ -

* population Boom in North-East. - *Assam tribune (17/03/2000)* আৰু *সুৰেন দাস মহাবিদ্যালয় আলোচনীত।*
* Indian Population Explosion - Problem and Solution. *প্ৰতিদিন (২১/১১/২০০১)*
* Socio Economic Condition of Halogaon - *Souvenir "Saudhan".*
* Rangali Bihu & Bhagna Arthanity - *"ৰৱদৈচিলা"*
* Enterpreneurship Development in the North East. Problem & prospect -*"Departmental Journal".*
* Insurgency Problem in the North East - *"College Magazine".*
* Bidyalay, Environment and Teacher - *Souvenir "Silver jubilee of Uzankuri H. S. School, Ramdia".*

**সামাজিক কৰ্মজীৱন ঃ**

ঃ ১৯৮২ চনত স্থাপিত হোৱা হালোগাওঁ হাইস্কুলৰ (পিছত হায়াৰ চেকেণ্ডাৰী স্কুল) প্ৰতিস্থাপক সম্পাদক হিচাপে কাৰ্য-নিৰ্বাহ কৰিছিল। ১৯৯০ চনলৈকে সম্পাদক হিচাপে সেৱা আগবঢ়ায়।
ঃ "হালোগাওঁ সেৱক সংঘ আৰু পুথিভঁৰাল" আৰু "পূৰেৰুণ শিল্পী সংঘ, হালোগাওঁ"ৰ প্ৰাক্তন সম্পাদক।
ঃ হালোগাওঁ বেচোৰহাৰি পঞ্চায়তৰ উপদেষ্টা।
ঃ হাজো ব্লক পৰ্যায়ৰ পৰিকল্পনা আয়োগৰ সদস্য হিচাপে ১৯৮৫ চনৰ পৰা ১৯৯৯ চনলৈকে কাৰ্যনিৰ্বাহ।

*সুৰেন দাস মহাবিদ্যালয়ত সেই 'অমিয়া জোঁকাৰ' তেখেতৰ কৰ্মৰাজিৰ বাবে চিৰদিনলৈকে থাকিব। মহাবিদ্যালয়ৰ বাবে তেখেত আছিল এজোপা 'বৰগছ'। সেই বৰগছ আজি বাগৰি পৰিল। অমায়িক, নিৰহংকাৰ, নিৰ্জু, মানৱ দৰদী আৰু হাস্যৰসিক 'চৌধুৰী দা' আছিল মহাবিদ্যালয়ৰ প্ৰতিটো কামতে অপৰিহাৰ্য। 'কামৰ সৰু-বৰ নাই' - এই মন্ত্ৰেৰে দীক্ষিত আছিল তেখেত। প্ৰয়োজন সাপেক্ষে আঁতৰাব পাৰে চুৰাপাতো।*

**সুৰেন দাস মহাবিদ্যালয়ত তেখেতৰ কৰ্মৰাজি ঃ**

(ক) ভাৰপ্ৰাপ্ত অধ্যক্ষ (১৮ জুন, ২০০১ চনৰ পৰা ৭ অক্টোবৰ ২০০৪ চনলৈকে)
(খ) মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক (১৯৮৯ চনৰ পৰা ১৯৯০ চনলৈকে)
(গ) ছাত্ৰ একতা সভাৰ ইনচাৰ্জ (১৯৮৭ চনৰ পৰা ২০০১ চনলৈকে)
(ঘ) Convenor - এড্মিশ্যন কমিটি।
(ঙ) Convenor - পৰীক্ষা কমিটি।
(চ) সদস্য - মহাবিদ্যালয়ৰ পৰিচালনা সমিতি।
(ছ) Asstt. Officer-In-Charge - মহাবিদ্যালয় আভ্যন্তৰীণ পৰীক্ষা।
(জ) Zonal Officer - Zone H (B. A. Part-I Zone) of G. U.
(ঝ) ৰিটাৰ্ণিং অফিচাৰ - ছাত্ৰ একতা সভাৰ নিৰ্বাচন।
(ঞ) সদস্য - মহাবিদ্যালয় নিৰ্মাণ কমিটি।
(ট) প্ৰেচিডেণ্ট - এক্সটেন্‌শ্যন এডুকেশ্যন চেল।

চমুকৈ এয়ে চৌধুৰী দাৰ জীৱন-পঞ্জী।

এনে এজন মহান ব্যক্তিৰ মৰ্মান্তিক মৃত্যু আমাৰ বাবে অকল্পনীয়। কিন্তু বিধাতাৰ লিখন খণ্ডায় কোনে! গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল -

*বাসাংসি জীৰ্ণানি যথা বিহায়*
*নৱানি গৃহ্নাতি নৰোহ পৰানি।*
*তথা শৰীৰাণি বিহায় জীৰ্ণা*
*নন্যানি সংযাতি নৱানি দেহী।।*
*- শ্ৰী মদ্ভাগৱত গীতা।*

(পুৰণি কাপোৰ পৰিত্যাগ কৰি নতুন বস্ত্ৰ গ্ৰহণ কৰাৰ দৰে আত্মাই পুৰণি দেহ ত্যাগ কৰি নতুন দেহ গ্ৰহণ কৰে।)

এই শ্লোক ফাঁকিলৈ মনত কৰি সান্ত্বনা লভাৰ বাহিৰে আন উপায় নাই। 'চৌধুৰী দা'ৰ বিদেহী আত্মাই চিৰ শান্তি লাভ কৰক। তেখেতৰ আদৰ্শ আমাৰ বাবে অনুকৰণীয় হওঁক।

"ওঁম শান্তি!"

□□□

স্বাস্থ্য

# জীৱনৰ শান্তি আহৰণত ধ্যান আৰু প্ৰাণায়াম

*জিতেন্দ্ৰ বৰুৱা*
স্নাতক ২য় বৰ্ষ

বৰ্তমান সমাজ ব্যৱস্থা যিমানেই ভোগবাদী আৰু প্ৰতিযোগিতামুখী হৈ গৈ আছে, সিমানেই মানুহৰো মানসিক উৎকণ্ঠা আৰু অস্থিৰতা বাঢ়ি গৈ আছে। চলিত সমাজ ব্যৱস্থাৰ লগত নিজকে খাপ খুৱাবলৈ গৈ বহুজনে বিশৃংঙ্খলতাৰে ভৰা জীৱন এটাৰ মেৰপেচত সোমাই পৰিছে। নিজ অস্তিত্বৰ পৰা ফালৰি কাটি ক্ৰমে বস্তুবাদী হৈ পৰাত জীৱনৰ প্ৰকৃত সুখ-আনন্দ আহৰণ কৰাত ব্যৰ্থ হৈছে। সম্প্ৰতি আধুনিক জীৱনৰ সৈতে খোজ মিলাবলৈ গৈ মানুহে নিজৰ জীৱনটো মানসিক চাপেৰে পৰিপূৰ্ণ কৰি তুলিছে। আৰু এই মানসিক চাপে মানুহৰ মননত সৃষ্টি কৰিছে হতাশা। আধুনিক জীৱনৰ অভিশাপস্বৰূপ হতাশা এনে এক ব্যাধি যিয়ে মানুহৰ আত্মিক আৰু সামাজিক সংযোজনত বাধাৰ সৃষ্টি কৰে। ফলত মানুহৰ সকলো কামৰ উদ্যম হেৰাই যায়, হেৰাই যায় মনৰ সকলো আশা-আকাংক্ষা-হেপাঁহ। নিজকে অনুভৱ কৰে চৰম অকলশৰীয়া মানুহজন হিচাপে। আনকি কিছুক্ষেত্ৰত এনে হোৱাও দেখা যায় যে এই হতাশাই এজন মানুহক মানসিক বিকৃতিৰ চূড়ান্ত পৰ্যায়লৈ লৈ গৈছে।

কিন্তু এনে এক পৰিণতিৰ কথা জনাৰ পিছতো আমি হতাশাক প্ৰশ্ৰয় দিয়া উচিতনে? কিন্তু এই হতাশা আমাৰ মাজলৈ আহে কিদৰে? এৰা, জীৱনৰ দুখদায়ক অভিজ্ঞতা আৰু জীৱনত কৰা দূৰন্ত আশাৰ ফলস্বৰূপে হতাশা নামৰ ব্যাধিটোৰ আমাৰ মাজলৈ আমদানি ঘটে বুলি মনোৰোগ বিশেষজ্ঞসকলে মত পোষণ কৰিছে। হতাশগ্ৰস্ততা এক দুখদায়ক পৰিস্থিতি যাৰ লগত দৈহিক আৰু মানসিক দিশটো বিশেষভাৱে জড়িত। ইয়াৰ ফলতেই মানসিক স্থিৰতা হেৰাই যায়, দৈনিক কাম-কাজত বিসংগতি দেখা দিয়ে। তেন্তে ইয়াৰ পৰা পৰিত্ৰাণৰ উপায় কি?

হতাশগ্ৰস্ততা দূৰ কৰাত ল'বলগা প্ৰথম পদক্ষেপটোৱেই হ'ল যোগবিদ্যাৰ অন্তৰ্গত নিয়মিত ধ্যান আৰু প্ৰাণায়ামৰ অভ্যাস। মানুহৰ মানসিক অস্থিৰতা দূৰ কৰাৰ বাবেই যোগ-চিকিৎসা বিজ্ঞানে ধ্যান আৰু প্ৰাণায়াম অভ্যাসৰ ব্যৱস্থা উদ্‌ঘাটন কৰিছে। একমাত্ৰ ধ্যান আৰু প্ৰাণায়াম অভ্যাসেই মানুহ এজনক মানসিকভাৱে সুস্থ আৰু সবল কৰি তুলিব পাৰে। এজন সুস্থ আৰু সবল মানুহক কেতিয়াও হতাশাই আৱৰি ধৰিব নোৱাৰে। যোগবিদ্যা আজিৰ সৃষ্টি নহয়। সুপ্ৰাচীন ভাৰতীয় দৰ্শনৰ অন্তৰ্গত 'যোগ' বিদ্যা ভাৰতীয় ঋষি-মুনিসকলৰে মহৎ সৃষ্টি। গীতাতো শ্ৰীকৃষ্ণৰ মুখেৰেই নিৰ্গত হৈছিল এই যোগদৰ্শনৰ বাণীবিলাক। আধ্যাত্মিক ধ্যান ধাৰণাৰে পুষ্ট যোগদৰ্শন বৈষয়িক চিন্তা-চৰ্চাৰ পৰা বহু দূৰত। মানুহৰ মনত উদ্ভৱ হোৱা যন্ত্ৰণাৰ উপশম ঘটাই শান্তি লাভৰ পথ দৰ্শনৰ ব্যৱস্থা কৰাটোৱেই আছিল যোগৰ মূল উদ্দেশ্য। বৰ্তমান যোগ বিষয়টো বৈজ্ঞানিক গৱেষণাৰ দ্বাৰা প্ৰমাণ কৰি মানুহৰ শৰীৰত উদ্ভৱ হোৱা বিভিন্ন ৰোগৰ নিৰ্মূলৰ লগতে মানসিক উন্নতিৰ এক প্ৰণালীবদ্ধ পদ্ধতি হিচাপে পৰিগণিত হৈছে। মানুহৰ শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু নৈতিক উন্নতিৰ ক্ষেত্ৰত ইয়াৰ ভূমিকা বিজ্ঞানসন্মতভাৱেই প্ৰমাণিত হৈছে।

যোগ এক প্ৰণালীবদ্ধ পদ্ধতি বুলি আগতেই আমি উল্লেখ কৰি আহিছো। গতিকে ইয়াৰ বাবে কিছুমান নিয়ম নিৰ্দ্ধাৰণ কৰা হৈছে। ৰাতিপুৱা উঠি নিয়মিত ত্ৰিশ মিনিট ভ্ৰমণ প্ৰাণায়াম কৰিব লাগে। ভ্ৰমণ প্ৰাণায়ামত দুই খোজত শ্বাস লৈ চাৰি খোজত লাহে লাহে এৰি দি তেনেদৰে ২-৪, ৪-৬, ৬-৮, ৮-১০ খোজৰ হিচাপত প্ৰাণায়ামটো অভ্যাস কৰিলে সুফল পোৱা যায়। তাৰ পিছত কপালভাটি অনুষ্ঠান আৰু সূৰ্যভেদী প্ৰাণায়ামটো অভ্যাস কৰিব লাগে। ইয়াৰ পিছত নিতৌ পাঁচ-দহ মিনিটকৈ 'ওম কাৰ' ধ্যান বা ভাবাতীত ধ্যান অভ্যাস কৰিব লাগে। ধ্যান কৰাৰ সময়ত কোনো ধৰণৰ খৰধৰ কৰিব নালাগে। নিৰিবিলি আৰু মুক্ত বায়ু চলাচল কৰিব পৰা স্থানতহে ধ্যান কৰিব লাগে। ধ্যান অভ্যাসৰ সময়ত মনটোত কোনো ধৰণৰ ভাবনা আহিবলৈ দিব নালাগে। কিন্তু তাৰ পিছতো এনে এটা পৰ্যায় আহে যে মনটোলৈ অজস্ৰ ভাবনাৰ সোঁত বয়। ভাবনাবোৰ আহি থাকে, গৈ থাকে। এসময়ত মনটো এঠাইত নিবদ্ধ হৈ ৰ'ব। তেতিয়াই মনটো স্থিৰ হ'ব।

যোগশাস্ত্ৰৰ মতে চাৰি প্ৰকাৰৰ যোগ আছে। সেয়া হ'ল ভক্তিযোগ, কৰ্মযোগ, জ্ঞানযোগ আৰু ৰাজযোগ। ইয়াত যোগাসন, প্ৰাণায়াম, ধ্যান আৰু মুদ্ৰা অভ্যাসৰ ব্যৱস্থা আছে। যোগাসন অভ্যাসৰ জৰিয়তে শাৰীৰিক উন্নতি লাভ কৰিব পাৰি কাৰণ এই অভ্যাসত শাৰীৰিক গঠনত গুৰুত্ব দিয়া হয়। প্ৰাণায়াম প্ৰাণৰ আৰাম। শ্বাস-প্ৰশ্বাসৰ জৰিয়তে হাওঁফাওঁ আৰু হৃদযন্ত্ৰৰ সবলীকৰণৰ বাবে প্ৰাণায়াম অভ্যাসৰ ব্যৱস্থা কৰা হৈছে। মানসিক উৎকণ্ঠা, অস্থিৰতা দূৰ কৰাত প্ৰাণায়ামৰ অৰিহণা নুই কৰিব নোৱাৰি। ধ্যান অভ্যাসে মনক নিয়ন্ত্ৰণ কৰি সুস্থ চিন্তা-চৰ্চা কৰাৰ অনুপ্ৰেৰণা যোগায়। মুদ্ৰা অভ্যাসে আমাৰ দৈহিক ক্ষেত্ৰত বাহ্যিক আৰু আভ্যন্তৰীণ শিৰা-উপশিৰাবোৰক সবল কৰি তেজৰ প্ৰবাহ স্বাভাৱিক কৰি তোলে।





নিয়মিত যোগাভ্যাস কৰাতো ঋষি-মুনিসকলৰ আধ্যাত্মিক ক্ষেত্ৰতে আৱদ্ধ বুলি বহুতৰে ধাৰণা হয় যদিও বৈজ্ঞানিক গৱেষণাৰ দ্বাৰা প্ৰমাণিত হৈছে যে মানুহৰ শৰীৰ সুস্থ ৰখাত যোগৰ প্ৰয়োগ অপৰিহাৰ্য। মনত ৰাখিবলগীয়া কথা যে জ্ঞানৰ লগতে ধ্যানৰ প্ৰয়োজনো অতীৱ। সাম্প্ৰতিক সমাজৰ যুৱক-যুৱতী, কিশোৰ-কিশোৰী, তথা সমাজৰ বিভিন্ন ক্ষেত্ৰত জড়িত ব্যক্তিসকলৰ বিশৃংখলতাৰ মূলতেই হ'ল শৰীৰৰ বিশেষ কেতবোৰ গ্ৰন্থিৰ দুৰ্বলতা। এই দুৰ্বলতাৰ ফলত শৰীৰত কেতবোৰ বিসংগতিয়ে দেখা দিয়ে। ফলত মানুহে কেতবোৰ অপকৰ্ম কৰিবলৈ মানসিক উচটনি নিজৰ ভিতৰৰ পৰাই লাভ কৰে। কিন্তু শাৰীৰিক আৰু মানসিক সুস্থতাই মানুহক সুস্থ চিন্তাধাৰাৰে পুষ্ট আনন্দময় জীৱন যাপনেৰে সমাজৰ উৎকৰ্ষ সাধনৰ প্ৰতিও সচেষ্ট কৰি তোলে।

তাৰোপৰি আমি জনা উচিত যে আমাৰ বেছিভাগ উদ্বিগ্নতাৰ মূলতেই হৈছে জীৱনৰ পৰা আমাৰ অত্যাধিক আকাংক্ষা। জীৱনৰ পোৱা নোপোৱাৰ হিচাপ কৰাৰ ক্ষেত্ৰত আমি মন কৰা উচিত যে আমি যি আকাংক্ষা কৰিছো সেয়া আমাৰ সামৰ্থৰ ভিতৰত হয়নে নহয়। নিজ সামৰ্থৰ ভিতৰত আশা কৰিলে আমি সফল নোহোৱাৰ প্ৰশ্নই নুঠে আৰু এনে ক্ষেত্ৰত হতাশাইও আমাক কাবু কৰিব নোৱাৰে। জীৱনত সংঘটিত কিছুমান সৰু সৰু ঘটনাক অযথা গুৰুত্ব দি মিছাতে অশান্তি অনাতকৈ পাৰ্যমানে জীৱনটো সহজভাৱে চলাই নিয়াত গুৰুত্ব দিয়াটোহে প্ৰকৃত জ্ঞানীলোকৰ কাম। তাৰোপৰি অতিপাত শাৰীৰিক পৰিশ্ৰম আৰু মানসিক শ্ৰমেও মানুহৰ মনলৈ অৱসাদ আৰু ক্লান্তি আনে। ইয়েই মানুহৰ মেজাজত প্ৰভাৱ পেলায় আৰু সেই শ্ৰমানুযায়ী প্ৰাপ্তিৰ ক্ষেত্ৰত সামান্যতম হীন-দেৰি হ'লেও মানুহৰ মনলৈ হতাশাৰ ভাব নামি আহে। গতিকে অত্যাধিক পৰিশ্ৰমৰ অন্তত কিছু জিৰণীৰ নিতান্তই প্ৰয়োজন। আৰু জিৰণীৰ সময়তো ধ্যানৰ জৰিয়তে আমাৰ অৱসাদ দূৰ কৰিব পৰা যায়।

অসমীয়াত এষাৰ কথা আছে যে 'আদাক দেখি উঠিল গা, কেতুৰিয়ে বোলে মোকো খা'। দৰাচলতে আমি দেখাক দেখি কিবা এটা কৰাতকৈ কোনোবাই কিবা ক্ষেত্ৰত আগবাঢ়ি গ'লে আগ-পিছ নুগুনি সেই বিষয়টোত আগবঢ়াৰ বাবে দূৰন্ত আশাত বুৰ যোৱাটো স্বাভাৱিক নহয়, যদিহে সেইটো আমাৰ সামৰ্থৰ বাহিৰৰ কথা। তাতকৈ আমাৰ স্থিতিৰ প্ৰতি সজাগ হৈ, নিজৰ সামৰ্থৰ প্ৰতি লক্ষ্য ৰাখি আকাংক্ষা কৰি তাৰ পূৰণৰ বাবে যদিহে সচেষ্ট হোৱা যায় তেতিয়াহে জীৱনৰ প্ৰকৃত স্বাদ পাব পাৰি। কোনো ক্ষেত্ৰতে নিজকে দুৰ্বল হ'বলৈ নিদি যুক্তিবাদৰ জৰিয়তে আত্মসংশোধনৰ প্ৰক্ৰিয়াৰে নিজৰ মৰণশীল জীৱনটোক জীৱনমুখী কৰি তোলাতহে জীৱনৰ উদ্দেশ্য নিহিত থকা উচিত। ইয়াকে কৰিবলৈ হ'লে আমি মানসিক স্থিৰতা অটুট ৰখাটো নিতান্তই জৰুৰী। আৰু মানসিক স্থিৰতাৰ প্ৰথমটো সোপানেই হ'ল - যোগাভ্যাস, এটা শৃঙ্খলাবদ্ধ তথা আনন্দময় জীৱন গঢ়াৰ এক প্ৰণালীবদ্ধ পদ্ধতি।

*সহায়ক গ্ৰন্থ ঃ*
*ক) শৰীৰ সাধনাত যোগ ব্যায়াম ঃ বিপুল শৰ্মা*

❏❏❏

অমৃত কথা ঃ

## অনুভূতিৰ পৰাহে মানুহ সুখ-দুখত উদ্বিগ্ন হয়

যিটো কথাত এজন ব্যক্তিয়ে অত্যন্ত সুখ অনুভৱ কৰে সেই কথাটোতে অন্য এজন ব্যক্তিয়ে অতিশয় দুখ অনুভৱ কৰে। বৰ্ষাকাল আহিলে মালি উৎফুল্ল হয়, কিয়নো তেতিয়া তেওঁৰ ফুলনি জকমকীয়া হৈ উঠে। ইফালে বৰষুণৰ কাৰণে কুমাৰে নিজৰ কাম কৰিব নোৱাৰে, ই তেওঁৰ বাবে সুখকৰ কেনেকৈ হয়? কোনোবা সুখীয়েই হওঁক বা দুখীয়েই হওঁক বৰ্ষা কিন্তু আহিবই। আচল কথাটো হ'ল অনুভূতিৰ পৰাহে মানুহ সুখ বা দুখত উদ্বিগ্ন হয়। যিদৰে ধৰ্ম আৰু অধৰ্ম দুয়োটাই বন্ধনৰ কাৰণ হ'ব পাৰে সুখ আৰু দুখেও মানুহক উদ্বিগ্ন কৰিব পাৰে। সুখত মানুহে মনক বান্ধি ৰাখিব নোৱাৰে। অৱলম্বন পালেই মনত অনেক ইচ্ছা আৰু আকাংক্ষা জাগ্ৰত হ'বলৈ ধৰে। মানুহে তেতিয়া ভৌতিকতাৰ ধামখুমীয়াত উত্তেজিত হয়। তেতিয়া মানুহৰ মন অস্থিৰ হয় আৰু পৰিবৰ্তন বিচাৰে, তেনে লোক সুখৰ সময়তো সুস্থিৰ হৈ থাকিব নোৱাৰে। অত্যাধিক সুখেও মনত উকমুকনিৰ সৃষ্টি কৰে। প্ৰায়বোৰ জৈন তীৰ্থাংকৰে সুখৰ উকমুকনিত বিৰক্ত হৈয়ে দীক্ষিত হৈছিল।

-গুলাব কোঠাৰী

স্বাস্থ্য

# মধুমেহ দূৰ কৰাৰ প্ৰাকৃতিক উপায়

হৰজ্যোতি বৈশ্য,
প্ৰাঞ্জল কলিতা
স্নাতক ২য় বৰ্ষ

বৰ্তমান সময়ত মধুমেহ ৰোগে বিশ্বৰ অধিকাংশ লোককে জুৰুলা কৰিছে। যান্ত্ৰিক যুগৰ ধামখুমীয়াত মানুহৰ মানসিক শ্ৰমৰ পৰিমাণ বাঢ়ি গৈছে কিন্তু তাৰ অনুপাতে শাৰীৰিক শ্ৰমৰ পৰিমাণ কমি গৈছে। ফলত অগ্ন্যাশয় গ্ৰন্থিৰ দ্বাৰা তৈয়াৰ হোৱা ইনছুলিনৰ মাত্ৰা পৰিমাণাত্মক আৰু গুণাত্মক হিচাপে কম হৈ যায়। তেতিয়া তেজত শৰ্কৰাৰ মাত্ৰা বাঢ়ি যোৱাৰ ফলত অতিৰিক্ত শৰ্কৰা মূত্ৰৰ জৰিয়তে বাহিৰ ওলাবলৈ ধৰে। এসময়ত মানুহৰ শৰীৰৰ এনে অৱস্থা হয় যে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা সম্পূৰ্ণৰূপে কমি যায়। ফলত ভিন্ন উপসৰ্গৰ আক্ৰমণত শৰীৰৰ অৱস্থা তথৈবচ হৈ পৰে। প্ৰাকৃতিক চিকিৎসা অনুসাৰে মধুমেহ ৰোগ পাচন সংস্থানৰ বিকাৰ। নিয়মিত যোগাভ্যাসৰ লগতে জীৱনচৰ্যাৰ পৰিবৰ্তন আনি আৰু উচিত আহাৰৰ প্ৰয়োগৰ দ্বাৰা মধুমেহ ৰোগীয়ে শীঘ্ৰেই পূৰ্বৰ দৰে স্বাভাৱিক জীৱন ঘূৰাই পাব পাৰে।

মধুমেহ ৰোগৰ বিষয়ে ভালদৰে নেজানিলেও কেতবোৰ লক্ষণৰ পৰা ইয়াৰ গতি-গোত্ৰ সহজে অনুমান কৰিব পাৰি। সেইবোৰৰ ভিতৰত শৰীৰত খজুৱতি হোৱা, ঘাঁ শুকাওঁতে সময় লগা, পেচাবত শৰ্কৰা পৰা, বাৰে বাৰে পেচাব হোৱা, পেচাব চিপচিপীয়া আৰু গাঢ় হৈ পৰা, বেছিকৈ ভোক আৰু পিয়াহ লগা, গাৰ ছাল শুকান হৈ পৰা, চকুৰ জ্যোতি কমি যোৱা, অনবৰত ভাগৰ আৰু দুৰ্বল অনুভৱ হোৱা আদি মধুমেহৰ সাধাৰণ লক্ষণ। শৰীৰত এইবোৰ লক্ষণ দেখা দিলে আপুনি সন্দিহান হোৱা উচিত - আপোনাৰ দেহত কেনেবাকৈ সেই নীৰৱ ঘাতকে খোপনি পুতিবলৈ আৰম্ভ কৰা নাইতো।

মধুমেহৰ কাৰণে নানা ধৰণৰ অন্য ৰোগেও শৰীৰত বাহ বান্ধিবলৈ সক্ষম হয়। সেইবোৰৰ ভিতৰত স্নায়ৱিক দুৰ্বলতা, বৃক্ক আৰু যকৃতৰ বিকলতা, নপুংসকতা, তন্ত্ৰিকা সংস্থানৰ দোষ, দৃষ্টি-নাড়ী উখহা আদি বিকৃতিবোৰ শৰীৰত দেখা দিয়া পৰিলক্ষিত হয়। গতিকে মধুমেহৰ লগতে এই উপসৰ্গবোৰৰো উপচাৰ হোৱা অত্যন্ত জৰুৰী।

মধুমেহ ৰোগৰ উপচাৰ কৰোতে প্ৰথমে মন কৰিবলগীয়া কথাটো হ'ল ৰোগীয়ে যাতে পৰ্যাপ্ত শ্ৰম কৰাৰ লগতে নিয়ন্ত্ৰিত আহাৰ কৰে। মধুমেহ ৰোগী সদায় উদ্বিগ্নতামুক্ত হৈ থাকিব লাগে। ৰোগীয়ে সদায় মনত ৰখা উচিত যাতে তেওঁৰ পাচন সংস্থানে সু-ব্যৱস্থিত ৰূপত কাম কৰে আৰু মধুমেহৰ কাৰণে যি ৰোগ উৎপত্তি হৈছে সেইবোৰো যাতে নিয়ন্ত্ৰিত হৈ থাকে।

মধুমেহ ৰোগৰ প্ৰাকৃতিক চিকিৎসা পদ্ধতিত কেইটামান প্ৰক্ৰিয়াৰ ওপৰত গুৰুত্ব দিব লাগে। সেইবোৰৰ ভিতৰত - যৌগিক চিকিৎসা, প্ৰাকৃতিক চিকিৎসা, ঘৰুৱা চোৰাচিতা, ভোজন তলত সেইবোৰৰ বিষয়ে যৎকিঞ্চিত আলোচনা কৰা হ'ল।

**যৌগিক চিকিৎসা ঃ** যোগ সাধনা বৰ্তমান সমাজত সৰ্বজন সমাদৃত হৈ পৰিছে। ইয়াৰ মূলতেই হ'ল যোগৰ সুফল সম্পৰ্কে জনসাধাৰণৰ মাজত সজাগতা। তাৰোপৰি বৰ্তমানৰ আধুনিক জীৱনযাত্ৰাৰ বিভিন্ন উপসৰ্গৰ নিৰাময়ৰ ক্ষেত্ৰত যোগৰ সুফল তথা সাফল্যও ইয়াৰ মূল কাৰণ। মধুমেহ ৰোগৰ নিৰাময়ৰ ক্ষেত্ৰতো যৌগিক চিকিৎসা পদ্ধতিৰ অৱদান নুই কৰিব নোৱাৰি। মধুমেহ ৰোগৰ ক্ষেত্ৰত প্ৰয়োগ কৰিবলগীয়া যৌগিক চিকিৎসা পদ্ধতিৰ কেইটামান হ'ল -

১) কুঞ্জল, নৌলি আৰু শংখ প্ৰক্ষালনে মধুমেহ ৰোগীক বিশেষ লাভান্বিত কৰে।

২) বদ্ধ-উড্ডীয়ান মুদ্ৰাৰ অভ্যাসে পাচন সম্পৰ্কীয় দোষ দূৰ কৰাত সহায় কৰে।

৩) কটি চক্ৰাসন, অৰ্দ্ধমৎস্যেন্দ্ৰাসন, বজ্ৰাসন, ভূজঙ্গাসন, পশ্চিমোত্তানাসন, শলভাসন, ধনুৰাসন, মণ্ডুকাক্ষন আৰু পদহস্তাসনৰ অভ্যাস কৰিলে মধুমেহ ৰোগীৰ বিশেষ লাভ হয়।

৪) ভস্ত্ৰিকা, উজ্জয়ী, নাড়ী-শোধন আৰু ভ্ৰমৰী প্ৰাণায়ামৰ অভ্যাসৰ দ্বাৰাও মধুমেহ ৰোগৰ কষ্টৰ উপশম ঘটাব পাৰি।

৫) যদিহে পাৰে ৰোগীয়ে সূৰ্য নমস্কাৰ কৰিলে সকলো ক্ৰিয়া কৰাৰ দৰে বিশেষ লাভ প্ৰাপ্ত কৰিব পাৰে।

**প্ৰাকৃতিক চিকিৎসা ঃ** যৌগিক চিকিৎসা পদ্ধতিৰ দৰে প্ৰাকৃতিক চিকিৎসা পদ্ধতিৰ দ্বাৰাও মধুমেহ ৰোগ নিয়ন্ত্ৰণ কৰিব পাৰি। প্ৰাকৃতিক
চিকিৎসা পদ্ধতিত নিম্নোক্ত উপায় সমূহ অৱলম্বন কৰা হয়।

১) পেটত মাটিৰ পটি বান্ধিব লাগে।

২) পেটত গৰম-ঠাণ্ডা সেক ল'ব লাগে।

৩) এনিমা ল'ব।

৪) ঠাণ্ডা কটি স্নান, ঠাণ্ডা-গৰম কটি স্নান ল'ব।

৫) সপ্তাহত দুবাৰ শৰীৰৰ মালিচ কৰাব।

৬) পেটত পটি মেৰিয়াব আৰু ৰাজহাড় স্নান কৰিব।

৭) ৰৌদ্ৰ স্নান কৰিব। মটীয়া ৰঙৰ বটলত পানী লৈ সূৰ্যৰ কিৰণত অতিকমেও আঠ





ঘণ্টা তপত কৰি তাৰে আধা কাপ পানী ভোজনৰ পিছত দুবাৰ সেৱন কৰিব।

**ভোজন চিকিৎসা ঃ** যৌগিক আৰু প্ৰাকৃতিক চিকিৎসা পদ্ধতিৰ মধুমেহ ৰোগীৰ ক্ষেত্ৰত সততে নজৰ ৰাখিবলগীয়া বিষয়টো হ'ল ভোজন। ভোজনৰ ওপৰতো ৰোগীৰ স্বাস্থ্যৰ প্ৰকৃতি নিৰ্ভৰ কৰে। ভোজনৰ ক্ষেত্ৰত নিম্নোক্ত ধৰণৰ সাৱধানতা অৱলম্বন কৰা উচিত।

১) ৰোগীৰ বয়স, কাৰ্য আৰু মধুমেহৰ প্ৰকাৰৰ ওপৰত নিৰ্ভৰ কৰি ৰোগীৰ আহাৰ নিৰ্দ্ধাৰণ কৰা উচিত।

২) এজন স্বাভাৱিক ওজনৰ ৰোগীক যি শাৰীৰিক পৰিশ্ৰম নকৰে তেওঁক প্ৰায় ২০০০ কেল'ৰিৰ, মধ্যমীয়া কাৰ্য কৰাজনক ২৫০০ কেল'ৰিৰ আৰু বেছিকৈ কাম কৰাজনক ৩০০০ কেল'ৰি বা তাতকৈ অধিক কেলৰিৰ আহাৰৰ প্ৰয়োজন হয়।

৩) যিসকল ৰোগীৰ ওজন কম হৈ গৈছে তেওঁলোকক অন্য ৰোগীৰ তুলনাত কিছু বেছি কেল'ৰিৰ প্ৰয়োজন হয়।

৪) যিসকল ৰোগীৰ ওজন স্বাভাৱিকতকৈ বেছি তেওঁলোকে ২০০০ কেল'ৰিতকৈও কম ভোজন কৰা উচিত যাতে তেওঁলোকৰ শৰীৰ প্ৰয়োজনাধিক স্থূল হৈ নপৰে।

৫) কেল'ৰি নিশ্চিত কৰাৰ আটাইতকৈ সুগম উপায় হ'ল মূত্ৰৰ পৰীক্ষা কৰোৱাটো।

৬) পুৰা কেৰেলাৰ ৰস এক বা দুই আউন্স খাব পাৰে।

৭) খাদ্যতালিকাত দৈ আদি অন্তৰ্ভূক্ত কৰি লৈ নিজৰ শাৰীৰিক শক্তি ঠিক কৰি ৰাখিব পাৰে।

৮) জলপানত সৰ নোহোৱা গাখীৰ ২৫০-৪০০ মিঃ লিঃ বা মটঠা বা অংকুৰিত বুট, মগু, মেথি প্ৰায় ৩০ গ্ৰাম বা সতেজ আমলখিৰ ৰস ৫০ গ্ৰাম খাব পাৰে।

৯) দুপৰীয়া ৰুটি (ঘেঁহু আৰু বুট দুয়োটা মিলাই), ২৫ গ্ৰামৰ পৰা ৫০ গ্ৰাম সেউজীয়া পাচলি, ২৫০ গ্ৰাম চালাড, ২৫ গ্ৰামৰ পৰা ৫০ গ্ৰাম মগু দাইল, ১৫০ গ্ৰাম দৈৰ মহী এগিলাচ খাব পাৰে।

১০) সন্ধিয়া ভজা বুট ৩০ গ্ৰাম, পাচলিৰ চুপ এগিলাচ খাব পাৰে।

১১) ৰাতিৰ খাদ্যও দুপৰীয়াৰ দৰেই খাব পাৰে যদিও মধুমেহ ৰোগীয়ে ৰাতিৰ আহাৰত দৈ খোৱা উচিত নহয়।

**ঘৰুৱা চোৰাচিতা ঃ** অকল খাদ্য তালিকাৰ পৰিবৰ্তন বা যৌগিক-প্ৰাকৃতিক চিকিৎসা পদ্ধতিৰ ওপৰত ভৰসা ৰাখিলেই মধুমেহ ৰোগীয়ে আৰোগ্য লাভ কৰিব নোৱাৰে। ইয়াৰ উপৰিও প্ৰয়োজন হয় যথেষ্ট ঘৰুৱা তত্বাৱধানৰ। এই তত্বাৱধানৰ ভিতৰত নানা ধৰণৰ উপকৰণৰ প্ৰয়োগেই প্ৰধান। তলত তেনে কেতবোৰ বিধানৰ কথা উল্লেখ কৰা হ'ল -

১) মিথীৰ দানা ছয়গ্ৰাম লৈ অলপ খুন্দি লৈ সন্ধ্যা ২৫০ গ্ৰাম পানীত ভিজাই থৈ পুৱা সেইখিনি খুব ভালদৰে ঘুটি লৈ কাপোৰেৰে চেকি মিঠা নিমিহিলোৱাকৈ সদায় পুৱা প্ৰায় দুমাহ ধৰি খালে মধুমেহৰ পৰা ৰক্ষা পাব পাৰি।

২) দ্বিতীয় প্ৰয়োগত মিথীৰ দুই চামোচ দানা আৰু এচামোচ চফ মিহলাই আইনাৰ গিলাচত ২০০ গ্ৰাম পানীত ৰাতি তিয়াই থৈ পুৱা কাপোৰেৰে চেকি খাব লাগে।

৩) জামুৰ চাৰিখিলা কোমল আৰু সেউজীয়া পাত খুব মিহিকৈ পিহি সাত গ্ৰাম পানীত মিহলাই থৈ পুৱা চেকি লৈ একেৰাহে দহদিনলৈ খাব লাগে। ইয়াৰ পিছত প্ৰতি দুমাহৰ মূৰত দহদিনকৈ খাব লাগে। জামুৰ ৰসে মূত্ৰৰ লগত চেনী যোৱা সমস্যাৰ উপশম ঘটায়।

৪) প্ৰাৰম্ভিক অৱস্থাত জামুৰ পাত চাৰিখিলাকৈ পুৱা-সন্ধ্যা চোবাই খালে মাত্ৰ তিনিদিনতেই মধুমেহৰ পৰা আৰোগ্য লাভ কৰিব পাৰি।

৫) জামুৰ গুটিৰ শাঁহ ছাঁত শুকুৱাই লৈ চূৰ্ণ কৰি সেই চূৰ্ণ নিতৌ পুৱা-সন্ধ্যা তিনি গ্ৰাম সতেজ পানীৰ লগত খাব লাগে। এনেদৰে অতিকমেও এক্কৈশ দিনলৈ খালে মধুমেহে বল পাব নোৱাৰে।

৬) ভাল পকা জামু ৬০ গ্ৰাম লৈ ৩০০ গ্ৰাম উতলা পানীত দি ঢাকি থ'ব। ত্ৰিশ মিনিটৰ পিচত মোহাৰি চেকি ল'ব। ইয়াৰে তিনি ভাগ কৰি এক মাত্ৰাকৈ দিনত তিনি-চাৰিবাৰ খালে মধুমেহ ৰোগীৰ প্ৰস্ৰাৱত চেনীৰ পৰিমাণ কমি যায়।

**মধুমেহ ৰোগীৰ বাবে জৰুৰী ঃ** মধুমেহ ৰোগীয়ে কিছুমান কথা অত্যন্ত মন কৰিব লাগে। সেইবোৰৰ ভিতৰত শৰীৰত যাতে আঘাত নালাগে তাৰ প্ৰতি সদায় সচেষ্ট হ'ব লাগে আৰু বিশেষকৈ খাদ্যৰ ক্ষেত্ৰত অত্যন্ত সাৱধান হোৱাৰ উপৰিও লোভ সম্বৰণ কৰাতো খুবেই জৰুৰী। তাৰোপৰি নিম্নোক্ত কথাকেইটিৰ প্ৰতি নজৰ ৰাখিলে যথেষ্ট লাভবান হ'ব পাৰি -

১) ঘেহুঁৰ আটাৰ লগত বুট, ছয়াবিন, মেথি মিহলাই ৰুটি কৰি খোৱা উচিত। এইক্ষেত্ৰত চাৰে-সাত কিলোগ্ৰাম ঘেহুঁ, ডেৰ কিলোগ্ৰাম বুট, নশ গ্ৰাম ছয়াবিন আৰু এশ গ্ৰাম মেথিৰ অনুপাতত মিশ্ৰণটো তৈয়াৰ কৰা উচিত।

২) সকলো প্ৰকাৰৰ মিঠা বস্তু, ঘি, বনস্পতি, অত্যাধিক মিঠা ফল, বজাৰত পোৱা ময়দা আদিৰে বনোৱা মছলাযুক্ত খাদ্যবস্তু, পেকেটিঙত উপলব্ধ খাদ্যবস্তু, ধুমপান, জৰ্দা, গুট্‌খা, সুৰা, তামোল-পান আদি সম্পূৰ্ণৰূপে বৰ্জ্জিত।

৩) নিমপাত, বেল, কেৰেলা, জামু আদিও মধুমেহ নিয়ন্ত্ৰণত সহায়ক হ'ব পাৰে।

৪) সেউজীয়া শাক-পাচলি, মৰিছা, বথুৱা, ধনীয়া, পদিনা, বন্ধাকবি, তিয়ঁহ, জাতিলাও, বেলপাত, নাৰিকল, মূলা, বিলাহী, নেমু, গাজৰ, পিয়াজ, আদা, দৈৰ মহী, তিওৱা বাদাম আদিও বেছ উপযোগী।

৫) দিনত শোৱাটো নীতিবহিৰ্ভূত কথা। পানী একেলগে খোৱাতকৈ লাহে লাহে ঘোটঘোটকৈ খাব লাগে।

৬) যৱ মধুমেহ ৰোগীৰ বাবে বেছ উপাদেয়। যৱৰ আটা পাঁচভাগ, বুট এভাগ, আঠ-দহদিনলৈ খালে পেচাবত চেনী পৰা বন্ধ হয়। যৱ ভাজি লৈ আটাৰ দৰে পিহি ৰুটি বনাই খালেও লাভজনক।

৭) মধুমেহ ৰোগীয়ে পুৱা, সন্ধিয়া সাধ্য অনুসাৰে দৌৰিলে বিনা ঔষধেৰেই পেচাবত চেনী পৰা বন্ধ হয়। যদিহে দৌৰিবৰ শক্তি নেথাকে তেতিয়া খুব খৰকৈ খোজ কাঢ়িব লাগে।

৮) ইয়াৰ লগে লগে অগ্নিসাৰ, ধৌতি, ভস্ত্ৰিকা প্ৰাণায়াম, বদ্ধ উড্ডীয়ানৰ লগত পশ্চিমোত্তানাসন আৰু হাওঁফাওঁৰ শক্তি বৃদ্ধি কৰিবলৈ প্ৰাণায়ামৰ অভ্যাস কৰিলেহে স্থায়ী লাভ হ'ব পাৰে।

ভিন্ন কাৰণত মধুমেহ ৰোগে শৰীৰত বাহ বান্ধিব পাৰে যদিও এই ৰোগৰ অন্যতম কাৰণ হ'ল - ডিপ্ৰেচন বা হতাশা। মনোৰসাদ আৰু মধুমেহৰ মাজত ওচৰ সম্বন্ধ আছে। আমেৰিকাৰ চিকিৎসকসকলে কয় যে ডিপ্ৰেচনৰ কাৰণে মানুহৰ type-2 ডায়েবিটিজৰ শংকাই যে বাঢ়ি যায় এনে নহয়, ডিপ্ৰেচনে আন বহুতো সমস্যাৰো জন্ম দিয়ে। ডাং সবিতা হিল গোল্ডন আৰু তেওঁৰ সহযোগী সকলে কৰা এক অধ্যয়নৰ পৰা জানিব পৰা গৈছে যে আৰম্ভণিতে যিসকল ৰোগীৰ ডিপ্ৰেচনৰ লক্ষণ পোৱা গৈছিল, তিনি বছৰৰ পিছত তেওঁলোকৰ ডায়েবিটিছৰ স্তৰ ৪২ গড় হিচাপে বাঢ়ি গৈছিল। আনহাতে অধিক ওজনৰ মানুহ, শ্ৰম নকৰা আৰু ধুমপান কৰা লোকসকলৰ ডায়েবিটিছৰ গড় ৩৪ বেছি পোৱা গৈছিল। আকৌ যিসকলে চিকিৎসা কৰি আছিল, তেওঁলোকৰ ডিপ্ৰেচনৰ পৰিমাণো তিনিবছৰৰ পিছত গড়ে ৫৪ পোৱা গৈছিল। তেওঁলোকে এই অধ্যয়নত ৪৫ ৰ পৰা ৮৪ বছৰীয়া মুঠ ৬৮১৪ গৰাকী পুৰুষ আৰু মহিলাক সামৰি লৈছিল। তিনিবছৰত এই লোকসকলৰ তিনিবাৰ এথীৰোস্কলেৰোছিৰ শংকাৰ টাইপ-২ ডায়েবিটিছ আৰু ডিপ্ৰেচনৰ লক্ষণৰ বিধিমতে পৰীক্ষা কৰোৱা হৈছিল। গৱেষণাকাৰীসকলৰ মতে ডিপ্ৰেচনৰ কাৰণে ৰোগী এনে অভ্যাসৰ চিকাৰ হৈ পৰে যে সেই অভ্যাসবোৰে ৰোগীৰ ডায়েবিটিছৰ লক্ষণ গভীৰ কৰি তোলে। ডিপ্ৰেচন বা হতাশাৰ বাবে মানুহৰ ৰক্তচাপো অস্বাভাৱিক গতিত বাঢ়ি যায়। চিকিৎসকসকলেও মধুমেহৰ চিকিৎসাৰ সময়ত ডিপ্ৰেচন বিষয়টোকো গুৰুত্বসহকাৰে লোৱা দেখা যায়।

কিন্তু যিমানেই চিকিৎসা কৰা নেযাওঁক কিয়, মধুমেহ ৰোগ নিয়ন্ত্ৰণৰ একমাত্ৰ উপায় হ'ল - খোৱাত সংযম, দৈনন্দিন কাৰ্যক্ৰমণিকাত নিয়ন্ত্ৰণ, নিয়মিত পৰিশ্ৰম আৰু ইয়াৰ লগতে লাগিব দৈনিক যোগচৰ্চা। অন্যথা এই ৰোগে শৰীৰত নীৰৱ ঘাতক হিচাপে বাহ লৈ ঘূণপোকৰ দৰে এফালৰ পৰা খুলি খুলি খাই পেলাব পাৰে এজন ব্যক্তিৰ জীৱন।

***সহায়ক গ্ৰন্থঃ***

*ক) শৰীৰ সাধনাত যোগ ব্যায়াম ঃ বিপুল শৰ্মা*

*খ) অসমীয়া যোগ সন্দেশ*

❑❑❑

**অমৃত কথা ঃ**

## ধন নহ'লে সমাজত বৰ মানুহ বোলোৱা কঠিন

মানুহক ডাঙৰ কৰাত অকল ধনেই যথেষ্ট নহয় সঁচা, কিন্তু ধন নহ'লে সমাজত বৰ মানুহ বোলোৱা কঠিন। তাৰ উপৰি ধনেই মগজুৰ জোখ বুলি মানুহে ধৰি লৈছে। যি বহুত ধন ঘটিছে, সি হ'ল সিমানে মেধাৱী আৰু যি ঘটিব পৰা নাই সি হ'ল মুৰ্খ। নিজক কোনেও মুৰ্খ বোলাব নোখোজে; সেইবাবে বজাৰৰ দৰ যেতিয়া উঠা-নমা কৰে, তেতিয়া এই ব্যৱসায়ীহঁতৰো পৰীক্ষা দিবলৈ বহা ল'ৰাৰ দৰে বুকু ঢপঢপাই থাকে।

মোৰ বোধেৰে আমি মানি ল'ব লাগিব যে অযৌক্তিক হ'লেও সৰ্বনাশৰ পৰিণাম সম্বন্ধে কিছু আশংকা ব্যৱসায়ী এজনৰ মনত সদায় থাকিবই। আৰ্ণল্ড বেনেটৰ ক্লেহেঙ্গাৰ যিমানেই ধন নাথাকক কিয়, তেওঁৰ মনত সদায় এটা ভয় আছিল যে তেওঁ এদিন দৰিদ্ৰাশ্ৰমত থাকিবলগীয়া হ'ব পাৰে। মই নিঃসন্দেহে ক'ব পাৰো যে যিসকলে ল'ৰাকালত দৰিদ্ৰতাৰ মাজেদিয়েই খুব কষ্ট ভোগ কৰিছে তেওঁলোকৰ মনত এইটো শংকা থাকে যে তেওঁলোকৰ সন্তানসকলেও হয়তো তেনে দৰিদ্ৰতা ভোগ কৰিবলগা হ'ব পাৰে। আকৌ তেওঁলোকে ভাবে যে এনে দুৰ্যোগৰ বিৰুদ্ধে এখন প্ৰাচীৰ তৈয়াৰ কৰিবলৈ কোটি কোটি টকা সঞ্চয় কৰাটোও তেওঁলোকৰ পক্ষে অসম্ভৱ। সম্ভৱতঃ এনে ধৰণৰ শংকা প্ৰথম পুৰুষৰ মনত থাকিবই; কিন্তু যিসকলে অসহ্য দৰিদ্ৰতা ভোগ কৰা নাই, তেওঁলোকে এনে ধৰণৰ ভয়ৰ দ্বাৰা মনোকষ্ট পাব বুলি ধাৰণা নহয়। তথাপি এই ভয়, প্ৰকৃত সমস্যাৰ এটি সৰু আৰু সাধাৰণ অংশহে।

- বাৰ্ট্ৰাণ্ড ৰাছেল



সুৰেন দাস মহাবিদ্যালয় আলোচনী
বৰ্ষ ২০০৮-২০০৯

**ভ্ৰমণ কাহিনী**

# মোৰ উৰিষ্যা যাত্ৰা ঃ এটি অনুভূতি

*চিত্ৰা ওঁজা*
প্ৰাক্তন ছাত্ৰী

মানৱ জীৱন সদায়ে নতুনত্ব আকাংক্ষী। গতানুগতিকতাৰ গৰাহৰ পৰা মুক্তি বিচাৰি মানুহে সদায়ে নতুনৰ সন্ধান কৰে। নতুনত্বৰ সন্ধানত কৰা ভিন্ন আয়োজনৰ ভিতৰত ভ্ৰমণো অন্যতম। ভ্ৰমণেই মানুহৰ চকুৰ আগত দাঙি ধৰে ভিন্ন নতুন অভিজ্ঞতা, ন-শিক্ষা, ন-জ্ঞান আৰু ন-জীৱনৰ পাঠ। ভ্ৰমণৰ জৰিয়তেই আমি তুলনাত্মক দৃষ্টিভংগীৰে একোখন সমাজক চাবলৈ শিকো। গতিকে সমাজতত্বৰ ফালৰ পৰাও ভ্ৰমণৰ গুৰুত্ব অপৰিসীম।

মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত ক্ষেত্ৰ-অধ্যয়নৰ অন্তৰ্ভুক্তি এক গুৰুত্বপূৰ্ণ পদক্ষেপ। বিশেষকৈ ভূগোল বিজ্ঞান পাঠ্যক্ৰমত ইয়াৰ যথেষ্ট প্ৰয়োজন আছে। সেই প্ৰয়োজনতেই আমাৰ মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগে আয়োজন কৰা ক্ষেত্ৰ-অধ্যয়নত ময়ো অংশগ্ৰহণ কৰিছিলো আৰু উৰিষ্যালৈ বুলি যাত্ৰাৰম্ভ কৰা দলটোত নিজৰ নামটোও অন্তৰ্ভূক্ত কৰিছিলো। এক অদ্ভুত উত্তেজনাই উখল-মাখল লগাইছিল মনটোত। আমাৰ দলটোৰ তত্বাৱধানত আছিল ভূগোল বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপক জয়ন্ত কুমাৰ দাস ছাৰ লগতে অধ্যাপিকা ভাৰতী মেধি বাইদেউ। ভূগোল বিজ্ঞান বিভাগৰ উপৰিও অন্য বিভাগৰ কেইজনমান ছাত্ৰ-ছাত্ৰীয়েও আমাৰ লগত যোগ দিছিলহি।

২০০৬ চনৰ অক্টোবৰ মাহৰ ৬ তাৰিখ বৃহস্পতিবাৰে আমাৰ সেই আকাংক্ষিত যাত্ৰাৰ শুভাৰম্ভ হৈছিল। সেইদিনা হাজোৰ পৰা গুৱাহাটীলৈ আমি বাছেৰে যাত্ৰাৰম্ভ কৰিছিলো। প্ৰায় ৪-৪৫ বজাত আমাৰ ৰে'লযাত্ৰা আৰম্ভ হৈছিল। এক দীৰ্ঘ যাত্ৰাৰ অন্তত ২৮ অক্টোবৰ ২০০৬ তাৰিখ শনিবাৰে ৰাতিপুৱা প্ৰায় তিনিবজাত পুৰী ষ্টেচনত উপস্থিত হৈছিলো। ষ্টেচনৰ পৰা ট্ৰেকাৰেৰে আহি হোটেল অঞ্জনাত উঠিছিলোহি। সেই দীৰ্ঘ যাত্ৰাৰ অন্তত যথেষ্ট ভাগৰ অনুভৱ কৰিছিলোহি হঠাৎ। আমাক কিছু জিৰণিৰ প্ৰয়োজন হৈছিল। আমি পাঁচজনী ছোৱালী এখন ডাঙৰ বিছনাত একেলগে শুইছিলো।



পুৱা প্ৰায় দহমান বজাত গা-পা ধুই আমি খোজকাঢ়ি মহাপ্ৰভু জগন্নাথ মন্দিৰলৈ বুলি ৰাওনা হ'লো। তাত আমাৰ লগত আছিল পুৰী নিবাসী অসমীয়া পাণ্ডা। তেঁৱেই আমাক মন্দিৰৰ চাৰিওফালে দৰ্শন কৰালে। পুৰীৰ জগন্নাথ মন্দিৰ জগদ্বিখ্যাত। ১১৯৮ চনত এই মন্দিৰ সজা হয়। মন্দিৰৰ মূল বিগ্ৰহ কৃষ্ণ, বলভদ্ৰ আৰু সুভদ্ৰাৰ অসম্পূৰ্ণ মূৰ্তি। ইন্দ্ৰদ্যুম্ন ৰজাৰ দ্বাৰা স্থাপিত এই বিগ্ৰহৰ নিৰ্মাতা স্বয়ং প্ৰভু বিশ্বকৰ্মা বুলি পুৰাণ প্ৰসিদ্ধ। প্ৰবাদ আছে যে ইন্দ্ৰদ্যুন্ন ৰজাই সপোনত সাগৰেৰে এডাল কাঠ ভাহি অহা দেখা পাইছিল। সেই কাঠডাল ঈশ্বৰৰ নিৰ্দেশমতে এটা ঘৰৰ ভিতৰত দুৱাৰ বন্ধ কৰি এক নিৰ্দিষ্ট সময়ৰ বাবে থৈ দিবলৈ কৈছিল। পুৱা সময়মতে গৈ ৰজাই সঁচাকৈয়ে এডাল কাঠ পাইছিল। স্বপ্ননিৰ্দেশ মতেই ৰজাই কাঠডাল আনি ৰুদ্ধদ্বাৰ কোঠাত সুমুৱাই থৈছিল যদিও এসময়ত অস্থিৰ হৈ ৰজাই নিৰ্দিষ্ট সময়ৰ আগতেই 'কি হৈছেনো চাওঁচোন' বুলি দুৱাৰ খুলি চোৱাত সেই অসম্পূৰ্ণ মূৰ্তি দেখা পাইছিল আৰু তাকেই আনি মন্দিৰত স্থাপন কৰিছিল। স্বপ্ননিৰ্দেশ মতে ৰজাই নিৰ্দ্ধাৰিত সময়ত দুৱাৰ খোলাহেতেন উক্ত বিগ্ৰহৰ নিৰ্মাণ বিশ্বকৰ্মাৰ দ্বাৰা সম্পূৰ্ণ হ'লহেতেন। মহাপ্ৰভু জগন্নাথ মন্দিৰ দৰ্শনৰ অন্তত আমি সাগৰলৈ ঢাপলি মেলিছিলো। জীৱনত কাহানিও নেদেখা সাগৰ। বিশাল উৰ্মিমালা আৰু বাধাহীন জলৰাশি দেখি মনত পৰিছিল দেৱকান্ত বৰুৱাৰ কবিতা 'সাগৰ দেখিছা' লৈ। সঁচাকৈয়ে সাগৰৰ মুখামুখি হ'লে এক বিশালতৰ অনুভূতি মনলৈ আহে। সাগৰৰ পাৰত কিছুসময় কটাই আমি হোটেললৈ উভতিছিলো।

ইং ২৯ অক্টোবৰ তাৰিখ ৰবিবাৰে এখন বাছ ভাৰা কৰি আমি চিল্কা হ্ৰদ অভিমুখে যাত্ৰা আৰম্ভ কৰিছিলো। সাগৰৰ ওচৰত অৱস্থিত বাবে উৰিষ্যাৰ জলবায়ু বেছি গৰমো নহয়, বেছি ঠাণ্ডাও নহয়। বাৰ্ষিক বৃষ্টিপাত ১৫ ছেণ্টিমিটাৰ। ইয়াৰ মাটিকালি ৪,০০,০০০ বৰ্গফুট। ইয়াৰে চিল্কা হ্ৰদ এটা ডাঙৰ আৰু প্ৰসিদ্ধ হ্ৰদ। চিল্কাত মটৰ লাঞ্চৰ সুন্দৰ ব্যৱস্থা আছে। কেইখনমান নাওঁ ভাৰা কৰি আমি এই

হ্ৰদত ভালেমান পৰ ঘূৰিলো। হ্ৰদত ডলফিন, বিভিন্ন প্ৰকাৰৰ মাছ আৰু অসংখ্য শামুকৰ খোলা দেখিলো। চিল্কা হ্ৰদৰ পাৰৰ বালিবোৰত বহুতে গছৰ পাতত মাছ-ভজা লৈ খাইছিল। আমি বালিবোৰত নিজৰ নাম লিখিছিলো আৰু পানীৰ ঢৌ আহি নিমিষতে সেইবোৰ মচি পেলাইছিল। আনন্দৰ মাজেৰে পাৰ হৈ গৈছিল দিনটো।

পিছদিনা ৰাতিপুৱা আমি সাগৰলৈ গৈছিলো। দলটোৰ আটায়ে হাতত ধৰাধৰিকৈ শাৰী পাতি বহি আছিলো আৰু সাগৰৰ ঢৌ আহি আমাৰ মূৰৰ ওপৰেৰে গুচি গৈছিল। সেই কাৰ্যত বহুত আনন্দ পাইছিলো যদিও কিছু কষ্টও অনুভৱ কৰিছিলো। আমাৰ সেই আনন্দত হাত উজান দিছিল ভাৰতী বাইদেৱে।



পিছদিনা অৰ্থাৎ মঙ্গলবাৰে ৩০ অক্টোবৰ তাৰিখে আমি বাছভাড়া কৰি ভূৱনেশ্বৰলৈ যাত্ৰা আৰম্ভ কৰিছিলো। ভূৱনেশ্বৰ উৰিষ্যাৰ ৰাজধানী তথা বেছ জনবসতিপূৰ্ণ স্থান। সেইদিনাই আমি কোণাৰ্কৰ সূৰ্য মন্দিৰ, লিঙ্গৰাজ মন্দিৰ, ধৱলগিৰি, খান্দাগিৰি, উদয়গিৰি, নন্দনকানন, চিৰিয়াখানা আদি দৰ্শন কৰিছিলো। ধৱলগিৰি খান্দাগিৰিত বহুতো দীঘল নেজৰ বান্দৰ দেখা পোৱা যায়। আমি সিঁহতক বাদাম খাবলৈ দিছিলো। কি আচৰিত! বাদামবোৰ সিঁহতে মানুহৰ গাত জপিয়াই উঠি পকেটৰ পৰা উলিয়াই নিও খাইছিল।

উৰিষ্যাৰ এই দৰ্শনীয় স্থানবোৰৰ বাবেই উৰিষ্যাই এক আকৰ্ষণীয় পৰ্যটন স্থান হিচাপে দেশত আগস্থান লাভ কৰিছে। ইয়াৰ ভিতৰত পুৰীৰ 'গ'ল্ডেন বীচ'ৰ নাম অৱশ্যেই উল্লেখযোগ্য। ইয়াত যথেষ্ট দেশী-বিদেশী পৰ্যটকৰ ভীৰ দেখা যায়। ইয়াৰ প্ৰতিটো মুহূৰ্তই আনন্দদায়ক তথা ৰোমাঞ্চকৰ। ধৰ্মীয় ফালৰ পৰা চাবলৈ গ'লে উৰিষ্যাৰ জগন্নাথ মহাপ্ৰভুৰ মন্দিৰ, কোণাৰ্কৰ সূৰ্য মন্দিৰ আৰু লিঙ্গৰাজ মন্দিৰ বিশেষভাবে উল্লেখযোগ্য। কোণাৰ্কৰ সূৰ্য মন্দিৰত প্ৰাচীন ভাৰতীয় স্থাপত্যৰ অপূৰ্ব নিদৰ্শন দেখা যায়। এই মন্দিৰটোত সূৰ্য দেৱতাৰ এখন বিশাল ৰথ আছে যাৰ চকা ২৪ টা আৰু ৭ টা হাতীৰ দ্বাৰা ইয়াক টনা হয়। এই মন্দিৰটো খ্ৰীষ্টীয় ১৩ শতিকাত ৰজা নৰসিংহদেৱে নিৰ্মাণ কৰিছিল। আনহাতে লিঙ্গৰাজ মন্দিৰ প্ৰধানকৈ শিৱমন্দিৰ। ভগৱান লিঙ্গৰাজক হৰিহৰ বুলিও কোৱা হয়। তুলসী আৰু বেলপাতেৰে এই মন্দিৰত দৈনিক পূজা কৰা হয়। আকৌ ভুৱনেশ্বৰৰ পৰা আঠ কি.মি. দক্ষিণ-পূৱত ধৱলগিৰি পাহাৰ অৱস্থিত। এই পাহাৰৰ ওচৰতে বিখ্যাত কলিঙ্গ যুদ্ধ হৈছিল। বৰ্তমান ই এটা ভাল পৰ্যটন স্থলী। ইয়াৰ বিপৰীতে খান্দাগিৰি-উদয়গিৰি পাহাৰ ভূৱনেশ্বৰৰ দক্ষিণ-পশ্চিমত অৱস্থিত। প্ৰাচীন কালত উদয়গিৰি-খান্দাগিৰি কুমাৰ-কুমাৰী পাহাৰ বুলি জনাজাত আছিল। নন্দন কাননলৈ যোৱা ৫ নং ৰাষ্ট্ৰীয় ঘাই পথে এই পাহাৰ দুখনক পৃথক কৰিছে। এই পাহাৰবোৰত অসংখ্য গুহা আছে। এই গুহাবোৰত খোদিত কৰা মূৰ্তিয়ে প্ৰাচীন ভাৰতীয় ভাস্কৰ্যৰ স্বাক্ষৰ বহন কৰিছে। ভূৱনেশ্বৰৰ পৰা মাত্ৰ ১২ কি. মি. আঁতৰত নন্দন কানন অৱস্থিত। বগা বাঘ আৰু বগা ঘঁৰিয়ালৰ বাবেই বিখ্যাত। ইয়াত ৬৭ টা প্ৰজাতিৰ স্তন্যপায়ী জন্তু, ৮১ টা প্ৰজাতিৰ চৰাই আৰু ১৮ টা প্ৰজাতিৰ সৰীসৃপ আছে। এই আটাইবোৰে উৰিষ্যাক এখন আকৰ্ষণীয় পৰ্যটনস্থলী হিচাপে স্বীকৃতি দিয়াইছে।

উক্ত স্থানবোৰ দৰ্শন আৰু অধ্যয়নৰ অন্তত ১ নৱেম্বৰ তাৰিখ বুধবাৰে আমাৰ উৰিষ্যাৰ পৰা ওভতাৰ দিন নিৰ্দ্ধাৰিত হৈ আছিল। এক বিষাদে আৱৰি ধৰিছিল মন। এইকেইটা দিনৰ বন্ধনহীন আনন্দৰ শেষত পুনৰ গতানুগতিক জীৱনযাত্ৰাৰ বান্ধোনত সোমাই পৰাৰ বাধ্যবাধকতাই সংকুচিত কৰি আনিছিল মনটোক। তথাপি মানুহ সময়ৰ দাস। আমি উভতিবলগীয়া যশৱন্তপুৰ-গুৱাহাটী এক্সপ্ৰেছ নামৰ ৰে'লগাড়ীখনৰ সময় আছিল ৰাতিপুৱা ৬ বজাত। সেয়ে ৫ বজাতে গা-পা ধুই সাজু হৈ ৬-৭ খনমান অ'টোগাড়ী ভাৰা কৰি ৫-১৫ বজাত ভূৱনেশ্বৰ ষ্টেছন পাইছিলো। কিন্তু ৰে'লৰ সময় ৪ ঘণ্টা পলম হোৱা বাবে আমি ষ্টেচনতে ইটো-সিটোৰ বেগবোৰৰ ওপৰত অলপ টোপনিয়ালো। কাৰণ ৰাতি টোপনি ভাল হোৱা নাছিল।

১০ বজাৰ লগে লগে ৰে'লখন আহি ষ্টেচন সোমাইছিল। বেছ লৰালৰিকৈ আমি গাড়ীত উঠিলো। কিন্তু লৰালৰিত আমাৰ লগৰেই ঠুনু বাইদেউ উঠিব পৰা নাছিল। ইফালে লাহে লাহে ৰে'লখনে গতি ল'বলৈ আৰম্ভ কৰিছিল। আমাৰ কান্দোন ওলাই আহিছিল। কিন্তু আমাৰ লগৰে কেইজনমান ল'ৰাই ৰে'লৰ পৰা নামি গৈ দৌৰি ঠুনুবাক ধৰি গাড়ীত উঠাই দিছিল। বিৰাট ভয় লাগিছিল কাৰণ অলপ সময়ৰ বাবে ঠুনুবা...

যিয়ে নহওঁক তাই ভৰিত অলপ দুখ পালে যদিও গাড়ীত উপস্থিত হ'ব পাৰিছিল। পুনৰ সেই দীৰ্ঘ ওভতনি যাত্ৰাৰ অন্তত আমি গুৱাহাটী ষ্টেচনত নামি পৰিলো। গুৱাহাটীৰ পৰা বাছেৰে পুনৰ হাজোত। এক ভাগৰুৱা অৱসাদে দেহ আৱৰি ধৰিছিল যদিও মন ভৰি আছিল পূৰ্ণতাৰে। দুচকুত বাৰে বাৰে ভাহি উঠিছিল সন্ধিয়াৰ চহৰ ভূৱনেশ্বৰৰ আলোক-মায়া। মনত অনুৰণিত হৈ ছিল ভূৱনেশ্বৰ...ভূৱনেশ্বৰ.....!





কৰ্মব্যস্ত অৱস্থাত মহাবিদ্যালয়ৰ উপাধ্যক্ষা



কাৰ্যালয় সহায়কবৃন্দৰ একাংশ







আলোচনী সম্পাদনা সমিতিৰ শিক্ষক সদস্যবৃন্দ










ছাত্ৰ সদস্য বৃন্দ



গ্ৰন্থাগাৰৰ কৰ্মচাৰীবৃন্দ






পাঠগ্ৰহণৰ মুহূৰ্তত উঃ মাঃ ১ম বৰ্ষ (ক)ৰ ছাত্ৰ-ছাত্ৰী



পাঠগ্ৰহণৰ মুহূৰ্তত উঃ মাঃ ১ম বৰ্ষ (খ)ৰ ছাত্ৰ-ছাত্ৰী



পাঠগ্ৰহণৰ মুহূৰ্তত স্নাতক ১ম বৰ্ষ (ক)ৰ ছাত্ৰ-ছাত্ৰী



পাঠগ্ৰহণৰ মুহূৰ্তত স্নাতক ১ম বৰ্ষ (খ)ৰ ছাত্ৰ-ছাত্ৰী



পাঠগ্ৰহণৰ মুহূৰ্তত স্নাতক ২য় বৰ্ষ (ক)ৰ ছাত্ৰ-ছাত্ৰী



গ্ৰন্থাগাৰত অধ্যয়নৰ মুহূৰ্তৰ এটি দৃশ্য



কাটিং নিটিঙৰ প্ৰশিক্ষণৰ এটি মুহূৰ্ত



কম্পিউটাৰ শিক্ষাৰ শ্ৰেণীকোঠাৰ এটি দৃশ্য

# প্ৰাচীৰ পত্ৰিকাৰ প্ৰচ্ছায়া...




## ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগৰ তত্ত্বাৱধায়ক - তত্ত্বাৱধায়িকাবৃন্দ


নন্দিতা চলিহা
মুখ্য তত্ত্বাৱধায়িকা


ড০ আলী আকবৰ হুছেইন
সমাজসেৱা বিভাগ


নিত্যানন্দ কলিতা
তৰ্ক বিভাগ


আৰতী ডেকা
ছাত্ৰী জিৰণী কোঠা


ড০ ৰমেন মেধি
খেল বিভাগ


আহমেদ মুকুট চৌধুৰী
সাংস্কৃতিক বিভাগ


বিশ্বজিত কলিতা
আলোচনী বিভাগ


মুনীন্দ্ৰ দাস
শৰীৰ চৰ্চা বিভাগ


জয়ন্ত কুমাৰ দাস
ছাত্ৰ জিৰণী কোঠা


ভাৰতী মেধি
সাংস্কৃতিক বিভাগ








**মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰত্যয়'ৰ পৰা...**

*টোকা ঃ সাহিত্যচৰ্চাৰ পৰিবেশ গঢ় দিয়াত মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাৰ এক বিশেষ ভূমিকা আছে। সেই ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখিয়েই মহাবিদ্যালয়ৰ মূল প্ৰাচীৰ পত্ৰিকা 'প্ৰত্যয়' (২০০৮-২০০৯)ৰ কিয়দাংশ পূৰ্বৰ আলোচনীৰ দৰে এইবাৰো প্ৰকাশ কৰা হ'ল।*

এক মিনিটৰ গল্প ঃ

# এপ্ৰিল ফুল

*বীৰেণ মালাকাৰ*
স্নাতক ১ম বৰ্ষ

বৰ্মন ছাৰৰ ক্লাছটো শেষ হোৱাৰ লগে লগে আমি বাহিৰলৈ ওলাই আহিলো। কাৰণ ইয়াৰ পিছত আমাৰ দুটা ক্লাছ অফ্ আছে। কলেজীয়া জীৱনৰ প্ৰকৃত আনন্দ, আমেজ এই অফ্ ক্লাছবোৰৰ আড্ডাৰ মাজেৰে পোৱা যায়। আমি আটাইকেইজন বন্ধুৱে আমাৰ কলেজৰ জিৰণী চ'ৰাত বহি পৰিলো। আমাৰ আড্ডা এবাৰ আৰম্ভ হ'লে শেষ নহয়। সেই আড্ডাত প্ৰিয়ংকা চোপ্ৰাৰ পৰা তেণ্ডুলকাৰলৈ, মনমোহন সিঙৰ পৰা তৰুণ গগৈলৈ সকলোৰে বিষয়ে আলোচনা হয়। কিন্তু আজি আমাৰ আড্ডাৰ হিৰো তথা কলেজৰ আটাইতকৈ উৎপতীয়া ল'ৰা বুলি সুখ্যাত বিজয় (যাক আমি বিজু বুলি মাতো) সি এতিয়ালৈ আহি নোপোৱাৰ বাবে আমাৰ আড্ডা জমা নাই। কলেজলৈ আহোতে তাক মোৰ লগত একেলগে অহা দেখা পাইছিল বাবে চন্দনে সুধিলে - "ঐ বেল, আজি তই বিজুৰ লগত একেলগে অহা নাছিলি, ক'লৈ গ'ল সি?"

মই বৰ বেছি কথা নকওঁ বাবে কলেজত মোক সকলোৱে 'বেল' বুলি মাতে। মই লাহেকৈ ক'লো - "ক'ব নোৱাৰো। আহোতে একেলগেই আহিছিলো, কিন্তু সি ৰাস্তাতে চিনাকী মানুহ এজন লগ পাই ৰৈ গ'ল। এতিয়া সি বা ক'ত চেনী চাহ খাই আছে।

এনেতে দেখিলো বিজু মণিকাহঁতৰ লগত কথা পতাত ব্যস্ত। সি মোক দেখাৰ লগে লগে দৌৰি আহি মোৰ কাষ পালেহি। ক'লে - "আৰে দোস্ত, তোৰ বাবে মই এটা জবৰদস্ত খবৰ লৈ আহিছো। আজি আবেলি চাৰি বজাত স্নেহাই তোক হোটেল অনামিকাত লগ কৰিবলৈ মোক কৈ পঠাইছে।

ঃ কি সঁচাইনে? - আমাৰ লগৰ আটাইকেইজনে জানে যে মই স্নেহাক ভাল পাব বিচাৰো, কিন্তু তাইহে মোৰ প্ৰেমৰ প্ৰতি সঁহাৰি দিয়া নাই।

ঃ আৱে মই তোক কি মিছা কথা ক'ম নেকি? মোৰ ওপৰত তোৰ অলপো বিশ্বাস নাই? ইমান ভাল খবৰ এটা দিছো, ব'ল তই এতিয়া আমাক সকলোকে চাহ খুৱাব লাগিব। এইবুলি কৈ বিজুৱে মোক টানি ওচৰৰ হোটেল এখনলৈ লৈ গ'ল।

মই স্নেহাৰ কথা ভাবি ৰঙীন সপোনত বিভোৰ হ'লো। স্নেহা মোৰ সপোনৰ ৰাণী। আজি যে মই মোৰ জীৱনৰ পূৰ্ণ সাৰ্থকতা লাভ কৰিম। স্নেহাৰ চিন্তাত বুৰ গৈ থাকোতে কেনেকৈ যে দিনটো কাটি গ'ল গমেই নাপালো। হঠাৎ ঘড়ীটো দেখাতহে সম্বিত ঘূৰি আহিল - হাৰে, চাৰি বাজিবৰ হ'লেই। মই সাজি-কাচি হোটেল অনামিকাত হাজিৰ হৈ হোটেলৰ এচুকৰ টেবুল এখন দখল কৰি বহিলো। এক মিনিট, দুই মিনিটকৈ সময়বোৰ গৈ থাকিল। মিনিটবোৰ ক্ৰমে ঘণ্টাত পৰিণত হ'ল। সন্ধিয়া ছয় বাজি গ'ল, কিন্তু এতিয়ালৈকে তাইৰ কোনো খবৰেই নাই। স্নেহাক অপেক্ষা কৰি মই ইতিমধ্যে পাঁচ কাপ চাহৰ শৰাধ কৰিলো। ইমান দেৰি কৰিব লাগেনে স্নেহাই?

হঠাৎ মোৰ খঙে চুলিৰ আগ পালে আৰু ঘপহকৈ বহাৰ পৰা উঠি হোটেলৰ বিলটো দি উভতি আহিবলৈ ঠিক কৰিলো। কাউণ্টাৰত বিল দি থাকোতে ওলোমাই থোৱা কেলেণ্ডাৰখনত চকু পৰাত সচকিত হৈ উঠিলো মই। হাৰে, আজিচোন এপ্ৰিলৰ এক তাৰিখ। তাৰমানে......

তেনেহ'লে বিজুৱে মোক এপ্ৰিল ফুল কৰি মুৰ্খ সজালে নেকি? হঠাৎ মোৰ সন্মুখৰ সকলো বস্তু ঘূৰিবলৈ ধৰা যেন লাগিল। কোনোমতে নিজক সামৰি মই হোটেলৰ পৰা বাহিৰলৈ ওলাই আহিলো। মূৰৰ ওপৰত তেতিয়া সন্ধিয়াৰ আকাশ।

❑❑❑

**প্ৰত্যয়ৰ উক্তি**

# অভ্যাসতকৈ জ্ঞান শ্ৰেয়, জ্ঞানতকৈ ধ্যান শ্ৰেয় আৰু ধ্যানতকৈও কৰ্মফল শ্ৰেয়। এই ত্যাগৰ পিছতেই শান্তি লাভ কৰিব পাৰি।

# জীৱনটো এটা দীপ্তিমান বৰ্ণবলয়, অৰ্দ্ধস্বচ্ছ আচ্ছাদন - যি আমাক চেতনাৰ আৱভূণিৰ পৰা সামৰণিলৈ আবৰি ৰাখে।

## আপোনাক লগ নোপোৱাই ভাল আছিল

*দেৱান আঞ্জুৱাৰা আহমেদ*
স্নাতক ১ম বৰ্ষ

কেনেকৈ যে লগ পাইছিলো আপোনাক
আবেলি এটাৰ এচলীয়াত বৈ থাকোতে

নোপোৱাৰ বেদনাত বিষাদী হৈ পৰে মন
অথচ পিছমুহূৰ্ততে পাই হেৰুৱাৰ শূন্যতা

আপোনাক লগ পোৱাৰ বাবেই মন মোৰ
উদ্বাউল
কাল্পনিক স্মৃতিজৰ্জৰ প্ৰতিচ্ছবি বিচাৰি
আচলতে মোৰ মন সঁচাকৈয়ে বিষাদপূৰ্ণ

আপোনাক লগ পোৱাৰ বাবেই

আপুনি বাৰু সঁচাকৈয়ে আপুনি হয়নে?
আপুনি ইমান কুৎচিত বুলিতো
ভবা নাছিলো কোনোকালে

অথচ আপোনাৰ প্ৰতিচ্ছবিক মই ভালপাওঁ



# কবিতা

## গীটাৰ



*পাপ্পালী দাস*
স্নাতক ৩য় বৰ্ষ

দুখবোৰৰ কোনো আকাৰ নাছিল

যিদৰে নেথাকে চকুলো কিম্বা প্ৰেমৰ
মৃত্যুৰ কিম্বা জীৱনৰ

এটা অসীম শূন্যতাৰ আশ্ৰয়ত ওপঙি আছিলো
যেন
ভিন্ন অস্তিত্বৰ ছয়ডাল তাঁৰ সাৰটি যেন
হৈ পৰিছিলো এটা পৰিয়াল

অথচ কোনেও চুব পৰা নাছিলো কাকো
কোনেও অনুধাৱন কৰিব পৰা নাছিলো
কাৰো হৃদয়ৰ সুৰ

যেন এটা এন্ধাৰ মৰ্গত পৰি ৰোৱা ছয়টা শৱ

এটা নিঃকিন দুপৰীয়াক সাৰটি বহি আছিলো
এচুকত
হঠাৎ ওচৰলৈ আহিলা তুমি
ধুলিবোৰ গুচালা - চুই চালা তাঁৰবোৰ
আৰু এক অকল্পনীয় ৰাগীত তুলি দিলা
সুৰৰ মূৰ্চ্ছনা - মোৰ হৃদয়ত

যি সুৰৰ ৰাগীয়ে দুয়োকে লৈ গ'ল
এক অচিন পৃথিৱীলৈ

হঠাৎ...





## বৈষয়িক

*কমলকৃষ্ণ মালাকাৰ*
স্নাতক ৩য় বৰ্ষ

বাগিছাৰ পৰা উৰি অহা এটি
পখিলাই ক'লে - ফুলবোৰ ধুনীয়া হৈ ফুলিছে

মই ক'লো - ফুলবোৰ ধুনীয়া হৈ
ফুলা বাবেইতো তোমাৰ দৰে
পখিলাবোৰ মোৰ ফুলনিলৈ আহিছে

কিন্তু ইয়াৰ পিছতো এই যে আমি
গোপন কৰিলো - ফুলবোৰতো
এদিন মৰহি যাব

তাৰবাবেই নিৰংকুশ সুখৰ স্বৰ এটা
টাৰি ৰি কৈ বুকুত

ভুলটো মোৰেই

বাজি আছে

## ঠিকনা

*জেহৰুল ইছলাম*
স্নাতক ২য় বৰ্ষ

নিৰৱতাৰ মাজতো সেই হাঁহিটিৰ
ধ্বনিবোৰ

ক'ত জানো হেৰাই গ'ল
সেই বায়বীয় পিণ্ডৰ মাজত

আকুল হৈ বিচাৰি ফুৰো আজিও

চিন মোকাম একোৱেই নেথাকিল
অস্তিত্ব বুলিবলৈ



## অনুভূতি

*মহিজুদ্দিন আহমেদ*
স্নাতক ২য় বৰ্ষ

ময়েই পঢ়িছিলো
বিষাদৰ শ হাত দীঘল
প্ৰেৰণাৰ তালিকাখনি

ময়েই ৰচিছিলো
কাঁচৰ দৰে ঠুনুকা
অনুভূতিৰ ইতিহাস

শিলাময় হৃদয়খন লৈ
সেয়াই ভুল
মোৰ...

## মই জীয়াই আছো মাথো তোমাৰ বাবে

*মনিজা বেগম*
স্নাতক ২য় বৰ্ষ

মই জীয়াই আছো মাথো তোমাৰ বাবে
মোক জীয়াই ৰাখিছে কেৱল তোমাৰ মিচিকিয়া হাঁহিটিয়ে
শত্ৰুৰ আঘাত যন্ত্ৰণা সহিও যে মই জীয়াই আছো কাৰবাবে
একমাত্ৰ তোমাৰ বাবে

কিমান দিন যে হ'ল তোমাৰ একো খবৰ নোপোৱাৰ
আৰু তুমি কি ভাবিছা মোৰ মৃত্যু হোৱা বুলি...
নাই

বুকুত বেদনা লৈ জীয়াই আছো কাৰ বাবে?
একমাত্ৰ তোমাৰ বাবে

মাজে মাজে অন্ধকাৰ কোঠালিত বহি কান্দিছো
কোনেও নেদেখাকৈ নিৰৱে নিৰৱে
জোনাকী নিশা জোনটোলৈ একেথিৰে চাই প্ৰশ্ন কৰিছো
তুমি ক'ত আছা?

বিচাৰিছো সৌ নৈখনৰ পাৰত
নাই ক'তো নাপাও তোমাক বিচাৰি
হয়তো তুমি জীয়াই আছা আন কাৰোবাৰ বাবে

কিন্তু মই জীয়াই আছো মাথো তোমাৰ বাবে।

**কৌতুক ঃ**

সংগ্ৰাহক ঃ দিগন্ত ডেকা,
মধুস্মিতা দাস,
উঃ মাঃ ২য় বৰ্ষ

ঃ সকলোতকৈ ডাঙৰ চেলেঞ্জ কি ক'চোন?
ঃ পৰীক্ষাৰ বহীত একো নিলিখাকৈ 'যদি সাহস আছে পাছ কৰাই দিয়কচোন' বুলি লিখি থৈ অহাটো।

১ম ব্যক্তি ঃ জানানে, মোৰ দুষ্টবীয়া ল'ৰাটোৱে কালি মোৰ নতুনকৈ লিখা কবিতাৰ বহীখন ফালি পেলালে।
২য় ব্যক্তি ঃ ইমান কম বয়সতে তাৰ গাত সাহিত্য সমালোচকৰ গুণ দেখা দিছে, আচৰিত...

## সম্পাদকীয়ৰ পৰিৱৰ্তে এটি আহ্বান ঃ

*আহক উত্তৰণ ঘটাও বৌদ্ধিক চিন্তা-চেতনাৰ*

সাম্প্ৰতিক সমাজখনত এবাৰ চকু ফুৰালে নঞৰ্থক ভাৱনাৰ বাদে অন্য একোৱেই আমাৰ মনত ক্ৰিয়া কৰিব নোৱাৰে। এয়া মুঠেও শুভ লক্ষণ নহয়। কিন্তু সময়ৰ ফচলক উপেক্ষা কৰাটো কোনোপধ্যেই সম্ভৱো নহয়। সেয়ে আমি আগবাঢ়ি গৈ থাকো সময়ৰ সৈতে, যাপন কৰো জীৱন। কিন্তু জীৱনক যাপন কৰাতকৈ আমি জানো উদ্‌যাপন কৰিব নোৱাৰো। কিন্তু ইমান দৈন্যতা, ইমান সংশয় আৰু বিষাদগ্ৰস্ততাৰ মাজত জীৱন উদ্‌যাপন কৰাটো জানো সহজ?

এই যে অনুপেক্ষণীয় সময়ৰ ফচল ইয়াৰ বাবে দায়ী কোন? ইয়াৰ বাবে দায়ী আমাৰ সমাজ, আমাৰ অগ্ৰজচাম। কৃতকৰ্মৰ ফল সবেই ভোগ কৰিব লাগিব। কিন্তু এই যে পৰিবৰ্তন আৰু প্ৰতিফলৰ ক্ৰিয়াকলাপ, কিছুক্ষেত্ৰত ইয়াৰ প্ৰভাৱ ক্ষণস্থায়ী আৰু কিছুক্ষেত্ৰত সুদূৰপ্ৰসাৰী। তাৰোপৰি কিছুক্ষেত্ৰত এই প্ৰভাৱ তাৎক্ষণিক আৰু কিছুক্ষেত্ৰত এই প্ৰভাৱ ধিমা-বিষসদৃশ; যাৰ বাবে এটা চামৰ অপকৰ্মৰ ফল ভোগ কৰিছে পিছৰ আন এটা চামে।

কিন্তু এনেকৈ জানো সমাজ এখন বৰ্তি থাকিব? আৰু সমাজৰ এই ভাঙোন, এই অৱক্ষয়ৰ মূলতেই আমাৰ ঘূণেধৰা মূল্যবোধ, আমাৰ বৌদ্ধিক চিন্তা-চেতনাৰ অভাৱ!.....এইখিনিতে প্ৰশ্ন উঠিব পাৰে - যদি আমাৰ সামাজিক মূল্যবোধৰ অভাৱেই আছে, যদি আমাৰ মাজত বৌদ্ধিক চেতনাৰ অভাৱেই আছে, তেন্তে সমাজখন বৰ্তি আছে কিদৰে? এটাই উত্তৰ - আমাৰেই সৌভাগ্য, সমাজৰ পৰা এইবোৰ এতিয়াও সম্পূৰ্ণৰূপে নিৰ্মূল হোৱা নাই, মাথো অভাৱ ঘটিছে।

সেয়েই এই আহ্বান - আহক উত্তৰণ ঘটাও বৌদ্ধিক চিন্তা-চেতনাৰ। কিন্তু এই উত্তৰণৰ উপায় কি? উপায় হ'ল - আমি আমাৰ মূল্যবোধৰ প্ৰতি সজাগ হ'ব লাগিব, তাৰ লগতে লাগিব সচেতনতা। এই সচেতনতাৰ উপৰিও আমাৰ থাকিব লাগিব আত্মনিয়ন্ত্ৰণ আৰু সুস্থ বিচাৰবোধ। তাতকৈও মুখ্য প্ৰয়োজন আমি চিন্তা কৰিবলৈ বাধ্য কৰিব লাগিব আমাৰ মগজুক। দুখৰ কথা আমাৰ মাজত চিন্তা-চৰ্চা কৰা মানুহৰ সংখ্যা কমিছে। সেয়েই সৃষ্টিৰ ক্ষেত্ৰতো আমাৰ উৎকৰ্ষতাৰ অভাৱ। আমি অকল লিখিলেই নহয়, তাৰ আগতেই হাতত ল'ব লাগিব সঠিক চিন্তন। আৰু তাৰ পিছৰ প্ৰতিটো সৃষ্টিয়েই উপনীত হ'ব উৎকৰ্ষতাৰ উচ্চ সীমাত।

তেন্তে আহক আজিয়েই পণ লওঁ সেই মহৎ কৰ্মৰ, যিয়ে উত্তৰণ ঘটাব আমাৰ ক্ষয়িষ্ণু সামাজিক মূল্যবোধৰ! আহক জ্যোতিপ্ৰসাদৰ সুৰত সুৰ মিলাই হাতে হাত ধৰি গাওঁ -

তোৰে মোৰে আলোকৰে যাত্ৰা
অব্যৰ্থ...
আমি পালো জীৱনৰ অৰ্থ অভিনৱ
স্বাগত স্বাগত সতীৰ্থ...

## দুটা লিমাৰিক

ৰূপৰেখা কলিতা
স্নাতক ৩য় বৰ্ষ

এক.

হাজোত অৱস্থিত সুৰেন দাস কলেজ
ছাত্ৰ-ছাত্ৰীবোৰ আহে তালৈ বঢ়াবলৈ ন'লেজ
ল'ৰাবোৰে দেখো পান-গুটখা খায়
য'তে ত'তে পিক পেলাই
ইহঁতৰ বাবেই হয় পৰিবেশটো ডেমেজ

দুই.

ছাত্ৰ একতা সভাৰ সদস্যবোৰৰ মনত বৰ ৰং
সেয়ে বপুৰাহঁতৰ সদায় নতুন ঢং
কলেজৰ কামবোৰ অৱশ্যে ভালদৰেই কৰে
আড্ডাও কিন্তু কমকৈ নামাৰে
পিছে ছোৱালীৰ লগত চেনী খালেহে আমাৰ উঠে খং





## ENGLISH SECTION


★ **Folklore And Traditional Knowledge System...** *-Dr. Ali Akbar Hussain*

★ **How To Maintain Good Health** *-Abdur Rauf.*

★ **Tourism Education For The Rural Development Of Assam** *-Dr. Parul Das.*

★ **Theory Of Imitation : Indian And Greece** *-Biswajit Kalita.*

★ **Tourism In North-East India : An Overview** *-Meena Kumari Devi.*

★ **Venice - The City Of Pedestrians** *-Manjusri Barua.*

★ **Indo-China Relations** *-Dr. Ramen Medhi.*




*Living Means Fighting
Within You the Ghost Of Dark Powers,
Writing Means Putting On Trial
Your In Most Self.*

- Henrik Ibsen

and other Technologies help us now to get knowledge and informations, oral literature works as a source of traditional knowledge system. It helps us in knowing the agriculture technologies, food habits , popular beliefs about the world of nature, about human behaviour and things made by men, about a spirit world and man's reactions with it, about magic and witch craft, about

...ppenings. The unwritten messages embodied in the oral traditions of the people constitute an important source of history. Oral traditions of the people, strong weapons for reconstruction of political and social histories are the best evidence the historian can use for understanding the people and their way of life and world view.

The anonymous folk songs are rich miniatures representing the lives, the joys and



...s of oral traditions, like songs, tales, folk says, folkdramas and many such traditions. Different folk songs were sung for different events. While doing household work like grinding, or pounding in the early hours of dawn, Women used to sing songs. Songs of marriage, birth ceremony, naming ceremony, cradle songs, Bianam, Ainam, Proverbs and folk song constitute our rich cultural heritage. These songs were transmitted from generation to generation through oral tradition

where women unfolded their views and revealed their identity in various aspects of life. The sad tales, songs and stories are initial sparks of the eruption of feminism. In some songs the girl expressed her likes and dislikes about clothes, about the distant place to be married, about the life partner. In old days girls were often married off at tender age without bothering to ascertain their consent for the marriage.

In Assam Bihugeets, Bianam, Ainam, Subachani geets, Baromahi

would not choose as daughter-in-law a girl who is too fair, has dimple on check, too curly hair, very small eyes, projecting teeth too. Popular maxims often guide one in the choice of a bride, for example:

1) Reject a cow with a hanging udder

Discard a woman who too often smiles.

2)There is the Assamese receipe for managing a wife-

(কটাৰি ধৰাবা শিলে, তিৰোতা বাবা কিলে)



(She spoils the fed and eats from the cooking pot.

The proverb is of course ironical)

7) তিৰিৰ চুটি বাঢ়নিৰ বুতি

Tirir chuti barani buti

(Women that are short in stature, are like broom that are worn out.)

8) Preferring the son to a daughter

poti bukar jiti lokar

পোটি বুকুৰ জীতি লোকৰ

(The son is of own heart, the

daughter will be of others)

9) Hatred for a second wife-

আহিছ সতিনী থ'ম চুকত

তুৰি মুৰি কৰিলে গোৰ দিম বুকুত।

Ahisa Satini tham chukat

Turi muri karile gor dim bukat

10) মাছৰ নানিবা সৰু কুটা

তিৰিৰ নানিবা বজাৰ লুটা

Masar naniba saru kuta

tirir naniba bazar luta

(Small fishes are not good, the women who frequently visit markets are not preferred)

❑❑❑

# How To Maintain Good Health

**_Abdur Rauf._**

H. S. 1st year (science)

There are ten basics to maintain good health. Everyone should be conscious of their health because, a healthy mind grows only in a healthy body. That is why, we have to maintain ten basics given below. They are-

1) **Proper Diet :** One should take his meals at regular intervals. Vegetarian diet is better, but fish or egg may be added. Diet should be balanced and made up of seeds, nuts, grains, fruits and vegetables. Plenty of water should be taken.

2) **Exercise :** One can go for a brisk walking at moderate speed, which will help one keeping physically fit. And if one is fond of games, there is nothing like it.

3) **Regular habits :** One should always attach to his timetable- daily, weekly, monthly, so as to make optimum use of his time. Day to day activities should be performed at regular timings.

4) **Proper sleep :** Depending on age and the type of work one should have a six to eight hours sleep daily in a comfortable sleep.

5) **Relaxation:** One should spend a part of the day doing mental and physical relaxation. One can go for meditation or learn to play a musical instrument. One should have a hobby. Watching the T. V., in meditation, can also keep one relaxed.

6) **Forget your Ego:** One should always subdue his ego, it may harm one immensely.

7) **Acceptance of situation:** One should always accept the situation where he is. In case of different situations or in handling difficult people one should be understandable.

8) **Think constructing:** one should always try to process a right mental attitude and think positively. One should be optimistic about himself and others.

Our guide also told us that Venice has been the setting for several films, novels, poems and other cultural references. It also become one of the most important musical centre of Europe and home of many famous composers such as Andra and Gabrielli. A Frenchman had remarked "There is music everywhere".

St. Mark' Square, the heart of Venice was the first place that the tourist guide took us to. On one side was the high bell tower which was 110 meters high. If one climbed it one would get the best view of Venice. On the other side was Basilica Di San Marco. The rich Byzantine Architecture so beautifully layed with gold mosaics in the interior was truly fascinating and it is said that the church comes to life when it is lighted up.

What is spectacular about Venice is that you either walk through the alleys or take a Gondola. We took a Gondola ride for about an hour starting from the great canal. As we move along we pass through many historic bridges and one such bridge was the Rialto. This was supposed to be the business centre of shylock, the famous character of 'Merchant of Venice'. The great poet Lord Byron called it' The Bridge of Sighs' since many condemned prisoners passed through it on their way to the executioner. As we move in and out of the canals we get a rare glimpse of the Venetian life. Every Venetian seemed to enjoy their life on water. Shops, churches .bridges, canals, buildings everything was on water. Tourists jostling for space in the narrow alleys gives the city a truly unique touch. As our Gondola goes through the numerous canals we are exposed to the palaces and tall buildings and every canal had a story to tell and it was truly an enchanting experience.

They say that Goethe, Hemmingway, Shakespeare have all paid their tribute to this beautiful city with glorious history of 1400 years. The tall towers, palaces and buildings with its Byzantine architecture, with beautifully painted glasses stand as a witness to the rich Renaissance glory. Even the valiant Napoleon had set his eyes greedily on this beautiful city and he called it the most 'elegant dining room in Europe'.

From the Gondola we hop into a glass topped ship and slowly move into the Adriatic Sea. As the waves lashed into the ship we had a lovely lunch on the upper deck. We held on tightly to our plates lest it fell off from our hands. The strong current made the ship journey all the more exciting.

We were next taken to the Murano glass factory which was another stunning experience. A live demonstration was given by the Murano artisans and we were really dumb-struck when we saw these artists throw a glass ball to a blazing fire. When the glass became soft and pliable the artisan with the help of a hook shaped it into a beautiful horse. Seeing their beautiful works of art we were speechless. These pieces were then sold at an exorbitant rate and we could not resist the temptation of buying a few items, As we come out to the Mark's Square we notice that there are shops on both sides laying out their exquisite items-table linen, embroidered lace skirts, colorful t-shirts. However the Venetian mask is most popular and I doubt if any tourist leaves Venice without buying these beautiful and colorful masks

Venice is one city which is always bubbling with life and laughter. A visit to this lovely city with its rich glorious history is truly an unforgettable experience. The city has an average of 50,000 tourists a day. The beautiful cityscape, with its rich musical and cultural heritage makes Venice a unique city and it was probably for this reason that a famous writer in "The Newyork Times" described it as "undoubtedly the most beautiful city built by man."

❑❑❑





# Indo-China Relations



*Dr. Ramen Medhi.*
Deptt. Of Political Science.

Indo-China Relations refers to the ties and relations between India and China. For centuries, India and China have lived as friendly neighbors. Buddhism has made a significant contribution in developing relations between the two countries. As we know, India was a British Colony before 1947. Although China was not a colony of any foreign power, it was brought under a new government as a result of Communist Revolution in 1949. In fact, India welcomed Chinese Revolution and she was one of the first countries to recognize Communist China and thereby helping her to become part of the world community.

In 1950, China occupied Tibet to end Lamaism and feudalism. To avoid antagonizing with China, Nehru informed Chinese leaders that India had neither political nor territorial ambitions. Besides, it did not seek special privileges in Tibet, but the traditional trading right must continue. In 1954, India and China signed an eight years agreement on Tibet. It set forth the basis of their relationship in the form of Panch Shila which reflected Hindi-Chini Bhai-Bhai.

In 1954, India published new map that included Aksai Chin region within the boundaries of India. But China rejected India's claim on Aksai Chin. In 1959, then Chinese Premier, Zhou Enlai remarked that no Government in China had accepted as legal the Mc Mohan Line which in 1914 Simla Convention defined the eastern section of the border between India and Tibet. Besides, in March 1959, Dalai Lama, the spiritual and temporal head of the Tibetan people sought sanctuary in Dharmasala in Himachal Pradesh and thousand of Tibetan refugees settled in Northeastern India. After that China accused India of expansionism and imperialism in Tibet. China claimed 104,000 square kilometers of Indian Territory. Since 1955 to 1962 China violated India's border at least 30 times. Border disputes resulted in a short war between China and India in 20 October, 1962.

There can be no denying the fact that the diplomatic relations between India and People's Republic of China had begun worsening since the Indo-China war of 1962. During 1962 war, both the countries had withdrawn their ambassadors from each other. In fact, China's offensive against India suited the purpose of Pakistan. China promised Pakistan all help against aggression and Pakistan handed over to China a part of Kashmir that was grabbed by her.

However, Indo-China Relations showed signs of improvement when both the countries agreed to appoint ambassadors again in 1976. A warming trend in relations was facilitated by Rajiv Gandhi's visit in China in December 1988. India and China agreed to broaden bilateral ties in various areas such as science and technology, cooperation on civil aviation to establish direct air link and on cultural exchanges. Besides, the two sides emphasized for acceptable solution of the boarder dispute.

Earlier on September 1991, Le Peng, then Chinese Premier made a valuable remark keeping in view of the new world situation that India and China should put aside past grievances and live

with peace and friendship. Top-level dialogue continued during Le Peng's visit to India in December, 1991 and then Indian president R. Venkata Raman's visit to China in May 1992. In fact, six rounds of talks of the Indo-China Joint Working Group on the "Border Issue" were held between December 1988 and June 1992. Border trade resumed in July 1992 after a hiatus of more than thirty years and consulates re-opened in Mumbai and Shanghai in December 1992 and June 1993.

During Narasimha Rao's visit to China in 1993, a border agreement along with three other agreements was signed. Movement continued in 1994 on troop reductions along the Himalayan frontier. Moreover, in January 1994, Beijing announced that it not only favored a negotiation solution on Kashmir but also opposed any form of independence for the region.

Indo-China relations hit a low point in 1998 following India's nuclear test in May. Indian then Defence Minister George Fernandes declared "China is India's number one threat." In 1998, China was the one of the strongest international critics of nuclear test and entry into the nuclear club. Of course in 1999, China did not bless Pak's misadventure in Kargil.

President K. R. Narayan's visit to China in 2000 marked gradual re-engagement of India and Chinese diplomacy. In 2002, Chinese then premier Zhu Rongil reciprocated by visiting India, with a focus on economic issues. 2003 ushered in marked improvement in India-China relations following Prime Minister Atal Bihari Vajpayee's landmark June 2003 visit to China. China officially recognized Indian sovereignty on Sikkim as the nations moved towards resolving their border disputes. In April 2005, Chinese Premier Wen Jiabao visited Banglore to push for increased Indo-China's cooperation in high tech industries. In a speech, Wen stated, "Cooperation is just like two pagodas (temples) - one hardware and one software. Combined, we can take the leadership position in the world." Regarding the issue of India gaining a permanent seat on the U. N. Security council, Wen ziabao initially seemed to support the idea but had returned to a neutral position on the subject by the time of returned to China. In the South Asian Association for Regional Cooperation (SAARC) Summit, 2005 China was granted an observer status. While other countries in the region are ready to consider China for permanent membership in the SAARC, India seems reluctant.

On July 6, 2006 China and India re-opened Nathula route. It would expect to help ease the economic isolation of the region. In November 2006, India and China had a verbal spat that China occupying 38,000 square kilometers of Indian Territory in Kashmir While China claimed Arunachal Pradesh. In May 2007 China denied the application for visa from an Indian Administrative Service officer in Aurnachal Pradesh. According to China, since Arunachal Pradesh is a territory to China, he would not need visa to visit his own country. Later in December 2007, China appeared to have reversed its policy by granting a visa to Marpe Sora, an Arunachal Pradesh born Professor in Computer Science. In January 2008, Indian Prime Minister Manmohan Singh visited China and met with President Hu

**Today the whole world has been facing some terrific problems such as global worming,international terrorism, economic depression and so on. Recently China accused the developed world for trying to back out of their obligations to tackle climate change despite being the maximum polluters and pressed for close co-ordination with India.**





Jintao and premier Wen Jiabao and had bilateral discussions related to trade, commerce, defence and various other issues. In 2009, China was also tried to block a loan from Asian Development Bank to India for the development of Arunachal Pradesh. The most serious is that it has recently staked its claim to the state's 90,000 sq. km.s. China also opposed Prime Minister Manmohan Singh and Dalai Lama's recent visit to Arunachal Pradesh saying that Arunachal Pradesh is a disputed area.

According to the media report, China moves to build a number of dams on the main stream of the Tsangpo known as Siang-Dihang in Arunachal Pradesh and Brahmaputra in Assam and a 500 MW hydro-electric power plant near the Tibetan region. Even media reports highlight that China is planning to divert the course of the river Tsangpo to exploit it to its own advantage. Of course, China repeatedly denied these allegations.

**Indo-China relations in the context of some recent global issues :**

Today the whole world has been facing some terrific problems such as global worming, international terrorism, economic depression and so on. Recently China accused the developed world for trying to back out of their obligations to tackle climate change despite being the maximum polluters and pressed for close co-ordination with India. It was expected that in the weather summit in Copenhagen, a joint Indo-China strategy would find the US Administration for a collective cause of mankind. But during the time of Obama's visit to China, she unilaterally decided to cut down its green house emission level by 40-45 percent by 2020. So, it became a jolt for India. The USA too has announced a target of reduction of 17-20 percent by 2020.

Recently a new great game of geo-politics is emerging. Goldman Sachs predicts that the three largest economies in the world in 2050 will be China, India and America. Hence, the relations between the three will determine the geo-political dynamics of the world. Right now America has better relations with China and India than India and China have with each other. By leaning in favour of one or another, America can gain similar strategic leverage. For example, China has already done the battered US economy a huge favour by purchasing government bonds worth one trillion dollars. Therefore, the USA can do whatever it wants to be in good terms with China.

Similarly both China and India can also gain similar strategic leverage by improving relations with each other. Of course, over the past decades, China and India have set goals of achieving $ 10 billion, $ 20 billion and $ 30 billion bilateral trade by 2010. Yet by 2008, trade has exceeded $ 50 billion. Further in many global challenges such as climate change, international terrorism, third world solidarity etc., China and India have common interest and positions.

Despite all these, suspicions are raising on bilateral issues : from border disputes to nuclear proliferation, from Myanmar to maritime expansions. Above all China's military relations with Pakistan have been constant challenge.

**conclusion:** In concluding remarks, it may be said that Indo-China relations have improved in spite of their differences in certain issues. In fact, it appears that some elements have an interest in disturbing peace between the two nations. But, today's international scenario demands that India and China must

In fact, it appears that some elements have an interest in disturbing peace between the two nations. But, today's international scenario demands that India and China must have to follow the policy to close the past and open the future for the greater interest of the economically poor people of the Third World Countries.

have to follow the policy to close the past and open the future for the greater interest of the economically poor people of the Third World Countries.

The former Singapore Prime Minister, Goh Chok Tong rightly remarked that "India and China provide two powerful jet engines to lift their societies and the rest of Asia as we soar into the 21st century". China's gross domestic product (GDP) currently is a little over 7 percent when India's GDP is estimated at more than 6 percent. Both India and China know it well that they can revamp their economics from the clutches of the global recession.

So, if India and China join hands, they may well dominate the world economy for decades. In this regard we can cite the example of India's power in information technology and bio-pharmaceuticals and China's strong position in manufacturing products. Volume of trade between India and China now reach $ 34.3 billion.

From the above discussion, it is clear that both India and China can help to lift each other up or both can pull each other down. The strategic choice is clear. In this regard, it is better for the greater interest of the people of both countries that India and China must have to follow the policy of close the past and open the future. In this regard, Wang Dorzhus, the consul general of China, rightly remarked that "a territorial dispute should not prevent us from working together in economic relations".

So, it is hoped that both the countries need to show the spirit of adjustment without attributing motives of greed and bitterness to each other. In view of the world situation, India and China should put aside past grievances and live in peace and friendship. However, both the countries tried to resolve their dispute by mutual discussion. It can also be hoped that Indo-China border dispute must have to resolve to a large extent by mutual cultural and economic exchanges of co-operation. So, Indian Government also needs to launch on a policy of counter balancing regional containment through cultivating friendship with China.

❑❑❑

### REFERENCES :

*1) Bajlis John, Smith Sleve & Owens Patricia :- The Globalization of World Politics. Oxford University Press, 2008.*

*2) Mulcy D. S., Das Sputa, Chandra Ramesh & Rani Manju :- Our Country Today (Problems & Challenges) Published by NCERT., 2003.*

*3) Nayar Raj Baldev & Paul T. V. :-India in the World Order, Cambridge University Press, 2004.*

*4) Narang A. S. :- Indian Government & Policies, Gitanjali Publishing House, New Delhi, 2005.*

*5) The Assam Tribune, December, 8, 2009.*

*6) En.wikipedia.org/wiki/sino-india relations.*

*7) The Assam Tribune, November, 2, 2009.*

*8) The Hindu, January 1, 2010.*

*9) The Hindu, January 2, 2010.*

*10) People's Democracy, Sept. 28 - Oct.04, 2009.*





STUDENTS' UNION
**SUREN DAS COLLEGE, HAJO**
**SESSION : 2008-2009**
**P.O. : Hajo, PIN : 781102**
**Ph. No. : 0361-2820341**

*Date.............*

*Ref...*

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই সুৰেন দাস মহাবিদ্যালয়ৰ জন্মদাতা পৰম পূজনীয় প্ৰয়াত সুৰেন দাস দেৱক আৰু জন্মলগ্নত জড়িত থকা পৰলোকগত তথা জীৱিত ব্যক্তিসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছো। লগতে আমাৰ মহাবিদ্যালয়ৰ উচ্চ বৰ্গৰ সহায়ক ঁঘনশ্যাম হাটখোৱাদেৱ আৰু অলপতে মহাবিদ্যালয়ৰ অধ্যাপক ঁপ্ৰসন্ন কুমাৰ চহৰীয়া ছাৰ, মহাবিদ্যালয়ৰ উচ্চ বৰ্গৰ সহায়ক ... জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ৰ অধ্যাপক ঁপ্ৰসন্ন কুমাৰ চহৰীয়া ছাৰ, মহাবিদ্যালয়ৰ উচ্চ বৰ্গৰ সহায়ক ঁঘনশ্যাম হাটখোৱাদেৱ আৰু অলপতে আমাৰ মাজৰ পৰা হেৰাই যোৱা ঁসুবোধ চন্দ্ৰ চৌধুৰী ছাৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছো।

যিসকলে ১৯৭৯ চনতে স্থাপিত ঐতিহ্যমণ্ডিত সুৰেন দাস মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ পদত মোক নিৰ্বাচিত কৰি সেৱা আগবঢ়াবলৈ সুযোগকণ দিলে সেইসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, দাদা-বাইদেউ তথা শিক্ষাগুৰুবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়াৰ আগত

ইং ১৫/১০/০৮ তাৰিখে মই মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়াৰ আগত শপত গ্ৰহণ কৰি পুৰণা কমিটিৰ পৰা কাৰ্যভাৰ গ্ৰহণ কৰিছিলো। কাৰ্যভাৰ গ্ৰহণৰ কিছুদিনৰ পিছতে মহাবিদ্যালয়ৰ বাৰ্ষিক কলা-ক্ৰীড়া মহোৎসৱ ইং ১১ নৱেম্বৰ ২০০৮ তাৰিখৰ পৰা ইং ১৫ নৱেম্বৰ ২০০৮ তাৰিখলৈ পাঁচদিনীয়া কাৰ্যসূচীৰে পালন কৰিছিলো। বিজয়ী আৰু বিজেতা প্ৰতিযোগীসকলক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেন তালুকদাৰ ছাৰৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী সভাত বঁটা আৰু মানপত্ৰ প্ৰদান কৰা হয়। সভাত নিৰ্দিষ্ট বক্তা হিচাপে শান্তি সাধনা আশ্ৰমৰ শ্ৰীযুত হেমভাই আৰু মুখ্য অতিথিৰূপে কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাঃ সম্পাদক তথা সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক শ্ৰীযুত অনুপ কুমাৰ মেধি উপস্থিত থাকে। ইং ২১ আগষ্ট ২০০৯ তাৰিখ শুক্ৰবাৰে মহাবিদ্যালয়ৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আঁকোৱালি লোৱাৰ উদ্দেশ্যে এখন নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। নৱাগত আদৰণি সভাৰ লগত সংগতি ৰাখি অইন বেলিৰ দৰে এইবেলিও মহাবিদ্যালয়ৰ পতাকা উত্তোলন, সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, মহাবিদ্যালয়ৰ ভৱন দাতা ঁসুৰেন দাসৰ প্ৰতিকৃতিত মাল্যাৰ্পণ, আলোচনী সম্পাদক শ্ৰীব্ৰজেন মালাকাৰৰ সম্পাদনাত প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা উন্মোচন, মুকলি চ'ৰা, মুকলি সভা আদি কাৰ্যসূচীৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেন তালুকদাৰ ছাৰৰ সভাপতিত্বত অনুষ্ঠিত নৱাগত আদৰণি সভাত মুখ্য অতিথি হিচাপে ৰঙিয়া মহকুমা আৰক্ষী বিষয়া শ্ৰীযুতা সংযুক্তা পৰাশৰ (আই. পি. এছ.), নিৰ্দিষ্ট বক্তা হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক শ্ৰীযুত উত্তম দাস আৰু নিমন্ত্ৰিত অতিথি হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি শ্ৰীযুত দ্বীপাংকৰ নাথ আৰু গুৱাহাটী মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীযুত প্ৰকাশ দাস উপস্থিত থাকে।

ইং ২৯ আগষ্ট ২০০৮ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ পতাকা উত্তোলন, ঁসুৰেন দাসৰ প্ৰতিকৃতিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলনৰ লগতে অধ্যক্ষ ড° ৰমেন তালুকদাৰ ছাৰৰ সভাপতিত্বত দিনৰ ১২ বজাৰ পৰা এখনি মুকলি সভা অনুষ্ঠিত কৰা হয়।

৫/৯/০৮ তাৰিখে শিক্ষক দিৱস উপলক্ষে মহাবিদ্যালয়ৰ শিক্ষকসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে এখন সভা অনুষ্ঠিত কৰা হয়। ইং ২৮/৩/০৯ তাৰিখে প্ৰথমবাৰৰ বাবে স্নাতক তৃতীয় বৰ্ষক বিদায় দিয়াৰ উদ্দেশ্যে এখনি

বিদায়ী সভাৰ আয়োজন কৰা হয়।

**মোৰ চমু কাৰ্যকালৰ সফলতা ঃ**

মোৰ কাৰ্যকালত মহাবিদ্যালয়খনৰ বহুতো সমস্যাই দৃষ্টিগোচৰ হৈছিল। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলেও বিভিন্ন সমস্যাৰ বিষয়ে মোক অৱগত কৰিছিল। এই সমস্যাবোৰ মই অধ্যক্ষ মহোদয়ৰ লগত মুকলিকৈ আলোচনা কৰিছিলো আৰু বেছিসংখ্যকেই সমাধান কৰিবলৈ সক্ষম হৈছিলো। এইবোৰৰ ভিতৰত -

১) ছাত্ৰ একতা সভাৰ সদস্যসকলৰ 'ব্লেজাৰ'ৰ বাবে মহাবিদ্যালয়ৰ তৰফৰ পৰা ৬০ শতাংশ ধনৰ আৱণ্টনৰ ব্যৱস্থা কৰা হয়;
২) গ্ৰন্থাগাৰত চকী-মেজৰ সংখ্যা বঢ়োৱা হয়;
৩) ছাত্ৰ-ছাত্ৰীসকলে বাহিৰত বহিবৰ বাবে পক্কীৰ বহা ঠাই বনাই দিয়া হয়;
৪) মহাবিদ্যালয়ৰ গণৱেশৰ পৰিবৰ্তন সাধন কৰাৰ লগতে একোটাকৈ বেজ দিয়াৰ ব্যৱস্থা কৰা হয়;
৫) সুদীৰ্ঘ সোতৰ বছৰৰ বিৰতিৰ মূৰত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক অংশগ্ৰহণ কৰোৱা হয়;
৬) ছাত্ৰ একতা সভাৰ বাবে এটা স্থায়ী কাৰ্যালয়ৰ ব্যৱস্থা কৰা হয়;
৭) কেণ্টিনৰ অৱস্থা উন্নত কৰা হয়।

**অভাৱ-অভিযোগ ঃ**

সুৰেন দাস মহাবিদ্যালয় এখন আগশাৰীৰ শিক্ষানুষ্ঠান। তথাপিতো বহুতো কিবা-কিবিৰ অভাৱ এই প্ৰতিবেদনৰ জৰিয়তে অধ্যক্ষ মহোদয় সমন্বিতে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰাৰ লগতে ইয়াৰ সমাধান বিচাৰিলো। সেইবোৰ ক্ৰমে -

১) মহাবিদ্যালয়ৰ খেলপথাৰখন এখন উন্নত খেলপথাৰত পৰিণত কৰা।
২) পৰ্যাপ্ত খেলৰ সামগ্ৰী যোগান ধৰা।
৩) মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ বাবে ছাত্ৰ জিৰণী কোঠা এটাৰ ব্যৱস্থা কৰা।
৪) তৰ্ক আৰু দৰ্শন বিভাগকো স্নাতক স্তৰৰ পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰাৰ লগতে ভূগোল বিষয়টোক অনাৰ্চৰ বিষয় হিচাপে গ্ৰহণ কৰা।

উপকাৰৰ বিনিময় নেথাকে যদিও কৃতজ্ঞতা স্বীকাৰ কৰিবই লাগিব। সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিত কৰাৰ লগতে যিসকলে মোক সম্পূৰ্ণ কাৰ্যকালত সু-দিহা পৰামৰ্শৰে সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেন তালুকদাৰ ছাৰ আৰু ছাত্ৰ একতা সভাৰ মুখ্য তত্ত্বাৱধায়িকা শ্ৰীযুতা নন্দিতা চলিহা বাইদেউ সমন্বিতে সমূহ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, দাদা-বাইদেউ তথা মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তালৈ মোৰ হৃদয়ৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌশেষত মোৰ কাৰ্যকালৰ সকলো জ্ঞাত-অজ্ঞাত ভুলৰ ক্ষমা ভিক্ষা মাগি মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু সুৰেন দাস মহাবিদ্যালয়"
"জয় আই অসম"

শ্ৰদ্ধাৰে
*জিতেন্দ্ৰ বৰুৱা*
সাধাৰণ সম্পাদক,
সুৰেন দাস মহাবিদ্যালয় ছাত্ৰ একতা সভা





STUDENTS' UNION
**SUREN DAS COLLEGE, HAJO**
SESSION : 2008-2009
P.O. : Hajo, PIN : 781102
Ph. No. : 0361-2820341

Ref...

Date..............



# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে যিসকল বীৰ শ্বহীদে তেওঁলোকৰ ভৱিষ্যত আমাৰ বৰ্তমানৰ বাবে উৎসৰ্গা কৰি থৈ গ'ল সেই বীৰ শ্বহীদসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জ্ঞাপন কৰিলো। দ্বিতীয়তে যিজনা মহান পুৰুষৰ বাবে হাজোত সুৰেন দাস মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল সেইজনা মহান ব্যক্তি প্ৰয়াত সুৰেন দাস দেৱৰ আত্মাৰ সদ্গতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো।

২০০৭-২০০৮ বৰ্ষৰ পিছত ২০০৮-২০০৯ বৰ্ষৰ বাবেও মই একেৰাহে দুবাৰকৈ সুৰেন দাস মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদকৰ গধুৰ দায়িত্ব মূৰ পাতি লওঁ। মনত বহু আশা আৰু অন্তৰত বন্ধুবৰ্গই যোগোৱা অফুৰন্ত উৎসাহ লৈ আগবাঢ়ো মহাবিদ্যালয়ৰ সাংস্কৃতিক ভেটি প্ৰতিষ্ঠিত কৰিবলৈ, এক নতুন ৰূপত। এই দুয়োটা বৰ্ষত কিমানদূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্য।

নিজা ভাষা, নিজা সংস্কৃতি অবিহনে একোটা জাতি মেৰুদণ্ডহীন একোটা জীৱৰ নিচিনা। বিশ্ববাসীৰ মাজত নিজৰ চিনাকী বৰ্তাই ৰাখিবলৈ হ'লে আমি আমাৰ সংস্কৃতিক জীয়াই ৰাখিবই লাগিব। যিটো সময়ত বিশ্বৰ আন আন জাতিসমূহে নিজৰ নিজৰ সংস্কৃতিক বিশ্ব-দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ উঠি-পৰি লাগিছে সেইটো সময়ত আমি অসমীয়া জাতিটোৱে কিন্তু আনৰ সংস্কৃতিকহে আঁকোৱালি ল'বলৈ অগ্ৰসৰ হৈছো।

এখন দেশৰ ভৱিষ্যত দেশখনৰ যুৱ-সমাজ কিন্তু অসমীয়া যুৱচামক দেখিলে শংকাত ভোগা যায় কিয়নো বৰ্তমানৰ যুৱচামে আধুনিকতাৰ নামত নিজৰ সংস্কৃতি পাহৰি পশ্চিমীয়া সংস্কৃতিৰ প্ৰতি আগ্ৰহী হৈছে। এইটো সঁচাকৈয়ে আমাৰ বাবে এক অশুভ সংকেত নহয়নে?

এই প্ৰতিবেদনৰ জৰিয়তে মই সমূহ সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে সমূহ অসমীয়া যৱক-যুৱতীক অনুৰোধ জনাওঁ তেওঁলোকে যেন কেতিয়াও নিজৰ সংস্কৃতিক পাহৰি নাযায়। নিজা সংস্কৃতি জীয়াই ৰাখিবলৈ হ'লে কিবা নহয় কিবা এটা কৰিবই লাগিব। অন্যথা অসমীয়া জাতি তথা অসমীয়া সংস্কৃতি এদিন ধ্বংস হোৱাটো নিশ্চিত।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে আৰম্ভ হয় মহাবিদ্যালয় ক্ৰীড়া মহোৎসৱ। এই মহোৎসৱৰ কাৰ্যসূচী অনুযায়ী নিজৰ সংস্কৃতিৰ অংগস্বৰূপ বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতাৰ ভিতৰত দিহানাম, বিয়ানাম, বিহুনৃত্য, অসমীয়া গীতৰ আধাৰত আধুনিক নৃত্য আৰু নানা নতুন নতুন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সঁচাকৈয়ে যোৱাবাৰৰ তুলনাত এই বেলি প্ৰতিযোগীৰ সংখ্যা তথা তেওঁলোকে পৰিবেশন কৰা গীত-মাতৰ মানদণ্ড আছিল উন্নতমানৰ। মহাবিদ্যালয়ৰ ক্ৰীড়া মহোৎসৱৰ বিভিন্ন শিতানত পুৰস্কাৰপ্ৰাপ্ত প্ৰতিযোগীসকলক বঁটা-বিতৰণী সভাৰ জৰিয়তে বঁটা প্ৰদান কৰা হয়। এই বঁটা বিতৰণী অনুষ্ঠানতো নানা গীত-মাত পৰিৱেশনৰ যোগেদি আমন্ত্ৰিত অতিথিৰ মাজত আমাৰ মহাবিদ্যালয়ৰ কৃতিত্ব প্ৰদৰ্শন কৰা হয়।

১৬-০৫-০৯ তাৰিখৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত সুদীৰ্ঘ সোতৰ বছৰৰ মূৰত অংশগ্ৰহণৰ জৰিয়তে যুৱ মহোৎসৱত অংশগ্ৰহণৰ বাট মুকলি কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলকো এক নতুন প্ৰেৰণা প্ৰদান কৰা হয়। এই মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ শিল্পীসকলে সুন্দৰ গীত-মাত পৰিবেশনেৰে নিজৰ লগতে মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনে।

০৬ নৱেম্বৰ তাৰিখে কে. চি. দাস কমাৰ্চ কলেজত অনুষ্ঠিত হোৱা সদৌ অসম আন্তঃ মহাবিদ্যালয় সংগীত প্ৰতিযোগিতাতো আমাৰ মহাবিদ্যালয়ে অংশগ্ৰহণ কৰি সুন্দৰ গীত পৰিবেশন কৰে।

আমাৰ মহাবিদ্যালয়ত বহু প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰী আছে। তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকশাই তুলিব পাৰিলে আমি আমাৰ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিব পাৰিম বুলি মোৰ আশা। এই ছেগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক এই প্ৰতিবেদনৰ জৰিয়তে অনুৰোধ জনাওঁ যে তেওঁ যেন মহাবিদ্যালয়ৰ সাংস্কৃতিক ভেঁটি উন্নতিৰ বাবে এক সু-পদক্ষেপ গ্ৰহণ কৰে।

মোৰ কাৰ্যকালত এই সমূহ কৰ্মৰাজি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী তথা শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দৰ সহায়-সহযোগিতা অবিহনে সাফল্যমণ্ডিত নহ'লহেতেন। এই ছেগতে তেওঁলোকলৈ মোৰ শত-সহস্ৰ সেৱা আগবঢ়ালো।

শেষত জ্ঞাত-অজ্ঞাত সমূহ ভুলৰ বাবে ক্ষমা ভিক্ষা মাগি সুৰেন দাস মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উজ্জ্বল ভৱিষ্যত কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু সুৰেন দাস মহাবিদ্যালয়
জয় আই অসম

শ্ৰদ্ধাৰে
কমলকৃষ্ণ মালাকাৰ
সম্পাদক, সাংস্কৃতিক বিভাগ





STUDENTS' UNION
SUREN DAS COLLEGE, HAJO
SESSION : 2008-2009
P.O. : Hajo, PIN : 781102
Ph. No. : 0361-2820341

Date............

Ref...



## আলোচনী সম্পাদকৰ প্ৰতিবেদন

### ওভতনি ৰাগত হেৰাই পোৱা কাৰ্যকালৰ ৰূপৰেখাৰ কিয়দাংশ

চাওঁতে চাওঁতে পাৰ হৈ গ'ল এটা বছৰ। প্ৰথম বছৰৰ কাৰ্যকালৰ সমাপ্তিৰ পিছত পুনৰ দ্বিতীয়বাৰৰ বাবে সেই একেই পদবীতে অধিষ্ঠিত হ'লো মহাবিদ্যালয়ৰ কৰ্মকৰ্তা, ছাত্ৰ-ছাত্ৰী প্ৰমুখ্যে সকলোৱে বদান্যতাত। আমি কৃতজ্ঞ, সেই সকলোৱে ওচৰত। প্ৰথম বছৰৰ প্ৰগতি হিচাপে আমি ক'ব পাৰো যে মহাবিদ্যালয়ত বৰ এটা পৰিবেশ সৃষ্টি কৰিব নোৱাৰিলেও বাৰ্ষিক আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত আমি কিঞ্চিত সফল হ'লো। আমাৰ আত্মবিশ্বাস দৃঢ় হৈছে- যেতিয়া আমি শুনিবলৈ পাইছিলো যে মহাবিদ্যালয়ৰ পূৰ্বৰ আলোচনীৰ তুলনাত যোৱাবছৰৰ আলোচনীখন যথেষ্ট উন্নতমানৰ হৈছে।

দ্বিতীয়বাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰি যদিও আহ্লাদিত হৈছিলো, যদিও ভালেমান ন-ন সংকল্প লৈছিলো, কালক্ৰমত সেইবোৰৰ বেছিভাগেই নহ'ল, বিভিন্ন কাৰণত। আমি বিশ্বাস কৰো ছাত্ৰ-ছাত্ৰীৰ এইটো স্তৰতে চেতনা তথা সৃষ্টিশীলতাই এক সু-সংহত অৱস্থা পাবলৈ অগ্ৰসৰ হয়। গতিকে এই স্তৰত মহাবিদ্যালয়তো এক বৌদ্ধিক পৰিবেশ গঢ় লৈ উঠাটো একান্তই বাঞ্চনীয়। সেই উপলব্ধি মনলৈ আনিয়েই সাহিত্য সম্পৰ্কীয় সজাগতা বৃদ্ধিৰ বাবেই আমি ব্যক্তিগতভাবে অশেষ যত্ন লৈছিলো। এইক্ষেত্ৰত আৰু বহুতো কৰণীয় আছিল যিবোৰ ক্ষেত্ৰত মহাবিদ্যালয় কতৃপক্ষইও সম্পূৰ্ণ আগভাগ লোৱা প্ৰয়োজন আছিল। কেৱল কেইটামান প্ৰতিযোগিতা অনুষ্ঠিত কৰণ আৰু বাৰ্ষিক আলোচনীখনৰ প্ৰকাশেই মহাবিদ্যালয় এখনৰ দৰে অনুষ্ঠানত সাহিত্যৰ পৰিবেশ সৃষ্টি কৰাৰ বাবে যথেষ্ট নহয়। গতিকে আমাৰ তৰফৰ পৰা কেইটামান প্ৰস্তাৱ ('প্ৰস্তাৱ' বুলি নলৈ 'অনুৰোধ' হিচাপে ল'লে সুখী হ'ম) মহাবিদ্যালয় কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰাৰ প্ৰয়াস কৰিলো, যিখিনিয়ে মহাবিদ্যালয়ৰ বৌদ্ধিক পৰিবেশ উন্নীতকৰণৰ লগতে ভাৱমূৰ্ত্তিও উজ্জ্বল কৰাত অৰিহণা যোগাব বুলি আমাৰ বিশ্বাস। সেই প্ৰস্তাৱসমূহ -

ক) মহাবিদ্যালয়ৰ মুখপত্ৰখন এটা নিৰ্দিষ্ট তাৰিখত প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা যাওঁক।

খ) আলোচনীখন মহাবিদ্যালয়ৰ ৱেবচাইটটো উপলব্ধ কৰাৰ ব্যৱস্থা কৰা যাওঁক।

গ) অসম চৰকাৰে মহাবিদ্যালয় আলোচনী প্ৰকাশৰ নিমিত্তে আগবঢ়োৱা ধনখিনিৰে আলোচনীখনৰ গুণগত মানদণ্ড উন্নীতকৰণৰ ব্যৱস্থা কৰা যাওঁক।

ঘ) যিহেতু তথ্য জনাৰ অধিকাৰ (R.T.I.) বৰ্তমান ভাৰতীয় নাগৰিকৰ সংবিধান প্ৰদত্ত অধিকাৰ, গতিকে মহাবিদ্যালয়ৰ আয়-ব্যয় সম্পৰ্কীয় তথ্যপাতি, উন্নয়নমূলক কাম-কাজৰ খতিয়ান সম্পৰ্কীয় তথ্যখিনি আলোচনীখনত প্ৰকাশৰ ব্যৱস্থা কৰিলে মহাবিদ্যালয়ৰ ভাৱমূৰ্ত্তি উজ্জ্বল হ'ব বুলি আমাৰ বিশ্বাস।

ঙ) কেৱল মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখিয়েই সাহিত্য প্ৰতিযোগিতাখিনি পতাৰ ব্যৱস্থা কৰাতকৈ সময় সুবিধা উলিয়াই সাহিত্য সম্পৰ্কীয় আলোচনা চক্ৰ, কবি সম্মিলন, সাহিত্য প্ৰতিযোগিতা আদি নিয়মীয়াকৈ আয়োজন কৰা যাওঁক আৰু কেৱল গল্প, কবিতা, ৰস-ৰচনা, ৰচনা এইখিনিতে প্ৰতিযোগিতাৰ পৰিসৰ সীমাৱদ্ধ নেৰাখি নাটক, অনুবাদ সাহিত্যস বাটৰ নাট আদিৰ পাণ্ডুলিপি প্ৰতিযোগিতাকো উক্ত পৰিসৰত সামৰি ল'লে সেয়া যথেষ্ট ফলপ্ৰসু হ'ব।

চ) মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰে প্ৰাচীৰ পত্ৰিকাসমূহ নিয়মীয়াকৈ প্ৰকাশ কৰাৰ লগতে প্ৰাচীৰ পত্ৰিকাত প্ৰকাশিত লিখনিসমূহৰ মাজৰ পৰা শ্ৰেষ্ঠ লিখনিসমূহ বাচি উলিয়াই লেখক-লেখিকাক পুৰস্কৃত কৰাৰ ব্যৱস্থা কৰক।

ছ) আলোচনীখনৰ বাদেও অন্ততঃ দুমাহৰ মূৰত হ'লেও যাতে এখন মহাবিদ্যালয় বাৰ্তালোচনী প্ৰকাশ কৰিব পাৰি সেই বিষয়টো কৰ্তৃপক্ষই বিবেচনা কৰি চাব পাৰে।

**আলোচনী প্ৰসঙ্গত ঃ**

উপৰিউক্ত অভাৱসমূহৰ বিষয়ে উল্লেখ কৰিছো যদিও মহাবিদ্যালয় আলোচনীখন সৰ্বাঙ্গসুন্দৰ কৰাত আমি চেষ্টাৰ ত্ৰুটি কৰা নাই। আলোচনীখন প্ৰকাশ হৈছে এক সংঘৱদ্ধ আৰু বহুমুখী প্ৰচেষ্টাত। যিসকলে মোৰ এই যাত্ৰাত সহায়ৰ হাত আগবঢ়ালে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ, বিশেষকৈ অধ্যক্ষ ড° ৰমেন তালুকদাৰ ছাৰ, তত্বাৱধায়ক বিশ্বজিৎ কলিতা ছাৰ প্ৰমুখ্যে সম্পাদনা সমিতিৰ সমূহ ছাৰ-বাইদেউলৈ। বিভিন্ন লেখা সংগ্ৰহৰ ক্ষেত্ৰত যোগসূত্ৰৰ কাম কৰা মাণিক দা, কিশোৰ, তথ্য-পাতিৰ ক্ষেত্ৰত উচ্চ বৰ্গৰ সহায়ক হৰকুমাৰ দাস দেৱ আৰু গ্ৰন্থাগাৰৰ ভট্টাচাৰ্য ছাৰলৈও থাকিল অশেষ ধন্যবাদ। ...আৰু যিসকলে আমাক লেখা দি উপকৃত কৰিলে তেখেতসকলক কি ক'ম? - এষাৰেই কথা - আমি অনুগৃহীত! অনুগৃহীত!!

সম্পাদনা সমিতিৰ ছাত্ৰ-সদস্য ক্ৰমে- বীৰেণ, মানৱ, চন্দন, ৰতন, জিণ্টু, নীহাৰিকা আৰু পাঞ্চালী, তোমালোকক দিবলৈ মোৰ দুহাত ৰিক্ত, আছে মাথো এবুকু মৰম...

সদৌশেষত, বেটুপাতৰ শিল্পী কলিন্দ্ৰ দা, 'অনুস্কা অফ্‌ছেট এণ্ড ডিজি ওৱৰ্ল্ড'ৰ সমূহ কৰ্মকৰ্তা আৰু বন্ধুবৰ মুকুট বড়োলৈ বিশেষ কৃতজ্ঞতা যাচিলোঁ। ক্ষমা বিচাৰিছো আলোচনীখনৰ সম্ভাব্য সকলো অনিচ্ছাকৃত ভুলৰ বাবে।

আমাৰ মহাবিদ্যালয়ৰ বৌদ্ধিক বাতাৱৰণৰ উত্তৰণ ঘটক, তাৰেই কামনাৰে -

*ব্ৰজেন চন্দ্ৰ মালাকাৰ*
সম্পাদক, আলোচনী বিভাগ





STUDENTS' UNION
**SUREN DAS COLLEGE, HAJO**
SESSION : 2008-2009
P.O. : Hajo, PIN : 781102
Ph. No. : 0361-2820341

Date.............

Ref...

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই সুৰেন দাস মহাবিদ্যালয়ৰ জন্মদাতা পৰম পূজনীয় সুৰেন দাস দেৱক আৰু মহাবিদ্যালয়ৰ জন্মলগ্নত জড়িত থকা পৰলোকগত তথা জীৱিত ব্যক্তিসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো। লগতে জন্মভূমি আৰু স্বজাতিৰ কাৰণে যিসকলে বুকুৰ কেঁচা তেজ ঢালি দেশপ্ৰেমৰ ইতিহাস লিখি গ'ল, সেইসকল বীৰ শ্বহীদলৈ, সেইসকল সংগ্ৰামী সতীৰ্থলৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিলো।

সুৰেন দাস মহাবিদ্যালয়ৰ ২০০৮-২০০৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ খেল সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ পদৱীত দায়িত্ব ভাৰ অৰ্পণ কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু কৰ্মীবৃন্দলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি মোৰ কাৰ্যকালৰ চমু প্ৰতিবেদন দাঙি ধৰিবলৈ প্ৰয়াস কৰিছো।

ক্ৰীড়া হ'ল শাৰীৰিক আৰু মানসিক উত্তৰণৰ এক অন্যতম আহিলা। শাৰীৰিক আৰু মানসিক উত্তৰণৰ লগে লগে বৰ্তমান সময়ত ক্ৰীড়া দেশ এখনৰ, ৰাজ্য এখনৰ বা জাতি এটাৰ গৌৰৱৰো পৰিচায়ক হৈ পৰিছে। আমাৰ বোধেৰে 'ক্ৰীড়া'ৰ মাজত অন্তৰ্নিহিত হৈ থকা প্ৰকৃত সত্যটো হ'ল - খেলুৱৈসুলভ মানসিকতা। খেলত হৰা-জিকা ডাঙৰ কথা নহয়, কিদৰে খেল খেলা হয় সেয়াহে আচল কথা। এই মানসিকতাতে নিহিত হৈ থাকে খেলুৱৈ এজনৰ মহানতা, হৃদয়ৰ বিশালতা। সেয়ে কোৱা হয় - "For when the one great scorer comes to write against your name, he marks - not that you won or lost - but how you played the game."

মহাবিদ্যালয়ৰ খেল বিভাগত থকা অভাৱসমূহ দূৰ কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষক তলৰ ব্যৱস্থাকেইটা কাৰ্যকৰী কৰিবলৈ অনুৰোধ জনালো -

১) মহাবিদ্যালয়ৰ খেলপথাৰখন উন্নত কৰিব লাগে।
২) প্ৰচুৰ পৰিমাণে খেলৰ সামগ্ৰী যোগান ধৰক।
৩) সকলো ধৰণৰ প্ৰশিক্ষণৰ প্ৰশিক্ষকৰ ব্যৱস্থা কৰা হওঁক।

খেল সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ অলপ দিনৰ ভিতৰতে অইন বেলিৰ দৰে এইবেলিও মহাবিদ্যালয় সপ্তাহ চাৰিদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। খেল-ধেমালিৰ শুভ উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত ৰমেন তালুকদাৰদেৱে।

শেষত সকলো প্ৰকাৰৰ দিহা-পৰামৰ্শৰে মোক সহায় কৰা শিক্ষাগুৰু তথা বন্ধু-বান্ধৱীসকললৈ ধন্যবাদ জ্ঞাপন কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু সুৰেন দাস মহাবিদ্যালয়।
জয় আই অসম।।

ধন্যবাদেৰে
*দেৱজিত বৰুৱা*
সম্পাদক, খেল বিভাগ

STUDENTS' UNION
**SUREN DAS COLLEGE, HAJO**
SESSION : 2008-2009
P.O. : Hajo, PIN : 781102
Ph. No. : 0361-2820341

Ref...                                   Date...............



## তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণাহুতি দিয়া শত শত শ্বহীদলৈ মোৰ অশ্ৰুভৰা অঞ্জলি যাঁচিছো।

যুক্তি বা তৰ্ক অবিহনে আজিৰ পৃথিৱীয়ে মাধ্যাকৰ্ষণ শক্তিৰ বিষয়ে নাজানিলেহেতেন যদিহে নিউটনে যুক্তিৰ সহায়ত গছৰ পৰা আপেল সৰা ঘটনাটো জুকিয়াই নাচালেহেতেন। এনেকৈয়ে পৃথিৱীৰ প্ৰতিটো আৱিষ্কাৰৰ মূলতেই হ'ল যুক্তি বা তৰ্ক। সেয়েহে যুক্তি বা তৰ্কৰ প্ৰয়োজনীয়তা আজি সকলোৱে মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিছে।

হাজো সমষ্টিৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে চিনাকী সুৰেন দাস মহাবিদ্যালয়ৰ তৰ্ক বিভাগৰ সম্পাদকৰ পদত যিসকল ছাত্ৰ-ছাত্ৰীয়ে দ্বায়িত্ব গ্ৰহণ কৰাৰ কাৰণে সুবিধা দিলে তেওঁলোকলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

তৰ্ক বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ মোৰ দ্বায়িত্ব কিমান সুস্থভাবে পালন কৰিছো সেয়া বিচাৰৰ ভাৰ আপোনালোকৰ হাতত তুলি দিলো। কিন্তু পৰাপক্ষত মই যিখিনি পাৰো সেইখিনি কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। এইবাৰৰ মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত তৰ্ক প্ৰতিযোগিতা, কুইজ, কবিতা আবৃত্তি, আকস্মিক বক্তৃতা আদি বিষয়ৰ প্ৰতিযোগিতা পাতিছিলো। ইয়াৰ আটাইকেইটা বিষয়তে যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰিছিল। সকলোৱে মই শলাগ লোৱাৰ লগতে তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছো।

মোৰ কাৰ্যকাল সুকলমে পাৰ হোৱাত সম্পূৰ্ণৰূপে সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, অধ্যাপক শ্ৰীযুতনিত্যানন্দ দেৱ, ভাৰতী মেধি, পংকজ নমঃশূদ্ৰ, ৰাজীৱ দাস ছাৰৰ লগতে মোৰ প্ৰিয় বন্ধু-বান্ধৱী, ৰমিজ, ৰবিন, জাকাৰিয়া, ব্ৰজেন, জেৰিফা, নুৰুল, সৰু মইনা, চাহজাহান, ৰুণি আৰু চামচুললৈ মোৰ হিয়াভৰা মৰম যাচিলো।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে মই সকলোৱে ওচৰত ক্ষমাপ্ৰাৰ্থী হৈ ৰ'লো।

শ্ৰদ্ধাৰে
*চহিদুৰ ৰহমান (ৰিতুল)*
সম্পাদক, তৰ্ক বিভাগ।





STUDENTS' UNION
**SUREN DAS COLLEGE, HAJO**
SESSION : 2008-2009
P.O. : Hajo, PIN : 781102
Ph. No. : 0361-2820341

Date...............
Ref...



## ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে দেশমাতৃৰ সেৱাত প্ৰাণ আহুতি দি যিসকলে শ্বহীদৰ কৱচ পৰিধান কৰিলে সেইসকললৈ মই মোৰ অশ্ৰুভৰা অঞ্জলী যাঁচিলো লগতে সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সদস্য বৃন্দ তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। এই পৱিত্ৰ শিক্ষানুষ্ঠানটিৰ ২০০৮-২০০৯ বৰ্ষৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ পদত তিনিজনী ছাত্ৰীৰ মাজৰ পৰা মোক নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ নিৰ্বাচক মণ্ডলীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই ছাত্ৰী জিৰণী কোঠাৰ প্ৰধান অসুবিধাবোৰ পৰ্যায়ক্ৰমে দূৰ কৰাৰ বাবে অধ্যক্ষ মহোদয়ৰ ওচৰত প্ৰাক্-কথন দাঙি ধৰিছিলো যদিও অৰ্থৰ অভাৱতে হওঁক বা আন অসুবিধাৰ বাবেই হওঁক ইয়াক ভবা মতে দূৰ কৰিব পৰা নগ'ল। তাৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছো।

ছাত্ৰী জিৰণী কোঠাত লগা সকলো আৱশ্যকীয় সামগ্ৰীৰ অভাৱ এতিয়াও বহুত আছে যিবোৰ মহাবিদ্যালয় কৰ্তৃপক্ষই আগন্তুক দুবছৰৰ ভিতৰত দূৰ কৰিবলৈ চেষ্টা কৰিব বুলি আশা ৰাখিলো।

কাৰ্যভাৰ গ্ৰহণৰ কিছুদিনৰ পিছতেই মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত ছাত্ৰী জিৰণী কোঠাৰ তৰফৰ পৰা এখনি দৰা-কইনা প্ৰতিযোগিতা, সংকেত চকী, কানিমুনি খেল আদি প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

মোৰ এই কাৰ্যকালত বিভিন্ন ধৰণে পৰামৰ্শ আগবঢ়োৱা অধ্যক্ষ মহোদয় ড° ৰমেন তালুকদাৰ, তত্বাৱধায়িকা আৰতি ডেকা বাইদেউ, ৰাজীৱ দাস ছাৰ, নিত্যানন্দ কলিতা ছাৰ, নন্দিতা চলিহা বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ। তাৰোপৰি এই কাৰ্যকালত মোক সহায়ৰ হাত আগবঢ়োৱাৰ বাবে জেৰিফা, ৰেজিয়া, জুৰি, জোৎস্না, আছফিয়া, ৰুমি দাস, ৰুণু, ভৃগু, নয়ন, টিংকু, জেকিব, ৰিতুল আৰু ৰমজানলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌশেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু সুৰেন দাস মহাবিদ্যালয়।
জয় আই অসম।।

ধন্যবাদেৰে
*মৰ্জিনা ইছলাম*
সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা

## বাৰ্ষিক কলা-ক্ৰীড়া মহোৎসৱ

# ২০০৮-২০০৯ বৰ্ষত আমাৰ মহাবিদ্যালয়

## বিভিন্ন খেল-ধেমালিৰ পুৰস্কাৰ সমূহ

### - ল'ৰাৰ ১০০ মিটাৰ দৌৰ -

১ম - অমলেশ মালাকাৰ — স্নাতক ৩য় বৰ্ষ
২য় - ৰাজদ্বীপ — স্নাতক ১ম বৰ্ষ
৩য় - গোৱিন্দ মালাকাৰ — স্নাতক ১ম বৰ্ষ

### - ল'ৰাৰ ২০০ মিটাৰ দৌৰ -

১ম - হৰজ্যোতি বৈশ্য — স্নাতক ২য় বৰ্ষ
২য় - গোৱিন্দ মালাকাৰ — স্নাতক ১ম বৰ্ষ
৩য় - অক্ষয় কলিতা — স্নাতক ৩য় বৰ্ষ

### - ছোৱালীৰ ১০০ মিটাৰ দৌৰ -

১ম - আবেদা বেগম — উঃ মাঃ ১ম বৰ্ষ
২য় - নচিফা বেগম — উঃ মাঃ ১ম বৰ্ষ
৩য় - মণি

### - ছোৱালীৰ ২০০ মিটাৰ দৌৰ -

১ম - আবেদা বেগম — উঃ মাঃ ১ম বৰ্ষ
২য় - নচিফা বেগম — উঃ মাঃ ১ম বৰ্ষ
৩য় - বৰ্ণালী দাস — উঃ মাঃ ১ম বৰ্ষ

### - ল'ৰাৰ ডিচ্‌কাচ্ থ্ৰ' -

১ম - জিতেন্দ্ৰ বৰুৱা — স্নাতক ১ম বৰ্ষ
২য় - ছাজিদ আহমেদ — উঃ মাঃ ১ম বৰ্ষ
৩য় - ইনতাজুৰ ৰহমান — স্নাতক ১ম বৰ্ষ

### - ছোৱালীৰ ডিচ্‌কাচ্ থ্ৰ' -

১ম - ৰুমী বেগম — উঃ মাঃ ২য় বৰ্ষ
২য় - দ্বীপামণি হালৈ — স্নাতক ১ম বৰ্ষ
৩য় - জেমিমা আহমেদ — স্নাতক ২য় বৰ্ষ

### - ল'ৰাৰ শ্বটপুট থ্ৰ' -

১ম - ছাজিদ আহমেদ — উঃ মাঃ ১ম বৰ্ষ
২য় - আখমত আলী — উঃ মাঃ ১ম বৰ্ষ
৩য় - দেৱজিৎ বৰুৱা — স্নাতক ১ম বৰ্ষ

### - ছোৱালীৰ শ্বটপুট থ্ৰ' -

১ম - ৰুমী বেগম — উঃ মাঃ ২য় বৰ্ষ
২য় - শ্ৰী অনামিকা মালাকাৰ — স্নাতক ৩য় বৰ্ষ
৩য় - নচিফা বেগম — উঃ মাঃ ১ম বৰ্ষ

### - ল'ৰাৰ লং জাম্প -

১ম - ছাইদুৰ হুছেইন — উঃ মাঃ ১ম বৰ্ষ
২য় - অশ্বিনী কুমাৰ দাস — স্নাতক ২য় বৰ্ষ
৩য় - মতিজাৰ আহমেদ — উঃ মাঃ ২য় বৰ্ষ

### - ছোৱালীৰ লং জাম্প -

১ম - আবেদা বেগম — উঃ মাঃ ১ম বৰ্ষ
২য় - নচিফা বেগম — উঃ মাঃ ১ম বৰ্ষ
৩য় - কাকলি বৰুৱা

### - ল'ৰাৰ কিক্ বক্সিং -

১ম - দ্বীপাংকৰ মালাকাৰ
২য় - চম্পক মালাকাৰ
৩য় - জিতেন্দ্ৰ বৰুৱা — স্নাতক ১ম বৰ্ষ

### - ল'ৰাৰ কাবাদী -

| ১ম পুৰস্কাৰ ঃ | ২য় পুৰস্কাৰ |
|---|---|
| স্নাতক ১ম বৰ্ষ | স্নাতক ২য় বৰ্ষ |
| দেৱজিৎ বৰুৱা | ৰণ্টু ভৰালী |
| জিতেন্দ্ৰ বৰুৱা | প্ৰসেনজিৎ দাস |
| নয়ন বৈশ্য | ৰূপম মেধি |
| চম্পক মালাকাৰ | পাৰ্থপ্ৰতিম দাস |
| জোন মালাকাৰ | ভাস্কৰ দাস |
| ৰাজু মজুমদাৰ | দেৱাশীষ দাস |
| সঞ্জয় কুমাৰ দাস (গামা) | হৰজ্যোতি বৈশ্য |
| প্ৰফুল্ল | নৱকুমাৰ দাস |

### - ছোৱালীৰ কাবাদী -

| ১ম পুৰস্কাৰ ঃ | ২য় পুৰস্কাৰ ঃ |
|---|---|
| ৰেজিনা বেগম | দিপিকা বেজবৰুৱা |
| ৰুমী দাস | মিতালী বেজবৰুৱা |
| ৰুমী বেগম | দিপামণি হালৈ |
| মেৰিণা বেগম | কৌমি তালুকদাৰ |
| মনিজা বেগম | ৰুণুমী দাস |
| ৰিংকু বেগম (আস্মিনা) | কবিতা তালুকদাৰ |
| হেলেনা বেগম | |
| স্নেহা বেগম | |





### - ল'ৰাৰ ক্ৰিকেট -

| ১ম পুৰস্কাৰ ঃ | ২য় পুৰস্কাৰ ঃ |
|---|---|
| স্নাতক ২য় বৰ্ষ | স্নাতক ৩য় বৰ্ষ |
| ভাস্কৰ দাস | অমলেশ মালাকাৰ |
| দেৱাশীষ দাস | ভৃগু দাস |
| ৰণ্টু ভৰালী | নয়ন ঠাকুৰীয়া |
| বনজিৎ কলিতা | চন্দন মালাকাৰ |
| গোলাম আলী | অক্ষয় কলিতা |
| দুলাল | মৃদুল দাস |
| মইদুৰ ৰহমান | ধনেশ্বৰ কলিতা |
| হৰজ্যোতি বৈশ্য | ফইজনুৰ আহমেদ |
| প্ৰসেনজিৎ দাস | টিংকু মালাকাৰ |
| জয়ন্ত দাস | জেকিব দেৱান |
| নৱজ্যোতি দাস | ৰাইফুদ্দিন আহমেদ |
| ৰূপম মেধি | |

### - ল'ৰাৰ ফুটবল -

| ১ম পুৰস্কাৰ ঃ | ২য় পুৰস্কাৰ ঃ |
|---|---|
| স্নাতক ৩য় বৰ্ষ | স্নাতক ২য় বৰ্ষ |
| অমলেশ মালাকাৰ | প্ৰসেনজিৎ দাস |
| অক্ষয় কলিতা | বনজিৎ কলিতা |
| ৰাইফুদ্দিন আহমেদ | হৰজ্যোতি বৈশ্য |
| কিশোৰ | হেমন্ত |
| মৃদুল দাস | জোকাৰিয়া ৰহমান |
| আনচাৰ | ৰূপম মেধি |
| নাজিমুদ্দিন আহমেদ | দেৱাশীষ দাস |
| আনৱাৰ | ভাস্কৰ দাস |
| জেকিব দেৱান | জয়ন্ত দাস |
| ধনেশ্বৰ কলিতা | গোলাম আলী |
| | বাহাৰুল ইছলাম |

### - দেহশ্ৰী প্ৰতিযোগিতাৰ ফলাফল ঃ

১ম ব্ৰজেন চন্দ্ৰ মালাকাৰ — স্নাতক ২য় বৰ্ষ
২য় চাজিদ মোস্তাক আহমেদ — উঃ মাঃ ১ম বৰ্ষ
৩য় ..................

### - সাহিত্য প্ৰতিযোগিতাৰ ফলাফল ঃ

কবিতা শিতান ঃ
১ম তনুজা বেগম — স্নাতক ৩য় বৰ্ষ
২য় নেকিবুদ্দিন আহমেদ — স্নাতক ২য় বৰ্ষ
৩য় নিৰ্দ্ধাৰিণ কৰিব পৰা নগ'ল

চুটি গল্প শিতান ঃ
১ম সংঘমিত্ৰা হাটখোৱা — স্নাতক ২য় বৰ্ষ
২য় ছাইদুৰ ৰহমান — স্নাতক ৩য় বৰ্ষ
৩য় নিৰ্দ্ধাৰিণ কৰিব পৰা নগ'ল

ৰস ৰচনা শিতান ঃ
কোনো প্ৰতিযোগী বিবেচিত নহ'ল

### - তৰ্ক প্ৰতিযোগিতাৰ ফলাফল ঃ

১ম নেকিবুদ্দিন আহমেদ — স্নাতক ২য় বৰ্ষ
চুমি তালুকদাৰ — স্নাতক ২য় বৰ্ষ
২য় আনছেৰ আলী — স্নাতক ২য় বৰ্ষ
জুৰিমণি দাস — স্নাতক ১ম বৰ্ষ
৩য়

### - আকস্মিক বক্তৃতাৰ ফলাফল ঃ

১ম জিয়াউল হক — স্নাতক ১ম বৰ্ষ
চহিদুৰ ৰহমান (ৰিতুল) — স্নাতক ২য় বৰ্ষ
২য় নেকিবুদ্দিন আহমেদ — স্নাতক ২য় বৰ্ষ
চুমি তালুকদাৰ — স্নাতক ২য় বৰ্ষ
৩য়

### - কবিতা আবৃত্তি প্ৰতিযোগিতাৰ ফলাফল ঃ

১ম নেকিবুদ্দিন আহমেদ — স্নাতক ২য় বৰ্ষ
২য় চুমি তালুকদাৰ — স্নাতক ২য় বৰ্ষ
৩য় অনামিকা মজুমদাৰ — স্নাতক ৩য় বৰ্ষ

### - কুইজ প্ৰতিযোগিতাৰ ফলাফল ঃ

১ম জিয়াউল হকৰ দল
আনছেৰ আলীৰ দল
২য় চুমি তালুকদাৰৰ দল
চহিদুৰ ৰহমান (ৰিতুল)ৰ দল
৩য়

### ২০০৮-২০০৯ বৰ্ষৰ শ্ৰেষ্ঠ তাৰ্কিক ঃ

মঃ নেকিবুদ্দিন আহমেদ — স্নাতক ২য় বৰ্ষ

### - ২০০৮-২০০৯ বৰ্ষত গ্ৰন্থাগাৰৰ উপস্থিতি আৰু নিয়মানুবৰ্তিতাৰ ক্ষেত্ৰত শ্ৰেষ্ঠত্ব অৰ্জনকাৰী ছাত্ৰ আৰু ছাত্ৰী ঃ

মৃদুলা ৰাজবংশী — স্নাতক ২য় বৰ্ষ
ৰেজাউৰ ৰহমান — স্নাতক ২য় বৰ্ষ

❑❑❑

**Deptt. Of Folklore :**

1.Prof. (Mrs) Monmi Kakati, M.A.

**Deptt. Of Mathematics :**

1. Prof. Rajib Das, M.Sc, M. Phil

**Deptt. Of Geography :**

1. Prof. Jayanta Kumar Das, M.A, B.Ed, M. Phil.
2. Prof. (Mrs) Bharati Medhi, M.A.

**Deptt. Of Logic & Philosophy :**

1. Prof. (Ms) Sabita Kalita, M.A, B.Ed.

**PGDCA :**

1. Dr. Ramen Medhi, (Deptt. Of Political Science). **(Co-Ordinator)**

**Travel & Tourism Management :**

1. Prof. Amulya Kalita, (Deptt. Of History). **(Co-Ordinator)**
2. Sri Champak Goswami, PGTTM
3. Miss Rinima Mahanta, PGTTM

**Photography :**

1. Prof. Munindra Das,(Deptt. Of Linguistics) **(Co-Ordinator)**

## ***List Of Non-Teaching Staff :***

1. Sri Harkumar Das
2. Sri Ramesh Ch. Oza
3. Sri Kishor Kumar Das
4. Sri Manik Hatkhowa
5. Sri Binod Das
6. Sri Ratan Baruah
7. Sri Surya Bharali
8. Sri Gobinda Malakar
9. Sri Khagen Das

## ***Library Staff :***

1. Sri Hirendra Nath Bhattacharya
2. Sri Bipul Ch. Mahanta
3. Sri Kamal Krishna Das

❑❑❑


অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাবৃন্দৰ একাংশ
তত্বাবধায়িকাৰ সৈতে ছাত্ৰ একতা সভাৰ একাংশ সদস্য
College
SPORTS 2009